
# বজ্ৰ নিনাদ

জাতীয় ছহিদ
শিশুৰাম শইকীয়াৰ
ৰাজহুৱা আদ্যশ্ৰাদ্ধ উপলক্ষে
প্ৰকাশিত স্মৃতিগ্ৰন্থ




OKDISCD

Personal Copy

# বজ্রনিনাদ

জাতীয় ছহিদ শিশুৰাম শইকীয়া ৰাজহুৱা
আদ্যশ্ৰাদ্ধ উপলক্ষে প্ৰকাশিত স্মৃতিগ্ৰন্থ

জাতীয় ছহিদ শিশুৰাম শইকীয়া ৰাজহুৱা
আদ্যশ্ৰাদ্ধ উদ্‌যাপন সমিতিৰ দ্বাৰা প্ৰকাশিত
২৯ অক্টোবৰ, ২০০৬ ঃ ১১ কাতি ১৯২৮ শক

OKDISCD

সম্পাদক
লোহিত হাজৰিকা

# বজ্ৰনিনাদ

## জাতীয় শ্বহীদ শিশুৰাম শইকীয়া ৰাজহুৱা আদ্যশ্ৰাদ্ধ উপলক্ষে প্ৰকাশিত স্মৃতিগ্ৰন্থ

### সম্পাদনাৰ চোতালত

মুখ্য উপদেষ্টা ঃ পল্লৱ বৰবৰা।

সম্পাদক ঃ লোহিত হাজৰিকা।

সহঃসম্পাদক ঃ ১। মৃদুলা কলিতা।
২। কবিতা শইকীয়া।
৩। দিগন্ত শইকীয়া।
৪। গুণাৰাম শইকীয়া।
৫। প্ৰতুল শইকীয়া।

প্ৰকাশকঃ জাতীয় ছহিদ শিশুৰাম শইকীয়া ৰাজহুৱা আদ্যশ্ৰাদ্ধ উদ্‌যাপন সমিতি, ২ নং ওপৰ তৰাণি, ক'লাজান, মেৰাপানী, গোলাঘাট (অসম)।

প্ৰকাশ ঃ ২৯ অক্টোবৰ, ২০০৬

স্কেচ্ ঃ বিজু চেতিয়া

মূল্য ঃ ২০ টকা

OKDISCD



# শ্ৰদ্ধাঞ্জলি

ছহিদ শিশুৰামৰ চমু জীৱনপঞ্জী

জন্ম ঃ ৩১ডিচেম্বৰ, ১৯৮০ চন

পিতৃ ঃ লোকেশ্বৰ শইকীয়া

মাতৃ ঃ ৰাতিকী শইকীয়া

প্ৰাথমিক শিক্ষা ঃ ২নং ওপৰ তৰাণি প্ৰাথমিক বিদ্যালয়

মাধ্যমিক শিক্ষা ঃ ক'লাজান মধ্য ইংৰাজী বিদ্যালয় আৰু শংকৰ মাধৱ উচ্চ মাধ্যমিক বিদ্যালয়।

হাইস্কুল শিক্ষান্ত পৰীক্ষা উত্তীৰ্ণ ঃ শংকৰ- মাধৱ উচ্চ মাধ্যমিক বিদ্যালয়

উচ্চ শিক্ষা ঃ বৰহোলা কলেজ (অসমাপ্ত)।

ভাতৃ-ভগ্নী ঃ ককাই-ভাই ৬ জন, এগৰাকী বাইদেউ।

ৰাজহুৱা কৰ্ম ঃ ৪, ৫ মে', ২০০২ চনত 'মাছ'ৰ উদ্যোগত অনুষ্ঠিত প্ৰতিনিধি সভা আৰু ৰাইজমেলত সহ সম্পাদকৰ দায়িত্ব। ভাওনা আৰু বিহুত বিশেষ ৰাপ আছিল। ২০০২ চনত অসম সংযুক্ত মুক্তিবাহিনীত যোগদান।

মৃত্যু ঃ ২ অক্টোবৰ, ২০০৬ চন।

OKDISCD



## উচৰ্গা

অশ্ৰুসিক্ত, যন্ত্ৰণাকাতৰ জননীৰ মুক্তিৰ হকে
তেজোদিপ্ত যৌৱন, ঘাতকবাহিনীৰ অমানৱীয়
চূড়ান্ত বৰ্বৰতাৰ বলি হোৱা ৰক্তাক্ত মৃত্যুক সাবটি
লোৱা ছহিদ শিশুৰামৰ পদকমলত।

OKDISCD

# সূচীপত্ৰ


- সম্পাদকীয়ৰ পৰিবৰ্তে/৬
- ৰাষ্ট্ৰ সন্ত্ৰাসবাদী চৰিত্ৰই বন্ধ কৰিছে সমাধানৰ পথ
- চৰিত্ৰ সলনি নহ'লে আলোচনা ব্যৰ্থ হ'ব বাৰে বাৰে ঃ প্ৰকাশ মহন্ত/৭
- জাতীয় মুক্তি আন্দোলনৰ প্ৰেক্ষাপটত নয়া গণতান্ত্ৰিক মতাদৰ্শৰ প্ৰাসংগিকতা ঃ আদিত্য বড়া/১১


- জাতীয় মুক্তি আন্দোলনৰ প্ৰেক্ষাপটত নয়া গণতান্ত্ৰিক মতাদৰ্শৰ প্ৰাসংগিকতা ঃ আদিত্য বড়া / ১১


- ৰাষ্ট্ৰৰ প্ৰভুত্বকামী চৰিত্ৰক পৰ্যালোচনা কৰকঃ ইন্দ্ৰজিৎ বেজবৰুৱা / ১৫
- বিদ্ৰোহীৰে আলোচনাৰ দায়িত্ব ভাৰত চৰকাৰৰহে ঃ মতিউৰ ৰহমান / ১৭
- আইন-আদালত আৰু শিক্ষিত সমাজৰ বিশ্বাসঘাতকতাই ৰক্তাক্ত কৰিছে অসম ঃ হৰিণ মহন্ত / ১৮
- জাতিৰ মুক্তিৰ স্পৃহা বন্দুকৰ নলীৰে ৰুদ্ধ কৰিব নোৱাৰি ঃ চন্দন ফুকন/৩৭
- সংগ্ৰামী জনগণলৈ ঃ অমৃতজ্যোতি ভৰদ্বাজ/৩৮
- ছহিদ শিশুৰাম শইকীয়া ঃ অৰুণ ভৰালী/ ৩৯
- শৰাইঘাটৰ ৰণুৱা ঃ প্ৰভাকৰণ হাজৰিকা/ ৩৯
- বীৰ শ্বহীদ ঃ সূৰ্য শইকীয়া / ৪০
- শ্ৰদ্ধাঞ্জলি ঃ মইনা পাৰিজাত সংঘ/৪০
- ৰিতেন কৰ্মকাৰ, শিশুৰাম শইকীয়া... ইত্যাদি সকলৰ হত্যা, ফাঁকি এনকাউণ্টাৰ আৰু ৰাষ্ট্ৰৰ চৰিত্ৰ ঃ গৌতম গোস্বামী/৪১
- জাতীয় বীৰ শ্বহীদ শিশুৰাম শইকীয়া ওৰফে মৃদুল বৰাৰ স্মৃতিত...ঃ মামা/৪২ ■ মুক্তিৰ পথত ঃ ৰমেন চুতীয়া/৪৩
- বৌদ্ৰোজ্জল পুৱা ঃ প্ৰশান্ত চুতীয়া/৪৩ ■ শিশুৰামৰ স্মৃতিত... ঃ চুলে গগৈ/৪৪ ■ বিপন্ন অসম ঃ ৰাজেন বৰা/৪৪
- মই মৃদুলে কৈছো...ঃ দেৱী বৰুৱা/৪৫ ■ বিপ্লৱী বীৰ ঃ উপেন শইকীয়া (সৰু ককাইদেউ)/৪৫
- হে শ্বহীদ শিশুৰাম শইকীয়া ঃ কমল শইকীয়া (দেৱজীত)/৪৬, শ্বহীদ ঃ বুলু শইকীয়া/৪৬
- আৰু নাকান্দিবা আই ঃ কবিৰঞ্জন শইকীয়া/৪৭ ■ স্বাধীনতা ঃ প্ৰণৱ কুমাৰ বৰ্মন/৪৭
- মই আছো ঃ অংখাম/৪৮ ■ ধুমুহা ঃ আদিত্য শইকীয়া/৪৮ ■ অশ্ৰু-অঞ্জলি ঃ পম্পি শইকীয়া/৪৯
- তোমাৰ দৰেই হওক মোৰ মৃত্যু ঃ ঐক্য ঠেঙাল/৪৯
- হে বীৰ শ্বহীদ যাচিছোঁ তোমাক শত-সহস্ৰ প্ৰণাম ঃ বিজুমণি বৰা/৫০,
- আমাক স্বাধীনতা লাগে ঃ পৰমানন্দ ঠেঙাল/৫০ ■ শ্ৰদ্ধাৰ্ঘ ঃ প্ৰদান শইকীয়া/৫১
- শ্বহীদৰ স্মৃতিত ইতিহাসৰ জিলিকনি ঃ সপোন কুমাৰ/৫২
- এতিয়া গণসংগ্ৰামক সু-সংগঠিত কৰাৰ সময় ঃ নৰজ্যোতি হাজৰিকা/৫৪
- জাতীয় শ্বহীদ শিশুৰাম শইকীয়াৰ পবিত্ৰ স্মৃতিত একাঁজলি অশ্ৰু-অঞ্জলি ঃ প্ৰতুল শইকীয়া/৫৫
- তেল সম্পদ ঃ অসমবাসীৰ স্বাৰ্থত ব্যৱহাৰ নিশ্চিত কৰিম কেনেকৈ ঃ সত্যেন শৰ্মা/৫৬
- চাৰ্টিফিকেট জ্বলাই শুভাৰম্ভ কৰো সংগ্ৰাম ঃ কবিৰঞ্জন শইকীয়া/৫৯
- অধিকাৰ দাবী কৰাটো অপৰাধ নেকি? ঃ লোকেশ্বৰ গগৈ/৬১
- ভাইটি শিশুৰামৰ তেজাল সোঁৱৰণত ঃ উপেন শইকীয়া (সৰু ককাইদেউ)/৬২
- ঐক্যবদ্ধ সংগ্ৰামেই ''আত্মনিয়ন্ত্ৰণৰ অধিকাৰ'' সাব্যস্তৰ উৎকৃষ্ট পন্থা ঃ দেৱজিত গগৈ/৬৩
- শান্তি আলোচনাৰ নামত কেন্দ্ৰৰ প্ৰতাৰণা ঃ অসমৰ তেজ মচি দিব খোজা প্ৰধান মন্ত্ৰীৰ নিৰ্দেশতে চলিছে তেজাল যুৱকৰ হত্যা ঃ অৰূপ শইকীয়া/৬৬
- জাতীয় মুক্তিৰ শেষ অস্ত্ৰ গণযুদ্ধ ঃ কানাইলাল কুৰ্মী/৬৮
- জাতীয় শ্বহীদ দাদাৰ পবিত্ৰ স্মৃতিত... ঃ পূৰ্ণিমা হাজৰিকা/জ্যোতি হাজৰিকা ৭০
- জাতীয় শ্বহীদ শিশুৰাম শইকীয়ালৈ শ্ৰদ্ধাঞ্জলি ঃ বুলু শইকীয়া(মামা)/৭১ ■ **পৰিয়ালৰ ফটো** /৭২

সম্পাদকীয়ৰ পৰিবৰ্তে

# এতিয়া মাথোঁ প্ৰয়োজন ঐক্যবদ্ধ সংগ্ৰামৰ...

কল্যানকামী ৰাষ্ট্ৰৰ মূল লক্ষ্য হ'ব লাগে ৰাষ্ট্ৰখনৰ সকলো জনগণৰ মংগল-কল্যাণৰ বাবে সকলো প্ৰকাৰৰ পদক্ষেপ গ্ৰহণ কৰা। জনগণৰ এখন কল্যাণকামী ৰাষ্ট্ৰ হিচাপে জনগণৰ প্ৰতি আশা-আকাঙ্খাক মূৰ্ত কৰাৰ ক্ষেত্ৰত ৰাষ্ট্ৰ জনগণৰ ওচৰত দাযবদ্ধ। কিন্তু এই মুলুকৰ কল্যানকামী (?) ভাৰতৰাষ্ট্ৰৰ মূল লক্ষ্য হ'ল জনগণক সন্ত্ৰাসিত কৰি, জনগণক সকলো অধিকাৰৰ পৰা বঞ্চিত কৰি সাম্প্ৰদায়িক সংঘৰ্ষ, গোষ্ঠী সংঘাতৰ সৃষ্টি কৰি জনগণক শোষণ, লুণ্ঠন, অৱদমনৰ দ্বাৰা এমুঠিমান ধনৱান মানুহক পুঁজিপতি শ্ৰেণীলৈ উত্তৰণ ঘটোৱা। বহুতে স্বাধীন ৰাষ্ট্ৰ বুলি কোৱা কিন্তু আমাৰ বিশ্বাস নোহোৱা এই ভাৰত ৰাষ্ট্ৰৰ ৬০ বছৰীয়া কল্যানকামী নমুনাবোৰ পৰ্যালোচনা কৰি চালেই আমি এই কথা হৃদয়ংগম কৰিব পাৰিম। তেন্তে ঐতিহাসিকভাৱেই স্বাধীনচিতীয়া, বীৰত্বৰ বহু সোণালী ঐতিহ্য থকা এই অসমীয়া জাতিয়ে দীৰ্ঘদিনীয়া শোষণ, লুণ্ঠন, অৱদমনৰ পৰা মুক্ত হ'বৰ বাবে কি ব্যৱস্থা হাতত লোৱা উচিত? যদি উপকৃত হোৱা নাই, কিয় হোৱা নাই? এই সমুহ প্ৰশ্নৰ উত্তৰ বিচাৰিলেহে বা এতিয়ালৈকে কাৰ্যব্যৱস্থাসমূহ বিশ্লেষণ কৰিলেহে অনাগত দিনবোৰত আমি কি ব্যৱস্থাৰে আগবাঢ়িলে জাতীয় অধিকাৰ সাব্যস্ত হ'ব তাক নিৰূপণ কৰিব পাৰিম। শত্ৰুৰ ৰণকৌশল মযিমূৰ কৰিব পৰাকৈ আমিও আমাৰ ৰণকৌশল সলনি কৰিব লাগিব।

ইতিহাসৰ বিভিন্ন সময়ত অসমবাসীয়ে নিজৰ প্ৰাপ্য অধিকাৰ বিচাৰি গণ সংগ্ৰাম কৰি আহিছে। এই সংগ্ৰামসমূহ বৰ্তমানৰ অভিভাৱক ৰাষ্ট্ৰই হয় দমন কৰিছে নহ'লে সংগ্ৰামী নেতৃত্বক বিভিন্ন প্ৰলোভনেৰে হাত কৰি, চুক্তি কৰি, ৰাজ্যশাসনৰ বাঘজৰী হাতত দি সংগ্ৰামসমূহৰ অসফল সমাপ্তি ঘটাইছে। ফলত গৰিষ্ঠসংখ্যক জনগণ উপকৃত নৌ হওঁতেই সংগ্ৰামৰ ইতি পৰিছে। ইয়াৰ এক জলন্ত উদাহৰণ বিদেশী বহিষ্কাৰ আন্দোলন, গণতান্ত্ৰিক অহিংস আন্দোলনবোৰৰ পৰিসমাপ্তি এনে হোৱাৰ বাবেই আৰু সংগ্ৰামসমূহৰ প্ৰতি ৰাষ্ট্ৰৰ দৃষ্টিভংগীৰ ৰূপ দেখিয়েই অসমৰ জনগণ সশস্ত্ৰ সংগ্ৰামৰ প্ৰতি আকৃষ্ট হ'ল আৰু স্বাভাৱিকতেই সশস্ত্ৰ সংগ্ৰামৰ প্ৰাসংগিকতা আহি পৰিল, নিজৰ জীৱনক তুচ্ছ জ্ঞান কৰি জাতিৰ স্বাৰ্থত ওলাই অহা ডেকা-গাভৰুসকলৰ আহ্বানক স্বীকাৰ কৰি প্ৰত্যক্ষ কিম্বা পৰোক্ষভাৱে জাতীয় মুক্তি সংগ্ৰামখনক আগবঢ়াই নিওঁতে দহ হাজাৰতকৈ অধিকে নিজৰ প্ৰাণ আহুতি দিলে। বহু বিপৰ্যয়ৰ পাছতো বৰ্তমানেও সঠিকভাৱে নেতৃত্ব দিয়া মুক্তি সেনানীসকলৰ ওপৰতেই জনগণে বহু আশা কৰিছে। কিন্তু জনগণে আশা কৰাৰ লগে লগে নিজৰ দায়িত্ব আৰু কৰ্তব্যৰ প্ৰতিও সজাগ সচেতন হ'ব লাগিব। জনগণৰ আশা-ভৰসাৰ একমাত্ৰ সম্বল জাতীয় মুক্তি সংগ্ৰামখনক ধ্বংস কৰিবৰ বাবে ৰাষ্ট্ৰৰ নিত্য-নতুন কৌশলসমূহ বিশ্লেষণ কৰি এক সিদ্ধান্তত উপনীত হ'ব পাৰি যে জনগণ ঐক্যবদ্ধভাৱে এই সংগ্ৰামত চামিল হ'ব লাগিব। নহ'লে নিস্তাৰ নাই। জীয়াই থকাৰ সকেলা বাট ইতিমধ্যে ৰুদ্ধ হৈ পৰিছে। গতিকে আমোল পৰিৱৰ্তনৰ বাবে এতিয়া মাথোঁ প্ৰয়োজন ঐক্যবদ্ধ সংগ্ৰামৰ...।

এনে প্ৰয়োজনীয়তা উপলব্ধি কৰিয়েই বসবাস কৰা দিনৰেপৰা সীমা সমস্যাত জৰ্জৰিত; মাটিৰ চৰ্ত নথকা মানৱীয় সকলো অধিকাৰৰ পৰা বঞ্চিত আমি সীমান্তবাসীয়ে জাতীয় বীৰ শ্বহীদ শিশুৰামৰ আদ্যশ্ৰাদ্ধৰ লগত সংগতি ৰাখি এখন 'স্মৃতিগ্ৰন্থ' প্ৰকাশ কৰাৰ সিদ্ধান্ত ল'লো। অসমৰ অগ্ৰজ সংগ্ৰামীসকলৰ নিকা চিন্তাৰে প্ৰস্তুত কৰা বিভিন্ন লেখা আমালৈ পঠিয়াই আমাৰ এই প্ৰচেষ্টাক উৎসাহিত কৰিলে। তাৰ বাবে লেখকসকলক ধন্যবাদ দি লঘু কৰাৰ পৰিৱৰ্তে জাতীয় দায়বদ্ধতাক স্বীকাৰ কৰাৰ বাবে শলাগ ল'লো। খুউব কম সময়ৰ ভিতৰতে স্মৃতিগ্ৰন্থখনি প্ৰস্তুত কৰিবলগা হোৱা বাবে আমাৰ পূৰ্ব পৰিকল্পনাত অনুসৰি কৰিব নোৱৰাৰ যথেষ্ট ভুল-ত্ৰুটি থাকি গৈছে। আমাৰ সমস্ত দোষৰ বাবে এইখিনিতে ৰাইজৰ ওচৰত মাৰ্জনা বিচাৰিলোঁ।

অসমৰ জাতীয় মুক্তি সংগ্ৰাম দীৰ্ঘজীৱী হওক।

**লোহিত হাজৰিকা**

# ৰাষ্ট্ৰৰ সন্ত্ৰাসবাদী চৰিত্ৰই বন্ধ কৰিছে সমাধানৰ পথ
# চৰিত্ৰ সলনি নহ'লে আলোচনা ব্যৰ্থ হ'ব  বাৰে বাৰে

প্ৰকাশ মহন্ত



*এই কথাও সঁচা যে আলফাত মধ্যবিত্তৰ অধিপত্যবাদী শ্ৰেণী এটাৰ প্ৰভাৱ এতিয়াও আছে। আলোচনাৰ ছাঁতে সক্ৰিয়হৈ থকা এই চামটোৰ লক্ষ্য পিছে আলফাক আলোচনাত বহুৱাই জনগণৰ হেঁপাহৰ অধিকাৰ, আলফাৰ ইপ্সিত স্বাধীনতা আদায়ত সহযোগ কৰা নহয়, বৰং ইয়াৰ নামতে কেনেবাকৈ ক্ষমতা ভোগ কৰিব পাৰি নেকি তাৰ সুৰঙা বিছাৰি ফুৰে বুলি সন্দেহৰ স্থল আছে।*

২৩ অক্টোবৰ নিশা হাফলঙৰ পৰা প্ৰায় ১২০ কিলোমিটাৰ দূৰৰ উমৰাংছু থানাৰ অন্তৰ্গত জ্ঞনজুং নামৰ ঠাইত উত্তৰ কাছাৰৰ বিদ্ৰোহী সংগঠন ডিমা হালম দেউগাৰ ১৩ জন কেডাৰক ভালেমান অস্ত্ৰসহ সেনাবাহিনীৰ লোকে আটক কৰিছে। সশস্ত্ৰ বিদ্ৰোহীক ভাৰতীয় সেনাই আটক কৰাটোত অস্বাভাৱিকতা একো নাই। কিন্তু তাৎপৰ্য পূৰ্ণ কথাটো হ'ল আটক কৰা ডি এইছ ডি সদস্যসকলৰ দিলীপ নুনিচা গোটৰ যিয়ে কেন্দ্ৰীয় চৰকাৰৰ লগত যুদ্ধবিৰতি চুক্তি কৰি যোৱা তিনিবছৰত মুঠ পাঁচবাৰ দিল্লীৰ সৈতে প্ৰত্যক্ষ আলোচনাত বহিছে। যুদ্ধবিৰতিৰ আধাৰ নীতি মতে এই কেডাৰ সকল চৰকাৰৰ পৰ্যবেক্ষণত থকা বিশেষ শিবিৰত থাকিব লাগে আৰু নিৰ্ধাৰিত তত্বাবধায়ক তথা আৰক্ষীৰ অনুমতিসাপেক্ষেহে ব্যক্তিগত কামতো দূৰলৈ যাব পাৰে। এতিয়া প্ৰশ্নটো হ'ল এনে কঠোৰ নীতি নিৰ্দেশনাৰ পিচতো ১৩ গৰাকী কেডাৰ বৃহৎ অস্ত্ৰ-সস্ত্ৰ সহ নিশা ইমান দূৰলৈ কিয় গৈছিল? সংগঠনটোৰ মুৰব্বী দিলীপ নুনিচাই ইতিমধ্যে ইয়াৰ ব্যাখ্যা দাঙি ধৰি কৈছে যে যদিও যুদ্ধবিৰতি চুক্তি কৰি সংগঠনটো যোৱা ৩ বছৰ কেন্দ্ৰীয় চৰকাৰৰ সৈতে আলোচনা অব্যাহত ৰাখিছে তথাপি প্ৰকৃত সমস্যা অৰ্থাৎ বিদ্ৰোহী সংগঠনটোৰ দাবী পূৰণৰ দিশত এই আলোচনা অব্যাহত ৰাখিছে তথাপি প্ৰকৃত সমস্যা অৰ্থাৎ বিদ্ৰোহী সংগঠনটোৰ দাবী পূৰণৰ দিশত এই আলোচনাৰ

OKDISCD

কোনো অগ্ৰগতি নাই। তেওঁ লগতে অভিযোগ কৰিছে যে যুদ্ধবিৰতি চুক্তি কৰি স্থায়ী শান্তিৰ স্বাৰ্থত সশস্ত্ৰ কাৰ্যকলাপ নিয়ন্ত্ৰন কৰি নিৰস্ত্ৰভাৱে থকাৰ সুযোগ গ্ৰহণ কৰি ডি এইছ ডিৰ প্ৰতিদ্বন্দ্বী সংগঠনে তেওঁলোকৰ ওপৰত ধাৰাবাহিক আক্ৰমণ অব্যাহত ৰাখিছে যদিও প্ৰশাসন এইক্ষেত্ৰত নিৰ্লিপ্ত হৈ আছে। চৰকাৰ তথা প্ৰশাসনৰ এনে প্ৰৱঞ্চনামূলক ৰহস্যপূৰ্ণ স্থিতিত অতিষ্ঠ থকা অধৈৰ্য হৈয়ে ভালে সংখ্যক কেডাৰে নিজৰ নিৰাপত্তাৰ তাগিদাত বিশেষ শিবিৰৰ পৰা পলাই যোৱা বুলি ব্যক্ত কৰি ২২ অক্টোবৰৰ নিশা সেনাৰ হাতত বন্দী হোৱা সকলো অতিষ্ঠ হৈ পলাই যোৱা সদস্য বুলি প্ৰকাশ কৰিছে নুনিচাই। এই পৰিস্থিতিৰ বাবে তেওঁ (নুনিচা) কেন্দ্ৰীয় চৰকাৰকে জগৰীয়া কৰিছে।

কেইদিনমানৰ আগেয়ে উত্তৰ পূবৰ প্ৰধান বিদ্ৰোহী সংগঠন এন এছ চি এন (আই এম)ৰ তৰফৰ পৰাও কেন্দ্ৰীয় চৰকাৰ বিৰুদ্ধে এই অভিযোগ তোলা হৈছে যে ১৯৯৭ চনতে যুদ্ধ বিৰতি চুক্তি কৰি শান্তি আলোচনা অব্যাহত ৰখা এন এছ চি এন (আই এম)ৰ দাবী পূৰণৰ পৰিবৰ্তে বিদ্ৰোহী সংগঠনটোক ধংস কৰাৰ বাবে চৰকাৰে প্ৰতিদ্বন্দ্বী খাপলাং নেতৃত্বাধীন গোটটোক ভাৰতীয় সেনাৰ জৰিয়তে অস্ত্ৰ-সস্ত্ৰৰ যোগান ধৰিছে। এনে গুৰুতৰ অভিযোগৰ পৰিপ্ৰেক্ষিততে আমষ্টাৰদামত অনুষ্ঠিত এন এছ চি এন (আই এম) আৰু চৰকাৰৰ মাজৰ শেহতীয়া আলোচনাত বিফল হৈছে।

একেই পৰিস্থিতি অসমৰ বড়ো বিদ্ৰোহী সংগঠন এন ডি এফ বি আৰু কাৰ্বি বিদ্ৰোহী সংগঠন ইউ পি ডি এছৰ ক্ষেত্ৰতো সৃষ্টি হৈছে। ইউ পি ডি এছৰে যুদ্ধবিৰতি চুক্তি কৰি আলোচনা অব্যাহত ৰখা চৰকাৰে সংগঠনটোৰ দাবীৰ পৰিবৰ্তে এক বিকল্প প্ৰস্তাৱ দিয়াৰ কথা আছিল যদিও এনে প্ৰস্তাৱৰ ক্ষেত্ৰত নিৰৱতা অৱলম্বন কৰি ডি এইছ ডি-ইউ পি ডি এছৰ মাজত সংঘাত বৃদ্ধিতহে উদ্গনি যোগাই আছে। এই কথা সচেতন সকলোৰে অৱগত যে এনে এক অভিসন্ধিৰ পৰিণতি স্বৰূপেই যোৱা বছৰ উত্তৰ কাছাৰ কাৰ্বি আংলঙত ভয়ানক গোষ্ঠী সংঘৰ্ষৰ সূত্ৰপাত ঘটিছিল আৰু অগণন লোকে প্ৰাণ দিছিল, সা-সম্পত্তি ধ্বংস হৈছিল। আকৌ এন ডি এফ বিৰে যুদ্ধবিৰতি চুক্তি হোৱাৰ এটা বছৰ পূৰ হোৱাৰ পাছতো আলোচনাৰ নামত চৰকাৰে এটা খোজো আগবঢ়োৱা নাই। যাৰ পৰিপ্ৰেক্ষিতত বিদ্ৰোহী সংগঠনটোৰ নেতৃত্বই শান্তি প্ৰক্ৰিয়াৰ পৰা ওলাই যোৱাৰ ভাবুকি প্ৰদান কৰিছে।

এই প্ৰসংগকেইটা আৰম্ভণীতে উল্লেখ কৰি লোৱাৰ কাৰণ হ'ল তথাকথিত কল্যানকামী ৰাষ্ট্ৰ ভাৰত চৰকাৰে উত্তৰ-পূবৰ বিদ্ৰোহৰ সমাধানৰ বাবে সদায় প্ৰথমে সেনাৰে মোকাবিলা সমান্তৰালভাৱে বিভাজনৰ চক্ৰান্ত আৰু দুয়োটা পদ্ধতিৰে নোৱাৰিলে শান্তি আলোচনাৰ নামত যুদ্ধবিৰতি চুক্তিৰে বিদ্ৰোহী গোটক নিষ্ক্ৰীয় কৰা পদ্ধতিহে যে অৱলম্বন কৰি আহিছে, উল্লিখিত প্ৰসংগকেইটা ভাৱেই উপযুক্ত উদাহৰণ। উত্তৰ কাছাৰ আৰু কাৰ্বি আংলঙৰ আলোচনাৰত বিদ্ৰোহী সংগঠন ডি এইছ ডি (নুনিচা) আৰু ইউ পি জি এছক নিঃশেষ কৰাৰ বাবে চৰকাৰৰ লগত আলোচনা বিচাৰ কৰি সৃষ্টি হোৱা ব্লেক উইড ৰূপে পৰিচিত ডি এইছ ডি (জে) আৰু কে এল এন এফ ক খোদ ৰাষ্ট্ৰবাহিনীয়েই ব্যৱহাৰ কৰি থকা বুলি উঠা অভিযোগ এইক্ষেত্ৰত উল্লেখযোগ্য। বড়োলেণ্ডৰ দাবীত গঠিত বড়ো ছিকিউৰিটি ফ'ৰ্চক বিভাজিত কৰি ফাটি অহা গোটক অস্ত্ৰ-শস্ত্ৰেৰে সহায় কৰি ৰাষ্ট্ৰই কেনেদৰে বড়োসকলৰ সংগ্ৰামৰ সমান্তৰালকৈ বড়ো জাতিৰ মাজতে ভ্ৰাতৃঘাতি সংঘৰ্ষৰ সূচনা কৰিছিল সেয়াও প্ৰণিধানযোগ্য। অৱশ্যে বড়োসকলৰ বিপ্লৱী শক্তিয়ে অতি বিচক্ষণতাৰে বাৰে বাৰে এনে কৌশল বুমেৰাং কৰি ৰাষ্ট্ৰলৈকে ওভতাই নিক্ষেপ কৰি আহিছে।

আলফাক বিভাজিত কৰি নিঃশেষ কৰাৰ বাবেও আৰম্ভণিৰে পৰা ৰাষ্ট্ৰই চেষ্টা নচলোৱাকৈ থকা নাই। কিন্তু উত্তৰ-পূবৰ জনগোষ্ঠীয় বিদ্ৰোহী সংগঠন আৰু সাৰ্বভৌম অসমৰ দাবীত সংগ্ৰামৰত আলফাৰ বিৰুদ্ধে চলোৱা অভিযানৰ ক্ষেত্ৰত এটা প্ৰধান আৰু সকলোৰে দৃষ্টিত পৰা পাৰ্থক্য হ'ল মধ্যবিত্তীয় শ্ৰেণীৰ প্ৰভাৱ থকা আলফাৰ ক্ষেত্ৰত লোভনীয় প্ৰস্তাৱেৰে আত্মসমৰ্পন কৰাই এচামক আলফা তথা অসমৰ জাতীয় সংগ্ৰামৰ বিৰুদ্ধেই ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত ৰাষ্ট্ৰ অধিক পৰিমানে সফল হৈছে। কিন্তু জনগোষ্ঠীয় (জনজাতীয়) সংগ্ৰামৰ ক্ষেত্ৰত এই কৌশলে বৰকৈ কাম দিয়া নাই যদিও সামুহিক অধিকাৰৰ টোপ দিয়েই এইবোৰক বিভাজিত কৰাত ৰাষ্ট্ৰ সফল হৈছে। যাৰ উদাহৰণ এন এছ চি এনৰ আই এম খাপলাং গোট, বড়ো বিদ্ৰোহত এন ডি এফ বি-বি এল টি, কাৰ্বিত ইউ পি ডি এছ-কে এল এন এল এফ, ডিমাচাত ডি এইছ ডি (নুনিচা) ডি এইছ ডি (গাৰৱোচা) আদি এই কথা পিছে অতি স্পষ্ট যে ১০ হাজাৰ আলফা সদস্যক প্ৰলোভনেৰে আত্মসমৰ্পন কৰাই আলফাক ধংস কৰাৰ বাবে ৰাষ্ট্ৰই চলোৱা প্ৰচেষ্টা সম্পূৰ্ণৰূপে বিফল হৈ নিৰ্বোধ ৰাষ্ট্ৰৰ বাবে এই প্ৰচেষ্টাও অৱশেষত বুমেৰাংহে হৈছেগৈ। ৰাষ্ট্ৰৰ এই কৌশলৰ কেৰোনটো প্ৰাথমিক পৰ্যায়তে । কিয়নো যি ল'ৰা নিজৰ ব্যক্তিগত নিৰাপদ জীৱন তথা ভোগ বিলাসৰ স্বাৰ্থত সংগ্ৰামৰ মজিয়া ত্যাগ কৰিবলৈ প্ৰস্তুত সেই ল'ৰাই আকৌ ভোগ-বিলাস তথা নিৰাপদ জীৱন এৰি সশস্ত্ৰ সংগ্ৰামীৰ লগত যুদ্ধ কৰিবলৈ কিয় যাব। নিৰাপত্তা বাহিনীয়ে হত্যাৰ ভাবুকিৰে মাজে সময়ে বা ইয়াৰ দুৰ্বল শ্ৰেণীটোক ব্যৱহাৰ কৰিবলৈ সমৰ্থবান হ'লেও সেয়াযে একেবাৰে অস্থায়ী আৰু বিস্বাসহীন সেই কথা অসৎ অভিপ্ৰায় যুক্ত পৰিকল্পনা কালত ৰাষ্ট্ৰই উপলব্ধিকে কৰিব নোৱাৰিলে। ইয়াৰ বিপৰীতে পিছে আলফাৰ নেতৃত্বক অধিক বিচক্ষন অধিক সৰ্তক বুলি স্বীকাৰ কৰি ল'বলৈ সকলো বাধ্য। যদি সুক্ষ্মভাৱে সৃষ্টি কালৰ পৰা আলফাৰ কাৰ্যকলাপ পৰ্যবেক্ষণ কৰা যায় তেনেহলে আলফাই

কৰা বহু ভুল কামৰ মাজতো ৰাষ্ট্ৰ ব্যৱস্থাটোৰ চৰিত্ৰ আৰু ই সৃষ্টি কৰা প্ৰত্যাহ্বান ওফৰোৱাৰ ক্ষেত্ৰত বিদ্ৰোহী নেতৃত্বৰ ৰাজনৈতিক বিচক্ষনতাও চকুত পৰিব। আৰু সেই বাবেই আলফা দিল্লীৰ দৃষ্টিত উত্তৰ-পূবত সকলোতকৈ ডাঙৰ শত্ৰুত পৰিণত হৈছে বুলিও ক'ব লাগিব। এই ক্ষেত্ৰত কিছু বিস্তৃত আলোচনাৰ প্ৰয়োজন যদিও সেয়া এটা প্ৰবন্ধতে সামৰি থব পৰা নাযায়। তথাপি সংক্ষেপে আলোচনা কৰিলেও কিছুমান বিষয় পৰিষ্কাৰ হৈ পৰিব। ১৯৭৯ চনত জন্ম পোৱা আলফা বিদেশী বিতাৰনৰ বাবে হোৱা

**কংগ্ৰেছ বিজেপি আৰু জাতীয়তাবাদীৰ স্বৰূপ চিনি পোৱাৰ পিচত অসমৰ বাওঁপন্থী দলসমূহৰ ওপৰতে শেষ ভাৰসা স্থাপনৰ যি বাতাৱৰণ ৯০ দশক পুনৰ গঢ় লৈ উঠিছিল সেয়াও ১৯৯৬ চনৰ চাৰিদলীয় মৰ্চা চৰকাৰৰ কাৰ্যকলাপে ধূলিসাৎ কৰি পেলালে।**

জাতীয়তাবাদী আন্দোলনটো মাজতে এক সুকীয়া সত্বালৈ ১৯৮৭-৮৮ পৰ্যন্ত সংক্ষিপ্ত কাৰ্যসূচীৰে বৰ্ত্তী থাকিল। ইয়াৰ জৰিয়তে দুটা বিষয়ত অসমৰ জনসাধাৰণক অভিজ্ঞতাৰ পৰা শিক্ষা লোৱাৰ সুযোগ দি সসস্ত্ৰ সংগ্ৰামৰ প্ৰাসংগিকতাক সবল ৰূপত তুলি ধৰাৰ সুযোগ ললে বুলিও কব পাৰি। সেয় হ'ল আমাৰ ৰাষ্ট্ৰব্যৱস্থাটোৰে গনতান্ত্ৰিক সংগ্ৰামৰ প্ৰতিও তেনে মনোভাৱ পোষণ কৰে আৰু এনেধৰণৰ জাতীয়তাবাদী সংগ্ৰামৰ নেতৃত্বত সোমাই থকা মধ্যবিত্তৰ প্ৰভুত্ববাদী শ্ৰেণীটোৱে ইয়াৰ মাধ্যমৰে ক্ষমতা ভোগৰ সুযোগলৈ কেনেদৰে জনসাধাৰনক বিশ্বাসঘাটকটা কৰিব পাৰে সেয়া।

১৯৯০ চনত গনতান্ত্ৰিক ভাৱে নিৰ্বাচিত চৰকাৰ এখন হঠাৎ পুজিপতিৰ স্বাৰ্থ বিঘ্নিতহোৱাৰ অজুহাতত ভাঙি দি অসমৰ ৰাইজৰ ওপৰত সেনামেলি দিয়া হ'ল। ৰাষ্ট্ৰই ভাবিছিল সেনাৰ অভিযান আলফাৰ কণ কঠীয়া মাৰিব। পিছে এই কৌশলেও পৰোক্ষভাৱে আলফাৰে স্থিতিহে শক্তিশালি কৰিলে বুলিব পাৰি। কিয়নো গনতান্ত্ৰিক ব্যৱস্থাটোৰ প্ৰতি ৰাষ্ট্ৰ যিমান অবিস্বাসী সেইকথা গনতান্ত্ৰিক চৰকাৰ ভংগ কৰি সেনামেলি দিয়াৰ কাৰ্যৰ জৰিয়তে স্পষ্ট হৈ পৰাৰ সমানে আলফাৰ প্ৰতি সমৰ্থন সহানুভূতি বৃদ্ধি পোৱাৰ সমানে সশস্ত্ৰ সংগ্ৰামৰ প্ৰাসংগিকতাও সবল হ'ল।

১৯৯১ চনত পুনৰ কংগ্ৰেছ ক্ষমতালৈ আহিল। অ গ পৰ অপশাসনে ক্ষুব্ধ কৰি তোলা অগপৰ প্ৰশাসনে দুৰ কৰি তোলা ৰাইজৰ মাজেৰে যিটো অংশই কংগ্ৰেছেই ভাল আছিল বুলি ভাবিবলৈ লৈছিল হিতেশ্বৰ শইকীয়াৰ চৰকাৰে অত্যাচাৰী প্ৰাশাসনেৰে তাক পুনৰ নসাৎ কৰিলে। ইপিনে আত্মসমৰ্পনৰ আঁচনিৰে আলফাক ৰামটাঙোন দিবলৈ ৰচা পৰিকল্পনাও আত্মঘাটী আভিযানতহে পৰিণত হ'ল। কিয়নো বিস্বাসঘাটকতাৰে বিদ্ৰোহৰ মজিয়া ত্যাগ কৰা সকলক আদৰি নোলোৱাৰ দৰে ৰাষ্ট্ৰয়ো আত্মসমৰ্পণকাৰী সকলক সংগঠিত ৰূপদি আলফাৰ বিৰুদ্ধে ব্যৱহাৰ কৰাৰ বাবে বিস্বস কৰিব নোৱাৰা অৱস্থাত পৰিল। সেয়ে তেতিয়াৰ পৰাই আলফাক আলোচনাপন্থী আৰু আলোচনা বিৰোধী ৰূপে দুটা ভাগত বিভাজিত কৰাৰ ষড়যন্ত্ৰ আৰম্ভ হ'ল আৰু এতিয়ালৈকে অব্যাহত আছে যদিও অতি সৰ্তক আৰু বিচক্ষনতাৰে আলফা নেতৃত্বই ইয়াৰ মোকাবিলা কৰি চলিছে।

কংগ্ৰেছ, বিজেপি আৰু জাতীয়তাবাদীৰ স্বৰূপ চিনি পোৱাৰ পিছত অসমৰ বাওঁপন্থী দলসমূহৰ ওপৰতে শেষ ভৰষা স্থাপনৰ যি বাতাৱৰণ ৯০ দশক পুণৰ গঢ়লৈ উঠিছিল সেয়াও ১৯৯৬ চনৰ চাৰিদলীয় মৰ্চা চৰকাৰৰ কাৰ্যকলাপে ধুলিসাৎ কৰি পেলালে। প্ৰমোদ গগৈৰ দৰে নেতা থকা চৰকাৰ গুপ্ত হত্যা অভিযানৰ বিভীষিকাই বাওঁপন্থী মধ্য ভোগীৰ স্বৰূপ উদঙাই দিলে।

অৰ্থাৎ সকলোবোৰ সাম্ভাব্য বিকল্পৰ পৰীক্ষা নিৰীক্ষাৰ জৰিয়তে অভিজ্ঞতা আহৰণৰ সুযোগ প্ৰদান কৰি আলফাই নিজৰ প্ৰাসংগিকতা ক্ৰমাৎ বঢ়াই নিয়াৰ সমানে জনবিৰোধী ৰূপত ৰাষ্ট্ৰক উপস্থাপন কৰাৰ ক্ষেত্ৰতো ৰাষ্ট্ৰৰ আত্মঘাটি পদক্ষেপ সমূহেই বিদ্ৰোহী সংগঠনটোক সুযোগ উলিয়াই দিলে বুলিব পাৰি।

এইবাৰ আহো আলোচনাৰ প্ৰসংগলৈ। উত্তৰ পূবৰ অন্যান্য বিদ্ৰোহী সংগঠনৰ লগত চৰকাৰে অব্যাহত ৰখা আলোচনা বিশেষকৈ ১৯৯৭ চনৰে পৰা শান্তি আলোচনাৰ নামতে যুদ্ধবিৰতি চুক্তি আবদ্ধ হৈ থকা এন এছ চি এন (আই এম) ৰ প্ৰতি চৰকাৰৰ আচৰণ অতি সতৰ্কতাৰে পৰ্যবেক্ষন কৰা আলফাই ৰাষ্ট্ৰৰ বৰ্ত্তমানৰ চৰিত্ৰ সংসোধন নোহোৱাকৈ আলোচনাত বহাৰ প্ৰতি দৰাচলতে আগ্ৰহী আছিল বুলি ক'ব নোৱাৰি। ইয়াৰ মানে নিশ্চয়

আলফাক শান্তি বিৰোধী বুলিও ক'ব নোৱাৰি। কিন্তু ইয়াৰ আলমলৈ আলফাত আলোচনা পন্থী আলোচনা বিৰোধী দুটা অংশৰ কাল্পনিক অৱস্থিতিৰ প্ৰচাৰ চলাই অৰবিন্দ ৰাজখোৱা আৰু পৰেশ বৰুৱাৰ মাজত সংঘাট সৃষ্টিৰ বাবে চৰকাৰে যি কৌশল ৰচনা কৰিছিল আৰু ২৭ বছৰীয়া ৰক্তাক্ত সংগ্ৰামে অসমত সৃষ্টি কৰা অস্থিৰ পৰিস্থিতিৰ অৱসানৰ বাবে ৰাইজৰ মাজত যি আগ্ৰহ ক্ৰমাত সবল হ'বলৈ ধৰিছিল সেই বিষয়বোৰ বাস্তৱলৈ টানি আনি ইয়াৰ আন্তঃসাৰ শূন্যতাক প্ৰতিপন্ন কৰি দিয়াৰ সুযোগ ভাৰত চৰকাৰে শেষতীয়া শান্তি প্ৰক্ৰিয়াৰ জৰিয়তে আলফাক পুনৰ প্ৰদান কৰিলে। আলফাই আলোচনাৰ প্ৰতি আগ্ৰহ দেখুৱাই প্ৰক্ৰিয়াটোক আগুৱাই নিবলৈ সম্পূৰ্ণ গণতান্ত্ৰিক ভাৱে পি চি জি গঠন কৰি দিলে দিল্লীৰ দাবী অনুসৰি আলোচনালৈ আগ্ৰহ প্ৰকাশ কৰি আনুষ্ঠানিক পত্ৰও দিলে। ইয়াৰ বিপৰীতে ৰাষ্ট্ৰই পি চি জিৰে আলোচনাৰ সমান্তৰালভাৱে আলফা নিধন অভিযান অব্যাহত ৰখা সত্বেও শান্তি স্থাপনৰ স্বাৰ্থত আলফা নিৰস্ত্ৰহৈ ৰ'ল। আনকি শান্তি স্থাপনৰ স্বাৰ্থতে যোৱা বিধান সভা নিৰ্বাচনত আলফা নিষ্ক্ৰীয় অৱস্থাত থাকি কংগ্ৰেছ দল তথা তৰুণ গগৈক নজীৰ বিহীনভাৱে দ্বিতীয়বাৰলৈ চৰকাৰ গঠন সুযোগ দিলে। কিন্তু কুকুৰ নেজ যিমানেই দীঘল নহওক নিজে পাৰি বহে বুলি অসমৰ ৰাইজৰ মাজতো প্ৰচলিত আপ্ত বাক্যশাৰীৰ প্ৰমাণ দাঙি ধৰি চৰকাৰে নিজৰ ঠাইৰ পৰা লৰচৰ নকৰি নানা চলাহী চাতুৰ্যৰে পি চি জিৰে হোৱা আলোচনাৰ সিদ্ধান্ত কাৰ্যকৰী কৰণৰ পৰা বিৰত থাকিল। যি কেইজন বন্দী নেতাৰ মুক্তি প্ৰসংগ পি চি জিৰ মাধ্যমত প্ৰক্ৰিয়াটো আগুৱাই নিয়াৰ প্ৰথম চৰ্ত আছিল। সেই বন্দী মুক্তিক ৰাষ্ট্ৰই ওলোটাই আলফাৰ লগত আলোচনাত বহাৰ চৰ্তত পৰিণত কৰি সেনা অভিযান স্থগিত কৰণৰ বদান্যতা দেখুৱাই অৱশেষত ইয়াৰ অজুহাততে প্ৰক্ৰিয়াটোৰ পৰা ফালৰি কাটি গল। ইয়াৰ আৰৰ কথাটো হল দৰাচলতে চৰকাৰ আলোচনাৰ লগতে আলফাৰ লগতো যুদ্ধবিৰতি চুক্তি কৰি এন এছ চি এনৰ আৰ্হিতে অনিদিষ্ট কাললৈ আলফাৰ নিৰস্ত্ৰ কৰাৰ যি পৰিকল্পনা কৰিছিল তাত সফল নহ'ল। দ্বিতীয়তে বিধান সভাৰ নিৰ্বাচন সুকলমে পাৰ কৰি নিয়াৰ সময়তে এন এছ চি এনৰ সৈতে পুণৰ এবছৰলৈ যুদ্ধ বিৰতি চুক্তি সম্পাদন কৰি নিশ্চিন্ত হোৱা চৰকাৰে সেয়ে প্ৰক্ৰিয়াটো বন্ধ কৰি ম্যানমাৰ, বাংলাদেশ, ভুটান আৰুনাচল নগালেণ্ড, মেঘালয়ত ব্যাপক আলফা বিৰোধী সংঘবদ্ধ সেনা অভিযান চলাই আলফাৰ নিস্পশেষ কৰাৰ বিলম্ব পথৰ প্ৰতিহে আগ্ৰহী হ'ল। সেই মতে ইতিমধ্যে অভিযানো চলাই থকা হৈছে যদিও বিগত ১৭ বছৰৰ দৰে এইবাৰো এনে অভিযান বিফলহোৱাৰ পূৰ্বাভাস ফুটি উঠিছে। এনে সময়তে আহিছে ৰাজ্যৰ পঞ্চায়ত আৰু স্বায়ত্ব পৰিষদৰ নিৰ্বাচন। ইপিনে এন এছ চি এন; এন ডি এফ বিকে ধৰি অঞ্চলটোৰ প্ৰায়বোৰ আলোচনাৰত বিদ্ৰোহী সংগঠনে চৰাকাৰ অভিসন্ধিমূলক শান্তি প্ৰক্ৰিয়াৰ স্বৰূপ বুজি এয়া পৰিত্যাগৰ ভাবুকি দিছে। এনে পৰিস্থিতিত পৰিয়েই চৰাকাৰৰ মুখেৰ পুণৰ আলফাৰ লগত আলোচনাৰ প্ৰসংগ উত্থাপন হৈছে। তৰুণ গগৈৰ মুখতো নতুনকৈ আলফাৰে আলোচনাৰ কথা শুনা গৈছে। ৰাইজৰ সমৰ্থন আদায়ৰ স্বাৰ্থতে মুখমন্ত্ৰী গগৈয়ে এইবাৰ ৰাইজৰ সহায়ৰ কাথাও বৰকৈ কৈছে।

মূল কথাটো হল বাস্তৱৰ পৰা শিক্ষালৈ শোষক ৰাষ্ট্ৰ তথা ভাৰত চৰকাৰে নিজৰ ঔপনিবেশিকে চৰিত্ৰৰ পৰিবৰ্ত্তন ঘটাই বৰ্ত্তমানৰ ৰাষ্ট্ৰ ব্যৱস্থাটোৱেই জন্ম দিয়া বিদ্ৰোহ বিক্ষোভ তথা অসন্তুষ্টি ন্যায়সংগত উপলব্ধি কৰি ব্যৱস্থাটোৰ আমূল পৰিবৰ্তন সধাৰ বাবে আগ্ৰহ প্ৰকাশ নকৰালৈকে এনেকুৱা অসৎ অভিপ্ৰায়যুক্ত ফুচুলনিয়ে যে সৰহ দিনলৈ কাম নিদিব সেয়া স্পষ্ট হৈ গৈছে চৰকাৰে এই কাথা উপলব্ধি কৰিব নোৱাৰাটো ৰাষ্ট্ৰৰ বাবেই বিপজনক। ইশ্বাক মুইভাৰ বিৰুদ্ধে খাপলাঙক অস্ত্ৰ যোগান ধৰি ; ডি এইচ ডিৰ নুনিচা গোটৰ বিৰুদ্ধে গাৰমোছা গোটক ব্যৱহাৰ কৰি বা অন্যান বিদ্ৰোহী সংগঠনৰ লগতে আলফাৰ বিৰুদ্ধেও ঘাটকবাহিনী সৃষ্টি কৰি নিজকে প্ৰধান সন্ত্ৰাসবাদী ৰাষ্ট্ৰৰূপে প্ৰতিস্থা কৰাৰ বাহিৰে পৰিস্থিতিৰ উপশম ঘটোৱাৰ পৰিকল্পনা আবাস্তৱ। কংগ্ৰেছ শাসকে এই কথা বেছিকৈ উপলব্ধি কৰিব পাৰিব লাগিছিল কিয়নো এসময়ত শ্ৰীলংকাৰ বিদ্ৰোহী এল টি টি ইক পৃষ্ঠপোষকতা কৰি, পাঞ্জাৱৰ জাৰ্নাল সিং ভিন্দ্ৰেৱালেৰে সৃষ্টি কৰি অপুৰণীয় মুল্য ভৰি থৈছে কংগ্ৰেছে। উত্তৰ কাছাৰ কাৰ্বি আংলংগুতো তেনে পৰিস্থিতিৰে পূৰ্বাভাস ফুটি উঠিছে। সেয়ে আলফাৰ লগত আলোচনা আৰম্ভ কৰাৰ ইচ্ছা প্ৰকাশ কৰাটো মুহূৰ্তত এই ইচ্ছা কিমান আন্তৰিকতাপূৰ্ণ সেয়া নিজে উপলব্ধি কৰিহে চৰকাৰ আগবঢ়া উচিত।

এই কথাও সঁচা যে আলফাত মধ্যবিত্তৰ অধিপত্যবাদী শ্ৰেণী এটাৰ প্ৰভাৱ এতিয়াও আছে। আলোচনাৰ ছাঁতে সক্ৰিয়হৈ থকা এই চামটোৰ লক্ষ্য পিছে আলফাক আলোচনাত বহুৱাই জনগনৰ হেঁপাহৰ অধিকাৰ, আলফাৰ ইপ্সিত স্বাধীনতা আদায়ত সহযোগ কৰা নহয়, বৰং ইয়াৰ নামতে কেনেবাকৈ ক্ষমতা ভোগ কৰিব পাৰিনেকি তাৰসুৰঙা বিছৰাহে বুলি সন্দেহৰ স্থান আছে। দ্বিতীয় আৰু শেহতীয়া গুৰুত্ব পূৰ্ণ কথাটো হল শেহতীয়া বোমা বিস্ফোৰন সম্পৰ্কীয় যিবোৰ বাতৰি প্ৰকাশ পাইছে সেয়া যদি আলফাৰ নিষ্ক্ৰিয়তাৰ সুযোগত প্ৰতিক্ৰিয়াশীল অথবা ৰাষ্ট্ৰৰ পৰিকল্পনা মতে হোৱা নাই আলফাৰ দাৰাই হৈছে তেনেহ'লে সেয়া ৰাষ্ট্ৰদৰেই আলফাৰ বাবেও বুমেৰাংহে হব। সেয়ে কণমানি ছাত্ৰৰ হাতত বোমা তুলি দি ৰণ জিকাৰ মানসিকতা পৰিবৰ্তন কৰাৰ লগতে অযুত আত্মঘাটী চিন্তা আৰু শক্তিৰ পৰা আলফাই দুৰত অৱস্থান ল'ব লাগিব আৰু আন্তৰিকতাৰে আলাচনাত বহিব লাগিব।

# জাতীয় মুক্তি আন্দোলনৰ প্ৰেক্ষাপটত নয়া গণতান্ত্ৰিক মতাদৰ্শৰ প্ৰাসংগিকতা

আদিত্য বড়া



উৎপাদনীয় ব্যৱস্থাৰ সামন্তীয় বান্ধোনৰ সীমাবদ্ধতাসমূহক অতিক্ৰম কৰি যান্ত্ৰিক যুগৰ পুঁজিমুখী উৎপাদন ব্যৱস্থাৰ বিকাশৰ লগে লগে মানৱ সমাজত নব্য উত্থিত ধনিক শ্ৰেণী আৰু পুৰণি ৰীতি-নীতি আচাৰ-অনুষ্ঠানেৰে পুষ্ট সামন্ত প্ৰভুসকলৰ মাজত এক তীব্ৰ সংঘাতে বিকাশ লাভ কৰিলে। বিশেষতঃ আধুনিক পুঁজিবাদৰ গৰ্ভ স্বৰূপ ইউৰোপ মহাদেশতে সামন্তবাদবিৰোধী এক নতুন চিন্তা-চেতনাৰ উন্মেষ ঘটোৱা আৰু সাম্ৰাজ্যব্যৱস্থাক গ্ৰাস কৰি থকা সামন্তীয় ৰীতি-নীতি, অনুশাসন ধৰ্মীয় পৰম্পৰা আদিক ক্ৰমে ক্ৰমে নিঃশেষ কৰি সমাজ ব্যৱস্থাই এক নতুন দিশে ধাৱমান হয়। ক্ৰমে ক্ৰমে বিকাশ লাভ কৰা এনে নতুন চিন্তাই খ্ৰীষ্ট ধৰ্মৰ প্ৰটেষ্টাণ্টৰ শিবিৰৰ জন্ম দিয়াৰ লগে লগেই সামন্তবাদ সৰ্বোচ্চৰূপ অৰ্থাৎ ৰজা তথা সামন্ত প্ৰভুসকলৰ ক্ষমতা ক্ৰমে ক্ৰমে বিলোপ হ'বলৈ ধৰে আৰু ইয়াৰ ঠাইত নব্য উত্থিত ধনীক শ্ৰেণীয়ে ক্ৰমে ক্ৰমে শক্তিশালী হৈ পৰে। এই প্ৰক্ৰিয়াৰ মাজতেই ইউৰোপ মহাদেশৰ ইংলেণ্ডত ৰজাৰ ক্ষমতা কৰ্তন কৰি সংসদক শক্তিশালী ৰূপ দিয়া হয়। অন্যহাতে ফ্ৰান্সৰ নিচিনা দেশত এই সংঘাত তীব্ৰৰূপ ধাৰণ কৰি ৰক্তাক্ত সংঘাতৰ যোগেদি পুৰণি সামন্ত প্ৰভুসকলৰ উচ্ছেদ কৰি পুঁজিমুখী উৎপাদন সংস্কৃতিৰে পুষ্ট নব্য উত্থিত মধ্যশ্ৰেণীৰ হাতলৈ ক্ষমতাৰ হস্তান্তৰ ঘটে। ইউৰোপৰ গৰ্ভতেই জন্ম লাভ কৰা আৰু লালিত-পালিত হোৱা সেই সন্তানে সমগ্ৰ বিশ্বৰে সামন্তবাদী অৰ্থনীতি, ৰাজনীতি আৰু সমাজনীতিক নিশকটীয়া কৰি গণতন্ত্ৰৰ ভেটিত এক নতুন অৰ্থনীতি, ৰাজনীতি, ৰাজনীতি তথা সমাজনীতিৰ সূচনা কৰে।

বিশেষত ফ্ৰান্স বিপ্লৱৰ সময়ত সৃষ্ট আৰু বিশেষভাৱে চৰ্চিত গণতন্ত্ৰ নামধাৰী এই নতুন দাৰ্শনিক মত ধাৰাই যিদৰেই অধিকাৰ সম্পৰ্কে সামন্তবাদক বাৰুকৈয়ে অস্ত্ৰোপচাৰ কৰি পুঁজিবাদী অৰ্থনীতিৰ জন্ম দিলে ঠিক সেইদৰেই ই সমগ্ৰ মানৱ জাতিকে সামন্তবাদৰ কেঁকুৰা চেপাৰ পৰা মুক্তি দি ব্যক্তিৰ অধিকাৰ সম্পৰ্কে এক পথ নিৰ্দেশনাৰ সূচনা কৰিলে।

১৮ শতিকাৰ ভলটেয়াৰ, মণ্টেস্ক আৰু ৰুছোৱে আৰম্ভ কৰা মানৱৰ স্বাধীনতাৰ বাণীয়ে ক্ৰমান্বয়ে গণতান্ত্ৰিক চিন্তা-চেতনাৰ বিকাশত আমোঘ মন্ত্ৰৰূপে আত্মপ্ৰকাশ কৰে আৰু সমগ্ৰ ইউৰোপৰ জনজীৱনতে তীব্ৰ আলোড়নৰ সৃষ্টি কৰে। বিভিন্ন উত্থান পতনৰ মাজেদি এই সামন্তবাদ উৎখাতকাৰী হাতিয়াৰে ক্ৰমে ক্ৰমে শক্তিশালী হৈ উঠে আৰু গণতন্ত্ৰৰ ভেটিত এক নতুন পুঁজিমুখী সমাজ ব্যৱস্থাৰ প্ৰৱৰ্তন হয়।

সামন্তীয় কৰাল গ্ৰাসৰ পৰা সমগ্ৰ মানৱ সমাজকে ব্যক্তি স্বাধীনতাৰ নতুন আলোকেৰে আলোকিত কৰা গণতান্ত্ৰিক চিন্তা-চেতনাই সমাজৰ প্ৰত্যেকজন ব্যক্তিকে মুক্ত আকাশত বিচৰণ কৰাৰ সম্ভাৱনা পৰিস্ফুট কৰিলেও কিন্তু প্ৰকৃতাৰ্থত সমাজৰ

নব্য উত্থিত মধ্য শ্ৰেণীয়েহে ইয়াৰ প্ৰাৰম্ভিক সোৱাদ চেলেকিবলৈ আইনী সুযোগ সুবিধা লাভ কৰিলে। উদাহৰণ হিচাপে ১৮১৪ খৃঃত ফ্ৰান্সত গৃহীত হোৱা সাংবিধানিক ঘোষণাপত্ৰ অনুযায়ী ১৯৪৮ চন পৰ্যন্ত সামৰিক আৰু অসামৰিক শাসনযন্ত্ৰৰ অধিপতি আছিল ৰজা। যুদ্ধ, শান্তি, নিয়োগ আৰু বৰ্খাস্তকৰণ ৰজাৰ একচেটিয়া অধিকাৰ আছিল। কিন্তু আইন ৰচনাৰ তাৰ দুখন সংসদৰ ওপৰত ন্যস্ত আছিল। এখন যাৱজ্জীৱনৰ বাবে ৰজাৰ মনোনীত ব্যক্তিৰে গঠিত আৰু আনখন প্ৰতিনিধিত্বমূলক আৰু সামাজিকভাৱে পাঁচবছৰৰ বাবে নিৰ্বাচিত। নিৰ্বাচিত প্ৰতিনিধিৰ অৰ্হতা হ'ল বয়স ৪০ বছৰ আৰু খাজনাৰ পৰিমাণ ১০০০ ফ্ৰাংকতকৈ অধিক হ'ব লাগিব। ভোটদাতাৰ অৰ্হতা, বয়স ৩০ বছৰ হ'ব লাগিব আৰু খাজনা ৩০০ ফ্ৰাংকৰ অধিক হ'ব লাগিব। ফলশ্ৰুতিত প্ৰায় ২৯নিযুত প্ৰজাৰ মাথোন এক হ'ল উচ্চ মধ্যবিত্তইহে ভোটদানত অংশ ল'ব পাৰিছিল আৰু মাত্ৰ ১২০০০জন ব্যক্তিয়েহে প্ৰতিনিধি হ'বৰ যোগ্যতা অৰ্জন কৰিছিল। এই উদাহৰণৰ পৰা এটা কথাই স্পষ্ট হৈ পৰে যে গণতন্ত্ৰৰ জন্ম মুহূৰ্ততেই পৰা এক বিশেষ পিঞ্জৰাবদ্ধ অৱস্থাতহে লালন পালন হ'বলৈ দিয়া হৈছিল স্বাভাৱিকতে ই পুৰণি সামন্তীয় সমাজৰ সামন্ত প্ৰভুসকলৰ কিছু বান্ধোনক শিথিল কৰি নব্য উত্থিত সকলক একে শাৰীত আসন পোৱাৰ পথ পৰিষ্কাৰ কৰিছিল যদিও তাৰ মাজত এনেধৰণৰ সীমাৰেখা অংকন কৰা হৈছিল যাতে সমাজৰ নিম্নস্তৰৰ ব্যক্তিসকলে কেতিয়াও এই অধিকাৰ ভোগ কৰিব নোৱাৰে। সেই দিন ধৰি আজি পৰ্যন্ত গণতন্ত্ৰই বিভিন্ন কাৰণত নিৰ্দিষ্ট সীমাৰেখা অতিক্ৰম কৰিবলৈ সমৰ্থ হোৱা নাই বৰঞ্চ এক নিৰ্দিষ্ট শ্ৰেণীৰ মাজতেই আবদ্ধ হৈ আছে। অৱশ্যে এটা কথা ঠিক যে নব্য পুঁজিবাদী উৎপাদনৰ ধামখুমীয়াত পুৰণি সামন্তীয় ভোগবিলাসী অনুন্নত উৎপাদনী ব্যৱস্থাৰ মাজত আবদ্ধ হৈ থকা সামন্তীয় প্ৰভুসকলে স্বাভাৱিক কাৰণতেই টিকি থকা অসম্ভৱ হৈ পৰিছে আৰু ক্ৰমে গণতান্ত্ৰিক চিন্তা-চেতনা সমাজৰ নব্য উত্থিত পুঁজিপতিসকলৰ হাতোৰাত আবদ্ধ হৈ পৰিছে। পুৰণি গ্ৰীচৰ ৰজাই মতা Democracy ত যিদৰে কোনো ব্যক্তিয়ে ৰজাক সমালোচনা কৰিব নোৱাৰিব বৰঞ্চ যিমান পাৰে সিমান প্ৰশংসা কৰাৰ অধিকাৰ দিয়া হৈছিল। আজিৰ গণতন্ত্ৰতটো ৰজা ভঙাৰ অধিকাৰ প্ৰভাৰ ওপৰত ন্যস্ত হোৱা নাই বৰঞ্চ প্ৰতি পাঁচ বছৰৰ মূৰে মূৰে ৰজা পতাৰহে অধিকাৰ দিয়া হৈছে আৰু কৌশলেৰে ৰজা যাতে সমাজৰ বিশেষ শ্ৰেণীৰ মাজত সীমাবদ্ধ ৰাখিব পাৰি তাক সুনিশ্চিত কৰা হৈছে। ইউৰোপত জন্ম লাভ কৰা এনে গণতান্ত্ৰিক অধিকাৰকে আজি গোটেই বিশ্বতে ৰাজ্যৰ সঁচা-সঁচি প্ৰকৃত অধিকাৰ বুলি ঢাক-ঢোল কোবাই প্ৰচাৰ কৰা হৈছে আৰু সমগ্ৰ বিশ্বতেই ৰাইজৰ অধিকাৰ বুলি এক শ্ৰেণী বিশেষ ব্যক্তিৰ হাতত ক্ষমতা পুঁজিভুক্ত কৰা হৈছে। গণতন্ত্ৰ নামৰ প্ৰকৃত এই যাদুৰ কাঠিডালৰ জন্ম ৰহস্য বা প্ৰকৃত ৰূপ বুজকেই বা নুবুজকেই তথাপি সমগ্ৰ খাটি খোৱা ৰাইজৰ বাবে আশাব্যঞ্জক কণাৰ লাখুটি স্বৰূপতহে ইয়াৰ ঋণাত্মক অৰ্থাৎ অদৃশ্য গুণগত দিশটো দেখাৰ আগতেই ৰঙচঙীয়া বাহ্যিক ৰূপে চকু চাট মাৰি ধৰে আৰু প্ৰতিজন ব্যক্তিয়ে ৰঙচঙীয়া কল্পনাৰ সৌধত বিচৰণ কৰি জীৱন পাত কৰাৰ সম্ভাৱনাই অধিক।

এই গণতান্ত্ৰিক চিন্তা চেতনাক প্ৰকৃত মূল্যায়ন কৰি ইয়াক সুসংহত বাখ্যা তথা বিভাজন তথা প্ৰয়োগ কৰা ব্যক্তি জনেই আছিল চীনা বিপ্লৱৰ মহান চিন্তা নায়ক মাও চে টুং। তেওঁহে প্ৰথমে গণতন্ত্ৰৰ প্ৰকৃত মূল্যায়ণ কৰে আৰু গণতন্ত্ৰক বুৰ্জোৱা গণতন্ত্ৰ আৰু নয়া গণতন্ত্ৰ (জনগণতন্ত্ৰ) এই দুই ভাগত বিভক্ত কৰে আৰু ইয়াৰ প্ৰতিটো ভাগকে সুস্পষ্ট বিশ্লেষণ কৰি চীনা জনগণৰ প্ৰকৃত অধিকাৰৰ বিশ্লেষণ কৰি চীনা জনগণৰ প্ৰকৃত অধিকাৰৰ স্বাৰ্থত নয়া গণতান্ত্ৰিক আন্দোলনৰ পোষকতা কৰে আৰু সফল নেতৃত্ব প্ৰদান কৰে।

গণতন্ত্ৰৰ নামধাৰী এই দ্বিৰূপী গণতন্ত্ৰক প্ৰকৃতাৰ্থত চিনাক্ত কৰিব নোৱাৰিলে কাৰ্যতঃ ই জনগণৰ প্ৰকৃত মৌলিক অধিকাৰসমূহ কেতিয়াও প্ৰদান কৰিব নোৱাৰিব বৰ্তমান বিশ্বৰ সকলো বস্তুবাদী দেশ তথা ভৰতবৰ্ষই গণতন্ত্ৰৰ নামধাৰী প্ৰকৃততে বুৰ্জোৱা গণতন্ত্ৰৰ ধ্বজাবাহী ৰাষ্ট্ৰ ব্যৱস্থাৰ বিৰোধীতা কৰা দখল সংগঠনসমূহেও এইক্ষেত্ৰত সুস্পষ্ট বাখ্যা আগবঢ়াব নিবিচাৰে। অন্য সকলো দিশ বাদ দিও আজি আমাৰ সমাজত অতিকে সুন্দৰ ৰূপত আত্মপ্ৰকাশ কৰা জাতীয় মুক্তি আন্দোলনৰ নেতৃত্বইও এই ক্ষেত্ৰত নীৰৱ ভূমিকা অৱলম্বন কৰা দেখা যায়।

কিন্তু বিশ্বত এই মুহূৰ্তলৈকে আত্ম প্ৰকাশ কৰা সমগ্ৰ জাতীয় মুক্তি আন্দোলনকে ব্যাখ্যা কৰিলে এটা কথা অতি স্পষ্ট ৰূপত দেখা যায় যে জাতীয় মুক্তি আন্দোলনসমূহত যদিও এটা জাতিৰ মুক্তিৰ প্ৰশ্নতে সংগঠিত আৰু বিকাশ লাভ কৰে আৰু প্ৰতিজন ব্যক্তিয়েই প্ৰকাৰন্তৰে জড়িত হৈ পৰে। তথাপি ইয়াৰ নেতৃত্বৰ ওপৰতে ইয়াৰ ভৱিষ্যত ফলাফল নিৰ্ভৰশীল হৈ পৰে। সাধাৰণতে জাতীয় মুক্তিৰ আন্দোলনসমূহ সমাজৰ উচ্চমধ্যবিত্ত শ্ৰেণীৰ নেতৃত্বত অথবা সমাজৰ নিম্নতম কৃষক শ্ৰেণীৰ নেতৃত্বত গঢ় লৈ উঠে। যদিহে কোনো এটা জাতীয় মুক্তি আন্দোলনে সমাজৰ উচ্চ মধ্যবিত্ত শ্ৰেণীৰ নেতৃত্বত গঢ় লৈ উঠে ই স্বাভাৱিকতে নেতৃত্বৰ শ্ৰেণী চৰিত্ৰ অনুসৰি বুৰ্জোৱা গণতন্ত্ৰৰ দিশে ধাৱমান হয় আৰু জনগণৰ মৌলিক অধিকাৰসমূহ নিজস্ব শ্ৰেণী স্বাৰ্থতে কুক্ষিগত কৰি এটা সাৰশূন্য জাতীয় মুক্তি আন্দোলনৰ সমাপ্তি ঘোষণা কৰে। তাতোকৈ ডাঙৰ কথাটো

হ'ল এনে আন্দোলনে নেতৃত্বদায়ী উচ্চ মধ্যবৃত্ত শ্ৰেণীৰ শ্ৰেণী স্বাৰ্থত আঘাত নোহোৱা পৰ্যন্ত সংগ্ৰাম বৰ্তাই ৰাখিলেও শ্ৰেণী স্বাৰ্থত আঘাত হোৱাৰ লগে লগেই আপোচকামী মনোবৃত্তি গ্ৰহণ কৰে আৰু শাসকীয় গোষ্ঠীৰ লগত ক্ষমতাৰ ভাগবতৰাত অংশগ্ৰহণ কৰে, কিন্তু এই সময়ত সমগ্ৰ জাতিটো মূল মৌলিক প্ৰশ্নসমূহকে ইচ্ছাকৃতভাৱে পাহৰি পেলায়। ফ্ৰান্স বিপ্লৱকে কেন্দ্ৰ কৰি পাছৰ পৰ্যায়ৰ প্ৰায়বোৰ উপনিবেশৰ সাম্ৰাজ্যবাদবিৰোধী স্বাধীনতা আন্দোলনসমূহ এনেধৰণৰ উচ্চ মধ্যবিত্তীয় নেতৃত্বাধীন জাতীয় মুক্তিৰ আন্দোলন। গতিকে স্বাভাৱিকতেই এনেধৰণৰ আন্দোলন-সংগ্ৰামে বুৰ্জোৱা গণতন্ত্ৰৰ প্ৰতিষ্ঠাৰ দিশেহে ধাৱমান হ'ল আৰু সামগ্ৰিক অৰ্থত বৃহৎ মেহনতী খাটি-খোৱা জনগণৰ মৌলিক প্ৰশ্নসমূহক অৱজ্ঞা কৰি উচ্চ মধ্যবিত্ত শ্ৰেণীৰ স্বাৰ্থ সুৰক্ষিত কৰা ক্ষমতা হস্তান্তৰৰূপী ক্ষমতাৰ ভাগবতৰাতে সমাপ্তি ঘটিল। ভাৰতৰ স্বাধীনতা আন্দোলনৰ এই শ্ৰেণীৰে সংগ্ৰামত অন্তৰ্ভূক্ত কৰিব পাৰি। বৰ্তমান বিশ্বৰ বিভিন্ন প্ৰান্তত আলোড়ন সৃষ্টিকাৰী বহু জাতীয় মুক্তি আন্দোলন তথা জনগোষ্ঠীয় আন্দোলনো এনে নেতৃত্বৰ নেতৃত্বাধীন। গতিকে এনে উচ্চ মধ্যবিত্ত শ্ৰেণীৰ নেতৃত্বাধীন সংগ্ৰামসমূহৰ ভৱিষ্যত কেনে হ'ব ইয়াক নিশ্চয় আগতীয়াকৈ ভৱিষ্যতবাণী কৰাত বিশেষ কোনো অসুবিধা নহয়।

অন্যহাতে কৃষক শ্ৰেণীৰ নেতৃত্বাধীন জাতীয় মুক্তিৰ আন্দোলনসমূহ বিশ্লেষণ কৰিলে দেখা যায় যে প্ৰকৃততে ই বুৰ্জোৱা গণতন্ত্ৰক অস্বীকাৰ কৰি এক নয়া গণতান্ত্ৰি অৰ্থাৎ প্ৰকৃত গণতন্ত্ৰ প্ৰতিষ্ঠাৰ দিশে ধাৱমান হয়। উদাহৰণ হিচাপে চীন, ভিয়েটনাম, কিউবা আদিৰ জাতীয় মুক্তি আন্দোলন সমূহে নয়া গণতন্ত্ৰক উৰ্দ্ধত তুলি ধৰি সাম্ৰাজ্যবাদ বিৰোধী আন্দোলন তীব্ৰ ৰূপত গঢ়ি তুলিছিল। ফলশ্ৰুতিত উচ্চ মধ্যবিত্ত শ্ৰেণীয়ে সংগ্ৰামৰ নেতৃত্ব পৰিচালনা কৰিব নোৱাৰাৰ বাবেই সংগ্ৰাম উচ্চ মধ্যবিত্তৰ সুবিধাবাদীৰ প্ৰৱণতাৰ পৰা মুক্ত আছিল। আৰু প্ৰকৃত গণতান্ত্ৰিক অধিকাৰ হস্তগত কৰিব নোৱাৰা পৰ্যন্ত আপোচবিহীনভাৱে সংগ্ৰামৰ বিকাশ ঘটিছিল। ফলশ্ৰুতিত মেহনতী জনগণৰ নেতৃত্বাধীন এনে সংগ্ৰামে সঠিক লক্ষ্যত উপনীত হ'ব পাৰিছিল।

গতিকে এই ক্ষেত্ৰত এটা কথা অতি স্পষ্ট যে কেৱল জাতীয় মুক্তিৰ নামধাৰী এটা সংগ্ৰামে এটা জাতিৰ মুক্তিক নিশ্চিতি দিব নোৱাৰে, যদিহে ই সমাজৰ মুষ্টিমেয় উচ্চ মধ্যবিত্তীয় নেতৃত্বাধীন হৈ থাকে। কেৱল কৃষক শ্ৰমিক তথা মেহনতী জনগণৰ নেতৃত্বইহে এটা জাতীয় মুক্তিৰ আন্দোলনৰ প্ৰকৃত ফলপ্ৰাপ্তিৰ দিশত আপোচবিহীনভাৱে আগুৱাই নিব পাৰে। এইখিনিতেই অৱশ্যেই কৃষক-শ্ৰমিকৰ নেতৃত্ব শব্দটোৰ যোগেদি সেইজন কৃষক বা শ্ৰমিক নেতা বজাই সংগ্ৰাম কৰাৰ কথা কোৱা হোৱা নাই। কৃষক শ্ৰমিকৰ নেতৃত্ব মানে সমগ্ৰ কৃষক আৰু শ্ৰমিক অৰ্থাৎ মেহনতী জনগণৰ শ্ৰেণী স্বাৰ্থক উৰ্দ্ধত তুলি ধৰি আগুৱাই নিয়া সংগ্ৰামকহে বুজোৱা হৈছে। অৰ্থাৎ কৃষক-শ্ৰমিক মেহনতী জনগণৰ নেতৃত্বাধীন জাতীয়মুক্তি আন্দোলনে স্বাভাৱিকতেই নয়া গণতন্ত্ৰক উৰ্দ্ধত তুলি ধৰিব। যদি কোনো জাতীয় মুক্তি আন্দোলনে নয়া গণতন্ত্ৰক উৰ্দ্ধত তুলি নধৰে ই স্বাভাৱিকতেই বুৰ্জোৱা গণতন্ত্ৰৰ পক্ষত অৱস্থান কৰে আৰু ই স্বাভাৱিকতে এদেও দুদেওকৈ আপোচকামী দৃষ্টিভংগীৰ দিশে গতি কৰিবলৈ ধৰে আৰু শেষত উচ্চ মধ্যবিত্তীয় নেতৃত্বাধীন এক বুৰ্জোৱা গণতান্ত্ৰিক ক্ষমতা হস্তান্তৰত সংগ্ৰাম যৱনিকা পেলাই আৰু প্ৰকৃতাৰ্থত ব্যাপক জনগণো জাতীয় মুক্তি সংগ্ৰামৰ আগৰ অৱস্থান আৰু পিছৰ অৱস্থানৰ মাজত পাৰ্থক্য বিচাৰি নোপোৱা হয়। অৰ্থাৎ জনগণৰ ওপৰত শাসন শোষণ একেই থাকে মাত্ৰ শাসকৰহে পৰিৱৰ্তন ঘটে ফলশ্ৰুতিত জনগণে শোষণ মুক্তিৰ বাবে আকৌ এক নব্য যাত্ৰাৰ সূচনা কৰিব লগাত পৰে। গতিকে জাতীয় মুক্তি সংগ্ৰামৰ লগত অবিচ্ছেদ্যভাৱে নয়া গণতান্ত্ৰিক সংগ্ৰাম যুক্ত হৈ থাকিবই লাগিব। ইয়াৰ উপৰি অন্য ঠাইত ই বুৰ্জোৱা গণতন্ত্ৰ অৰ্থাৎ ধনীক শ্ৰেণীৰহে স্বাৰ্থ সুৰক্ষিত কৰিব আৰু বহু মুহূৰ্তত ই ইটালিৰ স্বেচ্ছাচাৰী শাসক

কৃষক শ্ৰেণীৰ নেতৃত্বাধীন জাতীয় মুক্তিৰ আন্দোলনসমূহ বিশ্লেষণ কৰিলে দেখা যায় যে প্ৰকৃততে ই বুৰ্জোৱা গণতন্ত্ৰক অস্বীকাৰ কৰি এক নয়া গণতান্ত্ৰি অৰ্থাৎ প্ৰকৃত গণতন্ত্ৰ প্ৰতিষ্ঠাৰ দিশে ধাৱমান হয়।

OKDISCD

মুছলিনীৰ জাতীয়তাবাদ অথবা হিটলাৰী জাতীয়তাবাদলৈ পৰ্যবেক্ষিত হোৱাটোও অস্বাভাৱিক নহয়।

স্বাভাৱিকতেই কোনো এটা জনসমষ্টিৰ জাতীয় মুক্তি আন্দোলনৰ প্ৰাসংগিকতা প্ৰকৃততে সৃষ্টি হয় মেহনতী জনগণৰ পৰা। অৰ্থাৎ জাতি এটাৰ সৃষ্টি তথা বিকাশ লাভ নিৰ্ভৰ কৰে জাতিটোৰ অৰ্থনৈতিক ক্ৰিয়া-কৰ্মৰ ওপৰত। অৰ্থনৈতিক ক্ৰিয়া-কৰ্মহে জাতি এটাৰ জাতীয় কৃষ্টি-সংস্কৃতি ভাৱ-ভাষা তথা জীৱন ধাৰণৰ সমগ্ৰ প্ৰক্ৰিয়া নিয়ন্ত্ৰণ তথা জাতীয় আৱেগ-অনুভূতি। অন্যহাতেদি জাতীয় অৰ্থনীতিৰ ভেটি আকৌ নিৰ্ভৰশীল মেহনতী জনগণৰ উৎপাদনী প্ৰক্ৰিয়াৰ ওপৰত। গতিকে সুস্বাভাৱিকতেই জাতীয় অৰ্থনীতি জীতিটোৰ মেহনতী কৃষক-শ্ৰমিকৰ লগত পোনপটীয়াভাৱেই সম্পৰ্কিত। গতিকে এনেস্থলত উৎপাদনী প্ৰক্ৰিয়াৰ লগত সম্পৰ্কিত জাতীয় আৱেগ-অনুভূতি প্ৰকৃততে মেহনতী জনতাৰ লগতহে সম্পৰ্কিত। গতিকে পোনপটীয়াকৈ ক'বলৈ গ'লে জাতিৰখীয়া জাতিটোৰ মেহনতী জনগণহে। এনেস্থলত জাতীয় মুক্তিৰ যোগেদি প্ৰকৃততেই মেহনতী জনগণৰহে অধিকাৰ প্ৰতিষ্ঠা হ'ব লাগিব। গতিকে এই ক্ষেত্ৰত মেহনতী জনগণৰ অধিকাৰ প্ৰতিষ্ঠাৰ স্বাৰ্থত জাতীয় মুক্তি আন্দোলন আৱশ্যম্ভাৱীভাৱেই নয়া গণতান্ত্ৰিক অথবা জনগণতান্ত্ৰিক চিন্তাধাৰা পৰিচালিত হ'বই লাগিব।

বহুক্ষেত্ৰত আকৌ দেখা যায় যে সমাজত উচ্চ মধ্যবিত্ত শ্ৰেণীয়ে নিজস্ব সুবিধাবাদী ৰাজনৈতিক আওৰাই নিয়া স্বাৰ্থত জাতীয় মুক্তি আন্দোলনত জঁপিয়াই পৰি নেতৃত্বদায়ী ভূমিকাত অৱতীৰ্ণ হয়। আৰু মেহনতী জনমণৰ অন্তৰত নিহিত হৈ থকা জাতীয় আবেগ-অনুভূতিক হাথিয়াৰ হিচাপে ব্যৱহাৰ কৰে। কিন্তু আশ্বৰ্যজনকভাৱে জাতীয় মুক্তি আন্দোলনৰ পথ নিদেৰ্শনা লুকুৱাই ৰাখিব বিচাৰে অৰ্থাৎ বিভিন্ন চালাকি, চল-কৌশলেৰে জাতীয় মুক্তিৰ আন্দোলনটো বুৰ্জোৱা গণতন্ত্ৰৰ দিশে ধাৱমান হ'ব নে প্ৰকৃত জনগণতন্ত্ৰৰ দিশে ধাৱমান হ'ব এই কথা লুকুৱাই ৰাখি জনগণৰ অলক্ষিতে বুৰ্জোৱা গণতন্ত্ৰ প্ৰতিষ্ঠা তথা ক্ষমতা হস্তান্তৰ দিশে পৰিচালিত কৰি নিজৰ শ্ৰেণীস্বাৰ্থ সুৰক্ষিত কৰাৰ লগতে সুবিধাবাদী শ্ৰেণী অৱস্থান গজগজীয়া কৰিব বিচাৰে। গতিকে এনেক্ষেত্ৰত জনগণ সচেতন নহ'লে জাতীয় মুক্তি আন্দোলন ভুল পথে পৰিচালিত হোৱাৰ সম্ভাৱনাই অধিক।

চীনৰ জাতীয় মুক্তি আন্দোলনত মাও চে টুঙৰ নেতৃত্বাধীন নয়া গণতান্ত্ৰিক আন্দোলন ডেং জিয়া পিৰ বুৰ্জোৱা গণতান্ত্ৰিক চিন্তা-ধাৰাৰ এই দুই লাইনক সুস্থ ৰূপত প্ৰতিফলিত কৰিছিল। কিন্তু চীনৰ কমিউনিষ্ট পাৰ্টিৰ নেতৃত্বাধীন সংগ্ৰামী মাওৰ নয়া গণতান্ত্ৰিক সংগ্ৰামক উৰ্দ্ধত তুলি ধৰাত চীনা বিপ্লৱে অন্তত মাওৰ নেতৃত্বাধীন কাৰ্যাৱলীক এক সঠিক অৱস্থানত উপনীত হৈছিল। যি দিন ধৰি চীনৰ শাসন ক্ষমতা ডেং জিয়াপিৰ হাতলৈ হস্তান্তৰিত হ'ল সেইদিন ধৰি চীনৰ অৰ্থনীতি তথা ক্ৰমে ক্ৰমে বুৰ্জোৱা গণতন্ত্ৰৰ দিশে ধাৱিত হ'ল।

গতিকে এটা সফল জাতীয় মুক্তি আন্দোলন আৱশ্যম্ভাৱীভাৱে খাটি খোৱা কৃষক আৰু শ্ৰমিক নেতৃত্বাধীন বিপ্লৱী পাৰ্টিয়েহে আগুৱাই নিব পাৰিব। জনগণৰ নেতৃত্বাধীন এনে সংগ্ৰামত স্বাভাৱিকভাৱেই উচ্চ মধ্য শ্ৰেণীয়ে অংশগ্ৰহণ কৰিবলৈ বাধ্য হ'ব। অৰ্থাৎ তেওঁলোকৰ শ্ৰেণীস্বাৰ্থই তেওঁলোকক বাধ্য কৰাব। গতিকে এনেস্থলত তেওঁলোকৰ অংশগ্ৰহণৰ কামনা কৰি সংগ্ৰামী নেতৃত্বই শিথিলতাৰ আশ্ৰয় ল'লে বা নীতিৰ ক্ষেত্ৰত অসুস্থতাৰ সৃষ্টি কৰিলে প্ৰকৃতাৰ্থত সংঘাতৰ লাইন বাদ পৰি সহযোগিতাৰ লাইনৰ আত্মপ্ৰকাশ ঘটিব। এনে ধৰণৰ উদাৰতাবাদে আকৌ সংগ্ৰামী ব্যাখ্যা উদ্দেশ্যকেই বিশেষকৈ এক বিপ্লৱী সুবিধাবাদৰহে সৃষ্টি কৰিব। গতিকে সংগ্ৰামী নেতৃত্বই কোনো ক্ষেত্ৰতে নীতিৰ অস্পষ্ট অথবা নীতিৰ শিথিলতা প্ৰদৰ্শন কৰিলে এনে সংগ্ৰামৰ স্বাভাৱিকভাৱেই অপমৃত্যু ঘটিব।

বহু সংগ্ৰামী নেতাই কৌশলৰ দোহাই দি নীতিক অস্পষ্ট কৰি তোলে। ই আকৌ আত্মঘাতীৰ সমানেই বিপজ্জনক। কাৰণ নীতিবিহীন কৌশল বুমেৰাং সদৃশ। বহু সময়ত এনে নীতিবিহীন কৌশলে শত্ৰুপক্ষৰ হাতহে শক্তিশালী কৰা। আনহাতে এনে প্ৰক্ৰিয়াই লাইনৰ অসুস্থতাৰ যোগেদি প্ৰতিক্ৰিয়াশীল চক্ৰ শক্তিশালী কৰি তোলাৰ লগতে নেতৃত্বও মেহনতী শ্ৰেণীৰ হাতৰ পৰা সুবিধাবাদী উচ্চ মধ্যবিত্ত শ্ৰেণীৰ হাতলৈ নিমজ্জিত হয়। এইক্ষেত্ৰত আটাইতকৈ ভয়ংকৰ বিপজ্জনক নীতিৰহিত সংগ্ৰামী কাম-কাজে মেহনতী জনগণক সংগ্ৰামৰ পৰা আঁতৰাই ৰাখে আৰু সুবিধাবাদী মধ্যবিত্তীয় কেডাৰে সংগঠনত ভিৰ কৰেহি। ফলশ্ৰুতিত কম সময়ৰ ভিতৰতে সংগঠনৰ মূল লক্ষ্য উদ্দেশ্যটো বাদেই সমগ্ৰ সত্তাই পৰিৱৰ্তন হৈ পতনমুখী হৈ উঠে। গতিকে জাতীয় মুক্তি আন্দোলনে স্বাভাৱিকতে জনগণতন্ত্ৰৰ পথেৰেই গতিশীল হ'ব লাগিব আৰু ই প্ৰতি মুহূৰ্ততেই নীতিগত স্পষ্টতা প্ৰদৰ্শন কৰিব লাগিব। অন্যথাই ই নিৰ্দিষ্ট সীমাবদ্ধতাৰ মাজত নিমজ্জিত হৈ পৰিব। আৰু লক্ষ্যভ্ৰষ্ট হৈ বিপথে পৰিচালিত হ'ব।

OKDISCD

# ৰাষ্ট্ৰৰ প্ৰভুত্বকামী চৰিত্ৰক পৰ্যালোচনা কৰক

ইন্দ্ৰজিৎ বেজবৰুৱা

যি সময়ত অসমৰ সকলো স্তৰৰ ৰাইজে শান্তি আলোচনাৰ মাধ্যমেৰে দীৰ্ঘদিনীয়া অসম ভাৰত সংঘাতৰ স্থায়ী সমাধানেৰে শান্তি প্ৰতিষ্ঠা হোৱাটো কামনা কৰিছিল; সেই সময়ত ভাৰত চৰকাৰে সমগ্ৰ বিষয়টোক পৰস্পৰবিৰোধী মতামত আৰু সেনা অভিযানেৰে গাপ দি ৰাখিব বিচাৰিলে। ফলত এহাতে সেনা আৰক্ষীৰ লগত বিদ্ৰোহী সংগঠন আলফাৰ প্ৰত্যক্ষ সংঘাতৰ সুচনা হ'ল আৰু আনহাতে সাধাৰণ ৰাইজৰ ওপৰত দমন, উৎপীড়ণ আৰম্ভ হ'ল। অৱস্থা ইমানেই শোচনীয় হ'ল যে ধেমাজিত পুনৰ দুগ্ধপোষ্য শিশু সংঘাতৰ বলি হ'ব লগা হ'ল- কাজেই সমগ্ৰ বিষয়বস্তুৰ ক্ষেত্ৰতে নতুন চিন্তাচৰ্চা কৰাৰ প্ৰয়োজনীয়তা আহি পৰিছে।

বিগত সময়ৰ দস্তাবেজে এই কথা প্ৰমান কৰিব যে অসমে সদায় প্ৰাপ্য অধিকাৰৰ বাবে দিল্লীৰ বিৰুদ্ধে সংগ্ৰাম কৰিব লগা হৈছে। তৎসত্বেও প্ৰতিবাৰেই অসমৰ অধিকাৰ লুণ্ঠিত, পদদলিত, প্ৰতাৰিত আৰু অৱহেলিত হ'ব লগা হৈছে। এইবাৰো তাৰ ব্যতিক্ৰম নহ'ল। ৰাইজে শান্তি বিচাৰিলে ৰাইজক সেনা অভিযানেৰেহে প্ৰত্যুত্তৰ দিয়া হ'ল। এই কথা কেৱল অসমৰ ক্ষেত্ৰতে নহয় উত্তৰ পূৰ্বাঞ্চলৰ সমূহ খিলঞ্জীয়া থলুৱা ৰাইজ জাতি জনগোষ্ঠীৰ ক্ষেত্ৰতে প্ৰযোজ্য। যুদ্ধবিৰতিত থকা সত্বেও নগা বিদ্ৰোহী সংগঠন এন এছ চি এন (আই এম) ৰ লগত কেৱল আলোচনাহে চলাই থকা হ'ল। সু মীমাংশা অদ্যপি নহ'ল। যুদ্ধ বিৰতিত থকা আন আন সংগঠনৰ ক্ষেত্ৰতো সদৃশ আচৰণ। গণতান্ত্ৰিক নীতি আদৰ্শেৰে পৰিচালিত মণিপুৰী বাসীৰ ক'লা আইনবিৰোধী সংগ্ৰামখনকো ৰাষ্ট্ৰই প্ৰতাৰণা কৰা দেখা গ'ল। সহস্ত্ৰ বাহিনী বিশেষ ক্ষমতা আইন (১৯৫৮) ৰ বিৰুদ্ধে উত্তৰ পূৰ্বাঞ্চল বিশেষকৈ মণিপুৰত ৰাইজ মাৰমুখী হৈ উঠা দেখি ন্যায়ধীশ জীৱন ৰেদ্দীৰ অধ্যক্ষতাত আইনখনৰ সংক্ৰান্তত আয়োগ গঠন কৰি দিয়া হ'ল। আয়োগে সকলো বিষয় পৰ্যালোচনা কৰি মতামত দিলে যে আইনখন বাতিল কৰিব লাগে। কিন্তু ওলোটাখৰ মাৰি দিল্লীয়ে আয়োগৰ প্ৰতিবেদনখনকে গাপ দিব খুজিলে। কথাটো গম পাই দীৰ্ঘ ছয় বছৰ ধৰি গান্ধীবাদী প্ৰথাৰে অনশন কৰি থকা মণিপুৰৰ লৌহমানৱী ইৰং চৰখিলাই খুদ দিল্লীতো তোলপাল লগাই দিলে। দিল্লীৰো নাগৰিক সমাজে আগভাগ ল'লে। কিন্তু সকলো দেখিয়ো অদ্যপি দিল্লীৰ শাসক গোষ্ঠী নিশ্চুপ, নিৰুত্তৰ, নিৰ্বিকাৰ হৈ আছে। ই সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ খিলঞ্জীয়া ৰাইজৰ প্ৰতিয়েই এক ভ্ৰূকুটি নহয়নে? জনমতৰ প্ৰতি চৰম অপমান, অৱজ্ঞা, অৱহেলা নহয়নে? স্বাভাৱিকতে আমাৰ মনত প্ৰশ্ন আহে যে কিহৰ বাবে দিল্লীয়ে এনে চৰম উদাসীনতা প্ৰদৰ্শন কৰিছে। কথাবোৰ অলপ দকৈ ভাবি চোৱাৰ প্ৰয়োজন আছে।

১৯৫৭ চনত প্ৰতিৰক্ষাৰ দোহাইদি অসমৰ জনমতক উপলুঙা কৰি বাৰাউনীত শোধানাগাৰ পাতিলে। '৬১ চনত অসমক চীনা আক্ৰমণ কাৰীৰ হাতত গতাই দিলে।

সেই তাহানিতে সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই অসম দেশ বুলি আখ্যায়িত কৰি জাতীয় সংগীত ৰচনা কৰিছিল। অম্বিকাগিৰি ৰায়চৌধুৰী, জ্ঞাননাথ বৰা আদিয়ে পোনপটীয়াভাৱে স্বাধীন অসমৰ কথা উত্থাপন কৰিছিল। All Assam Tribes & races federation যে স্বাধীন অসমৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰিছিল ১৯৪৬ চনত। গোপীনাথ বৰদলৈ, ৰোহিনী কান্ত বৰুৱা, চাৰ নিকলছ ৰয় আদিয়ে পূৰ্ণ স্বায়ত্বশাসনৰ কথা কৈছিল। সম্পদৰ ওপৰত অধিকাৰ বিচাৰি স্বয়ং সংবিধান সভাতো তোৰপাল লগাইছিল। কিন্ত তেতিয়াই জৱাহৰলাল নেহেৰুকে ধৰি বিয়াগোম ভাৰতীয় নেতাসকলে সকলোবোৰ উৰুৱাই দিলে, অপ্ৰয়োজনীয়, অপ্ৰাসংগিক বুলি গণ্য কৰিলে। আনকি বৰদলৈয়ে পূব পাকিস্তানৰ ভগনীয়া ৰাখিব নোৱাৰো বোলাত নেহৰুৱে অনুদান কৰ্তনৰ ভাবুকি দিলে । ১৯৫৭ চনত প্ৰতিৰক্ষাৰ দোহাইদি অসমৰ জনমতক উপলুঙা কৰি বাৰাউনীত শোধানাগাৰ পাতিলে। '৬১ চনত অসমক চীনা

OKDISCD



> স্বাভাৱিকতে প্ৰশ্ন আহিছে যে ৰাষ্ট্ৰই ইয়াৰ যোগেদি গণতান্ত্ৰিক আন্দোলনৰ বিকল্পৰ কথা চিন্তা কৰিবলৈ ৰাইজক বাধ্য কৰাইছে নেকি?

আক্ৰমণ কাৰীৰ হাতত গতাই দিলে। আনকি ক্ৰমবৰ্ধমান জনপ্ৰবজনৰ হেঁচাৰ সৃষ্টি কৰিলে। বহিৰাগতক বিতাড়ণ কৰিবৰ বাবে আঠশ অসমীয়া ডেকাই প্ৰাণ দিব লগা হ'ল। অসম চুক্তিৰ যোগেদি সমস্যাক থাপি থুপি ৰখাৰহে প্ৰয়াস কৰা হ'ল। তাৰ পাছত গীৰ্ঘ দিন ধৰি আছু, অগপই ৰাজ্যলৈ অধিক ক্ষমতা বিচাৰি, যুৱছাত্ৰ পৰিষদে পূৰ্ণ স্বায়ত্বশাসন বিচাৰি আন্দোলন কৰি আছে। আলফাই স্বাধীন অসমৰ কথা কৈছে। এই সকলোবোৰ ক্ষেত্ৰতে ভাৰত চৰকাৰ নীতি কি ? ধৰি লোৱা হ'ল যে ভাৰতীয় শাসকে অসমক স্বধীনতা নিদিয়ে। তেনেহ'লে তাৰ বিকল্প সূত্ৰ কি উত্থাপন কৰা নাই কিয়? আনকি এন এচ চি এনে উত্থাপন কৰা নব্য ফেডাৰিলিজৰ ক্ষেত্ৰতো সহমত প্ৰকাশ কৰা নাই কিয়? ১৯৬৬ চনৰ ৰাষ্ট্ৰসংঘৰ দুয়োখন মানৱ অধিকাৰ সংক্ৰান্তীয় কনভেন্তৰ 'আত্মনিয়ন্ত্ৰণ অধিকাৰ' শীৰ্ষক দফাটোৰ প্ৰতি ১৯৭৭ চনতে 'সংৰক্ষণ' প্ৰকাশ কৰি থৈছে কিয়? বা সেই সংৰক্ষণ পূৰ্ণ বিবেচনা কৰাৰ বাবে চিন্তা-চৰ্চা চলোৱা হোৱা নাই কিয়? আনকি পূৰ্ণ স্বায়ত্বশাসন জম্মু-কাশ্মীৰৰ লেখীয়া ব্যৱস্থা বা চাৰ্কেৰিয়া আয়োগৰ পৰামৰ্শৱলীকে কাৰ্যকৰী কৰাৰ বাবে সদ্ ইচ্ছা প্ৰকাশ নকৰে কিয়? এই সমূহ প্ৰশ্নৰ বৰ্তমানলৈকে পোৱা উত্তৰ এটাই যে ভাৰতবৰ্ষই নকৰে। কাৰণ আজিও ভাৰত বৰ্ষৰ শাসকশ্ৰেণী, নীতি নিৰ্ধাৰকসকল, সেই নেহেৰু নীতিৰ দ্বাৰা প্ৰৰিচালিত, প্ৰভাৱিত হৈ আছে। বন্ধু নৃতাত্বিক ভেৰিয়াৰ এলউইনৰ সহযোগত নেহৰুৱে ভালদৰে বুজিছিল যে অঞ্চলটোৰ নৃতাত্বিক বৈশিষ্ট্যই ইয়াৰ মনোজগতত এক সুকীয়া চাপ সৃষ্টি কৰি থৈছে। ইয়াৰ স্বাভাৱিক, সুষম বিকাশে ভাৰতীয় শাসক গোষ্ঠীৰ মনোগত ধাৰণা সমূহৰ প্ৰতি প্ৰত্যাহবান সৃষ্টি কৰিব। গতিকে তাক মষিমূৰ কৰি জনগাঠনিগত পৰিৱৰ্তন ঘটোৱাৰ উদ্দেশ্য অবাধ জনপ্ৰবজনক উৎসাহ প্ৰশ্ৰয় দিয়া হ'ল। এক অভ্যন্তৰীন ঔপনিৱেশিক নীতিৰে সম্পদৰ বহিৰ্গমন ঘটাই অৰ্থনীতিক অনগ্ৰসৰতা সৃষ্টি কৰি একসৃষ্টিশীল জাতীয় বুৰ্জোৱাৰ বিকাশত বাধা আৰোপ কৰা হ'ল। জাতিসত্তা, জনগোষ্ঠীসমূহৰ স্বাভাৱিক বিকাশৰ প্ৰশ্ন গৌন কৰি সংৰক্ষণ, অনুসূচী কৰণ আদিৰ মাধ্যমেৰে এই প্ৰক্ৰিয়া বাধাগ্ৰস্ত কৰা হ'ল। আভ্যন্তৰীণ দ্বন্দ্বসমূহক উচতনি দিয়া হ'ল। তথাকথিত ভাৰতীয় জাতীয়সংহতিৰ নামত হিন্দুত্ববাদী সংৰক্ষণমুখী ধ্যান-ধাৰণা জাপি দিয়া হ'ল। অহোৰাত্ৰি তাৰ প্ৰচাৰ প্ৰসাৰ চলোৱা হৈছে । এই সমূহ কথাকে যদি কোনোবাই তথ্যগতভাৱে উত্থাপন কৰে তেন্তে সি হৈ পৰে ৰাষ্ট্ৰদ্ৰোহী। ইয়াৰ বাবেই যদি কোনোৱে সংগ্ৰামৰ পথ গ্ৰহণ কৰে তেন্তে সেই সকল হৈ পৰে দেশদ্ৰোহী, কোনোৱে যদি সংঘাতৰ পথ গ্ৰহণ কৰে তেন্তে হৈ পৰে সন্ত্ৰাসবাদী। চমু অৰ্থত ভাৰত ৰাষ্ট্ৰই পোষণ কৰি অহা নেহৰুবাদী, সম্প্ৰসাৰণবাদী, অৱদমনকাৰী নীতিসমূহৰ বিৰুদ্ধাচৰণ কৰা যিকোনো গণকণ্ঠৰ মূল্যহীন শান্তি প্ৰক্ৰিয়াৰ দ্বাৰা যাতে এই দিশসমূহ পোহৰলৈ আহিব নোৱাৰে তাৰ বাবেই ৰাষ্ট্ৰৰ এই কৌশল। শান্তি প্ৰক্ৰিয়া ব্যাহত কৰা, বিপথে পৰিচালনা কৰা এক অপকৌশল। তাৰ বাবে পুনৰ ছহিদৰ তালিকাখন দীঘলীয়া হৈ গৈছে । স্বাভাৱিকতে প্ৰশ্ন আহিছে যে ৰাষ্ট্ৰই ইয়াৰ যোগেদি গণতান্ত্ৰিক আন্দোলনৰ বিকল্পৰ কথা চিন্তা কৰিবলৈ ৰাইজক বাধ্য কৰাইছে নেকি? যদি ৰাষ্ট্ৰৰ ওচৰত গণকণ্ঠস্বৰ মূল্যহীন তেন্তে তাৰ বিকল্পৰ সন্ধান সম্পৰ্কে ৰাষ্ট্ৰৰ প্ৰভূত্ববাদী চৰিত্ৰ সম্পৰ্কে ৰাইজে চিন্তা-চৰ্চা কৰক। ই সময়ৰ আহ্বান।

# বিদ্ৰোহীৰে আলোচনাৰ দায়িত্ব ভাৰত চৰকাৰৰহে

## মতিউৰ ৰহমান

বিদ্ৰোহীৰে আলোচনাৰ দায়িত্ব ভাৰত চৰকাৰৰহে— শিৰোনামাটো দেখিয়েই সকলোৰেৰ চকু কপালত উঠিছে বুলি জানো। কিন্তু বাস্তৱ ক্ষেত্ৰত শিৰোনামাটো এশ শতাংশই শুদ্ধ।

পৃথিৱীৰ যিকোনো দেশৰে এটা অঞ্চলত যদি বিদ্ৰোহ সংঘটিত হয় তেনেহ'লে বিদ্ৰোহীসকলৰ সৈতে সেই দেশৰ চৰকাৰখনে শীঘ্ৰে কথা পতা উচিত। এয়া তাহানিৰ ৰজা-মহাৰজাসকলৰ দিনটো হৈ আহিছে। বিদ্ৰোহীসকলে নিজে উপযাচি কথা পাতিবলৈ কেতিয়াও নাহে। বিদ্ৰোহীসকলে নিশ্চিতভাৱেই দেশখনৰ শাসকৰ অন্যায় অবিচাৰৰ বিৰুদ্ধে তথা শাসকে প্ৰাপ্য অধিকাৰৰ পৰা বঞ্চিত কৰাৰ বাবেই বিদ্ৰোহ সংঘটিত কৰে। স্বাধীনতাৰ দাবীত সশস্ত্ৰ সংগ্ৰাম কৰাসকল সঁচা আৰু নিস্বাৰ্থ দেশপ্ৰেমিক।

ভাৰত চৰকাৰে নগা আৰু মিজো বিদ্ৰোহীসকলৰ সৈতে কথা পাতিছে। ভাৰত চৰকাৰে নিৰ্ধাৰিত তাৰিখ, সময় আৰু স্থান ঘোষণা কৰি সশস্ত্ৰ নগা বিদ্ৰোহীসকলক আলোচনালৈ মাতিছে। নগা বিদ্ৰোহীসকলে আমাক আলোচনালৈ মাতক, আমি আলোচনা কৰিব আহিছো বুলি উপযাচি কাহানিও আলোচনালৈ যোৱা নাই। নগা বিদ্ৰোহীসকলৰ সৈতে ভাৰত চৰকাৰে সৰহভাগ সময় বিদেশী ৰাষ্ট্ৰৰ বেংকক, আমষ্টাৰদাম, পেৰিছ আদিতে আলোচনা কৰি আহিছে। ৰাজধানী দিল্লীত নগা বিদ্ৰোহীৰ সৈতে দুই লানিমানহে আলোচনা হৈছে।

এনেক্ষেত্ৰত অসমৰ বিদ্ৰোহীসকলৰ প্ৰতি ভাৰত চৰকাৰে অনুৰূপ আচৰণ কৰা নাই কিয়? অসমৰ বিদ্ৰোহীৰ প্ৰতি বৈষম্যমূলক আচৰণ কিয়? অসমৰ বিদ্ৰোহী তথা অসমীয়া বিদ্ৰোহী সকলৰ মান-সন্মান, মৰ্যাদা একো নাই বুলি ভাবিছে নেকি কেন্দ্ৰীয় চৰকাৰে? নে অসমীয়াসকলক বুৰ্বক তথা নীচ প্ৰাণী বুলি অৱহেলা কৰি আছে?

আলফাই বিশিষ্টা সাহিত্যিক ড° মামনি ৰয়ম গোস্বামীৰ জৰিয়তে ভাৰত চৰকাৰৰ সৈতে ৰাজনৈতিক আলোচনা কৰাৰ বাবে আগ্ৰহ প্ৰকাশ কৰি চিঠি দিছিল। ইতিমধ্যে 'আলফা'ই গঠন কৰি দিয়া পিচিজিৰ সৈতেও ভাৰত চৰকাৰৰ প্ৰতিনিধিয়ে ২০০৫ চনৰ ২৬ অক্টোবৰ, ২০০৬ চনৰ ৬ ফেব্ৰুৱাৰী আৰু ২২ জুনত দিল্লীত তিনি লানি আলোচনা কৰিছে। তাৰ পিছত হঠাতে 'আলফা'ৰ পৰা চিঠি এখন বিচৰাৰ অজুহাত উলিয়াই ভাৰত চৰকাৰ আলোচনাৰ পৰা আঁতৰি আহিছে কিয়?

আলফাই পিচিজি গঠনৰ আগতেই দাবী জনাই আহিছে 'আলফা'ৰ ৫ গৰাকী গুৱাহাটীৰ কাৰাগাৰত কাৰাৰুদ্ধ নেতাক মুক্তি দিবলৈ আৰু ভূটান যুদ্ধত গ্ৰেপ্তাৰ কৰা আৰু বৰ্তমান নিখোজ হৈ থকা নেতাসকৰ সন্ধান বিচাৰিছিল। পিচিজিৰ সৈতে চৰকাৰৰ তিনিলানি আলোচনাৰ পিচতো 'আলফা'ই কৰা দাবীৰ একো মীমাংসা হোৱা নাই। উল্লেখযোগ্য যে চৰকাৰে যোৱা ১৪ আগষ্টৰ পৰা প্ৰায় ডেৰ মাহ সাময়িকভাৱে সেনা অভিযান বন্ধ কৰাৰ প্ৰতি 'আলফা'ইও সঁহাৰি দি সংগঠনৰ সশস্ত্ৰ কাৰ্যকলাপ বন্ধ ৰাখিছিল। তেনেক্ষেত্ৰত হঠাৎ 'আলফা'ৰ পৰা এখন চিঠি বিচাৰি কেন্দ্ৰীয় চৰকাৰে আলোচনাৰ পৰিৱেশ বিঘ্নিত কৰি অসমত যোৱা ২৪ ছেপ্তেম্বৰৰ পৰা সেনা অভিযান ব্যাপক কৰি তুলি জনগণৰ ওপৰত সীমাহীন নিৰ্যাতন চলাই আছে।

নেপালৰ মাওবাদী বিদ্ৰোহীসকলৰ সৈতে নেপাল চৰকাৰে আলোচনা কৰিছে। শ্ৰীলংকাৰ তামিল বিদ্ৰোহীসকলৰ সৈতে শ্ৰীলংকাৰ চৰকাৰে আলোচনা কৰিছে। নেপাল, শ্ৰীলংকা সকলোতে দেখা গৈছে যে চৰকাৰে আগভাগ লৈ বিদ্ৰাহীৰ সৈতে আলোচনা কৰিছে।

অসমখন ভাৰতৰ এখন উপনিৱেশ। সেয়ে উপনিৱেশ অসমৰ প্ৰতি ভাৰত চৰকাৰৰ কোনো দায়িত্ব নাই। কেৱল খাৰুৱা তেল, কয়লা, চাহ, ইউৰেনিয়াম আদি খনিজ সম্পদসমূহ লুণ্ঠন কৰি নিব পাৰিলেই হ'ল।

আলফাৰ সৈতে ভাৰত চৰকাৰে মৰ্যাদাপূৰ্ণ আলোচনা কৰিব নোখোজে। দুভাগ্যজনকভৱে ভাৰত চৰকাৰৰ অন্ধ গোলামি কৰি তথা দিল্লীৰ এৰেহা খাই গৌৰৱান্বিত হোৱা অসমৰ এচাম শিল্পী-সাহিত্যিক, বুদ্ধিজীৱী, বিভিন্ন ৰাজনৈতিক দলৰ নেতা, অসম চৰকাৰৰ বিভিন্ন বিভাগৰ উচ্চপদস্থ বিষয়া আদিয়েও 'আলফা'ৰ সৈতে ভাৰত চৰকাৰৰ আলোচনা হোৱাটো নিবিচাৰে। সেয়ে ভাৰত চৰকাৰে অসমক অৱহেলা আৰু অৱজ্ঞা কৰাৰ সাহস পাইছে। আমাৰ নিজৰ মাজত থকা এই ছদ্মবেশী শত্ৰুবোৰক চিনাক্ত কৰি বিহিত ব্যৱস্থা ল'ব লাগিব আৰু তেতিয়াহে সংগ্ৰামৰ সফলতাৰ পথ সুগম হ'ব।

# আইন-আদালত আৰু শিক্ষিত সমাজৰ বিশ্বাসঘাতকতাই ৰক্তাক্ত কৰিছে অসম

**হৰিণ মহন্ত**

*এই অত্যাচাৰীহঁতক সোধা*
*এটা মৰা শ'ৰ দাম কিমান*
*কিমান পুণ্য কৰিলে পায়*
*বুকুত একোটা বুলেট*
*.......*
*.....*
*কেইটোপাল চকুৰ পানীৰে ভৰে*
*মাটিৰ একোটা কলহ*

*সমীৰ তাতী।*

*মানুহৰ নাম কি ইয়াত*
*জীৱন নে মৃত্যু মৃত্যুনে হাঁহাঁকাৰ*
*কেনি উটি যায়*
*উটি যায় কেনি জীৱনৰ ৰং*

*স্বাধীনতা ফুকন।*

*মোৰ উৎকণ্ঠা সেই নিৰুদ্দেশ খঙাল ডেকাৰ বাবে*
*সি জানিছিল আমাৰ জীয়াই থকাৰ ঘৰ কোনে ভাঙিলে*
*বাৰুদৰ ধোৱাৰ মাজত তাৰ আত্মহননৰ প্ৰবণতা জাগে*
*পাহৰে উভতি অহাৰ বাট—*

*নলিনীধৰ ভট্টাচাৰ্য*

*My defeat would not mean that victory is unattainable. There were many who were beaten in trying to reach the summit of Mount Everest but in the final Everest was conquered.*

*Che Guevera*

*(অৰ্থাৎ—মোৰ পৰাজয়ে এইটো নুবুজায় যে বিজয় অসম্ভৱ। এভাৰেষ্ট শৃঙ্গ আৰোহণ কৰিবলৈ যাওঁতে বহুজন পৰাস্ত হৈছিল। কিন্তু অৱশেষত এভাৰেষ্টক জিনিলেতো। চেগুৱেভাৰা)*

*অসমৰ বুকুত যেন অভিশপ্ত যৌৱন কেৱল সমাধি কেৱল চকুলো। বিষাদৰ ৰিণি ৰিণি সুৰ....... কেৱল শ্বহীদ শব্দৰে অন্ত পৰিছে জীৱনৰ। আমি আৰু কিমানদিন শ্ৰদ্ধাঞ্জলি যাচিম? বাৰে বাৰে কিয় হেৰুৱাইছোঁ প্ৰতিভাৱান যুৱকক? এখন সমাজৰ বাবে, এটা জাতিৰ বাবে কেৱল বচা বচা কেইজনমান যুৱকে প্ৰাণ দি যাব অথচ চৌপাশে স্বাভাৱিকতাই বিৰাজ কৰি থাকিব—ই কেনেধৰণৰ নিষ্ঠুৰতা?*

*জনাৰ্দন গোস্বামী*

*মই ভাৰতীয় হিচাবে লজ্জিত।...... আমাৰ প্ৰজন্মৰ কাকোৰেই ইতিহাসে ক্ষমা নকৰে। (উত্তৰ-পূবৰ সেনা অত্যাচাৰ প্ৰসঙ্গত গুৱাহাটী হাইকোৰ্টত মুখ্য ন্যায়াধীশে আয়োজন কৰা বক্তৃতাত উচ্চতম ন্যায়ালয় প্ৰাক্তন ন্যায়াধীশ কৃষ্ণ আয়াৰে কৈছিল)*

*State terrorism is no answer to combat terrorism. (Supreme court in D.K. Basu case) অৰ্থাৎ সন্ত্ৰাসবাদ যুঁজাৰ বাবে ৰাষ্ট্ৰ সন্ত্ৰাস সমাধান নহয় উচ্চতম ন্যায়ালয়ে ডি কে বসু গোচৰত কৈছে।*

*ছাঁ ভৰা সেউজীয়া গছৰ সৈতে*
*চৰাই বেলি বতাহ পখিলাবোৰৰ সৈতে*
*মই এটা গান হৈ থাকিব খোজো।*

*মেগন কছাৰী*

*A constitution is what a constitution does, not what it profess.*

*V.R. Krishna Iyer*

*সংবিধানে যি কৰিছে সেইয়াই সংবিধান। ই কি আদৰ্শ ঘোষণা কৰিছে সেয়া সংবিধান নহয়।*

হে শ্বহীদ। আইন আৰু সংবিধানৰ সকলোৱে বুজি পোৱা ব্যাখ্যা দিবলৈ চেষ্টা কৰি তোমাক প্ৰণাম জনাব বিচাৰিছোঁ। কাৰণ মই বুজি পাইছোঁ যে আইন আৰু সংবিধান ৰামায়ণ-মহাভাৰতৰ সোণৰ হৰিণ আৰু শিখণ্ডীহে। ৰাইজৰ লগত কথা পাতি বুজি পাইছোঁ যে সংবিধান আৰু আইনৰ এই দুই চৰিত্ৰ নুবুজা বাবেই সমাজৰ প্ৰবল প্ৰতাপী শক্তিসমূহে হয় ৰণক্ষেত্ৰ পৰিহাৰ কৰিছে অথবা আওকান কৰিছে অথবা পথভ্ৰষ্ট হৈছে। অৰ্থাৎ আইন আৰু সংবিধানৰ চদ্মবেশটো খুলি দিব পৰা নাই বাবেই তোমাৰ দৰে বহুজনে জীৱন হেৰুৱাইছে। আজি আইনক ৰক্ষা কৰিবলৈ হত্যাযজ্ঞ চলিছে। সমাজ বচাবলৈ নহয়। এই কথা অসমৰ বুদ্ধিজীৱী দেৱ সন্দিকৈয়েই প্ৰথম উপলব্ধি কৰিছিল। আজি সমাজত অন্যায়ক ৰক্ষণাবেক্ষণ দিবৰ বাবেহে আইন আৰু সংবিধান। আইন আৰু ন্যায়ৰ মাজত আজি যুদ্ধ চলিছে। এই কথা অসমৰ শ্ৰদ্ধেয় আৰু অতুলনীয় বুদ্ধিমত্তা আৰু মানৱ দৰদী বুদ্ধিজীৱীসকলেও বুজি নোপোৱাৰ অভিজ্ঞতা আমাৰ হৈছে। ফলত অসম হৈ পৰিছে তথাকথিত "বৈধ আৰু সাংবিধানিক" হত্যাৰ অভিলেখকাৰী ৰাজ্য। দেশত আইনহীন আইন চলিছে। (অৰ্থাৎ Law versu justice আৰু Lawless Law) সেয়েহে সমাজৰ সকলো চয়তানে "সংবিধানৰ গণ্ডী" নামৰ খণ্ডবাক্য এটা সৃষ্টি কৰি খণ্ড খণ্ড কৰিছে বহুতৰ দেহ আৰু সমাজখন। এই অৰ্থহীন তুলুঙা বজৰুৱা খণ্ডবাক্যটোৰ ভণ্ডামী উদঙাবলৈ তুমি যেন মোক শক্তি দিয়া তাৰ বাবেই জনালোঁ

শত প্ৰণিপাত। সদ্যহতে চমু কৰাৰ স্বাৰ্থত কথাবোৰ হয়তো জটিল বা নীৰস হৈছে। ভৱিষ্যতৰ বহল ব্যাখ্যাত এনেদৰে নীৰস বা জটিলতা নথকাটো খাটাং।

দেশখনত এখন সংবিধান আছে। মানুহে কয় জনসাধাৰণৰ জীৱনলৈ আনন্দ আৰু প্ৰাচুৰ্য আনিবৰ বাবেই হেনো সংবিধানৰ জন্ম। মন গ'লেই অতীতত প্ৰজাক ৰজাই হত্যা কৰাদি, মৃত্যুদণ্ড দিয়াদি এতিয়া আৰু শাস্তি দিব নোৱাৰিবলৈকে বোলে সংবিধান। সংবিধান মতে ৰাইজেই ৰজাক নিয়ন্ত্ৰণ কৰিব বুলি কয়। বাঃ কি মজাৰ কথা। কিমান যে গান গুণগুণাম। ছাঁভৰা গছৰ দালত চৰাই হৈ আমি নিজেই একোটা গান হ'ম। কিন্তু আজি বাস্তৱত কি হৈছে? সৰগৰ পৰা বৈ অহা অমৃতৰ নিজৰা বুলি কোৱা সংবিধানখনে দেখোন আমাৰ ঘৰবোৰ ভাঙিহে পেলালে। গান হৈ গছৰ দালত বতাহ হৈ পৰাৰ পৰিৱৰ্তে বাৰুদৰ ধোঁৱাৰ মাজত জীৱন ভয়াবহহে হৈ পৰিল। সংবিধানখন আহিল দেবদূত হৈ নহয় যমদূত হৈহে। পূৰ্বৰ ৰাজতন্ত্ৰৰ শাসনতো দোষী প্ৰজাক ধৰি আনি বিচাৰ কৰিহে মৃত্যুদণ্ড দিছিল। অতীতৰ চাওদাঙক মন গ'লেই মানুহ কাটিবলৈ ৰজাই নিদিছিল। কিন্তু দেশত এতিয়া এখন সংবিধান আছে। সেই সংবিধানে কৈছে সেনা বাহিনীৰ হাবিলদাৰজন ভগৱান। ভগৱানে পাপীক চিনি পোৱাৰ দৰে সেনাইও বোলে অপৰাধী চিনি পায়। গতিকে তেওঁলোকে যাকে হত্যা কৰা উচিত বুলি ভাবে তাকেই হত্যা কৰিব পাৰে। ভাৰতবৰ্ষৰ স্বাধীনতাই হাজাৰ বছৰীয়া ভাৰতীয় সংস্কৃতিয়ে এনেদৰেই অসম তথা উত্তৰ-পূবাঞ্চলৰ মানুহক ডাক্তৰে মৰা শৰ ফলা-চিৰা কৰি ডাক্তৰে কথা শিকাৰ দৰে জধে মধে সেনাই হত্যা কৰিব পৰা এবিধ দুঠেঙীয়া জন্তুলৈ ৰূপান্তৰ কৰিলে হত্যাৰ প্ৰেক্টিচ কৰিবলৈ। পৰিণতিত হাজাৰ হাজাৰ মেগন কছাৰী নিৰুদ্দেশ হ'ল। সিহঁতৰ প্ৰতিশ্ৰুতি ঘৰ ভঙাসকলক এশিকনি দিব শত্ৰুক পৰাস্ত কৰি। ঘৰলৈ উভতি অহাৰ পথ সিহঁতি পাহৰি যায়। কিয়নো এতিয়া সংবিধানৰ শাসনত উত্তৰ-পূবৰ মানুহৰ নাম মৃত্যু। হাঁহাঁকাৰ। জীৱনৰ ৰং উটি গ'ল কেনিবাদি, গতিকে এই খণ্ডাল ডেকাবোৰৰ আত্মহননৰ প্ৰৱণতা জাগিছে। জীৱনৰ, ৰং বিচাৰিছে। দেশক ভাল পাই পুণ্য কৰিব বিচাৰিছে। গতিকে সংবিধান নামৰ দৈত্যটোৱে ৰাং কুকুৰৰ দৰে স্বভাৱৰ সেনাক জনগণক অত্যাচাৰ কৰিবলৈ মেলি দিছে। সংবিধানত লিখা আছে দেশক কিমান ভাল পালে বুলেটৰ পুৰস্কাৰ দিব লাগে। গতিকে কবিয়ে প্ৰশ্ন কৰিছে কিমানজনৰ চকুপানী বৈ গ'লে যাৰ স্বাৰ্থত সংবিধান ৰচনা কৰা হ'ল সেই ধনী শ্ৰেণীৰ ধনৰ লিপ্সা পূৰণ হ'ব। এনেদৰেই আমাৰ ঘৰ ভঙাসকলক এশিকনি দি ঘৰ বন্ধাৰ স্বপ্নৰে ব্যাকুল হৈ গোলাঘাট জিলাৰ মেৰাপানী অঞ্চলৰ পৰা শিশুৰাম শইকীয়া ওৰফে মৃদুল বৰা এদিন নিৰুদ্দেশ হৈছিল। যোৱা চাৰি অক্টোবৰত অত্যাচাৰীহঁতে তাৰ পুণ্যকৰ্মৰ বাবে তাক 'মৰাশ' " কৰি ঘৰলৈ পঠালে। বুকুত বুলেট লৈ ঘৰলৈ ঘূৰি আহিল। আমি আজি তেওঁৰ পুণ্যৰ হিচাব ল'ব লাগে। পুণ্যৱন্তসকলৰ মৃতদেহৰ দ'ম যিমানে ওখ হ'ব সিমানে ভাৰতৰ পুঁজিপতি বা চাহলবীৰ ধনৰ পাহাৰ সৃষ্টি হ'ব। সেই বাবেই আলোচনা নকৰাৰ সিদ্ধান্ত লৈ চৰকাৰে পুনৰ সেনা অভিযান চলোৱাত উৎফুল্লিত বহুজাতিকে অসমত পুঁজি খটুৱাবলৈ আহিছে। অৰ্থাৎ এওঁলোকৰ স্বাৰ্থত অখণ্ডতাৰ নামত নীৰিহৰ তেজেৰে অসম ৰাঙলী হ'ব। মৃদুল আৰু দেৱজিতৰ হত্যাৰ লগে লগে বাতৰি কাগজত সেয়ে ১। আৰু ২ নং বক্সত দিয়া খবৰটো ওলাল। এওঁলোকৰ স্বাৰ্থকে অসমবাসীৰ স্বাৰ্থ ডাঙৰ হ'ব নোৱাৰে। এওঁলোকৰ নিৰাপত্তাৰ নামেই অসমৰ নিৰাপত্তা। এওঁলোকৰ অসুবিধাৰ নামেই আইন শৃঙ্খলাৰ অৱনতি হ'ব চৰকাৰৰ মতে। এওঁলোকৰ নিৰাপত্তা নামেই ৰাইজৰ নিৰাপত্তা। বাঃ কি চমৎকাৰ কথা। শিক্ষিতসকল নীৰৱ। নীৰৱ আদালত।

এতিয়া সেয়ে আমি জনাৰ্দন গোস্বামী দৰে প্ৰশ্ন কৰিছোঁ। আমি নীৰৱ হৈ থাকিমনে প্ৰশ্ন কৰিম? কৃষ্ণ আয়াৰৰ দৰে ভাবিম নে নাভাবিম? নে অসমৰ শিক্ষিতসকলৰ দৰে মৌনতা অৱলম্বন কৰিম?

হে' শ্বহীদ তোমালোকলৈ প্ৰণাম। কিন্তু প্ৰণাম,মানেও অপমান হ'ব যদিহে অত্যাচাৰীহঁতৰ চলাহী ভাষাৰ প্ৰচাৰত ভোল গৈ নীৰৱ হৈ থকাসকলক জাগ্ৰত কৰিব নোৱাৰোঁ। ওপৰত উচ্চতম ন্যায়ালয়ৰ উক্তি দিলোঁ এই বাবেই যে ৰাইজে বুজক যে এই অত্যাচাৰীহঁতে জানি শুনিয়েই সপ্তৰথীয়ে অভিমন্যুক বেৰি মৰাদি মাৰিছে আমাৰ ডেকা ল'ৰাবোৰ।

এনে কাৰণতে বহু কথা আলোচনাৰ দৰকাৰ। নহ'লে কেৱল শ্বহীদ শব্দৰে জীৱন অন্ত পৰিব। অত্যাচাৰ চলিয়েই থাকিব। মানুহ মৰিব। আইন বাচিব। অৰ্থাৎ মানুহক বচাবলৈ আইন নহয়। এয়ে ভাৰতীয় সংবিধানৰ দৰ্শন।

এতিয়া আমি কিছু আইন আদালত আৰু শিক্ষিতৰ দায়বদ্ধতা সম্পৰ্কে আলোচনা কৰোঁ।

আপুনি আলফাক সমৰ্থন কৰা বা নকৰাৰ প্ৰশ্ন আজি গৌণ। আপুনি যদি আলফাক সমৰ্থন নকৰেও তেতিয়াহ'লে সেনা সন্ত্ৰাস সমৰ্থন কৰিব নোৱাৰে। কিয়নো নিজৰ দেশ আৰু জাতিক নিজা আদৰ্শৰে বিচৰাৰ অধিকাৰ সকলোৰে আছে। এই ক্ষেত্ৰত মত বিৰোধ হ'লে সেই মতবিৰোধ গণতান্ত্ৰিকভাৱে সমাধান নকৰি বুলেটেৰে সমাধান বিচৰাটো নিশ্চয় সভ্য সমাজৰ চৰিত্ৰ হ'ব নোৱাৰে। বৰং সাম্ৰাজ্যবাদী বা ঔপনিবেশিক ৰাষ্ট্ৰৰহে চৰিত্ৰ। এনে জাতীয় কথাবোৰ আলফাক সমৰ্থন নকৰাসকলৰ কথাৰেই প্ৰতিপন্ন হয়। সেইবাবেই এই প্ৰবন্ধত মই আলফা বিৰোধী সকলৰ বক্তব্যৰেই আলফাৰ যুক্তি প্ৰতিপন্ন কেনেকৈ কৰিছে তাৰ আভাষ দিবৰ বাবেই অধিক উদ্ধৃতিৰ সহায় লৈছোঁ। আজি আপুনি যদি আলফাৰ সমৰ্থনত কথা ক'ব বিচাৰে তেন্তে আলফাৰ বক্তব্য নপঢ়িলেও হ'ব। আপুনি তেওঁলোকক গালি পৰাসকলৰ বক্তব্য পঢ়ক। তেনেদৰে সংবিধানখন যে বহুতৰে ঘৰ ভঙাৰ হাথিয়াৰ হৈছে সেই কথাও সংবিধান ভক্তৰ কথাৰেই প্ৰমাণ হয়। তাৰ বাবে সংবিধান বিৰোধীসকলৰ বক্তব্য নপঢ়িলেও হয়। এই দুটা কথা প্ৰমাণৰ বাবে এই প্ৰবন্ধ। এতিয়া সেয়ে আমি ডক্তৰ হীৰেণ গোহাঁইৰ কিছু কথা পঢ়ি চাওঁ।

".........ৰাজনৈতিক চেষ্টাৰে অসমৰ অৰ্থনীতি সংস্কাৰ সাধনো এতিয়া অসম্ভৱ। কাৰণ ৰাষ্ট্ৰ ব্যৱস্থাত অসমৰ স্থান তুচ্ছ নগণ্য। সেয়ে অৰ্থনৈতিক হীনমন্যতাত ভোগা ক্ষুব্ধ হতাশ অসমীয়া যুৱক সন্ত্ৰাসবাদী বিচ্ছিন্নতাবাদৰ প্ৰতি ধাবমান হৈছে। এনে বিচ্ছিন্নতাবাদে সমাজত এপিনে নাৰকীয় হত্যাকাণ্ড ঘটাইছে, আনপিনে নিৰীহ জনতাৰ ওপৰত নমাই আনিছে সেনাৰ আতংকজনক সন্ত্ৰাস। সেই ধাৰাৰ অগ্ৰগতিত বাধা দিব কোনে? .........অৰ্থাৎ শিল্প ব্যৱসায় উদ্যোগী কৃষি আদি গঢ়ি উঠাৰ পৰিবেশ অসমত এতিয়াও নাই। তেনেস্থলত কৰ্ম বিমুখীতাৰ বাবে অসমৰ মানুহক গালি পাৰি থকাটো কিমানদূৰ যুক্তিসঙ্গত ভাবি চাবলগীয়া। এচাম শিক্ষিত অসমীয়াই আজি এই কৰ্ম বিমুখীতাৰ বাবে জাতিক দোষাৰোপ কৰি বিলাপ কৰি থকা আমাৰ চকুত পৰে। ..........মেকুৰীৰ ডিঙিত কোনে টিলিঙা আঁৰিব। ভাৰতৰ ভিতৰতো অসমৰ আকৌ এক সুকীয়া অৱস্থান। ....যোৱা ৪৫। টা বছৰে (৯২ চনতে কোৱা কথা বাবে ৪৫ বছৰ ঃ লিখক) ভাৰতীয় সমাজক নেতৃত্ব দিয়া শ্ৰেণীটোৱে দেশৰ মানুহক সবল বা স্বাধীন কৰিব নোৱাৰিলে।.......এই শ্ৰেণীটোৱে আৰু এই শ্ৰেণীটোৰ লগৰীয়া শিক্ষিত চামে অসমৰ তথা ভাৰতৰ জনগণৰ উন্নতি সাধন কৰিব নোৱাৰে....." (এগছ বন্তিৰ আন্ধাৰ) বৰ্তমান ৰাজনৈতিক ব্যৱস্থাত অসমৰ উন্নতি নহয় বুলি ডঃ গোহাঁয়ে স্বীকাৰ কৰিছে। তেনে ক্ষেত্ৰত বিচ্ছিন্নতাবাদ বিৰোধী পণ্ডিতগৰাকীয়ে একো পথৰ সন্ধান নিদিয়াই আলফাৰ কথাকে যুক্তিসঙ্গত বুলি কোৱা নাইনে?

কাৰণ তেওঁৰ অন্য এটা উক্তি চাওক "........উন্নয়নৰ সম্পৰ্কে মন্ত্ৰীয়ে যিমানেই ভাষণ নিদিয়ক ৰাজ্য চৰকাৰৰ প্ৰধান দায়িত্ব হ'ল অসমীয়া জাতিৰ ওপৰত শোষণ চলোৱাৰ ক্ষেত্ৰখন নিৰাপদকৈ ৰখা........" (এগছ বন্তিৰ আন্ধাৰ) এনে ক্ষেত্ৰত অসমৰ মানুহে কি কৰিব। সদনৰ ১৪খন আসন লৈ কেন্দ্ৰ চৰকাৰো দখল কৰিব নোৱাৰে আৰু ৰাজ্য চৰকাৰবোৰো কেন্দ্ৰৰ চৰকাৰৰ চাকৰহে। তেনে ক্ষেত্ৰত নিৰুদ্দেশ ডেকাৰ সংখ্যাই নিশ্চয় বৃদ্ধি হ'ব। তেখেতে আকৌ কৈছে "........... স্বাধীনতাৰ পিছতো ৰাজ্যখনৰ পৰিপূৰ্ণ অৰ্থনৈতিক পূৰ্ণগঠন তথা বিকাশৰ দায়িত্ব অসমীয়াৰ হাতত নপৰিল। বৃহৎ পুঁজিৰ প্ৰয়োজনত কেন্দ্ৰীভূত ৰাষ্ট্ৰ ব্যৱস্থা দিল্লীৰ পৰা পৰিচালিত হ'বলৈ ধৰিলে। অসমৰ প্ৰাকৃতিক সম্পদৰ যথাযোগ্য ব্যৱহাৰৰ ভিত্তিত থলুৱা উদ্যোগ গঢ়াৰ প্ৰশ্নই নুঠিল। .......ৰাজ্য চৰকাৰ অসমীয়া জাতীয় আশা-আকাংক্ষাৰ বাহক নহৈ দিল্লীৰ আজ্ঞাবাহী হৈ পৰিল........" (এগছ বন্তিৰ আন্ধাৰ) তেতিয়া হ'লে এই শ্বহীদসকলৰ ভুল ক'ত? তেখেতে আৰু কৈছে ".....ভাৰতৰ সাম্প্ৰতিক আৰ্থ-সামাজিক ব্যৱস্থাত জাতি হিচাবে অসমীয়া নিপীড়িত........" (এগছ বন্তিৰ আন্ধাৰ)। এনেক্ষেত্ৰত শিক্ষিতসকলে সমাজৰ প্ৰতি দায়িত্ব পালন কৰিছেনে? নাই কৰা, সেয়ে দেশ ৰক্তাক্ত। শিক্ষিতৰ দায়িত্ব পালন নকৰাৰ বিষয়েও আমি ডঃ গোহাঁইৰ কথাৰেই কওঁ "........... শিক্ষিতসকলৰ আচৰণত এতিয়া অৰ্থলিপ্সাই প্ৰবল। এটা সময়ত বিদ্বানৰ লক্ষণ আছিল সহজ সৰল অনাড়ম্বৰ জীৱন যাপন। এতিয়া কাপোৰ-কানিয়ে ফিট-ফাট, ধনে ক্ষমতাই জাতিস্কাৰ নহ'লে বিদ্বানৰ বিদ্যাৰ প্ৰতিয়েই সৰ্বসাধাৰণ সন্দিহান হয়। সেয়ে এহাতে টিউশ্যনৰ প্ৰকোপত শিক্ষক বিদ্যাৰ দোকানীত পৰিণত হৈছে আৰু ৰাজনীতিবিদক সংযমৰ শিক্ষা দিয়াতকৈ ক্ষমতাশালী ৰাজনীতিবিদৰ পিছে পিছে দৌৰি ফুৰাই কিছুমান শিক্ষিত বুদ্ধিজীৱীৰ জীৱনৰ ব্ৰত হৈ পৰিছে। সমাজৰ নেতৃত্ব আনৰ হাতলৈ গৈছেই। শিক্ষিতসকলে কেৱল সেই নেতৃত্বৰ প্ৰধান লেমটো হ'বলৈ চেষ্টা কৰে।

..... তাৰ ফলত শিক্ষাৰ ভূমিকাৰ উল্লেখযোগ্য পৰিৱৰ্তন ঘটিছে। এটা সময় আছিল যেতিয়া এন্ধাৰৰ মাজত শিক্ষাক জোৰৰ পোহৰ বুলি ভবা হৈছিল। অৰ্থাৎ ৰাজনীতি, অৰ্থনীতি সকলোৱে দিক্ নিৰ্ণয় কৰিব বুলি আটায়ে শিক্ষা তথা শিক্ষিতৰ পিনে চাইছিল। উন্নত দেশবোৰত আজিও সেই অৱস্থা আছে। তাৰ সমাজ হৈছে জ্ঞানভিত্তিক সমাজ— "Knowledge Society". কিন্তু আমাৰ দেশত ৰাজনীতি আৰু অৰ্থনীতিয়ে শিক্ষা আৰু শিক্ষিতৰ চৰিত্ৰ নিৰ্দ্ধাৰণ কৰি দিছে।..........সমাজৰ পৰা বিচ্ছিন্ন, সমাজৰ প্ৰতি উদাসীন শিক্ষিত লোকসকলে ব্যক্তিবাদী, ব্যক্তিকেন্দ্ৰিক মনোভাব আশ্ৰয় কৰিছে। মুখত উৎকৰ্ষৰ (Excellance) কথা ক'লেও কাৰ্য ক্ষেত্ৰত নিৰ্লজ চাটুকাৰিতা, সুবিধাবাদ আৰু দলাদলিৰ যোগেদি নিজৰ career বনাই গৈছে। ....শিক্ষকসকলে অনুভৱ নকৰে যে তেওঁলোকে জাতি বা দেশ গঠনত বৰঙনি দিছে। ছাত্ৰ-ছাত্ৰীয়ে অনুভৱ নকৰে যে দেশ বা জাতি গঠনৰ বাবে তেওঁলোক প্ৰস্তুত হৈছে........

.......অলপতে "অন্বেষা"ই সাম্প্ৰদায়িকতা সম্পৰ্কে সংগঠিত কৰা আলোচনা চক্ৰলৈ বাহিৰৰ দুজন প্ৰখ্যাত আৰু কৃতী বিদ্বান আহিছিল গুৱাহাটীৰ ইমানবোৰ কলেজৰ অধ্যাপকৰ মাজত এওঁলোকৰ ভাষণ শুনিবলৈ দহজনো উপস্থিত আছিলনে নাই সন্দেহ........" (এগছ বন্তিৰ আন্ধাৰ)

পাঠকসকলৰ মনত নিশ্চয় প্ৰশ্ন হৈছে ডঃ গোহাঁইৰ এনে দীঘলীয়া উদ্ধৃতি কিয় দিলোঁ। ডঃ গোহাঁই আলফাৰ সমৰ্থক নহয়। এতিয়া আমি তেখেতৰ বক্তব্যৰ মাজত কেনেকৈ স্বাধীনতাৰ দাবীৰ যুক্তি সোমাই আছে আৰু তেখেতৰ বক্তব্যৰ মাজত কেনেকৈ শিক্ষিতসকলৰ বাবেই দেশ ৰসাতলে গৈছে আৰু কেনেকৈ এই সংবিধান মানি চলিম বুলি কোৱা এই শিক্ষিতসকলে বা বিভিন্ন সংগঠনসমূহে কেনেকৈ সংবিধানখন

১ নং বক্স

### ৰাজ্যলৈ আহিছে পুঁজিপতি, অচিৰেই বিনিয়োগ হ'ব ৩০,০০০ কোটি টকা

ৰাজ্যত অচিৰেই ৩০ হাজাৰ কোটি টকাৰ বিনিয়োগ ঘটিব বুলি আশা কৰিছে মুখ্য মন্ত্ৰী তৰুণ গগৈয়ে। মুম্বাইত বিভিন্ন উদ্যোগপতি, বিনিয়োগকাৰীক সাক্ষাৎ কৰি উলটি অহা মুখ্যমন্ত্ৰীয়ে কয়--দেশৰ আগশাৰী উদ্যোগপতি ৰতন টাটাই অসমত হোটেল আৰু পৰ্যটন খণ্ডত বিনিয়োগৰ প্ৰতিশ্ৰুতি দিছে। টাটাই গুৱাহাটীত এখন পঞ্চতাৰকাযুক্ত হোটেলৰ লগতে ইলেক্ট্ৰনিক সামগ্ৰীৰ বিতৰণ কেন্দ্ৰ স্থাপন কৰাৰ বাবেও আগ্ৰহ প্ৰকাশ কৰিছেল বুলিও মুখ্যমন্ত্ৰীয়ে জনায়। তদুপৰি প্ৰায় ৫০০ কোটি টকা ব্যয়েৰে গৃহ নিৰ্মাণ সামগ্ৰীৰ এক উদ্যোগ স্থাপন কৰাৰ বাবেও টাটাই সন্মতি প্ৰকাশ কৰিছে। সেইদৰে ৰিলায়েন্স গোষ্ঠীয়েও যুটীয়া খণ্ডত অসমত এটা ভোট এৰাৰ গুটিৰে নিৰ্মাণ কৰা জৈৱ-ডিজেল উদ্যোগ স্থাপন কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰা বুলি প্ৰকাশ কৰি মুখ্যমন্ত্ৰীয়ে কয়--ভিডিঅ'কন গোষ্ঠীৰ মুৰব্বী বেনুগোপাল ডোপৰ সৈতেও বিনিয়োগ সম্পৰ্কত আলোচনা হৈছে। তেওঁ অসমত শক্তি উদ্যোগ স্থাপনৰ বাবে আগ্ৰহ প্ৰকাশ কৰিছে। টাটাই অসমত কেঞ্চাৰ ৰোগৰ আগতীয়াকৈ চিনাক্তকৰণৰ বাবে এটা প্ৰতিষ্ঠান স্থাপন কৰিব।

চন্দ্ৰপুৰকে ধৰি ৰাজ্যত বন্ধ হৈ থকা শক্তি উদ্যোগসমূহৰ অৱস্থা পৰিদৰ্শন কৰি যুটীয়াখণ্ডত পুনৰ মুকলি কৰাৰ কথা বিবেচনা কৰিব বুলিও টাটাই জনাইছে। চিমেণ্ট উদ্যোগ, কৃষি ভিত্তিক উদ্যোগৰ বাবেও বিভিন্ন প্ৰতিষ্ঠানৰ সৈতে কথা পতা বুলি প্ৰকাশ কৰি মুখ্যমন্ত্ৰীয়ে কয়--আন্তঃগাঁথনি উন্নয়নৰ বাবে আন্তঃৰাষ্ট্ৰীয় ফাণ্ডিং এজেন্সী আই এল এফ এছে ১০,০০০ কোটি টকা বিনিয়োগ কৰাৰ বাবে প্ৰস্তুতি চলাইছে। শক্তি, কৃষি, পথ, তথ্য-প্ৰযুক্তি, নলা-নৰ্দমা, পানী যোগান আদি খণ্ডত যুটীয়া বিনিয়োগৰ বাবেও কথা পাতি আশাপ্ৰদ সঁহাৰি পাইছে বুলিও মুখ্যমন্ত্ৰীয়ে জনায়। |*দৈনিক জনসাধাৰণ*, ২৯/৯/২০০৬

গছকি পেলাইছে তাৰ প্ৰমাণ আছে সেয়া দেখুৱাম। তেতিয়া আমাৰ এটা প্ৰশ্ন কৰাত সহায় হ'ব। আলফা আদি ভাৰতবৰ্ষৰ বিদ্ৰোহী সংগঠনবোৰৰ সদস্যক যে সংবিধান নমনাৰ আজুহাতত বিনা বিচাৰে হত্যাও কৰা হয় সংবিধান অবমাননা কৰা বাকীসকলক কিয় কোনো শাস্তি দিয়াৰ বিধান নাই। বৰং শুনিলে আচৰিত হ'ব যে সংবিধানখন ধনী শ্ৰেণীৰ স্বাৰ্থও গছকি পেলাবলৈ সংবিধানৰ মাজতেই ব্যৱস্থাহে দিছে। এই কথাও সংবিধানখনৰ প্ৰতি ভক্তি ১০০% থকা ব্যক্তিৰ কথাৰেই প্ৰমাণ হয়। এনে বহু কথাত আকৰ্ষিত হৈ অধ্যয়ন কৰিহে মই কওঁ যে ভাৰতীয় সংবিধানখনেই অসংবিধানিক বাবেই আলফা আদিৰ জন্ম হৈছে। সেই সকলোবোৰ কথা লিখাটো চমু প্ৰবন্ধত সম্ভৱ নহয়। চমু কৰিবলৈ যাওঁতে কোনোবাই কিবা কথা বুজাত অসুবিধাও পাব পাৰে। তেনেক্ষেত্ৰত কিছু কষ্ট কৰে যেন। তথাপি নুবুজিলে লিখকৰ লগত আলোচনা কৰিব

পাৰে। সেয়েহে লিখকৰ ফোন নম্বৰ দিলোঁ। ২৩৭০৯৩২ (যোৰহাট)।

উপৰোক্ত উদ্ধৃত বক্তব্যত ডঃ গোহাঁয়ে ক'লে যে এই ৰাজনৈতিক ব্যৱস্থাত অসমৰ উন্নতি অসম্ভৱ। যদি সেয়ে হয় বিকল্প ৰাজনৈতিক ব্যৱস্থা নিষিদ্ধ কৰা ভাৰতীয় সংবিধানৰ অধীনত আলফা, এন এচ চি এন, জে কে এল এফ আদিয়ে অবৈধ পন্থা লৈ কি ভুল কৰিছে। এতিয়া আৰু চাওকচোন বেঙ্গলত কমিউনিষ্টসকলে একেৰাহে ৩০ বছৰ চৰকাৰ কৰিও তাত সমাজবাদ গঢ়াৰ কামত হাত দিব পৰা নাই। কিয়? এনেকৈ প্ৰদেশসমূহক দাসলৈ পৰিণত কৰাৰ ই এটা উৎকৃষ্ট উদাহৰণ নহয়নে? নক্সালবাদী কিয় জন্ম নহ'ব? কমিউনিষ্টৰ ৩০ বছৰীয়া শাসনে বিচ্ছিন্নতাৰ প্ৰয়োজনহে প্ৰমাণ কৰে। এই ৰাজনৈতিক ব্যৱস্থাত যে অসমৰ উন্নতি সম্ভৱ নহয় সেয়া ৪ নং নম্বৰ ছবি খনেই প্ৰমাণ নকৰেনে?

এতিয়া আমি ভাৰতীয় অখণ্ডতা, বা ফেডাৰেলিজমৰ ওপৰত কিছু চমু আলোচনা কৰোঁ। স্বাধীনতা সংগ্ৰাম কৰি থকা অৱস্থাত কোৱা হৈছিল কাকো আমি ভাৰত যুক্তৰাষ্ট্ৰত থাকিবলৈ বাধ্য নকৰোঁ। নেহৰুৱে স্পষ্টভাৱেই এই কথা কৈছিল আৰু সংবিধান ৰচনা সভাত সংবিধানৰ প্ৰথম প্ৰস্তাৱ দাঙি ধৰা বক্তৃতাটোত কৈছিল যে ভাৰতৰ কোনো এখণ্ডই নিজা ধৰণে শাসন বিচাৰিলে সেয়া পাব। হঠাৎ কি হৈ গ'ল। অখণ্ডতা নামৰ ঐক্য জাপি দিয়া হ'ল। যিধৰণৰ ঐক্য জাপি দিয়া হ'ল সেই ঐক্যৰ ভণ্ডামী সমসাময়িক কাৰ্টুনিষ্ট শঙ্কৰে শঙ্কৰচ উইকলীত আঁকিছিল ১৯৪৭ চনতে। সেই ছবি আমি ৪নং বক্সত দিছোঁ। এতিয়া আমি কিছু কথা আলোচনা কৰোঁ। ৪ নং বক্সৰ বিষয়ে।

হাতী স্বভাৱতেই সমাজপ্ৰিয়। একেলগে থাকে তেন্তে কিয় হাতী দুটাক নেজত ৰচী লগাই বান্ধিব লগা হ'ল? তাকো এটা দতাল হাতীৰ লগত এটা সৰু হাতী। এই যে নেজত ৰচী বান্ধিলে এই ৰচী দাল হাতী দুটাই স্বইচ্ছাৰে বন্ধা নাই। কোনোবা ৩য় শক্তিয়ে বান্ধি দিলে। কোন সেই ৩য় শক্তি। স্বভাৱতে একেলগে থকাৰ পৰা এনেদৰে নেজবান্ধি দুয়োটাকৈ দুয়োটাৰ শত্ৰু কৰি ৩য় পক্ষই লাভ কৰিব। আজি ভাৰতবৰ্ষৰ অখণ্ডতাও এনেদৰে জাতিসমূহক শিকলিৰে বান্ধি সৃষ্টি কৰিছে কোনোবা ৩য় শক্তিয়ে। জনগণে নিজে বন্ধা নাই। কোন সেই ৩য় শক্তি? কাৰ স্বাৰ্থত এই বান্ধোন। এইদৰে লগোৱা শিকলিৰ বান্ধোন পৰাধীনতা নহে কি? এই শিকলি চিঙিব খুজিলে হাতীক 'জোঙা অস্ত্ৰৰে খোচাৰ দৰে জাতিসমূহৰ স্বাধীনতাৰ ইচ্ছাক বন্দুকেৰে খোচে। কিন্তু এই শিকলি চিঙাৰ অধিকাৰ হাতী দুটাৰ আছে। অৰ্থাৎ আছে ৰাজ্যসমূহৰ। এনেদৰে শিকলি বন্ধাৰ সভ্য নাম হ'ল সংবিধান। সংবিধানে এনেদৰে শিকলি বন্ধাৰ অধিকাৰ ক'ত পালে। এই অধিকাৰ বৈধনে? এইবোৰ ভৱিষ্যতে বহল ব্যাখ্যা কৰিম, এই শিকলি চিঙিব খোজা দেখি কোনো কোনোৱে এনেদৰে বুজাব বিচাৰে যে কথা ক'ব পৰা সাংসদ অসমে জন্ম দিব পৰা নাই বাবেহে অসমৰ উন্নতি হোৱা নাই। এই ক্ষেত্ৰত এনেদৰে ভবা সৎ ব্যক্তিসকললৈ আমাৰ উত্তৰ হ'ল তেখেতসকলে এই চিন্তা ভুলকৈ কৰিছে। যিবিলাক উন্নত ৰাজ্য তেওঁলোকে আজিলৈকে অসমৰ হেম বৰুৱাৰ দৰে দক্ষ সাংসদ জন্ম দিয়া নাই। তেন্তে হেম বৰুৱাৰ ৰাজ্যখন উন্নত নহৈ কিয় বাকীবোৰ উন্নত হ'ল। সদনৰ বিতৰ্ক পঢ়ি চালেও গম পাব যে সদনৰ বিতৰ্কবোৰ দেশৰ ভাগ্য পৰিৱৰ্তনত কোনো কামত অহা নাই। তাৰ প্ৰমাণো আমি দাঙি ধৰিম। তেন্তে কথাটো কি? ডাঙৰ হাতীৰ নেজত সৰু হাতীটোৰ নেজ বন্ধাদি ভাৰতৰ ৰাজ্যসমূহো ভুৱা বিকেন্দ্ৰীকৰণৰ নামত শিকলিৰে বান্ধি অখণ্ড ভাৰত কৰিলে। ফলত হাতী দুটাৰ দৰে টনাটনি হৈছে, স্বইচ্ছাৰে অখণ্ড হোৱা হ'লে এনে নহয়। তাৰ প্ৰমাণ আমি প্ৰয়াত মহান বিপ্লৱী বুদ্ধিজীৱী পৰাগ দাসৰ কথাৰেই কওঁ—

"প্ৰচলিত সাংবিধানিক প্ৰক্ৰিয়াটোক প্ৰত্যাহ্বান জনাবলৈ বিচৰা মানেই আমি কিন্তু বৰ্তমানৰ ভাৰতবৰ্ষ বোলা ৰাজনৈতিক ধাৰণাটো মষিমূৰৰো পোষকতা কৰা নাই। ভাৰত মাতা বোলা এক আবেগিক ধাৰণাৰে আচ্ছন্ন হৈ আমি এই অখণ্ডতাৰ কথা কোৱা নাই। পাৰস্পৰিক নিৰ্ভৰশীলতাৰ যি অৰ্থনৈতিক প্ৰক্ৰিয়া এটাই সম্প্ৰতি বিশ্বজনীন স্বীকৃতি লাভ কৰিছে, তাৰ আধাৰত ইতিমধ্যেই বিশ্বৰ বিভিন্ন প্ৰান্তত ৰাজনৈতিক একত্ৰীকৰণৰ এক ঢৌ আহিছে। ইউৰোপীয় উমৈহতীয়া বজাৰৰ জন্ম হৈছে, খণ্ড-বিখণ্ড হৈয়ো পূৰ্বৰ ছোভিয়েট গণৰাজ্যৰ অঙ্গসমূহে পাৰস্পৰিক বুজাপৰাৰ আধাৰত সন্মিলনৰ কথা কৈছে, আৰু বহুতো দেশে চুবুৰীয়াৰ সৈতে ঐতিহাসিক বৈৰীভাৱ ত্যাগ কৰি একত্ৰীকৰণৰ প্ৰতি আগ্ৰহ প্ৰকাশ কৰিছে। বজাৰ ভিত্তিক অৰ্থনীতিৰ ধাৰণাই ক্ৰমান্বয়ে জনপ্ৰিয়তা লাভ কৰাৰ লগে লগে সম্প্ৰসাৰিত বজাৰ একোখনৰ প্ৰস্তাৱনা এতিয়া সকলোৰে বাবে আকৰ্ষণীয় হৈ পৰিছে। আৰু তেনেকুৱা বজাৰৰ আশাৰেই সকলোৱে পাৰস্পৰিক সহযোগিতা, একত্ৰীকৰণ আদিৰ কথা ক'বলৈ ধৰিছে। অসমৰ নিচিনা অনুন্নত ক্ষুদ্ৰ প্ৰশাসনীয় গোট এটাই আভ্যন্তৰীণ বজাৰৰ আধাৰতে কেৱল অৰ্থনৈতিক প্ৰক্ৰিয়াটো শক্তিশালী কৰি তোলাটো এক অবাস্তৱ প্ৰস্তাৱনা। আৰু, অন্ততঃ এখন সম্প্ৰসাৰিত বজাৰৰ প্ৰয়োজনতেই আমি ভাৰতবৰ্ষ বোলা ৰাজনৈতিক ধাৰণাটোৰ অংশীদাৰ হৈ থকাৰ পক্ষপাতী। আনহাতে, বৃহৎ বজাৰ এখনৰ প্ৰয়োজনত সকলোৱে একগোট হৈ থাকিবলৈ আগ্ৰহী বুলিয়েই স্থিতাৱস্থাকো যে আখৰে আখৰে মানি লোৱা হ'ব, সেইটোও কিন্তু নহয়। ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত আজি বিচ্ছিন্নতাবাদী প্ৰৱণতাৰ জন্মই হৈছে সাংবিধানিক প্ৰক্ৰিয়াটোৰ প্ৰতি বিতৃষ্ণাৰ প্ৰত্যক্ষ ফল হিচাপে। ক্ষুদ্ৰ জাতিসত্তাৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰ, উৎপাদনৰ আহিলাৰ ওপৰত কৰ্তৃত্ব, এইবোৰেই হৈছে প্ৰধান মৌলিক প্ৰশ্ন। আৰু সেইসমূহৰ উত্তৰ নিহিত হৈ আছে দিল্লীবাদৰ ধাৰণাটোক মষিমূৰ কৰাৰ প্ৰক্ৰিয়াটোৰ মাজত। আমি মাথোন এনেকুৱা এক সম্ভাৱনাৰ কথাহে উনুকিয়াব বিচাৰিছোঁ যে, দিল্লীবাদক ধ্বংস কৰি সমূহ জাতিসত্তাক প্ৰকৃত অৰ্থত আত্মনিয়ন্ত্ৰণৰ অধিকাৰ প্ৰদানৰ পাছতো সকলোৱে নিজৰ স্বাৰ্থতে একত্ৰিত এক ৰাজনৈতিক ধাৰণাৰ সপক্ষে সমৰ্থন আগবঢ়াব। আৰু অখণ্ড ভাৰতৰ স্বপ্নও কেৱল এইদৰেহে অক্ষুণ্ণ ৰখাটো সম্ভৱপৰ হ'ব পাৰে। ইয়াৰ বিপৰীতে, মহান ভাৰতীয় ঐক্যৰ নামত ভিন্ন প্ৰান্তৰ বিদ্ৰোহী প্ৰৱণতাক যদি সামৰিক সন্ত্ৰাসেৰেই সংযত কৰিব বিচৰা হয়, তাৰ প্ৰতিফল কিন্তু ওলোটাহে হ'ব। আৰু সেইদৰে, খণ্ডিত ভাৰতবৰ্ষখন জোৰা লগোৱাটোও অতি কষ্টসাধ্য প্ৰস্তাৱনা বুলি বিবেচিত হ'ব। সেইবাবেই ভাৰতীয় ৰাষ্ট্ৰযন্ত্ৰই আজি পৰিৱৰ্তিত পৰিস্থিতি গুৰুত্ব সহকাৰে হৃদয়ঙ্গম কৰি বিচ্ছিন্নতাবাদী প্ৰৱণতাসমূহৰো অন্তৰালত থকা ক্ষোভৰ স্বতঃস্ফূৰ্ত প্ৰকাশৰ সুবিধা কৰি দিয়া উচিত।" (ৰাষ্ট্ৰদ্ৰোহীৰ দিনলিপি, পৰাগকুমাৰ দাস)

কিন্তু কিয় এই অখণ্ডতা এনেদৰে মানৱীয় ধাৰাত ৰক্ষা নকৰি সংবিধান নামৰ শিকলিৰে বান্ধি দেশত তেজৰ বন্যা বোৱাইছে? এই প্ৰশ্ন আমাৰ শিক্ষিতসকলে কৰিবই লাগিব। কিন্তু নকৰে। আদালতেও নকৰে। অথচ কৈছে ফেডাৰেলিজম ভাৰতৰ বৈশিষ্ট্য। ইয়াক ভঙ্গ কৰিব নোৱাৰিব।

এতিয়া আমি ভাৰতীয় সংবিধানৰ ভণ্ডামীপূৰ্ণ ফেডাৰিলিজমৰ চৰিত্ৰৰ এচিকুতমান বিচাৰ কৰাৰ বাবে পাঠকক লৈ যাওঁ। পূৰ্বতে উত্তৰ প্ৰদেশৰ সাংসদৰ সংখ্যা ৮৫ আছিল। বৰ্তমান ৮০। এতিয়া এই এখন প্ৰদেশৰ ৮০ জনীয়া সদস্যৰ লগত অসমৰ ১৪ জন, পাঞ্জাবৰ ১৩ জন, কাশ্মীৰৰ ৬ জন, মণিপুৰৰ ২ জন, মেঘালয়ৰ ২ জন, মিজোৰামৰ ১ জন, নাগালেণ্ডৰ ১ জন, অৰুণাচলৰ ১ জন, ত্ৰিপুৰাৰ ২ জন যদি ৰাজনৈতিক শিকলিৰে বন্ধা হয় তেন্তে সদায় উত্তৰ প্ৰদেশৰ অধীনত বাকী ৰাজ্য নাথাকিবনে? কিয়নো উত্তৰ প্ৰদেশৰ অকলে ৮০ বাকী

৮খন ৰাজ্যৰ সমূহীয়াকৈ ৪২ জন। এই ৮ খন ৰাজ্যৰ সিদ্ধান্ত তেন্তে কেৱল এখন ৰাজ্যই নাকচ কৰিব পাৰে। তেনে ক্ষেত্ৰত ৫ শৰো অধিক সাংসদ থকা সদনত এই ৰাজ্যসমূহৰ এখনে অকলে নালাগে সমূহীয়াকৈও একো কৰিব নোৱাৰে। অৰ্থাৎ অসমে বৰ্তমান ৰাজনৈতিক অৱস্থাটোত নিজৰ ভাগ্য নিজে নিৰ্ধাৰণ কৰিব নোৱাৰে। তেনেক্ষেত্ৰত একাংশ যুৱকে এই পৰাধীনতাৰ পৰা মুক্তি বিচাৰিছে। এয়া অপৰাধ হ'ব পাৰেনে? এই প্ৰশ্নটোৰ উত্তৰ বিচাৰি আমি ভাৰতবৰ্ষৰ এখন ঐতিহাসিক বিচাৰলৈ যাওঁ।

বহুতে কয় ভাৰতবৰ্ষৰ স্বাধীনতা অহিংস আন্দোলনৰে আহিল। ঐতিহাসিক তথ্যমতে কথাটো সত্য নহয়। সুভাস বসুৰ আজাদ হিন্দ ফৌজ গঠন নোহোৱা হ'লে ভাৰতবৰ্ষৰ স্বাধীনতা পোৱা কোনোদিন সম্ভৱ নহ'লহেঁতেন। এই আকৰ্ষণীয় ঐতিহাসিক তথ্যবোৰ সকলো দিবলৈ চমু প্ৰবন্ধত অসম্ভৱ। গতিকে ভাৰত চৰকাৰৰ প্ৰকাশন বিভাগৰ দ্বাৰা প্ৰকাশিত এখন গ্ৰন্থৰ তথ্যৰে কথাখিনি কওঁ। ভাৰতবৰ্ষৰ স্বাধীনতাৰ সময়ত ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী আছিল লৰ্ড এট্‌লী। এট্‌লীয়ে প্ৰধানমন্ত্ৰীত্ব পদ এৰাৰ পিছত ১৯৫৬ চনত ভাৰতবৰ্ষলৈ আহি কলিকতাৰ গৰ্ভনৰ হাউচত আছিল। তেতিয়া তেওঁ সেই সময়ৰ পশ্চিমবঙ্গৰ ৰাজ্যপাল তথা কলিকতা উচ্চ ন্যায়ালয়ৰ মুখ্যন্যায়াধীশ পি. বি. চক্ৰৱৰ্তীৰ আগত খোলাকৈ স্বীকাৰ কৰিছিল যে স্বাধীনতা প্ৰদানৰ তৎকালীন কাৰণ হৈছে সুভাস বসু আৰু আজাদ হিন্দ ফৌজ (Challange to the Empire --A study of Netaji by Dr. S.C. Maikap. Published by Director, Publication Division, Government of India New Delhi) আৰু বহুতো তথ্য আছে। এই কথা এই বাবেই কোৱা হ'ল যে বহুতে অহিংস আন্দোলনৰ কথা বেচিকৈ কয়। এই প্ৰসঙ্গ ভৱিষ্যতে বহল ব্যাখ্যা কৰিম। এতিয়া ভাৰতৰ দুৰ্ভাগ্য যে সুভাস বসুৰ মৃত্যু হ'ল। আজাদ হিন্দ ফৌজৰ বহুতে আত্মসমৰ্পণ কৰিলে। কিছুমান বন্দী হ'ল। ১৯৪৫ চনত এই আজাদ হিন্দ ফৌজৰে বন্দীসকলৰ বিচাৰ হৈছিল। সেই বিচাৰত ভাৰতবৰ্ষৰ শ্ৰেষ্ঠ ১৬ জন উকীলে একেলগে ফৌজৰ হৈ ওকালতি কৰিছিল। সেই ১৬জনৰ ভিতৰত পণ্ডিত নেহৰু আৰু স্বাধীন ভাৰতৰ আইন মন্ত্ৰী কাটজুও আছিল। ৬নং বক্সৰ ছবিখন সেইসকলে আদালত গোচৰ চলোৱাৰ এটা মুহূৰ্ত। এই গোচৰত তেওঁলোকে কি যুক্তি দিছিল জাননে? তেওঁলোকে আদালতত যুক্তি দিছিল যে স্বাধীনতা বিচাৰি যুদ্ধ কৰাটো অপৰাধ নহয়। এইয়া আন্তৰ্জাতিক আইনেও সমৰ্থন কৰে। গতিকে আজাদ হিন্দ ফৌজৰ বিচাৰ কৰাৰ অধিকাৰ এই আদালতৰ নাই। আৰো যিহেতু তেওঁলোকে যুদ্ধহে কৰিছে গতিকে তেওঁলোকৰ বিৰুদ্ধে পৃথকে হত্যা আদিৰ অপৰাধ বিচাৰ কৰিব নোৱাৰি। কিয়নো তেওঁলোকে সেয়া যুদ্ধৰ অঙ্গ হিচাবেহে কৰিছিল..........। (Trial of Indepence, আৰু Indian Political trial চাওক। প্ৰথমখন সাহিত্য একাডেমীয়ে প্ৰকাশ কৰা ২য় খন অক্সফৰ্ডে প্ৰকাশ কৰা)

এনেদৰে কোৱাসকলে আজি কি কৰিছে? আলোচনাৰ বাবে বন্দীও মুকলি নকৰে। কিন্তু মূল প্ৰশ্ন হৈছে এনেদৰে কোৱাসকলৰ দ্বাৰা ৰচিত সংবিধানে ৰাজ্যসমূহৰ স্বাধীনতা কিয় হৰণ কৰিলে আৰু আনকি ফেডাৰেলিজমো কিয় দিবলৈ অস্বীকাৰ কৰিলে। ইয়াৰ বাবে কিছু ইতিহাস খুচৰি চাওঁ।

সদ্যহতে এটা মাৰাত্মক কথা কৈ লওঁ। অসম তথা ৰাজ্যসমূহ যে পৰাধীন আৰু ভাৰতীয় ঐক্য যে ৰাজ্যসমূহৰ নিজা ইচ্ছাত হোৱা নাই তাৰ প্ৰমাণ ডঃ আম্বেদকাৰৰ কথাৰ পৰা প্ৰমাণ হয়। ডঃ আম্বেদকাৰে সংবিধান ৰচনা সভাত কোৱা এষাৰ কথা ভাৰতবৰ্ষৰ প্ৰখ্যাত ইতিহাসবিদ বিপন চন্দ্ৰই তেওঁ গ্ৰন্থ India After Independance গ্ৰন্থত উদ্ধৃতি

২ নং বক্স

## অসমৰ কৃষি, চাহ খণ্ডত ১০ হেজাৰ কোটি বিনিয়োগ কৰাৰ সিদ্ধান্ত বহুজাতিক প্ৰতিষ্ঠানৰ

আমাৰ খবৰ, কলিয়াবৰ, ৯ অক্টোবৰ ঃ ৰাজ্যত পাঁচ হেজাৰৰ পৰা ১০ হেজাৰ কোটি টকা বিনিয়োগ কৰিবলৈ সিদ্ধান্ত লৈছে এটা বহুজাতিক প্ৰতিষ্ঠানে। আলফাৰে আলোচনাৰ প্ৰক্ৰিয়াৰ ক্ষেত্ৰত জটিলতাৰ সৃষ্টি হোৱাৰ পাছতো ৰাজ্যত বিনিয়োগৰ বাবে এনে বহুজাতিক প্ৰতিষ্ঠানে আগ্ৰহ প্ৰকাশ কৰাটো তাৎপৰ্যপূৰ্ণ হিচাপে বিবেচিত হৈছে। ইণ্টাৰনেচনেল ফাইনেন্স কৰ্প'ৰেচন নামৰ এই বহুজাতিক প্ৰতিষ্ঠানটোৱে ৰাজ্যৰ কৃষি, চাহ, উদ্যান শস্য আৰু ৰেচম খণ্ডত বিনিয়োগৰ বাবে আগ্ৰহ প্ৰকাশ কৰিছে।

*(অসমীয়া খবৰ, ১০/১০/০৬)*

দিছে। সেইটো চাওক–

"..........The drafting committee wanted to make it clear that though India was to be a Federation, the Federation was not a the result of agreement by states to join in a Federation and that the Federation not being result of an agreement, no state has the right to seced from it......." (P.51) অৰ্থাৎ খচৰা সমিতিয়ে এই কথা পৰিস্কাৰ কৰি দিব বিচাৰে যে যদিও ভাৰতবৰ্ষ এখন ফেডাৰেচন হ'ব, কিন্তু যিহেতু এই ফেডাৰেচন চুক্তিৰ ভিত্তিত হোৱা নাই গতিকে ৰাজ্যসমূহ আঁতৰি যোৱাৰ অধিকাৰ নাথাকিব। অধিকাৰ নাই বুলি কোৱাৰ অধিকাৰ সদনক কোনে দিলে? এইটো বৰ মৰাত্মক কথা। ৰাজ্য এখনে নিজ স্বাধীন ইচ্ছাত থাকিব নোৱাৰিব। আৰু নিজে চুক্তি যদি কৰা নাছিল কোন তৃতীয় শক্তিয়ে ভাৰতৰ ৰাজ্যবোৰ লগ লগালে?

এই কথাষাৰ অতি ভয়াবহ। হাতী দুটাৰ নেজ ৩য় শক্তিয়ে বন্ধাৰ দৰে কোনোবা ৩য় শক্তিয়ে ৰাজ্যসমূহক বলেৰে এক কৰিলে। অৰ্থাৎ স্বইচ্ছাৰ ইউনিয়ন নহয়। অৰ্থাৎ ৰাজ্যবোৰ পৰাধীন। কিয় হ'ল এনে? আহক চাওঁ। ইতিহাসে কি কয়?

এটা সময়ত নেহৰু আছিল সমাজবাদী। গতিকে ৰাজ্যসমূহৰ আঁতৰি যোৱাৰ অধিকাৰ স্বীকাৰ কৰিছিল। নেহৰু সমাজবাদী হ'লেও কংগ্ৰেছ দলটো সমাজবাদী নাছিল। নেহৰুৱে দলটো সমাজবাদী দৰ্শনৰ কৰিবলৈ যাওঁতে ১৯৩৩ চনত মুখ ঠেকেচা খালে। ভাৰতীয় স্বাধীনতা সংগ্ৰামত অহিংস আন্দোলনৰ নেতৃত্ব দিয়া কংগ্ৰেছ দলৰ নেতৃত্বত অথবা নীতি নিৰ্ধাৰণত প্ৰভাৱ পেলাব পৰাকৈ সেই সময়ৰ বৃটিছ সাম্ৰাজ্যবাদৰ সহযোগী হিচাবে থকা ভাৰতবৰ্ষৰ প্ৰত্যেকজন শিল্পপতি তথা বুৰ্জোৱা কংগ্ৰেছ দলৰ লগত আছিল। এওঁলোকৰ ভিতৰত প্ৰধানকৈ যমুনালাল বাজাজ জি, ডি, বিৰলা, শ্ৰীৰাম, টাটা, কস্তুৰী ভাই, লালভাই, বালচান্দ, হীৰাচান্দ প্ৰধান আছিল। বাজাজ ২২ বছৰ ধৰি কংগ্ৰেছৰ কোষাধ্যক্ষ আছিল। তেওঁৰ বাদেও বডিলাল লালুভাই মেহতা, চেমুৱেল আৰণ কংগ্ৰেছৰ

বিভিন্ন পদবীত আছিল। এইসকলেই কংগ্ৰেছৰ বিভিন্ন সময়ত সমুদায় পুঁজি যোগান ধৰি আহিছিল। নেহৰুৱে যেতিয়া কংগ্ৰেছৰ অধিবেশনত সমাজবাদী প্ৰস্তাব গ্ৰহণ কৰাৰ প্ৰচেষ্টা চলালে তেতিয়া উদ্যোগপতিসকলে ইয়াৰ মুকলি বিৰুদ্ধাচৰণ কৰি স্বাক্ষৰ অভিযানত নামিল। তেতিয়া চতুৰ জি, ডি, বিৰলাই এই কাৰ্যৰ বিৰুদ্ধাচৰণ কৰি ক'লে যে এই কামটো আমি নিজে নকৰি লোকৰ হতুৱাই কৰালেহে বুদ্ধিমানৰ কাম হ'ব। সেইকাৰণেই বিৰলাই সমাজবাদী প্ৰস্তাৱ লোৱাত বিৰুদ্ধাচৰণ কৰিবৰ বাবে মহাত্মা গান্ধী আৰু ৰাজেন্দ্ৰ প্ৰসাদৰ কাষ চাপিল। ৰাজেন্দ্ৰ প্ৰসাদে মুকলিকৈ নেহৰুক বিৰুদ্ধাচৰণ কৰিলে। আৰু ১৪ জনীয়া কংগ্ৰেছ হাইকামাণ্ড কমিটিলৈ ১০ জন নেহৰু বিৰোধী ব্যক্তি নিৰ্বাচিত হ'ল। এনেদৰেই কংগ্ৰেছত বুৰ্জোৱা আধিপত্য প্ৰতিষ্ঠা হ'ল। জি, ডি, বিৰলা আছিল কংগ্ৰেছ আৰু বৃটিছ সাম্ৰাজ্যবাদৰ মধ্যস্থতাকাৰী। এই বুৰ্জোৱা শ্ৰেণীৰ স্বাৰ্থতেই এক অখণ্ড ভাৰতৰ প্ৰয়োজন হ'ল। এই অখণ্ডতা ৰাজ্যসমূহৰ বিকাশৰ স্বাৰ্থতেই বুলি ফাঁকিহে কোৱা হৈছিল। যি কি নহওক এনেদৰেই কংগ্ৰেছত বুৰ্জোৱা আধিপত্য প্ৰতিষ্ঠা হ'ল। ইতিমধ্যে দ্বিতীয় মহাযুদ্ধই বৃটিছ সাম্ৰাজ্যৰ কঁকাল ভাঙি দিলে। বৃটিছ সাম্ৰাজ্যবাদীয়ে দেৱালৰ লিখন পঢ়িব জানিলে। সেইকাৰণে তেওঁলোকে সাম্ৰাজ্যবাদী কৌশল সলনি কৰাৰ যত্ন কৰিলে। তেওঁলোকে ঔপনিৱেশিক ৰাষ্ট্ৰসমূহত বৃটিছ সাম্ৰাজ্যৰ বন্ধুত্ব ভাব থকা সংগঠনসমূহৰ হাতত ৰাষ্ট্ৰসমূহৰ ক্ষমতা অৰ্পণ কৰিবলৈ বিচাৰিলে। সেইকাৰণেই ১৯৪৭ চনত জাতীয় কংগ্ৰেছৰ হাতত ভাৰতৰ শাসনভাৰ বৃটিছে অৰ্পণ কৰিলে। বৃটিছসকল ভাৰতলৈ বেপাৰী হিচাবে আহি শাসনকৰ্তা হ'ল আৰু এদিন স্ব-ইচ্ছাৰে ভাৰতবৰ্ষ এৰি গুছি গ'ল। কোনো চুক্তি নাছিল কোনো যুদ্ধও নাছিল। স্বাধীনতাৰ বাবে কৰা গণআন্দোলন ১৯৪২ চনত ব্যৰ্থতাৰে সমাপ্তি ঘটিছিল আৰু আজাদ হিন্দ ফৌজৰ যুদ্ধও বিফলতাৰে সমাপ্তি পৰিছিল ১৯৪৫ চনত। ১৯৪২ চনৰ পিছৰ পৰা কংগ্ৰেছেও কোনো স্বাধীনতা সংগ্ৰাম কৰা নাছিল। ইতিহাসৰ ই এটা বৰ ৰহস্যজনক কাহিনী। সেইকাৰণেই স্বাধীনতাটো কংগ্ৰেছৰ অহিংস আন্দোলনত অহা বুলি কোৱা কথাটো অৰ্থহীন আত্মসন্তুষ্টি বুলি যশোৱন্ত সিঙে কৈছে। ইয়াৰ উপৰিও অন্য এটা সত্য হ'ল তেতিয়া ভাৰতৰ জনসাধাৰণৰ ৪০% লোক বাস কৰা আৰু ৪৮% এলেকা স্বাধীনতা দিৱসৰ দিনা কংগ্ৰেছক বৃটিছে প্ৰদান কৰা নাছিল। ইতিহাসৰ কৰুণ ট্ৰেজেডি যে কংগ্ৰেছৰ হাতত ক্ষমতা অৰ্পণ কৰাৰ লগে লগে ভাৰতবৰ্ষত বৃটিছে গঢ়ি তোলা সেনাবাহিনীটোৰ ওপৰত কংগ্ৰেছ নেতৃবৃন্দই কমাণ্ডাৰ হোৱাৰ সুযোগ পালে। লগে লগেই ১৯৪৭ চনত কংগ্ৰেছৰ অধীনত নথকা স্বাধীন দেশীয় ৰজাৰ ৰাজ্যবোৰ কংগ্ৰেছ শাসিত অঞ্চলৰ লগত বলপ্ৰয়োগ আৰু চলচাতুৰীৰে চামিল কৰি ভাৰতীয় সাম্ৰাজ্য গঢ়ি তোলা হ'ল। এই ক্ষেত্ৰত হাইদৰাবাদৰ লগত প্ৰত্যক্ষ যুদ্ধ কৰা হ'ল আৰু বাকী অন্য কিছুমান ৰাজ্যৰ ৰজাসকলৰ লগত (মণিপুৰকে ধৰি) চল-চাতুৰীৰে চুক্তি কৰা হ'ল। মণিপুৰত ৰজাৰ প্ৰকাৰন্তেৰে শিলঙত বন্দি কৰি চুক্তি কৰাই লৈছিল।

এতিয়া আমি এই ঘটনাবোৰৰ পৰিপ্ৰেক্ষিতত ভাৰতীয় সংবিধানৰ বিকৃত ৰূপটো আলোচনা কৰোঁ।

স্বাধীনতা সংগ্ৰামৰ আদৰ্শ আছিল ক্ষমতাৰ বিকেন্দ্ৰীকৰণ। সেইমৰ্মে প্ৰকৃত অৰ্থত ফেডাৰেল গাঁথনিৰ ভাৰতীয় সংবিধান ৰচনা কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হ'ল। কেন্দ্ৰৰ হাতত প্ৰতিৰক্ষা, বিদেশ আৰু মুদ্ৰা ৰাখি বাকী সকলো ক্ষমতা ৰাজ্যসমূহক দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। সেয়েহে ৰাজ্যসমূহৰ ৰাজ্যপালজন সংশ্লিষ্ট ৰাজ্যখনৰ জনসাধাৰণে ভোটৰ দ্বাৰা নিৰ্বাচন কৰিব বুলি সংবিধান ৰচনা কৰা হৈছিল। উল্লেখযোগ্য যে সংবিধান ৰচনাৰ কাম পৰাধীন ভাৰতবৰ্ষতেই আৰম্ভ কৰা হৈছিল। আৰু তেতিয়া উপৰোক্ত ধৰণেই সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। কিন্তু ১৯৪৭ চনৰ ১৫ আগষ্টৰ পাছত সকলো ঘটনাই বেলেগ ৰূপ ধাৰণ কৰিলে। ফেডাৰেলিজমৰ আদৰ্শ আঁতৰাই পেলোৱা হ'ল। সেই সকলোৰে আজুহাত দিলে ভাৰতবৰ্ষৰ ঐতিহাসিক পৰিস্থিতি বেলেগ হ'ল। কিনো সেই পৃথক পৰিস্থিতি? দেশ দ্বি-খণ্ডিত হৈ পাকিস্থান সৃষ্টি হ'ল। কিন্তু পাকিস্থান সৃষ্টিৰ সিদ্ধান্তটো স্বাধীনতাৰ বহুবছৰ আগতেই লোৱা হৈছিল। প্ৰকৃততে কাৰণটো অন্যহে। দুটা হাতীৰ নেজত বান্ধি দিয়াৰ দৰেই গাৰ বলেৰে শক্তি প্ৰয়োগেৰেহে গঢ়ি তোলা ভাৰতবৰ্ষত ফেডাৰেলিজম প্ৰয়োগ কৰিবলৈ ভয় খালে।

আকৌ সাম্ৰাজ্যবাদৰ দালালী হিচাবে থকাৰ প্ৰতিশ্ৰুতি পোৱাৰ পিছতহে সাম্ৰাজ্যবাদৰ দালাল আৰু ধনীশ্ৰেণীৰ হুকুমত উঠা বহা কৰা কংগ্ৰেছৰ হাতত ক্ষমতা প্ৰদান কৰা হৈছিল আৰু ভাৰতীয় বজাৰখন বৃহৎ আৰু অখণ্ড ৰাখিবৰ বাবে কেন্দ্ৰীভূত শাসনৰ বাঘজৰী দৰকাৰ হৈছিল। ইতিহাসে ইয়াৰ প্ৰমাণ দিয়ে। সেই সময়ত ভাৰতবৰ্ষত কমিউনিষ্ট আন্দোলন বহু অঞ্চলত শক্তিশালী আছিল। প্ৰকৃত ফেডাৰেলিজমে এই অঞ্চলবোৰত পুঁজিপতিৰ একেচেতীয়া বজাৰ নষ্ট কৰিব এনে ভয়তেই ফেডাৰিলজম অস্বীকাৰ কৰা হ'ল। ১৯৪৮ চনৰ কমিউনিষ্ট পাৰ্টিয়ে সেয়ে স্বাধীনতা সম্পৰ্কত তেওঁলোকৰ ঐতিহাসিক প্ৰস্তাৱত এনেদৰে কৈছিল।

"The so-called 'transfer of power' was one of the biggest pieces of political and economic appeasement of bourgeoisie which was necessary to strike a deal over the manpower and resource of a vast territory, though as a junior partner, was the dream of the bourgeoisie and it has realized it. From the standpoint of revolution all that it means is that henceforth the bourgeoisie will guard the colonial order.

The way to bar revolution, to save the old order, was to purchase the very leaders who were at the head of the national movement........

The establishment of the central goverment headed by Pandit Nehru...does not mean that the Indian people have won either freedom or independence, nor does it insure that they will be moving in the direction of democracy and freedom for Indian people.

Therefore, 'the state it has won is dependent on imperialism and is a satellite state'. There was very little that was negotiable within the range of popular aspirations and demands with a state power that was only a camouflage for the continued exploitation by British finance capital. India continued to be a colony ruled by the 'imperialist-bourgeois-feudal combine'. (Political Thesis 1948)

কথাখিনি মুকলিকৈ অনুবাদ কৰি কওঁ। "তথাকথিত ক্ষমতাৰ হস্তান্তৰ আছিল বুৰ্জুৱাৰ সাম্ৰাজ্যবাদৰ জুনিয়ৰ পাৰ্টনাৰ হিচাবে থকাৰ সপোন ফলিয়াবলৈ কৰা তোষামোদৰ ফল। বিপ্লৱৰ দৃষ্টিৰে চালে এতিয়াৰ পৰা বুৰ্জুৱাই উপনিবেশিক ব্যৱস্থাটো ৰক্ষা কৰিব।

বিপ্লৱক বাধা দিবৰ বাবে জাতীয় আন্দোলনৰ নেতাসকলক কিনি পেলোৱাৰ প্ৰয়োজন হৈছিল।

পণ্ডিত নেহৰুৰ নেতৃত্বত গঠিত চৰকাৰখনৰ অৰ্থ ভাৰতীয় জনগণে স্বৰাজ বা স্বাধীনতা পোৱাটো নুবুজায়। বা দেশখন গণতন্ত্ৰ বা জনগণৰ

স্বাধীনতাৰ ফালে যোৱা বুলিও ক'ব নোৱাৰি।

গতিকে যিখন ৰাষ্ট্ৰ পোৱা হ'ল ই আচলতে সাম্ৰাজ্যবাদৰ উপগ্ৰহহে হ'ল। জনগণৰ বাবে একো নাহিল। বৰং ই সাম্ৰাজ্যবাদৰ চদ্মবেশহে হৈ পৰিল। ইয়াৰ প্ৰমাণ বিচাৰি বেচি দূৰ যাবই নালাগে। ভৱিষ্যতে বিতং তথ্য দিম। সদ্যহতে কওঁ যে ৰজনী পাম দত্তই পৰিসংখ্যাৰে প্ৰমাণ কৰিছিল যে বৃটিছে নিজে শাসন কৰাতকৈ কংগ্ৰেছ নামৰ দালালৰ যোগেদি শাসন কৰোঁতে লাভ বেছি হৈছিল। অসমৰ কথালৈকে চাওকচোন স্বাধীনতাৰ পিছতো অসমৰ চাহ বাগিছাৰ মাটিখিনি অসমবাসীলৈ নাহিল। অথচ এদিন মানৰ আক্ৰমনত ঘৰ বাৰী এৰি যোৱাসকলৰ মাটিবোৰো বৃটিছে চাহ খেতি কৰিবলৈ লৈছিল আৰু সকলো চাহ বাগিছাৰ মাটি বলেৰে লোৱা; কিনি লোৱা নহয়।

এনেদৰে ভণ্ডামীৰে পাকিস্থান সৃষ্টিৰ অজুহাতক এক ঐতিহাসিক পৰিস্থিতি, বুলি ঘৃণনীয় আজুহাত লৈ কেন্দ্ৰক শক্তিশালী কৰি ৰাজ্যসমূহক পৰাধীন ৰাজ্যলৈ পৰিণত কৰিলে। আনকি কমিউনিষ্টসকলেও আজি এই সত্য দুখ লগাকৈ চকু মুদি চাই থাকে বাবেই প্ৰান্তৰে প্ৰান্তৰে স্বাধীনতাৰ দাবীত সংগঠনসমূহ উচিত আৰু অনিবাৰ্য কাৰণত জন্ম হৈছে। ভাৰতীয় গণতন্ত্ৰটো ভুৱা আৰু ৰাজনৈতিক দলবোৰৰ প্ৰতিটোৱেই ভণ্ডামী কৰা বাবে অসমত সেনা অভিযান চলিছে। কমিউনিষ্টসকল আজি ইমানেই কপটপূৰ্ণ হৈছে যে ৩০ বছৰ বেঙ্গল শাসন কৰি সমাজবাদ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত এখোজ আগবঢ়াৰ সুবিধা নথকা কথাটো নকয়। দুখৰ বিষয় ইতিমধ্যে ৰাষ্ট্ৰপতি প্ৰাৰ্থী হিচাবে সোমনাথ চেটাৰ্জীৰ কথা ভাবিছে। বেঙ্গলৰ কমিউনিষ্ট বিজয় হৈছে সংবিধানৰ ঘৃণনীয় চৰিত্ৰৰ প্ৰমাণ— সেই প্ৰমাণ হ'ল ৰাজ্যসমূহে নিজৰ ইচ্ছাৰে নিজ ৰাজ্য গঢ়িব নোৱাৰাৰ প্ৰমাণ। ইয়াকে পৰাধীনতা বুলি কয় বুলি ক'বলৈ কমিউনিষ্ট বিপ্লৱীসকলৰো সৎ সাহসৰ অভাৱ ঘটিছে। এনেদৰে কমিউনিষ্টসকলো বুৰ্জুৱাৰ দালাল হ'ল। ১৯৪৮ চনৰ থেচিচৰ কথা পাহৰিলে। গতিকে অসমৰ সেনা অত্যাচাৰ চকু মুদি চাইছে। অৰ্থাৎ প্ৰতিবাদ কৰাটো নিয়ম বুলি ধৰিহে কৰিছে। অথচ তেওঁলোকৰ সমৰ্থনত বাওঁ কংগ্ৰেছ চৰকাৰ। অতীততো নক্সালক দমন কৰিছিল ঘিন লগা ধৰণে। প্ৰকৃত ফেডাৰেলিজম থকা হ'লে অৰ্থাৎ ভাৰতীয় ৰাষ্ট্ৰ ব্যৱস্থাত এখন ৰাজ্যই নিজ ইচ্ছাত ৰাজ্যখন গঢ়িবৰ ক্ষমতা থকা হ'লে নক্সালপন্থীৰো জন্ম নহয় আৰু আলফা, এন ডি এফ বি, এন এচ চি এন আদিৰ জন্ম হয়তো নহ'লহেঁতেন।—পৰাগ দাসৰ কথাই ইয়াক প্ৰমাণ কৰে।

নিলাজ সাম্ৰাজ্যবাদ আৰু ধনীৰ দালাল কংগ্ৰেছীসকলে সংবিধান ৰচনা সভাত ক'লে যে জনগণৰ উন্নতিৰ স্বাৰ্থতহে এনেদৰে কেন্দ্ৰীভূত শাসন তথা Co-operative Federalism গঢ়া হৈছে। এই ভণ্ডামী কথাৰে ব্যাখ্যা কৰিলে বৰ দীঘল হ'ব। গতিকে বাতৰি কাগজৰ এটা খবৰ আৰু এখন ফটোৰ সহায়ত কথাটো কওঁ। কেতিয়াবা কিতাপ কৰিলে মনোৰম তথ্যবোৰ মনোৰমকৈ দাঙি ধৰিম।

এতিয়া ৩ নং বক্সত বাতৰিটো পঢ়ক আৰু ৫ নং বাকচৰ ফটোখন চাওক। আজি স্বাধীনতাৰ ৬০ বছৰৰ পিছত এনেবোৰ কিয় হ'ল? উত্তৰ অতি সাধাৰণ। জনগণক এনে কৰিবৰ বাবেই কংগ্ৰেছে শাসন লৈছিল। পৃথিৱীৰ ভিতৰত ভাৰততে এনে শিশুৰ সংখ্যা কোটিৰ ঘৰত। তাকো মহাৰাষ্ট্ৰৰ দৰে উন্নত ৰাজ্যত এনেবোৰ ঘটনা বেচি হয়। এখিনি পণ্ডিতে শিয়ালে হোৱা দিয়াদি অসমৰ মানুহ এলেহুৱা বুলি যে কয় তেওঁলোকৰ চৰিত্ৰও বুজক। মানুহক অধিক বেচি আত্মহত্যাৰ পথ ল'বলৈ বাধ্য কৰা অৰ্থনীতি চালু কৰিবৰ বাবে আৰু তেনে অৰ্থনীতি প্ৰচলনৰ সুবিধা হ'বৰ বাবেই ৰাজ্যসমূহৰ স্বাধীনতা হৰণ কৰা হ'ল আৰু এনেবোৰ দাবীক গণতান্ত্ৰিক পন্থাৰে নহয় সেনাৰে দমন কৰাৰ ব্যৱস্থা তথাকথিত গণতান্ত্ৰিক নেতা নেহৰুৱে প্ৰচলন কৰিলে। এই কথা কমিউনিষ্টসকলেও নকয় কিয়

৩ নং বক্স

## দুহেজাৰ কৃষকৰ এবছৰতে আত্মহত্যা অন্ধ্ৰপ্ৰদেশত

অন্ধ্ৰপ্ৰদেশত নক্সালবাদী সংগঠনৰ কাৰ্যকলাপ বৃদ্ধি পোৱা আৰু অধিকসংখ্যক কৃষকে আত্মহত্যাৰ পথ বাছি লোৱাৰ মূল কাৰণ পানীৰ অভাৱ বুলি অন্ধ্ৰপ্ৰদেশ কৃষক সংঘই মত পোষণ কৰিছে। ৰাজ্যখনত সেহতীয়াভাৱে কৃষকৰ আত্মহত্যাৰ ঘটনা বৃদ্ধি পাবলৈ ধৰিছে। কৃষকৰ দুৰ্দশাৰ সুযোগ লৈ নক্সালবাদীয়ে নিজৰ কাৰ্যকলাপ বৃদ্ধি কৰাত লাগিছে। ৰাজ্যখনৰ কিছুমান ঠাইত পানী যোগান ব্যৱস্থা প্ৰায় নোহোৱা হৈছে। মুঠ ২.২ কোটি একৰ কৃষি ভূমিৰ ২২ লাখ একৰত পানী যোগান ব্যৱস্থা নাই বুলি কৃষক সংঘই প্ৰকাশ কৰে। ২০০৫-০৬ বিত্তীয় বৰ্ষত কেৱল অন্ধ্ৰপ্ৰদেশতে কমেও দুহেজাৰ কৃষকে আত্মহত্যা কৰে।

*দৈনিক অগ্ৰদূত*, ৬/৬/২০০৬

আচৰিত লাগে। সেনাৰ দ্বাৰা নৰহত্যাও এনেকাৰণতে সাংবিধানিক। আমি অলপ এতিয়া এই প্ৰশ্নটো চিন্তা কৰোঁ—

অসমত উপৰোক্ত কাৰণতে অসমৰ ৰাইজে নিজৰ ভাগ্য নিজে গঢ়াৰ সুবিধা ১৯৪৭ চনৰ ১৫ আগষ্টই কাঢ়িয়াই নানিলে। বৰং এনে অধিকাৰ অপৰাধ হিচাবে ঘিণ লগাকৈ সংবিধান আৰু আইন ৰচনা কৰা হ'ল। গতিকে আত্মসন্মান থকাসকলৰ, আৰু অসমৰ সম্পদ লুণ্ঠনত ব্যথিত হোৱাসকলে ইয়াৰ বাবে পূৰ্বৰ তথাকথিত সৎ ৰাজনৈতিক নেতাবোৰে একো নকৰা দেখি পৰাগ দাসে বিচৰা ধৰণেও একো দিয়াৰ আশা নেদেখি অসমৰ স্বাধীনতা বিচাৰিছে। গণতন্ত্ৰৰ মূল দৰ্শন আৰু আন্তৰ্জাতিক আইনৰ মতে এয়া কোনো অপৰাধ নহয় বৰং অধিকাৰ বুলি স্বীকৃতি দিয়াৰ পিছতো ভাৰতে এনে দাবীক অবৈধ বুলি আইন কৰি স্বাধীনতাকামীসকলক বিচৰাৰ নামত সমগ্ৰ জাতিটোৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিছে আইনৰ ফাঁকিৰে (এই ফাঁকিবোৰ ভৱিষ্যতে ব্যাখ্যা কৰিম)। এতিয়া কেৱল দুটামান সামান্য তত্ত্ব বিচাৰ কৰোঁ—

জনগণৰ মঙ্গল সাধনেই আইনৰ উদ্দেশ্য বুলি সমগ্ৰ পৃথিৱীয়ে মানি লৈছে। সমগ্ৰ বিশ্বই সেয়ে এই কথাষাৰ এনেদৰে কয় "SALUS POPULI SUPREMA LEX. অৰ্থাৎ জনগণৰ মঙ্গলেই সৰ্বোতম আইন। গতিকে আইন এখন শুদ্ধনে অশুদ্ধ কুতৰ্ক কৰা উকীলৰ কথাত নিৰ্ভৰ নকৰে। নিৰ্ভৰ নকৰে আদালতে কি কৈছে। আদালতেও পক্ষ ল'ব পাৰে। এনে প্ৰমাণবোৰ ভৱিষ্যতে বিতং আৰু পূৰ্ণ ব্যাখ্যা কৰিম। সদ্যহতে অসমৰ ৰাইজে আদালত আৰু ৰাজনৈতিক দল সমূহৰ কৰ্মীক, প্ৰতিজন আইনজীৱী, বুদ্ধিজীৱী, শিক্ষিতক প্ৰশ্ন এটাই কৰক। সেই প্ৰশ্নটো হৈছে--সেনা বাহিনী বিশেষ ক্ষমতা আইন প্ৰয়োগে অসমৰ নাগৰিকৰ কি উপকাৰ সাধন কৰিছে। কেনেকৈ উপকাৰ সাধন কৰিছে। মনত ৰাখিব দুজনৰ নিৰাপত্তা মানে অসমৰ উপকাৰ নহয়। এই প্ৰশ্নৰ উত্তৰ নিদিয়া ধুনীয়া কথাকোৱা শিল্পীসকলো প্ৰকৃততে ৰাক্ষসহে। গতিকে অভিনেতাসকলেও উত্তৰ দিব লাগিব। গায়কসকলেও উত্তৰ দিব লাগিব। মানুহৰ বাবেহে কলা। অসমত সেনা বাহিনীৰ অত্যাচাৰ চলি থাকিব শিল্পীসকলো উদাসীন হ'ব ই এটা ঘিণ লগা কথা। এই প্ৰশ্ন নকৰা প্ৰতিজনেই আজি সেনা অত্যাচাৰৰ বাবে, সেনাই কৰা হত্যাৰ বাবে

OKDISCD

দায়ী। কিয়নো তেওঁলোকক সংবিধানেই এই প্ৰশ্ন কৰিবলৈ কৈছে। কেনেকৈ কৈছে ব্যাখ্যা পিছলৈ থৈছোঁ। এতিয়া আমি অন্য এটা কথা কওঁ।

এইটো বৰ দুখৰ কথা যে অগপই চৰকাৰ কৰিও সেনা আইন চলিবলৈ দিলে। এনে আইন চলি থাকিলে আমি চৰকাৰ নকৰোঁ বুলি পদত্যাগৰ ত্যাগী মন এটা নাই। অৰ্থাৎ তেওঁলোকে ভাবে এই আইনে জনগণৰ মঙ্গল সাধন কৰিছে। যদি ভবা নাই তেন্তে নিজৰ মতেৰে শাসন কৰাৰ সুবিধা নথকা বুলি জানিও কিয় চৰকাৰ কৰিছিল? কৌশলগত কাৰণত চৰকাৰ গঠন কৰা আৰু দালালীৰ পাৰ্থক্য আছে। তেওঁলোকে তাৰ বাবেও চৰকাৰ কৰা নাছিল। আমি ভুল নীতি বুলি ভাবিলেও কমিউনিষ্টসকলে এটা নীতি লৈ বেঙ্গল শাসন কৰিছে। সেয়া হ'ল সীমিত সুবিধাত ৰাইজক কিমান সুবিধা দিব পাৰি। অৱশ্যে নক্সাল দমনৰ ক্ষেত্ৰত তেওঁলোকেও যেন দালালী কৰিলে। যি কি নহওক অসমত কিন্তু অগপই সৰ্বভাৰতীয় পুঁজিপতিৰ দাস হৈ চৰকাৰ গঠন কৰিছে। অৰ্থাৎ সৰ্বভাৰতীয় পুঁজিপতিৰ দালাল দলবোৰক তেওঁলোকৰ দালালী কৰিবলৈ আঞ্চলিক দলবোৰৰ প্ৰয়োজন। এই দলবোৰ জনগণৰ বিপ্লৱী চেতনা ৰোধ কৰাৰ বাবে, বিপ্লৱী চেতনাক বিকৃত কৰাৰ বাবে অতি প্ৰয়োজন। অগপ এতিয়া অসমবাসীৰ বন্ধু নহয়। দুটা সৰু উদাহৰণ দিওঁ। অসমত ইউনিফাইড কামাণ্ড প্ৰয়োগ কৰাৰ সময়ত অসমৰ মুখ্যমন্ত্ৰী আছিল প্ৰফুল্ল মহন্ত। এই প্ৰস্তাৱত মণিপুৰৰ মুখ্যমন্ত্ৰী মান্তি নহ'ল। কিন্তু প্ৰফুল্ল মহন্ত মান্তি হ'ল এটা চৰ্তত যে তেওঁৰ বিৰুদ্ধে এল অ চি কেলেঙ্কাৰীৰ অনুসন্ধান চি বি আয়ে কৰিব নোৱাৰিব। (DURABLE DISORDER. Page--68) প্ৰফুল্ল মহন্তৰ বিৰুদ্ধে চি বি আয়ে কোনো অনুসন্ধান নকৰিলে। এই সত্যটো গোপন কৰিবলৈ ৰাজ্যপালে অনুমতি নিদিয়া প্ৰশ্নটোত জোৰ দি জনগণৰ মনোযোগ অন্যফালে নিলে। এই লিখকে তেতিয়াই এই কথা কৈ অসমীয়া প্ৰতিদিনৰ লীড নিউজ কৰিছিল। চাৰ্জশ্চিতখন এই লেখকৰ হাতত আছে। কোনোবাই পঢ়িলে গম পাব যে জধামুৰ্খ এটাক বিচাৰক পাতিলেও প্ৰফুল্ল মহন্তক শাস্তি দিব নোৱাৰে। অন্যটো কথা হ'ল যে বহুতে মনত ৰাখিব পায় যে চাহ বাগিছাই বেদখল কৰা লাখ লাখ বিঘা মাটি উচ্ছেদ কৰি ভূমিহীন কৃষক বা বান বিধ্বস্ত লোকক দিয়াৰ ক্ষেত্ৰত অগপ নেতা তেতিয়াৰ ৰাজহমন্ত্ৰী জয় নাথে ক'লে যে চাহ বাগিছাৰ বেদখল মাটি উদ্ধাৰ নকৰে। অৰ্থাৎ সংবিধানৰ ভুৱা ফেডাৰেলিজমৰ অৰ্থাৎ ভুৱা স্বায়ত্ব শাসনৰ ভণ্ডামীৰে ভাৰতীয় পুঁজিপতিৰ শাসন চলাই যাবলৈ অগপৰ দৰে দালাল আঞ্চলিকতাবাদী দলবোৰ প্ৰয়োজন। (এই প্ৰসঙ্গত এই লিখকৰ এখন পৃথক কিতাপ আছে)—এনেক্ষেত্ৰত প্ৰখ্যাত প্ৰাক্তন ন্যায়াধীশ কৃষ্ণ আয়াৰৰ এষাৰ কথা মনত পৰে--তেওঁ কৈছিল যে পুঁজিপতিবোৰে তেওঁলোকৰ বন্ধুবোৰে তেওঁলোকৰ বিৰুদ্ধে চিঞৰ-বাখৰ কৰি বিৰোধ কৰি থকাটো বিচাৰে। আজি কেন্দ্ৰ বিৰোধী চিঞৰ-বাখৰ কৰোঁতা অগপ আদিৰ চৰিত্ৰও তেনেকুৱাই। কেন্দ্ৰৰ বিৰুদ্ধে চিঞৰ-বাখৰ কৰা, কেন্দ্ৰক সমালোচনা কৰি বাঃ বাঃ লোৱা মানুহ বা সংগঠনৰ অভাৱ নাই। অভাৱ-সংগ্ৰাম কৰোঁতাৰ। ফলত জন্ম হৈছে সশস্ত্ৰ সংগঠনৰ। তেন্তে ভুল ক'ত? অগপ প্ৰকৃত অসমপ্ৰেমী হোৱা হ'লে ইয়াৰ সমূহ সাংসদ বিধায়কে সেনা অভিযানৰ প্ৰতিবাদত পদত্যাগ কৰিলেহেঁতেন। কিয়নো জধামুৰ্খৰ বাদে সকলোৱে জানে যে এওঁলোক সাংসদ বিধায়ক হৈ নাথাকিলেও অসমবাসীৰ একো লোকচান নহয়। লোকচান হয় যদি তেওঁলোকৰ ব্যক্তিগত জীৱনৰহে লোকচান হ'ব। জাতি প্ৰেম এওঁলোকৰ বাবে ব্যৱসায়হে। মন্ত্ৰী-বিধায়ক হোৱাৰ সোণৰ জখলাহে।

এনেদৰেই আঞ্চলিক দলৰ পৰোক্ষ সমৰ্থনত আজি অসমত সেনা অভিযান চলিছে। এই সেনা অভিযান যে অসমবাসীৰ স্বাৰ্থত চলা নাই বৰং বাহিৰ পুঁজিপতিৰ স্বাৰ্থত চলিছে আৰু ইয়াৰ বাবে ''ন্যায়ক' ফাঁচী দিয়া হৈছে সেই কথা বুজিবলৈ আমি সদ্যহতে অতি অল্প অৰ্থনীতি বিচাৰ কৰোঁ। অসমৰ অৰ্থনৈতিক মূল্য হৈছে ইয়াৰ চাহ উৎপাদন কৰাৰ অতুলনীয় ক্ষমতা। এই চাহৰ বাবেই অসমক বৃটিছে উপনিবেশ হিচাবে ৰাখিছিল। অসম স্বাধীন হ'লে এই চাহৰ ওপৰত কৰ্তৃত্ব হেৰাই যোৱাৰ ভয়তেই অতীতত মণিৰাম পিয়লি কুশল কোঁৱৰ আদিক ফাচী দিছিল ভুৱা আইনেৰে জনগণক ভয় খুৱাবলৈ। এই চাহৰ ওপৰত কৰ্তৃত্ব হেৰাই বুলিয়েই ১৯৪৭ চনৰ ১৫ আগষ্টত অসমক অতি কৌশলী কায়দাৰে ভাৰত সাম্ৰাজ্যৰ কেন্দ্ৰীভূত শাসনৰ অধীন কৰি পেলালে। কিয়নো তথ্যই কয় এই চাহ আদিৰ লাভেৰে ইংলেণ্ডৰ নিবনুৱা সমস্যা সমাধান হৈছিল। তাকেই অসমৰ অপদাৰ্থ বুদ্ধিজীৱীয়ে ইংলেণ্ডবাসীক পৰিশ্ৰমী বুলি কয়। চাহৰ লাভ পুঁজি হিচাবে অসমত সেয়ে বৃটিছৰ যুগৰ পৰা আজিলৈকে অসমৰ উন্নয়নৰ বাবে ব্যৱহৃত হোৱা নাই। অতীতৰ বগা চাহাবৰ স্থান ল'লে এতিয়া টাটা বিৰলা খৈতানহঁতে। তাহানিৰ দৰে আজিও অসমৰ চাহৰ উপাৰ্জন অসমৰ নিবনুৱা সমস্যা সমাধানৰ বাবে খটুওৱা নহয়। তাৰ সামান্য আভাস দিওঁ ডিব্ৰুগড়ৰ ডেকা লিখক বিশ্বজিত বৰুৱাৰ অসমৰ চাহ তেজেৰে লিখা ইতিহাসৰ গ্ৰন্থৰ কেইটামান কথাৰে-

''শেহতীয়াভাৱে আমাৰ হাতত পৰা পৰিসাংখ্যিক তথ্য অলপ চোৱা হওক। ১৯৯৭-৯৮ চনৰ পৰিসংখ্যা অনুযায়ী অসমৰ চাহ উদ্যোগৰ আনুমানিক বাৰ্ষিক আয় ১০০০ কোটি টকাৰ পৰা ১,১০০ কোটি টকা পৰ্যন্ত। ১৯৯৩ চনত আয় আছিল ৯০০ কোটি টকা। ইয়াৰে ৫৮ কোটি টকাৰ ৰাজহ অসম চৰকাৰ বিভিন্ন কৰৰ বাবদ আদায় লৈছিল। চৰকাৰক তেওঁলোকে সিমানেই দিলে।

১৯৯৬ চনৰ তথ্য অনুযায়ী বিশ্ববিখ্যাত উইলিয়ামচন মেগৰ কোম্পানীৰ অসমত প্ৰায় ৫০খন বাগান আছে। এই ৫০খন বাগানৰ বাৰ্ষিক আয় মোটামুটি ৪০০ কোটি টকাৰ পৰা ৬০০ কোটি টকা। কিন্তু এই গোষ্ঠীয়ে অসমৰ মাটিত চাহ উৎপাদন কৰি প্ৰতি বছৰেই কোটি কোটি টকাৰ লাভ লৈ আছে যদিও অসমৰ কোনো প্ৰকাৰেই বিশেষ লাভ হোৱা নাই। কিয়নো এই বৃহৎ পুঁজিৰে তেওঁলোকে অসমৰ উন্নয়নৰ বাবে উল্লেখযোগ্য কোনো কামেই কৰা নাই। অসমৰ চাহৰ লাভাংশ খটুৱাই এই গোষ্ঠীৰ মালিক দীপক খৈতানে ১,৫০০ কোটি টকা ব্যয় কৰি তামিলনাড়ুত এটা তাপ বিদ্যুৎ প্ৰকল্প প্ৰতিষ্ঠা কৰিছে। এই প্ৰকল্প তেওঁলোকে অসমতো স্থাপন কৰিব পাৰিলেহেঁতেন, কিন্তু তেনে কৰা নাই। দীপক খৈতানে অসমৰে প্ৰাপ্য লাভাংশ শুহি নি নিজৰ ষ্টেণ্ডাৰ্ড বেটেৰি নামৰ বিশাল উদ্যোগটো টনকিয়াল কৰিছে ২০০ কোটি টকা খৰচ কৰি। টাটা টি লিমিটেডে অসমৰ বাগিচাৰ পৰা আয় কৰে বাৰ্ষিক ৩০০ কোটি টকাৰ পৰা ৪০০ কোটি টকালৈ। এই কোম্পানীয়ে পশ্চিমবংগৰ হালদিয়াত উদ্যোগ স্থাপন কৰিছে, অসমত নহয়। জাজোদিয়া গ্ৰুপে অসমৰ ২৫ খন বাগিচাৰ পৰা আয় কৰে বাৰ্ষিক ২৫০ কোটি টকা। কিন্তু এই গোষ্ঠীয়ে আজি বিশাখাপট্টনামত ১০০০ কোটি টকা মূলধন বিনিয়োগ কৰি 'ডানকান' নামৰ এটা উদ্যোগ গঢ়ি তুলিছে। এওঁলোকে অসমতো এই উদ্যোগ গঢ়ি তুলিব পাৰিলেহেঁতেন, কিন্তু তেনে কৰা নাই।

অসম চৰকাৰৰ কাৰ্যব্যৱস্থা সদায়েই ''বৰষুণ গ'লে ছাতি''ৰ লেখিয়া। ১৮-২২ মাৰ্চ, ১৯৯৭-ৰ অসম বিধান সভাৰ অধিৱেশনৰ সময়ছোৱাৰ চি পি আই বিধায়ক প্ৰমোদ গগৈয়ে চাহ বাগিচাৰ মুখ্য কাৰ্যালয় স্থানান্তৰ সম্পৰ্কত ৰাজ্যিক চৰকাৰে একো ব্যৱস্থা ল'ব নোৱাৰাৰ প্ৰতিবাদ কৰাত মুখ্যমন্ত্ৰীয়ে ব্যৱস্থা গ্ৰহণৰ কথা কৈছিল যদিও মন কৰিব লগা-এতিয়া আৰু ৰাজ্যচৰকাৰে ব্যৱস্থা গ্ৰহণ কৰা দূৰৈৰ কথা, আঁচনি প্ৰস্তুত কৰাৰে অধিকাৰ নাই। যি আছু নেতাসকলে আন্দোলনৰ সময়ছোৱাত এই দাবী

লৈ প্ৰয়োজনাধিক সোচ্চাৰ হৈছিল, সেই নেতাসকলে ৰাজ্যৰ শাসনভাৰ লৈও এই দিশত সামান্য পদক্ষেপো দিব নোৱাৰিলে। ৰাজত্ব যাওঁ যাওঁ মুহূৰ্তত ব্যৱস্থা গ্ৰহণ কৰাৰ প্ৰতিশ্ৰুতি দিছিল যদিও ইতিমধ্যে ৰাজ্যখনৰ পৰিৱেশ পৰিস্থিতি এনে হৈছিলগৈ যেন মানসেনাৰ ৰূপত সৈন্য-বাহিনীৰ প্ৰবেশ ঘটিছিল। শ্ৰীপ্ৰমোদ গগৈয়ে তেওঁৰ ভাষণত উল্লেখ কৰিছিল যে অসমত বাগিচা থকা চাহ কোম্পানীসমূহৰ কাৰ্যালয়সমূহ কলিকতাত থকাৰ বাবে পোনপটীয়াভাৱেই অসমে বছৰি ২৫,০০০ কোটি টকাৰ ৰাজহ হেৰুৱাবলগীয়া হৈছে।" *(অসমৰ চাহ তেজেৰে লিখা ইতিহাস, বিশ্বজিত বৰুৱা, পৃষ্ঠা ৮০-৮১)*

ইতিমধ্যে আমি জানো যে অসমৰ তেজপুৰৰ এজন বিজ্ঞানীয়ে এক খচৰা প্ৰস্তুত কৰি (প্ৰবন্ধটো লিখা খৰধৰ হোৱা বাবে নামটো সদ্যহতে দিব নোৱাৰি দুখিত। ভৱিষ্যতে কিতাপত দিয়া হ'ব) কৰি ক'লে যে অসমৰ বানপানী ৰোধ কৰিবলৈ মাত্ৰ ৫০,০০০ কোটি টকাহে লাগে। ইতিমধ্যে শ্ৰীবৰুৱাৰ উপৰোক্ত উক্তিৰ মতে চাহ বাগিছাৰ মুখ্য কাৰ্যালয়সমূহ অসমৰ বাহিৰত থকা বাবে বছৰি ২৫০০০ কোটি লোকচান হৈছে। এনে ক্ষেত্ৰত অসমৰ ৰাইজে যদি অসমৰ চাহৰ ওপৰত অধিকাৰ সাব্যস্ত কৰে টাটা বিৰলাৰ বৃহৎ ক্ষতি হ'ব। আনকি সশস্ত্ৰ সংগ্ৰাম নকৰিও যদি অসম আন্দোলনৰ দৰে এটা আন্দোলনো হয় টাটা বিৰলাৰ ভীষণ ক্ষতি হয়। পূৰ্বতে কোৱাৰ দৰে এইসকলেই ৰাজনৈতিক দলবোৰ নিয়ন্ত্ৰণ কৰি আছে। গতিকে এই সকলৰ স্বাৰ্থতেই অসমত সেনা প্ৰয়োগ কৰা হৈছে। ঘটনাৰ ইতিহাসেও এই কথা প্ৰমাণ কৰে। এইবাৰ আলোচনাৰ নামত সেনা অভিযান বন্ধ ৰখাৰ পিছত পুনৰ আৰম্ভ হৈছে ডিব্ৰুগড়ত এজন চাহ বাগিছাৰ মেনেজাৰক হত্যা কৰাৰ বাবদ আৰু পূৰ্বতেও সেনা অভিযান আৰম্ভ হৈছিল চাহ বাগিছাৰ স্বাৰ্থত। এয়া চাওক। আমি সাংবাদিক মনোৰম গগৈৰ "পৰাগ দাৰ সান্নিধ্যত" নামৰ গ্ৰন্থৰ পৰা কিছু উদ্ধৃতি দিওঁ—

"গতিকে নতুন দিল্লীৰ শাসকগোষ্ঠীয়ে অসমত ৰাষ্ট্ৰপতি শাসন বলবৎ কৰিবলৈ এটা চেলু বিচাৰিলে। অতি উপযুক্ত সময়ত এই ক্ষেত্ৰত দিল্লীপতিসকলক সহায় কৰিবলৈ আগবাঢ়ি আহিল দীৰ্ঘদিন ধৰি অসম ভূমিত শোষণ-নিষ্পেষণেৰে ব্যৱসায়িক সাম্ৰাজ্য বৰ্তাই ৰখা বৃহৎ পুঁজিপতিগোষ্ঠী। সৰ্বভাৰতীয়, ব্যৱসায়িক গোষ্ঠীটোক আলফাই তেওঁলোকৰ সাংগঠনিক পুঁজি সংগ্ৰহৰ মূল উৎস হিচাপে গণ্য কৰি ইতিমধ্যেই সন্ত্ৰসিত কৰি তুলিছিল। মাজে-সময়ে ৰাজনৈতিক কাৰণত দিছপুৰৰ শাসকসকলৰ আশীৰ্বাদৰ পৰা বঞ্চিত হ'লেও এই ব্যৱসায়িক গোষ্ঠীয়ে দিল্লীৰ শাসকবৰ্গৰ আশিস লাভৰ পৰা কেতিয়াও বঞ্চিত হোৱা নাই। গতিকে তেওঁলোকে আত্মৰক্ষাৰ একমাত্ৰ উপায় হিচাপে কংগ্ৰেছ, ভাৰতীয় জনতা পাৰ্টি আদি সৰ্বভাৰতীয় প্ৰভাৱশালী দলবিলাকক শীঘ্ৰেই যথাবিহিত ব্যৱস্থা ল'বলৈ খাটনি জুৰিলে। ইফালে আলফাই অসমত চাহ বাগিচা থকা চাহ কোম্পানীবোৰৰ মুখ্য কাৰ্যালয়সমূহ কলকাতাৰ পৰা অসমলৈ স্থানান্তৰৰ দাবীকে ধৰি নানাধৰণৰ প্ৰকাশ্য তথা অপ্ৰকাশ্য দাবীৰে শক্তিশালী চাহ লবীটোকো প্ৰবল হেঁচা প্ৰয়োগ কৰিবলৈ ধৰিলে। যেতিয়ালৈকে আলফাৰ এই হেঁচা চাহ কোম্পানীসমূহে স্থানীয় পৰ্যায়তে কৌশলেৰে সমাধান কৰিব পাৰিছিল, তেতিয়ালৈকে সকলো ঠিকেই আছিল। কিন্তু যেতিয়াই তেওঁলোক আলফাৰ এই হেঁচা নিজাববীয়াকৈ চম্ভালিব নোৱাৰা হ'ল তেতিয়াই নিজৰ ব্যৱসায়িক স্থিতাৱস্থা বজাই ৰখাৰ স্বাৰ্থত তেওঁলোকে দিল্লীশ্বৰসকলৰ সৈতে লগলাগি এখন নাটকৰ অৱতাৰণা কৰিলে। দিছপুৰৰ চৰকাৰখনক ঘৃণাক্ষৰেও গম নিদিয়াকৈ ১৯৯০ চনৰ নৱেম্বৰৰ প্ৰথমভাগত বহুজাতিক ব্যৱসায়িক সংস্থা ডুমডুমা ইণ্ডিয়া লিমিটেডৰ অধীনৰ অসমত থকা আটাইকেইখন চাহ বাগিচাৰ ২৩ গৰাকী শীৰ্ষ বিষয়াক ৰাতিটোৰ ভিতৰতে বিমানযোগে উৰুৱাই লৈ যোৱা হ'ল। ইয়াৰ কাৰণ হিচাপে উগ্ৰপন্থীৰ ভাবুকি বুলি উল্লেখ কৰি কোম্পানীটোৰ ফালৰ পৰা ৰাজহুৱাভাৱে জনোৱা হ'ল যে

৪ নং বক্স




OKDISCD

উগ্ৰপন্থীয়ে বাগিচা কৰ্তৃপক্ষক বুজন পৰিমাণৰ ধন দাবীৰে গুৰুতৰ ভাবুকি প্ৰদান কৰাৰ ফলত এই কোম্পানীৰ অধীনৰ সকলোবোৰ বাগিচাৰ স্বাভাৱিক কাম-কাজ সাময়িকভাৱে বন্ধ ৰখা হৈছে। তাৎপৰ্যপূৰ্ণভাৱে এই বহুজাতিক কোম্পানীটোৰ শীৰ্ষ বিষয়াসকলক ৰাতিটোৰ ভিতৰতে বিমানেৰে অসমৰ পৰা উৰুৱাই নিয়াৰ গোটেই অভিযানটো সম্পন্ন হৈছিল ভাৰতীয় সেনাবাহিনীৰ সৌজন্যত আৰু ইয়াত কেন্দ্ৰীয় চোৰাংচোৱা সংস্থা 'ৰ'ই সম্পূৰ্ণ সহযোগিতা আগবঢ়াইছিল বুলি অনুমান কৰা হৈছিল। সি যি কি নহওক, ডুমডুমা ইণ্ডিয়া লিমিটেডৰ এই নাটকখনৰ আঁত ধৰিয়েই নতুন দিল্লীয়ে উগ্ৰপন্থী দমনৰ নামত অসমবাসীৰ ওপৰত সেনাবাহিনীৰ নিৰ্মম আতিশয্য আৰম্ভ কৰাৰ অপূৰ্ব সুযোগ লাভ কৰিলে।" (পৃঃ ৩১৩)

এই সেনা অভিযানবোৰ চূড়ান্ত মুৰ্খামী আৰু সেনা অত্যাচাৰৰ বাবে ভাৰতীয় হিচাবে লজ্জিত আৰু ইতিহাসে এই প্ৰজন্মৰ কাকোৱেই এইবোৰৰ বাবে ক্ষমা নকৰিব বুলি ন্যায়াধীশ আয়াৰে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশে আয়োজন কৰা বক্তৃতাত ১৯৯২ চনতে কৈ গৈছিল যদিও উচ্চ ন্যায়ালয় তথা ইয়াৰ অধিবক্তাসকলে সেনা অত্যাচাৰ ৰোধ কৰিব নোৱাৰাটো অতিশয় দুখৰ কথাই নহয় লাজৰ কথাও। ন্যায়াধীশগৰাকীয়ে এনেদৰে কোৱা স্বত্বেও অসমত সেনা অভিযান চলাইছে আৰু এনে কামত বাধা নপৰিবৰ বাবে উত্তৰ-পূবত সেনা আৰু চোৰাংচোৱা বাহিনীৰ ব্যক্তিক ৰাজ্যপাল কৰাৰ নীতি গ্ৰহণ কৰি আহিছে। এই বিষয়ে ৭নং বক্সৰ টেবুলখন চাওক।

এই আইনবোৰ চলাই আইন আৰু আদালতে আমাক কেনেকৈ বিশ্বাস ঘাটকতা কৰিছে চাওঁ আহক।

এবাৰ অসমত হাতী এটাৰ মৃত্যুক লৈ অভিনেত্ৰী মাধুৰী দিক্ষীতে অসমৰ মন্ত্ৰীক প্ৰশ্ন কৰিছিল কিয় হাতী মাৰিব বুলি। তেনেদৰে ক'লা মৃগ মৰা বাবে অভিনেতা চলমন খানৰ জেল হৈছে। অথচ অসমৰ সেনাই অকাৰণত নৰহত্যা কৰিছে সেইবোৰলৈ বলিউডৰ তাৰকা বা ভাৰতীয় সাংবাদিক কুলদীপ নায়াৰহঁতৰ কোনো ভ্ৰূক্ষেপ নাই। অৰ্থাৎ জন্তুতকৈও অসমৰ মানুহৰ জীৱনৰ মূল্য কম। অৰ্থাৎ ভাৰতীয় সংবিধানে অসমবাসীক জীয়াই থকাৰ অধিকাৰ দিলে এটা চৰ্তত। যদি সেনা বাহিনীৰ লোকে ভাবে জীয়াই থকা উচিত তেতিয়াহে সংবিধানৰ অধিকাৰ ভোগ কৰিব। এনে চৰ্ত কেৱল অসমৰ বাবেহে। উত্তৰ-পূবৰ বাবেহে। আই এম ডি টি কেৱল অসমৰ বাবেহে বুলি হৈ চৈ কৰাসকল এই ক্ষেত্ৰত ৰহস্যজনকভাৱে নীৰৱ। কাৰণ এই আইন যে উচ্চতম ন্যায়ালয়ে বৈধ বুলি কৈছে। কথা হ'ল আইন এখন উচ্চতম ন্যায়ালয়ে বৈধ বুলিলেই বৈধ হ'ব নোৱাৰে। নৰহত্যাক আইন বুলি কোৱা উচ্চতম ন্যায়ালয়ক প্ৰশ্ন কৰাৰ অধিকাৰ আমাৰ আছে। আদালতে ধনী শ্ৰেণীৰ পক্ষ লৈছে। দেশৰ শাসন আদালতৰ মতে নচলিব। চলিব লাগিব ৰাইজৰ মতে। আদালতৰ এই পক্ষপাতমূলক চৰিত্ৰৰ আমোদজনক অন্য এটা প্ৰমাণ হৈছে ধৰ্মঘট নিষিদ্ধ কৰা ৰায়। সেনা বাহিনী বিশেষ ক্ষমতা আইনৰ শুদ্ধতা সম্পৰ্কে বিচাৰ পিচলৈ থৈ সদ্যহতে কওঁ যে সেনা বাহিনী বিশেষ ক্ষমতা আইন বৈধ বুলি ঘোষণা কৰি আদলতে প্ৰমাণ কৰিলে যে ভাৰতীয় সংবিধানখন অত্যাচাৰীৰ অস্ত্ৰহে। যিহেতু বৃটিছে অত্যাচাৰীৰ হাততে ক্ষমতা দিলে গতিকে অত্যাচাৰীৰ দ্বাৰা লিখিত সংবিধানত ন্যায়ৰ পৰাজয় ঘটিছে। যিহেতু সংবিধানখন অন্যায়ৰ ভিত্তিত ৰচিত গতিকেই সেনা বাহিনী আইন সেই দুষ্ট সংবিধান মতে বৈধ। এনে এখন সংবিধানৰ বাবেই আমাৰ পূজনীয় স্বাধীনতা সংগ্ৰামীসকলে যদি সংগ্ৰাম কৰিছিল তেন্তে আমি আজি লজ্জিত। এই আইন বৈধ ঘোষণা কৰি আদালতে আমাক যে বিশ্বাসঘাটকতা কৰিছে বা কৰে এনে কথাৰ বাবে আমি ভাৰতবৰ্ষৰ প্ৰাক্তন ন্যায়াধীশসকলৰ কথাৰে কিছু কথা কৈ লওঁ। তেতিয়া দেখিব যে আদলতো সমাজদ্ৰোহী (Anti Social) হ'ব পাৰে। এতিয়া আমি কৃষ্ণ আয়াৰৰ উক্তি কেইটামান চাওঁচোন--

Frankly, the people are no longer willing to assume that judicial justice is ordinarily just--rather the contrary. For too long have the robes and gowns, with the elite aura of the British past, hidden the truth of their lies. What is the lie? That the administration of legal justice is the delivery of equal justice. What is the truth? Judges belong to the higher 'classes' and are allergic to the militant masses who take the Constitution and the 'civil revolution' seriously. (Equal Justice P. 19-20)

অৰ্থাৎ "খোলোচাকৈ ক'বলৈ হ'লে জনসাধাৰণে আৰু এতিয়া কেতিয়াও আদালতৰ ন্যায়ক উচিত ন্যায় বুলি নাভাবে বৰং ওলোটাতোহে বিশ্বাস কৰে। কিয়নো বৃটিছৰ ধৰণৰ অভিজাত্য আৰু পোচাক, গাউন আৰু বৃটিছৰ অতীত লৈ তেওঁলোকে ফাঁকি-ফুকাক মাথোন লুকুৱাই ৰাখে। ফাঁকিটো কিনো? বৈধ ন্যায় প্ৰদানকে সমতাজনিত ন্যায় বুলি কয়। সত্যটো কিনো? বিচাৰকসকল ওপৰ শ্ৰেণীৰ মানুহ। তেওঁলোক সংগ্ৰামী জনগণৰ প্ৰতি এলাৰ্জিক। কিন্তু জনগণে সাংবিধানিক আৰু সমাজ বিপ্লৱক অন্তৰেৰে লৈছে--

আৰু এটা উক্তি চাওকচোন--

"Today, notwithstanding the Constitution, Anatole France holds good:

"So long as society is founded on injustice, the function of the laws will be to defend and sustain injustice. And the more unjust they are the more respectable they will seem." (ANATIOLE FRANCE)--Equal justice P. 31

অৰ্থাৎ "সংবিধান এখন থকা স্বত্বেও দেখোন আণ্টুলে ফাঙ্ক সত্য হৈয়ে আছে

"যেতিয়ালৈকে অন্যায়ৰ ওপৰত সমাজ প্ৰতিষ্ঠিত হ'ব আইনে অন্যায়ক ৰক্ষা কৰিব আৰু যিমানেই অন্যায়জনিত হ'ব সিমানেই সন্মানীয় হৈ পৰিব।" (আণ্টুলে ফাঙ্ক)

আৰু এটা উক্তি চাওঁচোন--

The judiciary can be relevant and puissant only if it casts its weight on the side of the people--not the fortunate 'five-star' cultists, social, economic and political, who keep down the vast numbers of ill-starred starvelings. (Equal justice P. 42-43)

অৰ্থাৎ "আদালতৰ প্ৰাসঙ্গিকতা তেতিয়াহে থাকিব যেতিয়া নেকি ই পাঁচ তাৰকাবাদীসকলৰ পৰিৱৰ্তে ক্ষুধাতুৰসকলৰ পক্ষেতহে মনোযোগ দিব" তেওঁ আৰু ক'লে-

Imperialism always leaves behind intellectual colonialism of which law is a capital legacy.

অৰ্থাৎ "সাম্ৰাজ্যবাদে সদায় বৌদ্ধিক উপনিবেশবাদ এৰি যায়। বিশেষকৈ আইনৰ ক্ষেত্ৰত ই বেছি প্ৰযোজ্য"

আৰু চাওক

"In India, brown judges still swear by white justice, heedless of black penury."

অৰ্থাৎ "ভাৰতবৰ্ষত তামবৰণীয়া বিচাৰকসকলে বগা ন্যায়ৰ নামত শপত খায় আৰু কলা মানুহৰ কথা পাহৰি যায়"

"It is anti-social for the judiciary to do transcendental meditation on words, forms and presedents, with obsession

for legality and without passion for morality, with legislative texts and without concern for those whom the Constitution caresses.

Five-star hotel culture has contaminated the court halls where the poor are priced out and judges and lawyers sacrifice the social philosophy of economic justice and human rights for the masses at the alter of lucubrated legality and sonorous constitutionality. The machine of law is mindless of man and this is what may aptly be called the fine art of ministration of Injustice with arati and priestcraft in temples of justice. (Social Justice P. 97)

অৰ্থাৎ "সংবিধানে যিসকলৰ বাবে ভাবে তেওঁলোকৰ কথা নাভাবি শব্দ, বা বৈধতা, পূৰ্ব নিৰ্দেশনা আদিৰ মাজত মচগুল হোৱাটো আদালতে সমাজদ্ৰোহী কাম কৰা হয়............

পাঁচতাৰকা হোটেল সংস্কৃতি আদালততো সোমাইছে গতিকে আদালতত গৰীবৰ স্থান নাই। আদালতে সংবিধানৰ নামত আৰু আইনৰ বেদীত অৰ্থনৈতিক ন্যায় আৰু মানৱ অধিকাৰ বলি দিছে। আইনৰ যন্ত্ৰটোৱে মানুহক আওকান কৰিছে। অৰ্থাৎ ন্যায়ৰ মন্দিৰত বিচাৰকৰূপী পুৰুহিতৰ পাণ্ডাগিৰিৰ প্ৰকোপত অন্যায় চলিছে।" আয়াৰ এই কথা সঁচা। এনেদৰে আলফা বিৰোধীয়ে ই আইন আদালতৰ ভণ্ডামীৰ কথা ক'বলৈ বাধ্য হৈছে। চাওকচোন গুৱাহাটী উচ্চন্যায়ালয়ৰ চকুৰ আগতে চলিছে সেনাৰ অত্যাচাৰ। তথাপি নীৰৱ আদালত। নীৰৱ উকীল। আইনৰ বহুৱা ব্যাখ্যাৰে ভুটানত নিৰুদ্দেশসকলৰ তালিকাও দিবলৈ অক্ষম আদালত। এয়া জানো ন্যায় প্ৰদানৰ চিন। এনেদৰেই আদালত আজি সমাজদ্ৰোহী হৈ ৰাষ্ট্ৰৰ ভৃত্য হৈছে। আদালতে সেনাবাহিনীৰ আইন বৈধ বুলি কৈ এনেদৰেই ৰাইজক আদালতে বিশ্বাসঘাটকতা কৰা নাইনে? নিশ্চয় কৰিছে। অধিক আলোচনা কৰাৰ আগতে আমি অন্য কিছু কথা কৈ লওঁ। ভাৰতীয় সংবিধানখন বৰ দীঘল সংবিধান। ইয়াত কেৱল অখণ্ড ভাৰতৰ কথাই কোৱা নাই। আৰু বহুতো কথা কৈছে। উচ্চতম ন্যায়ালয়ে আমেৰিকাৰ গ্ৰন্থকাৰ অষ্টিনৰ মত মানি কৈছে যে ভাৰতীয় সংবিধান হৈছে সমাজ বিকাশৰ চনদহে। সেই মতে ভাৰতীয় সংবিধানে ক'লে সমাজবাদ গঢ়াৰ কথা, সম্পদ বিতৰণ কেন্দ্ৰীভূত নোহোৱাৰ কথা। (ধাৰাবোৰ উল্লেখ কৰিলে দীঘল হ'ব বাবে চমুকৈ কৈছোঁ) অৰ্থাৎ কৃষকে আত্মহত্যা নকৰা, শিশুৰ হাৰ-চাল ওলাব নলগা দেশ গঢ়াৰ কথা ক'লে। আৰু ক'লে নাগৰিকৰ কৰ্তব্য হ'ল অখণ্ডতা আৰু সাৰ্বভৌমত্ব ৰক্ষা কৰা। আৰু সমাজখন ভালৰ পৰা অতি ভাললৈ লৈ যোৱাৰ চেষ্টা কৰাৰ কৰ্তব্য কথা আৰু সকলোৱে সংবিধানখন মনাৰ কথা। এতিয়া চাওকচোন সংবিধানখনৰ এটা মাত্ৰ ধাৰা অৰ্থাৎ অখণ্ডতাৰ ধাৰাটো নমনাৰ বাবে বিনা বিচাৰে হত্যা পৰ্যন্ত কৰিছে। অথচ বাকীবোৰ ধাৰা নমনাৰ বাবে একো শাস্তি নাই। বৰ্তমান চৰকাৰে সংবিধান গছকাৰ এটা উদাহৰণ চাওকচোন। সেয়া হৈছে নেহৰুৰ দিনত বাধ্যত পৰি যিকণ সমাজবাদী আৰ্হি আছিল সেইকণো নৰসিংহৰ দিনত নাইকিয়া কৰি চোনিয়া গান্ধীৰ হাতত নেহৰু হত্যা অভিযান আৰম্ভ হ'ল। ৯০ দশক সম্পূৰ্ণৰূপে সংবিধানখন চৰকাৰে পদাঘাট কৰা আৰম্ভ হ'ল। সেই বাবেই সংবিধান ৰচনা সভাৰ বিতৰ্কৰ এজনে কৈছিল "...........Let us remember that a constitution can be subverted not merely by agitators rebels and revolutionary but also by people in office and people in power (C.A.D. 2nd August 1949 H.V. Kamath)

অৰ্থাৎ—"আমি মনত ৰখা দৰকাৰ যে সংবিধানখন কেৱল বিপ্লৱী, আন্দোলনকাৰী, বিদ্ৰোহীসকলেই গছকি নেপেলায়। পদবীধাৰী আৰু ক্ষমতাত থকা ব্যক্তিসকলেও গছকি পেলাব পাৰে।"

এতিয়া চাওক কেনেকৈ চৰকাৰে নিজেই সংবিধান উলঙ্ঘা কৰে। চমু কৰাৰ স্বাৰ্থত আমি ব্যাখ্যা নকৰি সংবিধানৰ সম্পৰ্কত সমালোচনা কৰি কৃষ্ণ আয়াৰে লিখা Constitutional Miscellany-ৰ দুটামান বাক্য উদ্ধৃতি দিলোঁ।

The desire to be in the WTO is the illustion that they can trade themselves out of poverty while really they are walking myopically into colonial status. India, without consulting Parliament or people, signed on the dotted line, signing away the safeguards for crucial section such as agriculture on which nearly 70% of the Indian population still depend for a living. Without elaboration and going by experience WTO represents a new form of colonialism not by use of militaru power by decisions taken in London or Paris but by commercial rulings from Geneva. The street protests in Seattle againt the WTO operations demonstare that globalization is not an inevitable phenomenon which must be accepted at all costs but is a harmful operation which must be resisted by the mass mobilisation process by developing countries. The vice is that the people are exparte and the Constitution itself has suffered defeat at the hands of those who have taken the oath of office under the Constitution but exercise power over the Constitution. Plenary Treaty Power must be tramelled by Ratificatory restraint. (Constitutional Miscellary P. 22)

In country after Third World Country, the IMF-World Bank's cunningly sustained strategy has turned out to be the kiss of death. The World Bank's reform package always begins with privatisation. Stiglitz, one time Chief Economist of the World Bank (and later Nobel prize winner) calls it 'briberisation'. That is because, in most economically strapped countries, national leaders get 10% commission paid to Swiss Bank Accounts for undervaluing the sale price of national assets in the process of disinvestment (illustrative of this operation Russia and Indonesia and other countries can be given where Kickback funds have benefited pro-World Bank policies). IMF-World Bank also enforces capital market liberalisation. Pumping money into developed countries and taking them back with large profits, draining the host country ! What is revealing is that IMF-World Bank officially records that its 'reform' will bring about social unrest and popular resistance, even leading to Third World farmers committing suicide. Apparently, the World Bank expects Governments of developing countries like India to put down people's revolt with laws like POTA. It is interesting that there is one clear winner in this World Bank game, namely the Western banks and the U.S. Treasury.

(Constitutional Miscellany-267)

কথাবোৰ অতি চমুকৈ মুকলি অনুবাদ কৰিছোঁ প্ৰবন্ধ চমু কৰিবলৈ।

অৰ্থাৎ "বিশ্ব বাণিজ্য সম্থাত দৰিদ্ৰতা নিবাৰণৰ আশাত যোগ দি প্ৰকৃততে উপনিবেশিক দাসত্বহে লৈছে, সদনৰ লগত আলোচনা নকৰাকৈ এনে সংস্থাৰ লগত চুক্তি কৰিলে। ৭০ % কৃষকৰ স্বাৰ্থও বিঘ্নিত হৈছে। বিশ্ববাণিজ্য আচলতে বিনা বন্দুকেৰে সৃষ্টি কৰা উপনিবেশবাদ। সংবিধানৰ নামত শপত লোৱাসকলে অনিবাৰ্য নোহোৱা স্বত্বেও এনে চুক্তি কৰিলে আৰু সংবিধান অৱমাননা কৰিলে। ইয়াক বিৰোধীতা কৰিব লাগিব।" "নোবেল বঁটা বিজয়ী ষ্টিলগীজে (তেওঁ বিশ্ববেঙ্কৰ অৰ্থনৈতিক উপদেষ্টা আছিল।) কৈছে যে ব্যক্তিগতকৰণ হৈছে বৰ্বৰতা। ৰাজহুৱা খণ্ড ব্যক্তিগতকৰণ কৰোঁতে মূল্য কমাই ধৰাৰ বাবদ জাতীয় নেতাসকলৰ নামত ১০% ধন চুইচ বেঙ্কত জমা কৰি দিয়ে। এনেবোৰ কামে সমাজত অস্থিৰতা আনে আৰু এই অস্থিৰতা যুঁজিবলৈ পোটাৰ দৰে ক'লা আইন সিহঁতৰ স্বাৰ্থত সৃষ্টি কৰে।"

সেনাবাহিনী আইন কিয়? এতিয়া আৰু অলপ বুজিলেনে? চুক্তি স্বাক্ষৰ কৰা ক্ষমতাৰ দ্বাৰাই ধনী শ্ৰেণীয়ে একনায়কত্ববাদী শাসন চলাই আছে। এই সম্পৰ্কতো আমি কৃষ্ণ আয়াৰৰ কথাৰেই কওঁ—

We live in an age of plenary treaties with totalitarian potential where corporate might and imperial hegemony manacle humble States, truncate national sovereignties and execute economic colonialism through the invarionary operation of international agreements. Globalisation, Liberalisation and Privatisation - the three euphoric yet malefic ultra-modern mantras - have subjected India and other countries to commercial conquest using, inter alia, the V weapons of GATT and WTO. The legal methodology of treaties legitimises the process of economic exploitation; and international treaty jurisprudence is today a Might-Right manoeuver to subjugate, without arms, nations which are forced to jettison their national sovereignty and abandon their commitment to their people by the diplomacy of signatures. The *pen* has done without blood what needed a gun before; what once required wars of conquest are accomplished by words of treaties. This signature syndrome drives home the urgency of a study of treaty power vested in the Executive lest people should be enslaved, Parliament made powerless and the Constitution subverted by the corruption of treaty jurisprudence.

এই কথাখিনিও অতি চমুকৈ ভাবাৰ্থ কওঁ। অৰ্থাৎ "সংবিধানত থকা চুক্তি স্বাক্ষৰ ব্যৱস্থাটোৱে অৰ্থনৈতিক শোষণক বৈধ কৰিছে। ইয়াৰ দ্বাৰা বৃহৎ প্ৰতিষ্ঠানবোৰে সাৰ্বভৌমত্বত আঘাত কৰিছে আৰু অৰ্থনৈতিক উপনিবেশ গঢ়ি তুলিছে। এসময়ত বন্দুকেৰে জিকা সাম্ৰাজ্য এতিয়া কলমেৰে জিকিব পৰা হ'ল। এই চুক্তি ব্যৱস্থা ওপৰত চিন্তা নকৰিলে পদবীধাৰীসকলক ভাৰতীয় জনগণক আৰু সংবিধানক তেওঁলোকৰ দাসলৈ পৰিণত কৰোৱাৰ ব্যৱস্থা চলোৱা হ'ব। ই সদনক ক্ষমতাহীন কৰিছে আৰু সংবিধান গছকি পেলাইছে।"

এতিয়া চাওকচোন এই চুক্তি কৰা সকলৰ শাস্তি বিধান নাই। অথচ সংবিধানৰ ঘোষিত সমাজবাদ গছকি পেলালে। তেন্তে কিয় আলফাকহে মাৰে। উত্তৰ প্ৰতিজন শিক্ষিতে দিবই লাগিব। নিদিলে ক্ষমা কৰা উচিতনে?

এতিয়া অন্য এটা দিক চাওক। সংবিধানখন গছকি পেলাবলৈ ধনীশ্ৰেণীৰ স্বাৰ্থত সংবিধানত চুক্তি সম্পাদনৰ এটা সুবিধা কৰিলে। এই চুক্তি সম্পাদনৰ ক্ষমতাৰে মনমোহনহঁতে দেশৰ তেজ খাইও বাচি আছে অথচ আলফাবোৰে গুলি খাই মৰে। কি বৈচিত্ৰ? এনে বৈচিত্ৰ শিক্ষিতসকলে চকু মুদি চাই থাকে।

অসমৰ শিক্ষিতসকলে নতুন অৰ্থনীতিৰ গুণ গায়। অথচ ই হ'ল মৃত্যুৰ চুমা। যিখন সংবিধান নমনাৰ বাবে সশস্ত্ৰ সংগ্ৰামীক বন্দুকৰ গুলিৰে পুৰস্কাৰ দিয়ে অথচ প্ৰকৃত সংবিধান গছকা সকলক লৈ শিক্ষিতসকলে গৌৰৱ কৰে। এনেদৰেই আইন আদালতে ধনী শ্ৰেণীৰ কাম কৰে। শিক্ষিতসকলে এনে আইনত অতীষ্ঠ হোৱা যুৱকে কিবা কৰিলে কেৱল গালি পাৰে। নিজে একো নকৰে। কেৱল সমালোচনা। শিক্ষিতৰ এই বিশ্বাসঘাটকতাই এদিন বৰ বেয়াকৈ শাস্তি পাবই পাব।

এতিয়া আমি বিশ্ব ইতিহাসৰ মাৰ্ক্সৰো আগৰ এজন বিপ্লৱী বুদ্ধিজীৱী চিন্তা নায়ক ৰুচোৰ কথা আলোচনা কৰি চাওচোন। অতীতত কোৱাৰ দৰে ভাৰতবৰ্ষলৈ স্বাধীনতা আহিল ৰাজ্যসমূহৰ স্বাধীনতা হৰণ কৰিবলৈহে। স্বাধীনতাই উত্তৰাধিকাৰী সূত্ৰে দিয়া সেনা বাহিনীৰ হুকুম দিবলৈ পাই নেহৰু পেটেলহঁত নতুন ধনীৰ দৰে চটফটাবলৈ ধৰিলে। ক'ব নাপাই যদিও এটা উপমা দিওঁ ক্ষমা প্ৰাৰ্থনাৰে। বাৰী বামুণীয়ে মদৰ জুটি পালে।—অৰ্থাৎ সেনা চলাবলৈ পাই সেনাৰ বলত পূৰ্বতে বৃটিছ নিজে শাসন নকৰা অঞ্চলসমূহ নিজৰ অধীনলৈ আনিলে আৰু কাশ্মীৰ নাগালেণ্ডত অস্ত্ৰৰে নিজৰ প্ৰাধান্য বিস্তাৰ কৰিবলৈ ধৰিলে। কিন্তু বন্দুকেৰে সদায় এনে কৰা সম্ভৱ নহয়। এনে ক্ষেত্ৰত ৰুচোৰ উক্তি এটা চাওক-

"The strongest men is never strong enough to be master all the time, unless he transform force into right and obedience (social contract p.5) অৰ্থাৎ—"শক্তিশালীসকল কেতিয়াও সকলো সময়ৰ বাবে গৰাকী হৈ থাকিব নোৱাৰে যদিহে সেই বল প্ৰয়োগক অধিকাৰ আৰু তাক মনাটো নৈতিক বাধ্যতা হিচাবে গঢ়ি তুলিব নোৱাৰে।"

এতিয়া সেনাৰ বলত এনেদৰে দমন কৰা কামটো সদায় ৰক্ষা কৰিব নোৱাৰিব। গতিকে এই বল প্ৰয়োগক অধিকাৰলৈ সৃষ্টি কৰিলে আৰু তাক মনাটো কৰ্তব্যলৈ পৰিণত কৰিলে গাৰ বলেৰে জাপি দিয়া সংবিধানত আৰু তাৰ বলতেই অসমৰ হত্যাবোৰ তেওঁলোকৰ অধিকাৰ বুলি কৈছে। কিন্তু ৰুচোৰ মতে গণতন্ত্ৰৰ আইন কেনেকৈ ৰচে চাওক ঃ—"A people since it is subject to laws, ought to be author of them. The right of laying down ruls of society belongs only to those who form the society. (Social contract P.42)

অৰ্থাৎ "জনগণেই যিহেতু আইনৰ অধীনত থাকিব লাগিব তেওঁলোকেই আইন ৰচয়িতাও হ'ব লাগিব। যিখন সমাজত যিসকল বাস কৰে সেই সমাজৰ বাবে আইন ৰচনাৰ অধিকাৰ কেৱল তেওঁলোকৰহে।" গতিকে ভোট দিয়াৰ অধিকাৰ থাকিলেই গণতন্ত্ৰ নহয়। যিখন সমাজত আমি বাস কৰোঁ সেইখনৰ সকলো আইন নিজে ৰচাৰ অধিকাৰ লাগিব। অন্যথা বৃটিছ ভাৰততো ভোট দিয়া ব্যৱস্থা আছিল। এতিয়া সেনাবাহিনী আইন ৰাজ্য বিধান সভাই অৰ্থাৎ অসমে তৈয়াৰ কৰানে? তেন্তে আমি কিয় পৰাধীন নহয়। এনে গণতন্ত্ৰকে বিশ্ববিদ্যালয়ৰ পণ্ডিতসকলে গণতন্ত্ৰ বুলি আমাক ফাঁকি দি টাটা বিৰলাৰ কাম কৰি U.G.C Scale লোৱা নাইনে?—শিক্ষিতসকলে বিশ্বাসঘাটকতা কৰা নাইনে?

এটা কথা আমি মনত ৰখা ভাল যে পৰিৱৰ্তন মানেই প্ৰগতি নহয়। আইন মানেই ন্যায় নহয়। আজি ভাৰতবৰ্ষত আইন আৰু ন্যায়ৰ মাজত যুদ্ধ চলিছে। (Law Versus Justice) অৰ্থাৎ চৰকাৰে আইনৰ পক্ষ

লৈছে। ৰাইজে ন্যায়ৰ পক্ষত আছে আৰু একাংশ ৰাইজে ন্যায়ৰ পক্ষ লৈ অস্ত্ৰ লৈছে। আইনে যেতিয়া অন্যায়ক ৰক্ষা কৰে ৰাইজৰ আইন বিৰোধীতা কৰাৰ অধিকাৰ থাকে। সেয়ে আমি এনেদৰে পাওঁ। মাৰ্টিন লুথাৰ কিঙে কৈছিল (ন্যায়াধীশ খান্নাই তেওঁৰ গুৱাহাটী হাইকৰ্টত দিয়া বক্তৃতাত উল্লেখ কৰা মতে)

"One has not only a legal but moral responsibility to obey just laws. Conversely, one has a moral responsibility to disobey unjust laws. I would agree with Saint Agustine that an unjust law is no law at all.

... An unjust law is a code that is out of harmony with the moral law. To put it in the terms of Saint Thomas Aquinas, an unjust law is a human law that is not rooted in eternal and natural law. Any law that uplifts human personality is just. Any law that degrades human personality is unjust.

" I submit that an individual who breaks a law that conscience tells him is unjust, and willingly accepts the penalty by staying in jail to arouse the conscience of the community over its injustice, is in reality expressing the very highest respect for law. (Society & Law Page-60)

৫ নং বক্স



অৰ্থাৎ "কোনো এজনে ন্যায়পূৰ্ণ আইনবোৰ মনাটোৱেই কৰ্তব্য নহয়। বৰং অন্যায় আইনবোৰ অমান্য কৰাৰ দায়িত্বও আছে। মই চেইণ্ট আগাষ্টাইনৰ লগত একমত যে অনুচিত আইনবোৰ আইন মুঠেই নহয়।

....অনুচিত আইনবোৰ হৈছে সেইবোৰ যিবোৰ নৈতিকতাৰ লগত মিলি নাযায়। চেইণ্ট থমাচ একুইনৰ কথাত ক'বলৈ হ'লে চিৰন্তন প্ৰাকৃতিক আইনৰ মাজত শিপা নথকাবোৰেই অনুচিত আইন। যি আইনে মানুহৰ ব্যক্তিত্ব তুলি ধৰে সিয়েই উচিত আইন আৰু যি ব্যক্তিত্ব ধ্বংস কৰে সিয়েই অনুচিত আইন। .....মই ক'ব বিচাৰোঁ যে যিজনে অন্যায় বুলি ভবা আইন অমান্য কৰি স্বইচ্ছাৰে জেইললৈ যায় আৰু ইয়াৰ দ্বাৰা অন্যায় আইনৰ প্ৰতি সমাজক সচেতন কৰে প্ৰকৃততে তেওঁৰেই আইনৰ প্ৰতি সৰ্বোচ্চ সন্মান আছে......"

এতিয়া সেনাবাহিনী বিশেষ ক্ষমতা আইন আইন হ'ব পাৰেনে বিচাৰ কৰক আৰু শিক্ষিতসকলক আৰু ৰাজনৈতিক দলবোৰক প্ৰশ্ন কৰক। আৰু এনেদৰেই সংবিধান অবমাননা কৰি একো ভুল কৰা নহয় যিহেতু ই আত্মনিয়ন্ত্ৰণ নিষিদ্ধ কৰিছে। আকৌ চাওক আইনৰ পণ্ডিত দায়াচে কি কৈছে—

So far as mass disobedience stops short of permanent anarchy, there is implict in it a willingness to abide by a better system. Also, if laws cannot bind conscience, it would seem that conscience is guided by some other superiod dictate, which is somehow knowable. Such a dictate has to be something other than self-interest, which is incompatible with any kind of order. (Dias. Jurisprudence P. 313)

অৰ্থাৎ—"যদিও বৃহৎ জনগণৰ আইন অমান্যৰ লগতে নৈৰাজ্য সৃষ্টি হয় কিন্তু ইয়াৰ মাজত এক অধিক ভাল ব্যৱস্থা মানি চলাৰ কথাহে বুজায়। যদি আইনে বিবেকক বান্ধিব পৰা নাই তেতিয়া হ'লে বুজিব লাগিব যে বিবেক তাতোতকৈ উচ্চ বাণীৰে পৰিচালতি।" গতিকে আমি আলফা আদিক দোষাৰোপ কৰোঁতে বিশ্ববিখ্যাত ব্যক্তিসকলৰ এই কথাবোৰ চিন্তা কৰিব লাগিব। গতিকে সংবিধানখন নমনা বাবেই দোষ নহয়। বৰং চাব লাগিব যে ব্যক্তিগত স্বাৰ্থত নে সমূহীয়া স্বাৰ্থত অমান্য কৰিছে। শিক্ষিতসকলে এই কথবোৰ জানিও নজনাৰ ভাও ধৰি স্বাধীনতাৰ দাবীক গালি পাৰে। স্বাধীনতা নিবিচৰা শিক্ষতসকলক পৰাধীনতাই তেওঁলোকক সুবিধা দিছে লওক বাৰু। কিন্তু তুলুঙা আৰু চুলুঙালী বাক্যৰে কথা কোৱাসকল জানো মানুহৰ শাৰীত পৰে। তেওঁলোকৰ সমালোচনাৰ যুক্তি নাই বাবে তুলুঙা কথা কয়। এইবিলাকৰ পৰা আমি কি বুজিলোঁ সংবিধানখন যদি অন্যায় হয় তেন্তে ইয়াক নমনাৰ অধিকাৰ জনগণৰ আছে। মূল কথা ন্যায়হে আইন নহয়। স্বাধীনতা বিচৰাটো বৃটিছৰ দিনৰ আইনতো অবৈধ আছিল। তেন্তে কিয় বিচাৰিছিলোঁ। অথচ আমাৰ শিক্ষতসকলে সংবিধানৰ দোহাই দি এই প্ৰশ্নৰ পৰা ঘিণ লগাকৈ আঁতৰি ফুৰে। ছাত্ৰসন্থাইও সংবিধানৰ ভয়ত ভিজা মেকুৰী হৈ "সংবিধানৰ গণ্ডীত" থাকিব বুলি কয়। এইবোৰ বৰ হাঁহি উঠা কথা। আইন মনাটোৱেই নহয় নমনাটোও পৱিত্ৰ কাম। প্ৰশ্ন মাথোন কিয় আইন মনা নহয়। ব্যক্তিৰ স্বাৰ্থতনে সমূহীয়া স্বাৰ্থত? সমূহীয়া স্বাৰ্থৰ বিৰুদ্ধে যোৱা আইন অমান্য কৰিবলৈ ভয় কৰা সকলেই দুষ্ট মনৰ মানুহ। সেয়ে "সংবিধানৰ গণ্ডীত" থাকিম বুলি ক'লেই সৎ মনৰ প্ৰমাণ নহয়। তেনেদৰে সংবিধান

নমনাৰ বাবেই দগাবাজ নহয়।–সংবিধান মনাসকলহে আজি বেছি ধুৰ্ত বুলি প্ৰমাণ হৈছে।

যি কি নহওক সেনা বাহিনীৰ বিশেষ ক্ষমতা আইন বৈধ বুলি কৈ উচ্চতম ন্যায়ালয়ে আদালতৰ মৰ্যাদা হানি কৰিছে। লগতে জনগণক বিশ্বাসঘাটকতা কৰিছে। আমি আদালতৰ দুখ লগা ভূমিকাৰ আৰু দুটা উদাহৰণ দিওঁ। বৰ্তমানৰ নতুন অৰ্থনীতি সমাজবাদ বিৰোধী। সংবিধান বিৰোধী। ই মানুহক আত্মহত্যা কৰিবলৈ বাধ্য কৰিছে। গতিকে নতুন দিল্লীৰ চায়েন্স ফৰামে এটা গোচৰ চলালে। দুখৰ কথা ধৰ্মঘট নিষিদ্ধ কৰা, বন্ধ নিষিদ্ধ কৰা আদালতে এই ক্ষেত্ৰত হস্তক্ষেপ নকৰোঁ বুলি ধনীসকলৰ স্বাৰ্থত কিন্তু সংবিধান গছকিবলৈ অনুমতি দিলে। ইচ্ছুক পাঠকে গোচৰটো পঢ়িবলৈ হ'লে AIR 1996 SC 1356 পঢ়ক।

তেনেদৰে নাগালেণ্ডত সেনা অত্যাচাৰৰ এক অনুসন্ধান দাবী কৰি এক আৱেদন জনালে। উদ্দেশ্য জনাইছিল (Naga Peoples' Movement for Human Right গ্ৰুপে)। অদ্ভুত যুক্তিৰে এই আৱেদন নাকচ কৰি নাগালেণ্ডৰ সেনা অত্যাচাৰক আদালতে চলা উচিত বুলি পৰোক্ষভাৱে ক'লে। এই গোচৰ পঢ়ি চাব বিচৰাসকলে উকীল সন্থাৰ লাইব্ৰেৰীত (1988). GLR 139 পঢ়ক। নিজা যুক্তি নিদি ভাৰতবৰ্ষৰ এজন প্ৰাক্তন ন্যায়াধীশ পণ্ডিত কৃষ্ণ আয়াৰৰ কথাৰে ক'বলৈ হ'লে এনেবিলাক কাম হৈছে আদালতে কৰা সমাজদ্ৰোহী (Anti Social) কাম। আদালততে যদি Anti Social কাম কৰে–আইনৰ নামত যদি আইনহীন আইন চলে তেন্তে সন্ত্ৰাসৰ বিকল্প কি।

এতিয়া আমি এটা ভয়ঙ্কৰ সিদ্ধান্তলৈ আহোঁ।

যি আইন সংবিধানৰ নামত অসমত সেনা অভিযান চলা দেখি সংবিধানপ্ৰেমীসকল নীৰৱ, মৌন, ঘৃণনীয়ভাৱে চকু মুদি অত্যাচাৰ চাই আছে সেইসকলক এতিয়া আমি গোটেই জীৱন সংবিধানৰ ব্যাখ্যাৰেই পাৰ কৰা সকলৰ কথাৰেই ক'ম যে তেওঁলোকে গৌৰৱ কৰা আইন-কানুনবোৰে আমাক সমূলি ৰক্ষা নকৰে। ১০৪ বাৰ সলনি কৰা সংবিধান দেখিও আছুৰ দৰে সংগঠনেও সংবিধানৰ গণ্ডীৰ কথা কোৱাসকলে এতিয়া বা কি কয়? এতিয়া এজন ভাৰতৰ সন্মানীয় প্ৰাক্তন উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ এইচ আৰ খান্নাই আমাৰেই গুৱাহাটী হাইকোৰ্টত মুখ্য ন্যায়াধীশ আয়োজন কৰা বক্তৃতাত কি কৈছিল চাওক–

"Although law has generally been considered to be a close ally of liberty and constitutes important means of fostering personal freedom, safeguarding human rights and furthering broad social goals of equality and general well-being, it is not always so. On occasions law has been used as a powerful tool for the control of the individual, a means by which some segments of the society can maintain social and economic superiority over others, a device with great potential for tyrannical rule.

Law thus provides a convenient means by which one section of the population can maintain social and economic superiority over others. All this makes it plain that law can be degenerated into a potential device for tyrannical rule. It further shows that it would be a mistake to rely too much on the courts and the laws for the preservation of liberties. There is no modern instance, it is said, of judiciary having served a whole people from the grave currents of intolerance, passion and tyranny which have threatened liberty and free institutions.

No one can deny that under Hitler the court system in Germany alongwith legislative and executive wings was pressed into service for attaining objects, however ingnoble, of the regime"

(Law & Society)

অৰ্থাৎ এই কথাখিনিৰ ভাবাৰ্থ অনুবাদ কৰিলে এনে হ'ব। 'যদিও আইনক ব্যক্তি স্বাধীনতা মানৱ অধিকাৰ আদিৰ বন্ধু বুলি ভবা হয় ই সদায় এনে নহয়। সময়ত আইনে ক্ষমতাশালীসকলক নিজৰ নিয়ন্ত্ৰণ ৰক্ষাৰ বাবে অত্যাচাৰী শাসনৰ সুবিধা কৰে। এনেদৰে আইনে একাংশক অন্য একাংশৰ ওপৰত অৰ্থনৈতিক আৰু সামাজিক প্ৰাধান্য ৰক্ষাৰ সুবিধা দিয়ে। এনেদৰেই আইন অত্যাচাৰৰ বৃহৎ যন্ত্ৰ হৈ পৰে। আৰু আইন আদালতৰ ওপৰত অধিক নিৰ্ভৰ কৰাটো ভুল কথা। আধুনিক বিশ্বত আইন আদালতে সকলো মানুহক অত্যাচাৰৰ পৰা ৰক্ষা কৰাৰ কোনো উদাহৰণ নাই।

কোনেও অস্বীকাৰ কৰিব নোৱাৰে যে হিটলাৰেও আইন আদালতৰ গয়না লৈয়েই সব কৰিছিল।" আমি দেখোন প্ৰমাণ পালোঁৱেই। সেনা বাহিনী প্ৰয়োগক হিটলাৰৰ দেশৰ দৰে আমাৰ আদালতে বৈধ বুলি কোৱা নাই জানো? ইয়াতকৈ বেচি প্ৰমাণ বিচৰাটো মুৰ্খামী হ'ব।

ইয়াৰে আগতে উচ্চতম ন্যায়ালয়ৰ এজন জনতাপ্ৰেমী প্ৰাক্তন ন্যায়াধীশ ভাগৱতীয়ে কৈছিল যে বান্দৰৰ পৰা মানুহ হ'বলৈ যিমান হাজাৰ বছৰ লাগিছিল আমাৰ আইন আৰু সংবিধানে মানুহক উপকাৰ কৰিবলৈ হ'লে সিমান বছৰ লাগিব।

পূৰ্বতে আমি কৃষ্ণ আয়াৰৰ এষাৰ কথাত পাইছিলোঁ যে যিমানে আইনে অন্যায় ৰক্ষা কৰে সিমানে পুৰস্কৃত হয়। এতিয়া আমি জীৱনৰ অভিজ্ঞতাৰ ভিত্তিত কিছু কথা কওঁচোন। পূৰ্বতে কৈছোঁৱেই যে আমাৰ ফেডাৰেলিজমটো অন্যায়ৰ ওপৰত গঢ় লোৱা। গতিকে অসমৰ উপনিবেশিক শোষণক (অন্যায়ক) আইনে ৰক্ষা কৰিবলৈ সেনা বাহিনীৰ দ্বাৰা নৰহত্যা কৰিছে। যিমানেই এনে নৰহত্যা কৰি অন্যায় কৰিব সিমানেই তেওঁলোক অৰ্থাৎ নৰহত্যা কৰোঁতাসকল পুৰস্কৃত হয়। উদাহৰণ স্বৰূপে অসমত সেনা বাহিনীৰ দ্বাৰা অত্যাচাৰ চলোৱাৰ পুৰস্কাৰ হিচাবে অজয় সিঙক বৰ্তমান অসমৰ ৰাজ্যপাল নিয়োগ কৰিলে। তেওঁৰ নেতৃত্বতে অসমৰ প্ৰথম সেনা অভিযান চলিছিল। তেনেদৰে অসমৰ অত্যাচাৰী পুলিচ বিষয়াক পদক দিয়ে। আকৌ খান্নাই যে ক'লে আইনে সমাজৰ একাংশ অন্য একাংশৰ ওপৰত প্ৰাধান্য চলাবলৈ সুবিধা দিয়ে। আৰু ইয়াৰ বাবেই আইন অত্যাচাৰীৰ হাথিয়াৰ হয়। হিটলাৰেও আইনৰ সহায়তে সকলো কৰিছিল। এতিয়া অসমত চাওকচোন চাহ লবীৰ সুবিধাৰ বাবে আইন ব্যৱহাৰ হৈছে আৰু টাটা বিৰলাৰ সুবিধাৰ্থে আইন ব্যৱহাৰ হৈছে। আৰু আইনক অত্যাচাৰৰ হাথিয়াৰ কৰি সেনা বাহিনী বিশেষ ক্ষমতা আইনৰ দ্বাৰা হাজাৰ হাজাৰ নৰহত্যা কৰিছে। এই অত্যাচাৰৰ লগত হিটলাৰৰ অত্যাচাৰৰহে মিল আছে। অদ্ভুত অসমৰ বুদ্ধিজীৱীসকল। তেওঁলোক নিমাত। তেওঁলোকৰ চৰিত্ৰ ব্যাখ্যা ভৱিষ্যতলৈ থ'লোঁ। এইবিলাক আইন আইনৰ শাসন হ'ব পাৰেনে? আইনৰ শাসন ইয়াকে বোলেনে? নোবোলে। (ইয়াৰ সমৰ্থনত ভাৰতবৰ্ষৰ উচ্চতম ন্যায়ালয়ৰ বক্তব্য আছে ভৱিষ্যতে ব্যাখ্যা কৰিম।) সদ্যহতে সাধাৰণ এটা প্ৰশ্ন কৰক। ইতিমধ্যে আফজল বোলা মানুহজনৰ সদনত বোমা বিস্ফোৰণৰ বাবে আদালতে ফাঁচীৰ হুকুম দিলে। তলৰ আদালত, উচ্চ ন্যায়ালয়, উচ্চতম ন্যায়ালয়। তিনিখন আদালতে বিচাৰ কৰি ৰায় দিয়াৰ পিছতো প্ৰশ্ন উঠিছে তেওঁক মৃত্যুদণ্ড দিবনে নিদিয়ে। তেনেক্ষেত্ৰত কন্যাসন্তান জন্ম দিয়াৰ অপৰাধত মাতৃক অত্যাচাৰ কৰাৰ দৰে অসমৰ একাংশ যুৱকে স্বাধীনতাৰ দাবী কৰাৰ বাবে সমাজৰ বাকীসকল কেৱল মাত্ৰ

**আলফাই সংবিধানৰ ভয়ত তিতা সেৰুৱা যে "সংবিধানৰ গণ্ডীত" থাকিব বুলি কয়। এইবোৰ ৰব নাই টো কথা। আইন মনাতেৰেই নহয় নমনাতেও পবিত্ৰ কাম। প্ৰশ্ন মাথোন কিয় আইন মনা নহয়।**

সন্দেহ কৰিয়েই সেনাৰ এজন হাবিলদাৰে হত্যা কৰিব। কাৰণ পুঁজিপতিৰ স্বাৰ্থ ৰক্ষা হ'ব লাগে এনে হত্যাই অসমবাসীৰ মঙ্গল সাধন কৰিছে বুলি ঘৃণনীয় ব্যক্তিয়েহে ক'ব। তেন্তে চাওক এয়া আইননে। আকৌ যি সময়ত মৃত্যুদণ্ড উঠি যাব লাগে বুলি আন্দোলন হৈছে সেই সময়ত আছে পুঁজিপতিৰ স্বাৰ্থত সন্দেহত হত্যা কৰাৰ আইন। আদালতেও এই ক্ষেত্ৰত ধনী শ্ৰেণীৰ স্বাৰ্থ কেনেকৈ লয় চাওক। উচ্চতম ন্যায়ালয়ে দুটা গোচৰ একেবছৰতে কিছুদিনৰ অন্তৰত ৰায়দান কৰে। বিচাৰক দুজনমান দুয়োটাতে থকা। এটা বন্ধ নিষিদ্ধ কৰা সম্পৰ্কত। অন্যটো সেনা বাহিনী বিশেষ ক্ষমতা আইনৰ ওপৰত। বন্ধৰ ওপৰত শুনানীত আদালতে যুক্তি দিয়ে যে বন্ধ দিওঁতাই বল প্ৰয়োগ কৰে গতিকে ই নিষিদ্ধ হোৱা উচিত। কিন্তু যেতিয়া সেনা আইনৰ কথা আহিল আৰু সেনা অত্যাচাৰৰ কথা কোৱা হ'ল তেতিয়া আদালতে ক'লে যে তেনেক্ষেত্ৰত চৰকাৰে ক্ষতিপূৰণ দিব। অৰ্থাৎ চৰকাৰে ক্ষতিপূৰণ দি উত্তৰ-পূবক সেনাৰ বেশ্যালয় আৰু কচাই খানা কৰাৰ অধিকাৰো আদালতে দিলে। এতিয়া অন্য এটা প্ৰসঙ্গলৈ আহোঁ। এই গোচৰত হাবিলদাৰ এজনক হত্যা পৰ্যন্ত কৰাৰ মৰাত্মক অধিকাৰ দিয়াৰ কথা যেতিয়া অনুচিত বুলি কোৱা হ'ল তেতিয়া আদালতে ক'লে তেওঁ এজন দায়িত্বশীল বিষয়া গতিকে এয়া অনুচিত নহয়। অৰ্থাৎ অসমৰ মানুহৰ জীয়াই থকাৰ অধিকাৰটো নিৰ্ভৰ কৰিব হাবিলদাৰ এজনে জীয়াই থকা উচিতনে অনুচিত বুলি ভবাৰ ওপৰত। এনেখন ভাৰতীয় সংবিধান লৈ যি গৌৰৱ কৰে এওঁলোক পণ্ডিতনে ধুৰ্ত। তাৰোপৰি একেখন আদালতে অন্য প্ৰসঙ্গত ক'লে এনেদৰে—

There is a need to minimize the scope of the arbitrary use of power in all walks of life. It is in advisable to depend on the good sense of the individuals, however high-placed they may be. It is all the more improper and undesirable to expose the precious rights like the right of life, liberty and property to the vagaries of the individual whims and fancies. It is trite to say that individuals are not and don't become wise because they occupy high seats of power, and good sense, circumspection and fairness does go with the post, however high they may be. There is only a complaisant presumption that those who occupy high post have a high sense of responsibility. The presumption is neither legal nor rational. History does not support it and reality does not warrant it. In particular, in a society pledged to uphold the rule of law, it will be both unwise and impolitic to leave any aspect of its life to be governed by discretion when it can conveniently and easily be covered by rule of law.

(AIR 1991 SC 173)

অৰ্থাৎ (মুকলি ভাবাৰ্থ) "সকলো ক্ষেত্ৰতে স্বেচ্ছাচাৰী ক্ষমতা প্ৰয়োগ বন্ধ কৰিব লাগে। যিমানেই উচ্চ পদবীধাৰী হওক লাগে তেওঁৰ সদভাবৰ ওপৰত কথাবোৰ এৰি দিয়া উচিত নহয়। এইটো আৰু বেছি প্ৰযোজ্য যেতিয়া জীৱনৰ অধিকাৰ আদি কথাবোৰ জড়িত হৈ পৰে। তেতিয়া ব্যক্তি খেয়াল খুচীত কাম কৰিবলৈ দিয়াটো অনুচিত। যিমানেই উচ্চ পদত থাকক লাগে উচ্চ পদত থকা বাবেই তেওঁক জ্ঞানী বুলি ধৰি ল'ব নোৱাৰি। এনে ধৰিলোৱা কথা অযুক্তিকৰ আৰু অবৈধ। ইয়াক ইতিহাসেও প্ৰমাণ নকৰে ভাল বুলি।"

তেতিয় হ'লে অসমৰ ক্ষেত্ৰত হাবিলদাৰজনক কিয় এই ক্ষমতা দিয়া হ'ল? দুখৰ কথা এই প্ৰশ্ন আমাৰ উকীলসকলে আদালতক নকৰিলে। আকৌ চাওক এই গোচৰৰ এবছৰৰ আগতে উচ্চতম ন্যায়ালয়ে এটা গোচৰত বিচাৰ কৰি কৈছিল-

"Challange of terrorism must be met with innovative ideas and approach. State terrorism is no answer to combat terrorism and state terrorism would only provide legitimacy to terrorism" (AIR 1997 SC 610) অৰ্থাৎ "সন্ত্ৰাসবাদ যুঁজিবলৈ ৰাষ্ট্ৰসন্ত্ৰাস প্ৰকৃত পথ নহয়। অন্য কিবা পন্থা উদ্ভাৱন কৰিব লাগিব। ৰাষ্ট্ৰ সন্ত্ৰাসে ব্যক্তি সন্ত্ৰাসৰ যুক্তি যুক্ততাহে প্ৰমাণ কৰে"

এইবোৰতকৈ ভয়ঙ্কৰ কথা হ'ল যে অসমত যিহেতু আহোম, বড়ো, মৰাণ, মটক, কছাৰীসকলহে আছে গতিকে সেনাক এনে ক্ষমতা দিয়া উচিত। এনে ঘৃণনীয় যুক্তিও যদি আদালতৰ মজিয়াত চলিব পাৰে সেইখন আদালতনে? এনে বহু প্ৰশ্ন আহি পৰিছে। এইবোৰৰ পৰা এটা কথাই প্ৰমাণ হয় যে অসমত চলা অত্যাচাৰ আইনৰ নামত অন্যায় বুলি জানি-শুনি চলাইছে। ইয়াৰ প্ৰতিকাৰ কি? এই যে ক'লে অন্য পন্থাৰে সন্ত্ৰাসবাদ যুঁজিব লাগে সেয়া কি?

আমি সকলোৱে জানো যে ভাৰতীয় সংবিধানখন বহুদেশক অনুকৰণ কৰি লিখা। কানাডাও এখন। সেইবাবে হুবহু বক্তব্যটো উল্লেখ নকৰি কওঁ যে কানাডাৰ সংবিধানৰ আৰ্হিত প্ৰয়োজন হ'লে সংবিধানখন সংশোধন কৰিব লাগিব বুলি ডঃ আম্বেদকাৰে কৈছিল। কৈছিল সংবিধান ৰচনা কৰাৰ সদনৰ মজিয়াতে। আমি আজি কানাডাত কি দেখিছোঁ। অসমৰ দৰে কুইবেকসকলে কানাডাৰ পৰা ফাটি যাব বিচাৰিছে কিন্তু তাত সেই দাবীক ৰাষ্ট্ৰই সন্ত্ৰাসেৰে দমন নকৰি গণভোটেৰে সমাধান কৰিছে। তাত এই দাবীৰ বাবে বহুবাৰ গণভোট হৈছে। প্ৰত্যেকবাৰেই বিচ্ছিন্নতাবাদীসকল হাৰিছে। কিন্তু আচৰিত কথা যে তাত বিচ্ছিন্নতাবাদীসকলে চৰকাৰো কৰিছে। কিয়নো চৰকাৰ কৰিবলৈ ৫১% ভোট নালাগে। আজি ভাৰতবৰ্ষতো ৩০% ই দেশ শাসন কৰে। এতিয়া মৌলিক প্ৰশ্ন যে যিটো দাবী কানাডাত গণভোটেৰে সমাধান কৰিছে সেই একেটো দাবী মীমাংসা কৰিবলৈ সেনা প্ৰয়োগ কৰাটো অহিংসাৰে ভাৰত স্বাধীন কৰিলে আদি কথা কোৱা সকলে কিয় প্ৰতিবাদ নকৰি "অসমৰ অধিকাংশই স্বাধীন অসম নিবিচাৰে" বুলি ভব্যগব্য ব্যক্তিৰ ভাও ধৰি দেশৰ তেজ খাইছে? ইতিমধ্যে পৰেশ বৰুৱা আদিয়ে কৈছে

যে গণভোটত হাৰিলে দাবী এৰি দিব। এতিয়া স্বাধীনতাৰ দাবী দমাবলৈ যি অত্যাচাৰ কৰিছে সেই অত্যাচাৰবোৰ কেনেকৈ গণতান্ত্ৰিক? অথচ পশ্চিম পাকিস্থানে এনে অত্যাচাৰ কৰা বাবে ভাৰতে পূব পাকিস্থান স্বাধীন কৰি বাংলাদেশ সৃষ্টি কৰিছিল। আমাৰ বুদ্ধিজীৱী কিমান নিলাজ চৰিত্ৰৰ! ভাৰতৰ সেনা অত্যাচাৰ গণতন্ত্ৰ। পাকিস্থানত হ'লে মানবতা বিৰোধী ফেচীবাদ, হিটলাৰৰ হ'লে ফেচীবাদ।

স্বাভাৱিকতে প্ৰশ্ন হ'ব গণতান্ত্ৰিক পন্থা নহ'লে আলফা আদিক বন্দুকেৰে দমাবলৈ ভাৰতীয় ৰাষ্ট্ৰ তথা সংবিধানে কাৰ পৰা ক্ষমতা পালে? এই ক্ষমতা ৰাইজৰ পৰা পোৱা নাই। নিৰ্বাচনত ৰাইজৰ সহযোগকে অনুমতি বোলাটো এক বলিয়ালি। বৃটিছৰ দিনটো ভোট হৈছিল তাৰ অৰ্থ ভাৰতীয় মানুহে স্বাধীনতাক নিবিচৰাটো বুজাইছিল নেকি?

এইটো বৰ আচৰিত কথা যে গণভোটৰে সকলো মীমাংসা কৰিম বুলি কথা দিয়া নেহৰুৱে যেতিয়া কাশ্মীৰত গণভোট মৰ্চা গঠন হ'ল ১৯৬৩ চনত এনে দাবী নিষিদ্ধ কৰিবলৈ ১৬ তম সংবিধান সংশোধন কৰিলে। এই সংশোধনৰ আগত বিচ্ছিন্নতাৰ দাবী নিষিদ্ধ নাছিল। এই সংশোধনী প্ৰস্তাৱ অনাত অখণ্ডতাৰ সমৰ্থক হৈয়ো একমাত্ৰ কমিউনিষ্ট সাংসদ হীৰেণ মুখাৰ্জীয়েহে প্ৰতিবাদ কৰিছিল। তেওঁৰ কথাখিনিৰ মুকলি অনুবাদ এনে হয়--"....যদি দেশখনৰ বহু ৰাইজে বিচ্ছিন্ন হোৱাৰ কথা মুকলিকৈ ভাবিছে ই নিশ্চয় দুৰ্ভাগ্য কিন্তু ইয়াক আইন কৰি বন্ধ কৰাতকৈ অন্য ধৰণেহে বুজাব লাগে।......এনে বহু কাম আছে যিবিলাক আইনেৰে নহয়। বৰং বুজাবুজিৰে হ'ব লাগিব।......কিন্তু আমি ইয়াক (বিচ্ছিন্নতাবাদ) কেনেকৈ মোকাবিলা কৰিবলৈ গৈছোঁ? আমি কি ইয়াক আইন কৰি যুঁজিম? আমি কি ইয়াক লাঠি দেখুৱাই যুঁজিম? আমি কি আমাৰ মানুহবোৰক ক'বলৈ গৈছোঁ যে তেওঁলোকে কিছু কাম কৰিব লাগে, এক শপত ল'ব লাগে বা কিবা ঘোষণা কৰিব লাগে নহ'লে শাস্তি দিয়া হ'ব? আমি মানুহবোৰ কি মাৰি পেলাম?......সংবিধানে বাধ্য কৰিলেই একো নহ'ব যদি অন্তৰৰ পৰা কথাবোৰ নাহে।......গতিকে চৰকাৰে অন্তৰ জয় কৰিব লাগিব, যাতে নিজে নিজেই বিচ্ছিন্নতাৰ ধাৰণা দলিয়াই দিয়ে।......এয়া কৰা হোৱা নাই। কিয়নো চৰকাৰে প্ৰকৃততে অৰ্থনৈতিক বৈষম্য দূৰ কৰিব পৰা নাই সেয়ে এনে কৰিব চৰকাৰে নোৱাৰে.....গতিকে আইন কৰি বিচ্ছিন্নতাবাদ ৰোধ নহ'ব। মই ভাবোঁ চৰকাৰে এদিন বুজিব....." (লোকসভা বিতৰ্ক ২। ৫। ৬৩) বন্দুকেৰে নহ'ব বুলি বিচ্ছিন্নতাবিৰোধী সংশোধনৰ সময়ত এনেদৰেই কমিউনিষ্টসকলে সদনত প্ৰতিবাদ কৰিছিল। অথচ আজি অসমত সেনা অভিযান বন্ধ কৰিবলৈ চৰকাৰক বাধ্য কৰিব পৰা নাই। তেন্তে সদনৰ প্ৰয়োজন কি? ক'বনে কমিউনিষ্ট পাৰ্টিয়ে। ইয়াৰ পিছত বহুতো আইন হ'ল, ফলত দেশ ৰক্তাক্ত হ'ল। অথচ আনকি ১৯৫১ চনৰ জাতীয় কংগ্ৰেছৰ সভাপতি হিচাপে দিয়া ভাষণতো নেহৰুৱে কৈছিল এনেদৰে ঃ--

"The fate of Kashmir will of course be decided by the people of Kashmir. If they wish to go some way not to our liking we shall not come in their way .....we are quite content to have a plebicite in Kashmir not only because we are committed to it but because we are quite sure of its result." (indian national congress since independance Page 84) অৰ্থাৎ "কাশ্মীৰিসকলেই কাশ্মীৰৰ ভাগ্য নিয়ন্ত্ৰণ কৰিব। যদি তেওঁলোকে আমি নিবিচৰা ধৰণৰ পথ লয় আমি তেওঁলোকৰ পথত বাধা নহ'ম। .......আমি গণভোট বিচাৰোঁ। কাৰণ যে আমি ইয়াৰ বাবে দায়বদ্ধ সেইটোৱেই নহয়। আমি ফল সম্পৰ্কেও নিশ্চিত।"

অথচ সেই নেহৰুৱে গণভোটৰ পৰিৱৰ্তে বুলেটৰ ব্যৱস্থা কৰি সকলোকে অস্ত্ৰ ল'বলৈ বাধ্য কৰিলে। আলফা আদিক গালি পৰা সকলে এইবিলাক চিন্তা নকৰেনে কি? নে তেওঁলোক ধূৰ্ত শিয়াল? গতিকে সংবিধানৰ পথাৰত বন্দুকৰ কঠিয়া অহিংসাবাদীসকলেই সিঁচিলে। বাকীবোৰক দোষ দিয়াটো অক্ষমনীয় অপৰাধ। বাধ্যত পৰিহে আলফাই বন্দুক লৈছে। এইবোৰ কাহিনীৰ গৱেষণা হোৱা নাই বাবে সমস্যাবোৰ সমাধানৰ দেৰী হৈছে। এনেদৰেই ইতিহাসে প্ৰমাণ কৰে নেহৰু সৎ মানুহ নাছিল অথবা প্ৰধানমন্ত্ৰী হোৱাৰ লোভত বৃহৎ পুঁজিপতিৰ ভৰিত ধৰিছিল।

এতিয়া প্ৰশ্ন হ'ব ভাৰতীয় সংবিধান মানে কি? উত্তৰটো আজি তেনেই সহজ। ভাৰতবৰ্ষৰ বৃহৎ পুঁজিপতি শ্ৰেণীৰ বজাৰত বাধা নপৰিবৰ বাবে ভাৰত উপমহাদেশখনৰ এককেন্দ্ৰিক আৰু গণতন্ত্ৰৰ মুখা পিন্ধা এককেন্দ্ৰিক সামৰিক শাসনৰ বিৰোধীতা কৰাসকলক হত্যা কৰাৰ অধিকাৰৰ এক ভদ্ৰ নাম। যেনেকৈ স্বামী-স্ত্ৰীৰ যৌন কৰ্মক মাৰ্জিত ভাষাৰে সহবাস বুলি কওঁ তেনেকৈ এই হত্যাক আমি আধুনিক সভ্য ভাষাৰে সংবিধান আৰু আইন বুলি কওঁ। কাশ্মীৰৰ তথ্য আমাৰ হাতত নাই। কিন্তু এয়া চাওক ভাৰতীয় সংবিধানৰ বিযাক্ত চুমাই পাঞ্জাৱত প্ৰায় ৭০,০০০ হত্যা (Durable Disorder P. 179) অসমত আজি পৰ্যন্ত ১০,০০০ অধিক আৰু নাগালেণ্ড "১৯৫৫ চনৰ পৰা ১৯৫৯ চনলৈ এই সময়ছোৱাত ভাৰতীয় সেনা বাহিনীৰ হাতত মৃত্যু হোৱা নগা পুৰুষ মহিলা আৰু শিশুৰ পৰিমাণ আছিল পয়সত্তৰ হাজাৰ। ........ নগা বিদ্ৰোহী থকাৰ সন্দেহত নগা পাহাৰৰ ঘন বনাঞ্চলসমূহ জ্বলাই দিবলৈও কুণ্ঠাবোধ কৰা নাছিল। ভাৰতীয় সেনাই (দেৱজিত ফুকন নাগালিমঃ স্বপ্ন বনাম বাস্তৱ পৃঃ ২৩) অসমৰ মুধা ফুটা সংবিধানপ্ৰেমী আৰু আলফা আদিক কেৱল দৈত্য দানৱ হিচাবেহে চাব বিচৰা যেন লগা ধীৰেন্দ্ৰ নাথ বেজবৰুৱা, ধীৰেন চক্ৰবৰ্তী, কণকসেন ডেকা আদি নমস্য বুদ্ধিজীৱীসকললৈ এই ক্ষেত্ৰত ভাৰতবৰ্ষৰ সদনৰ বিতৰ্কৰ ২৩। ৮। ৫৬ তাৰিখৰ বিতৰ্ক অথবা নেহৰু নিৰ্বাচিত ৰচনাৱলীৰ ৩৪ নং খণ্ডৰ ১৬০ পৃষ্ঠাৰ পৰা পঢ়িবলৈ অনুৰোধ জনালোঁ। তাত নেহৰুৱে অসামৰিক গাঁৱত গুলি চলাবলৈ নিৰ্দেশ দিয়া, গাঁওবোৰ জ্বলাই দিবলৈ নিৰ্দেশ দিয়াৰ কথা স্বীকাৰ কৰিছে। তেওঁলোকে বিচাৰিলে আৰু এটা প্ৰমাণ দিব পাৰোঁ সেইটো হ'ল সেনা বাহিনীক সংবিধানৰ বাহিৰত গৈ হ'লেও কাম কৰাৰ নিৰ্দেশ। এজন পাঞ্জাবৰ প্ৰাক্তন আৰক্ষী প্ৰধানে এনে স্বীকাৰোক্তিৰে হিন্দু কাকতত প্ৰবন্ধ লিখিছিল। চৰকাৰে আজিও নহয় বুলি কোৱা নাই। ফলত নাগালেণ্ডত সেনাই কি বীভৎস ধৰ্ষণ কৰিছে নাৰীক। ঘটনাবোৰৰ বৰ্ণনা সাংবাদিক হিচাবে এই সকলে লুকুৱাই ৰাখি বা প্ৰকাশ নকৰি ভয়ঙ্কৰভাৱে ৰাষ্ট্ৰৰ দালালী কৰা হোৱা নাইনে?--মানবতাৰ বিৰুদ্ধে অক্ষমনীয় অপৰাধ কৰা নাইনে? নে আলফাক সমালোচনা কৰিলে সমগ্ৰ পাপ-মোচন হয়? এনে বহুতো প্ৰশ্নও আজি আমাৰ সন্মুখত আছে। মনত ৰাখিব আলফাক বন্দুক ল'বলৈ সংবিধানেহে বাধ্য কৰিলে। স্বইচ্ছাৰে লোৱা নাই। গতিকে সংবিধানৰ এই দিকটো সমৰ্থন কৰাসকলৰ আলফাক সমালোচনা কৰাটো এক ভণ্ডামীহে। সেনাৰ অত্যাচাৰ সেনাৰ দ্বাৰা ঘটা নাই। সেনাই কৰা বলাৎকাৰ পণ্ডিত নেহৰু পেটেলে কৰা বলাৎকাৰ। মনমোহন তৰুণ গগৈয়ে কৰা বলাৎকাৰ। সেই বাবেই এজন আলফা সমৰ্থক নহ'লেও জনগণৰ পক্ষত অক্লান্তভাৱে কলম চলোৱা বুদ্ধিজীৱী ডঃ গোহাঁয়ে কৈছে--".......আমি অসমত চলি থকা তাণ্ডৱৰ বাবে ঘাইকৈ দোষ দিওঁ সেনা বাহিনীক। সেনা বাহিনীয়ে অসমৰ গাঁৱে-ভূঞে কি অত্যাচাৰ চলাইছে নক'লেও চলে। কিন্তু মনত ৰাখিব লাগিব যে সেনাবাহিনী অসমত নিয়োগ কৰাৰ সিদ্ধান্ত লৈছিল কেতবোৰ ৰাষ্ট্ৰ নায়ক তথা ৰাজনীতিবিদে........।" (স্বাধীনতাৰ সপোন আৰু দিঠক পৃঃ ১১৫) কিন্তু একে কিতাপতে আকৌ সংবিধানৰ স্বৰূপ নুবুজি সেনা

অভিযানৰ বিকল্প নাই বুলিয়ে যেন ক'ব বিচাৰিছে। এনে বহুতো ব্যক্তি তথা হাজাৰ-বিজাৰ সৰু মানুহৰ লগত প্ৰত্যক্ষ কথা-বতৰাইহে সংবিধান বিশ্লেষণ প্ৰয়োজন বুলি ভবাই তুলিছিল।

মহাকাব্যবোৰ সঁচাকৈয়ে মহাকাব্য। মহাভাৰতৰ "সোণৰ হৰিণ" ঘটনাটো চাওকচোন। মাৰিচক ৰাবণে কায়দা কৰি তেনে ৰূপ ল'বলৈ ক'লে। আজি ৰাবণ হ'ল টাটা বিৰলা আদি মাৰিচ হ'ল নেহৰু পেটেল আদি কংগ্ৰেছ। তেওঁলোকে মাৰিচে সোণৰ হৰিণৰ ৰূপ লৈ সীতাক ভুলোৱাদি ভাৰতীয় জনগণক ভুলাই জনগণৰ সকলো ৰাবণৰূপী টাটা বিৰলাৰ দ্বাৰা লুটালে। তেওঁলোকৰ অৰ্থাৎ জনগণৰ ৰক্ষকসকলক সীতাই লক্ষ্মণক কৰা ব্যৱহাৰ কৰিছে আজিৰ সংবিধানৰ মোহত পৰি। অৰ্থাৎ জনগণ ৰক্ষাকাৰী বুদ্ধিজীৱীসকল লক্ষ্মণ আঁতৰি যোৱাদি আঁতৰি গৈছে। তেনেদৰে শিখণ্ডীক দেখি ভীষ্মই শৰ প্ৰহাৰ কৰিবলৈ এৰি শৰ শয্যাত পৰাৰ দৰে সত্যম শিৱম সুন্দৰমৰ মূৰ্তি স্বৰূপ কৰা সংবিধানখন ৰথৰ আগত বহুৱাই টাটা বিৰলাই ৰাষ্ট্ৰৰ যোগেদি যুদ্ধ কৰাত আমাৰ পণ্ডিতসকল, বুদ্ধিজীৱীসকল শিক্ষিত সমাজ মৌন হৈ গ'ল। সৃষ্টি হ'ল "সংবিধানৰ গণ্ডী" নামৰ বজৰুৱা শব্দ। ১০৪ বাৰ সংশোধন কৰা সংবিধানখনৰ নামত চলিছে নৰহত্যা। আমাৰ পণ্ডিতসকল ব্যস্ত সংবিধানৰ বন্দনাত। তেওঁলোকৰ বাবে জনগণৰ মঙ্গলতকৈ সংবিধানৰ মূল্যহে বেচি।


এই উপলব্ধি মোৰ ১৯৯০ চনৰ মোৰ জন্ম তাৰিখটোতে অসমত চলা সেনা অভিযান লগে লগেই হৈছিল। কিন্তু এনেবোৰ গৱেষণা ভাবিব নোৱাৰা ধৰণে খৰচী। কেৱল ধনেই নহয়, সময়ো। কেতিয়াবা এটা শব্দৰ সত্যতাৰ বাবে পঢ়িব লাগে হাজাৰ হাজাৰ পৃষ্ঠা। ১৯৯৩ চনত এনে চিন্তাৰ "যুক্তিয়ে য'ত হাৰ মানিলে" বুলি ১ম খণ্ড প্ৰকাশ কৰিছিলোঁ। বৌদ্ধিক মহলৰ কোনোৱে নপঢ়িলে যেন ভাবোঁ। একমাত্ৰ ডঃ গোহাঁইয়ে মাথোন কাকতত লিখিছিল গ্ৰন্থখন চিন্তাশীল সকলোৱেই পঢ়া উচিত বুলি। গৱেষণাৰ বাবে প্ৰয়োজনীয় ধন সঞ্চয় আৰু সময়ৰ সুবিধা কৰিব নোৱাৰা বাবে অলপ অলপকৈ এৰা ধৰাকৈ কৰি কৰি ২০০৬ চনত সকলো ফালৰ পৰা যোগাৰ কৰি মাৰ্চ মানত মুৰ্খৰ দৰে ভাবিলোঁ ৩। ৪ মাহত সম্পূৰ্ণ হ'ব। পাহৰি গ'লোঁ যে ডক্তৰেটৰ থেচিচ এখনেই তিনি বছৰ লাগে। সংবিধানৰ ওপৰত আমেৰিকাৰ পণ্ডিত অষ্টিনে ভাৰতবৰ্ষত ১০ বছৰ থাকি অধ্যয়ন কৰিহে তেওঁলোকৰ স্বাৰ্থ পূৰণ হোৱাকৈ কিতাপখন লিখিছিল। মুৰ্খৰ দৰে ভাবিলোঁ সকলো জানোৱেই। হাত দি গম পালোঁ কিমান নাজানোঁ। এনেহে ভাব হ'ল মই যেন প্ৰশান্ত মহাসাগৰত তুলণ্ডা নাওহে বাইছোঁ। হ'বই লাগিব বুলি দিনে ১৫ ঘণ্টা পৰ্যন্ত অধ্যয়ন কৰিলোঁ। এনেদৰে যোৱা মাৰ্চৰ পৰা অক্টোবৰ ১৫ তাৰিখ মানলৈকে। অৰ্থাৎ প্ৰায় ৭ মাহ। তেনে পৰিশ্ৰমেৰে ইঞ্জিনিয়াৰে ঘৰৰ নক্সা তৈয়াৰ কৰাদি নক্সাহে তৈয়াৰ কৰিলোঁ। সেই নক্সাটো ইটা বালি লোহা লৈ এতিয়া ঘৰ কৰিব লাগিব। সেই নক্সাৰে পাঁচ ভাগৰ এভাগ মান এই প্ৰবন্ধটো। তাকেই শ্বহীদৰ সন্মানাৰ্থে প্ৰকাশ কৰিলোঁ। ইতিমধ্যে অত্যধিক পৰিশ্ৰমৰ কুফল আৰম্ভ হ'ল। ভাবিব নোৱাৰাকৈ সাংঘাটিক ৰূপত মানসিক অৱসাদ আহিল। জনা কথাও মনত নপৰা হ'ল। জনা মানুহৰ নামো সময়ত মনত নপৰা হ'ল। বুজিলোঁ জিৰণীৰ প্ৰয়োজন। গৱেষণামূলক মানসিক কামবোৰ গতানুগতিক কাম ভাগৰ আৰু ক্লান্তিৰ মাজতো কৰিব পৰাদি কৰিব দেখোন নোৱাৰি। তাৰ মাজতেই কিছু কামত আহক বুলি নক্সাটোৰ এটুকুৰা দিলোঁ। অন্য কিছু ব্যক্তিগত সমস্যাও আহিছে। কাৰণ অসমত লিখি জীৱনটো থাব নোৱাৰি। গতিকে ভৱিষ্যত জীয়াই থকাৰ প্ৰশ্নও থাকে। অৰ্থাৎ আৰ্থিক সমস্যা সদ্যহতে নাই যদিও কিছুমান সমাধানহীন সমস্যা জৰুৰী হৈ আহি পৰিছে। গতিকে চিন্তাটোৰ পূৰ্ণাঙ্গ ৰূপ দিয়াৰ ক্ষেত্ৰত দেৰী হৈছে। মানসিক অৱসাদ দূৰ কৰাৰ বাবে কমেও দুমাহ মান জিৰণীৰ প্ৰয়োজন। নহ'লে মগজুৱে সক্ৰিয় আৰু সঠিকভাৱে কাম নকৰিব। বিষয়টোৰ ওপৰত ৰাইজৰ মতামতেৰে উপকৃত হোৱাৰ আশাৰে বাতৰি কাগজলৈ পঠাই ব্যৰ্থ হ'লোঁ। দুটামান প্ৰকাশ কৰি কাকতৰ প্ৰকাশকে প্ৰকাশ নকৰা হ'ল। মোৰ এই কামৰ ক্ষেত্ৰত গুৱাহাটীৰ "অন্বেষা" আৰু ইয়াত কাম কৰা শ্ৰীমান বিকাশক মই কৃতজ্ঞতা জনাবই লাগিব। কিয়নো যোৱা মাৰ্চৰ পৰা আজি পৰ্যন্ত লাখৰ ঘৰত মূল্য হোৱা প্ৰয়োজনীয় কিতাপখিনি নিজে কষ্ট কৰি বিচাৰি দিয়াই নহয় মুখৰ কথাতে বাকীকৈ ট্ৰেন্সপ'ৰ্টৰ যোগেদি নিয়মীয়াকৈ পঠাই থকাৰ বাবে মোৰ প্ৰথম পৰ্যায়ৰ কামখিনি কৰিব পাৰিলোঁ। নহ'লে আৰু দেৰী হ'লহেঁতেন।

কথাখিনি চমু কৰাৰ বাবে আৰু জকাটোহে দিয়াৰ বাবে ৰাইজৰ বাবে আমনিদায়ক হ'বও পাৰে। আইনৰ কথাও শুনিলে শুনি থাকিবৰ মন যোৱাকৈ ক'ব পাৰি। তেনে অভিজ্ঞতা এবাৰ মাজুলিৰ এখন সভাত হৈছিল। দুঘণ্টামান বক্তৃতা দিয়াৰ পাছতো সভাপতিয়ে চমু কৰিবলৈ কোৱা দেখি সভাপতিক ৰাইজে মোক পুনৰ ক'বলৈ দিবলৈ কৈছিল।

এতিয়া আমি সৰ্বশেষ কথালৈ আহোঁ। আইন আৰু সংবিধানে আমাক ৰক্ষা কৰিবনে? নকৰে সমূলি নকৰে। এয়া কোনো আইন আৰু সংবিধান বিৰোধীৰ কথা নহয়। বৰং আইন আৰু সংবিধানৰ গোড়া সমৰ্থকৰ কথা। সেয়ে উচ্চতম ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ কৃষ্ণ আয়াৰে কৈছিল—

"So, it is that, not the paramountancy of the court and

৬ নং বক্স



the constitution, but the people, ever vigilant alone can be the defender of this great right of Personal Liberty." (Human Right-P. 311) অৰ্থাৎ আদালত বা সংবিধানৰ শ্ৰেষ্ঠতাই নহয় মানুহৰ নিজ সজাগতাইহে ব্যক্তি স্বাধীনতাৰ আচল ৰক্ষক। তেওঁ আৰু কৈছিল--

Social justice is still not an accomplished rule of law or life in India. The ultimate guardian of the Constitution and of the imperatives of Independence is the militant consciousness and vigilant alertness of the people of the land."

(Social justice page. 157) অৰ্থাৎ ভাৰতবৰ্ষত সামাজিক ন্যায় এতিয়াও আইনৰ শাসন বা জীৱনৰ অঙ্গ নহয়। আৰু সংবিধানৰ কথাবিলাকৰ আৰু স্বাধীনতাৰ আচল অভিভাৱক জনতাহে। জনতাৰ সংগ্ৰামী চেতনা আৰু সজাগতাইহে এইবোৰ ৰক্ষা কৰিব। অৰ্থাৎ সংবিধানৰ দায়িত্বত থকা পদবীধাৰীসকল লাগে সেয়া ৰাজনীতিবিদেই হওক অথবা আদালতেই হওক দেশ, স্বাধীনতা সংবিধান আদি ৰক্ষা নকৰে। প্ৰমাণ অসমৰ ঘটনাৱলী। আৰু এনেদৰে কৃষ্ণ আয়াৰৰ কথাই সংবিধান সভাত যে কামাথে আশংকা কৰিছিল পদবীধাৰীসকলেই সংবিধান উলঙঘা কৰিব সেই কথা প্ৰমাণ হ'ল।

লগতে এই কথাও প্ৰমাণ হ'ল আইন সংবিধান সকলো মিছা। গতিকে "সংবিধানৰ গণ্ডী" বিচৰাসকলে বা এতিয়া কি কয়।

সৰ্বশেষত এতিয়া প্ৰমাণ হ'ল যে বৃহৎ জনসমাবেশ, গণআন্দোলন আমি গঢ়িব লাগিব। অন্য কোনো পন্থা নাই। আজিৰ বাস্তৱটো হ'ল যে অসমৰ বুদ্ধিজীৱী আৰু ৰাইজে স্বাধীন অসমৰ দাবীৰ গণতান্ত্ৰিক সমাধান বিচাৰিছে। কিন্তু এই ক্ষেত্ৰত গণসংগ্ৰামৰ দায়িত্বত থকা পি চি জি, পি চি পি আই, মাছ আদিয়ে সমূহ জনগণক সমবেত কৰাত আশানুৰূপ সফল হোৱা নাই। তেওঁলোকে নিজেই ভাবকচোন তেওঁলোকে যিখিনি কৰিছে তেনেখিনি কৰা বাবে তেওঁলোক চৰকাৰ হোৱা হ'লে ভয় খালেহেঁতেন নে? বাহিৰৰ পৰা সমালোচনা কৰা সহজ। সেয়ে আমি সমালোচনা নকৰি কওঁ যে তেওঁলোকৰ হয়তো এনে অসুবিধা আছে যিবোৰ দূৰ কৰিব পৰা নাই। গতিকে নিজে আত্ম সমালোচনা কৰক। অন্যথা শত্ৰুতকৈ মিত্ৰই কৰা অনিষ্ট ভয়াবহ হ'ব। এটা সুন্দৰ পৰিবেশ সংগঠিত কৰিব নোৱাৰি নষ্ট কৰা হৈছে। সংগঠন আৰু বঢ়াই লাভ নাই। সংগঠনৰ দুটাৰ নামৰ আগত "ৰাইজ" শব্দটো থকা বাবেহে ক'বলৈ গৈছোঁ। অন্যথা নকলোহেঁতেন। এতিয়া মোৰ ব্যক্তিগত প্ৰশ্ন হ'ল এই কথাবোৰ অৰ্থাৎ মোৰ এই ব্যাখ্যাবোৰ গণসংগ্ৰাম আগবঢ়াই নিয়াত প্ৰয়োজননে নিষ্প্ৰয়োজন উপৰোক্ত সংগঠনৰ প্ৰতিজন কৰ্মকৰ্তাই ব্যক্তিগতভাৱে কওক। নক'লে বুজিম মইহে এই চিন্তাবোৰ কৰি বলিয়ালি কৰিছোঁ। টকা আৰু সময়ৰ অপচয় কৰিছোঁ। অথবা তেখেতসকলে ভুল কৰিছে নেকি? সেই উত্তৰ সচেতন পঢ়ুৱৈ আৰু ৰাইজেহে দিব। মোৰ দৰে অল্পমতিয়ে কেনেকৈ ক'ম বাৰু?

যি কি নহওক মই ভাবোঁ প্ৰবন্ধটোৰ শিৰোনামটো বিশ্লেষণটোৱে নিশ্চয় প্ৰমাণ কৰিছে।

হে' শ্বহীদ তুমি অমৰ হোৱা। কিয়নো "আলফাৰ প্ৰতি অসমৰ জনসাধাৰণৰ সহানুভূতি আছে, সহৃদয়তা আছে। ৰাষ্ট্ৰৰ পৃষ্ঠপোষকতা পোৱা এচাম নেতা বুদ্ধিজীৱীৰ দৰে সৰ্বসাধাৰণ লোকে আলফাক উদণ্ড দল বুলি উলাই কৰিব নোখোজে।......।" (অখিল ৰঞ্জন দত্ত। গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিভাগৰ জ্যেষ্ঠ প্ৰবক্তা) গণ সংগ্ৰামবোৰত এনেসকলক মঞ্চত বহুৱাব নোৱাৰাটো জানো আমাৰ ব্যৰ্থতা নহয়। এনে বহুতো লোক উপেক্ষিত হৈ আছে। এনে ক্ষেত্ৰত কওঁ যে সভা-সমিতিবোৰত ক্লাচৰুমত ছাত্ৰই মুখস্থ মতাদি মাতি কোৱাৰ দৰে কোৱা কথাই দত্ত আদিৰ দৰে বৌদ্ধিক মহলক আকৰ্ষিত নকৰে। তেখেতসকল পঢ়া-শুনা ব্যক্তি। গতিকে বক্তৃতা আদিত বৌদ্ধিক মহলক আকৰ্ষিত কৰিব পৰাকৈও কথাবোৰ কিয় নকয় বুজি পোৱা নাই। ধৰক কৃষ্ণ আয়াৰ, খান্না আদিৰ কথাবোৰ আজিও কোনো সভাত কোৱা হোৱা নাই। অথচ এই কথাবোৰ গুৱাহাটী হাইকোৰ্টে আয়োজন কৰা ৰাজহুৱা আলোচনা চক্ৰত কোৱা কথা। এনেক্ষেত্ৰত চিন্তা-চৰ্চা কৰা মানুহবোৰক লগ ল'বই লাগিব। চিন্তা কৰা মানুহবোৰৰ গৱেষণা কৰা মানুহবোৰে পদৱী ল'বলৈ নাহে। কিয়নো তেতিয়া গৱেষণা বন্ধ হয়। ইয়াৰ উপৰিও ধৰক মোকে যদি ইমান কথা কোৱা বাবে সংগঠন এটাৰ সম্পাদক বা সভাপতি পদ দিলে সংগঠনটো মৰিহে যাব। কিয়নো আমিবোৰৰ মনত অনুসন্ধানে সততে ক্ৰিয়া কৰি থাকে। কিন্তু আমিবোৰে বিচাৰোঁ লগত থাকি কাম কৰিবলৈ। যেনেকৈ আজি বহুত বছৰ কাছৰ (কৃষক অধিকাৰ সুৰক্ষা সমিতি) লগত থাকিও পদ লোৱা নাই। ৰুচিয়াৰ কমিউনিষ্ট বিপ্লৱৰ সফলতাৰ আধাখিনি গৌৰৱ মেক্সিমগৰ্কীৰ। কিন্তু তেওঁ কমিউনিষ্ট দলৰ পদবীধাৰী নাছিল। গতিকে চিন্তা কৰা সকল কেতিয়াও সাংগঠনিক নেতাৰ প্ৰতিদ্বন্দ্বী নহয়। হে' শ্বহীদ তোমাৰ স্মৃতিয়ে যেন এনে লোকক একগোট কৰিবলৈ সকলোকে শক্তি আৰু প্ৰেৰণা দিয়ে। সকলোকে তোমাৰ আশীৰ্বাদ দিয়া। কোনেও যে ব্যক্তিগতভাৱে জিলিকি উঠাৰ মোহত সামগ্ৰিক সংগ্ৰামখনৰ ক্ষতি কৰাৰ পৰা বিৰত থকাৰ মনোবল পায়।

ইতিমধ্যে গৱেষণা কৰি আমি কেইটামান বৰ প্ৰয়োজনীয় কথা পাইছো যি কেইটা সংবিধানখনক ধৰ্মগ্ৰন্থৰ দৰে সন্মান কৰাসকলেই কোৱা কথা।

এতিয়া আমি। সৰ্বপ্ৰথম উচ্চতম ন্যায়ালয়ৰ এজন প্ৰাক্তন বিচাৰপতি ভি আৰু কৃষ্ণ আয়াৰে গুৱাহাটী উচ্চ ন্যায়ালয়ে আয়োজন কৰা বক্তৃতামালাত দিয়া লিখিত আৰু পিছলৈ গ্ৰন্থ হিচাবে প্ৰকাশ হোৱা বক্তৃতাৰ পৰা কিছু অংশ দাঙি ধৰো—

If necessary, the constitution of our country must be radically reviewed to accomodate the deeper urge of the sub national.

অৰ্থাৎ প্ৰয়োজন হ'লে উপজাতিসমূহৰ অন্তৰৰ গভীৰ আশা-আকাংক্ষা পুৰণৰ বাবে প্ৰয়োজন হোৱাকৈ সংবিধানখন পৰ্যালোচনা কৰিব লাগিব।--তেন্তে হ'লে আলোচনাত সংবিধান বাধা কিয় হ'ব? তেখেতে উক্ত বক্তৃতা Edmund Burke-ৰ উদ্ধৃতি এটাও দিছিল। সেইটো দি ওপৰৰ বক্তব্যৰ যুক্তিযুক্ততা প্ৰমাণ কৰিছিল

"The use of force alone is but temporary. It may subdue for a moment; but it does not remove the necessity of subduing again; and a nation is not governed which is perpetually to be conquered." অৰ্থাৎ কেৱল শক্তি প্ৰয়োগ ক্ষণস্থায়ী। ই খন্তেকৰ কাৰণে দমাব পাৰে। কিন্তু ই পুনৰ দমন কৰাৰ প্ৰয়োজনীয়তা নাইকিয়া নকৰে। অনন্তকালৰ বাবে যদি পৰাজিত কৰিয়ে থাকিব লাগে তেন্তে এটা জাতি শাসন কৰা নুবুজায়। আজি অসম নাগালেণ্ডত এইয়া হোৱা নাই জানো?

এতিয়া আমি ভাৰতবৰ্ষৰ সংবিধানৰ চৰিত্ৰ লৈ হোৱা সৰ্ববৃহৎ গোচৰটোৰ কথা চাওঁ। এইটো গোচৰত ৬০ দিনতকৈও অধিক দিন তৰ্ক হৈছিল আৰু একেলগে ১৩ জন বিচাৰক বহিছিল। গোচৰটোৰ জনপ্ৰিয় নাম কেশৱানন্দ ভাৰতী গোচৰ। এই গোচৰৰ কেইটামান সিদ্ধান্ত অতি জৰুৰী।

(a) The people in the final analysis are the ultimate

৭ নং বক্স

## উত্তৰ-পূবৰ ৰাজ্যপাল নিয়োগ - ২০০১

| প্ৰদেশ | ব্যক্তিনাম | পূৰ্বতে কি আছিল |
|---|---|---|
| অৰুণাচল প্ৰদেশ | অৰবিন্দ ভাৰে | ৰ'ৰ প্ৰাক্তন সঞ্চালক |
| অসম | এচ কে সিন্হা | অৱসৰপ্ৰাপ্ত লেঃ জেঃ |
| মণিপুৰ | বেদ প্ৰকাশ মাৰুৱা | পুঃ আৰক্ষী সেৱাৰ অফিচাৰ প্ৰাক্তন দিল্লী পুলিচৰ মুৰব্বী |
| মেঘালয় | এম.এম জেকব | প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী আৰু ৰাজ্য সভাৰ উপ-সভাপতি |
| মিজোৰাম | এ.আৰ কহলি | পুলিচৰ লগত জড়িত ব্যৱসায়ী |
| নাগালেণ্ড | অ.পি শৰ্মা | পাঞ্জাব পুলিচ চোৰাংচোৱা বিভাগৰ মুৰব্বী |
| ত্ৰিপুৰা | কে.এম. চেথ | অৱসৰপ্ৰাপ্ত লেঃ জেনেৰেল |
| | ২০০৪ | |
| অৰুণাচল প্ৰদেশ | বিনোড পাণ্ডে | প্ৰাক্তন কেবিনেট সচীব |
| অসম | অজয় সিং | অৱসৰপ্ৰাপ্ত লেঃ জেনেৰেল |
| মণিপুৰ | অৰবিন্দ ভাৰে | ৰ'ৰ প্ৰাক্তন সঞ্চালক |
| মেঘালয় | এম এম জেকব | প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী আৰু ৰাজ্য সভাৰ উপ-সভাপতি |
| মিজোৰাম | এ.আৰ কহলি | পুলিচৰ লগত জড়িত ব্যৱসায়ী |
| নাগালেণ্ড | স্যামল দত্ত | চোৰাংচোৱা মুৰব্বী |
| ত্ৰিপুৰা | ডি এন চাহায় | প্ৰাক্তন বিহাৰৰ পুলিচ মুৰব্বী |

sovereign and if they decide to have an entirely new constitution, they would not need the authority of the existing constitution.

অৰ্থাৎ শেষ বিশ্লেষণত জনগণেই হ'ল চূড়ান্ত সাৰ্বভৌম ক্ষমতা। গতিকে যদি তেওঁলোকে এখন নতুন সংবিধান বিচাৰে তেওঁলোকে বৰ্তমানৰ খনৰ পৰা ক্ষমতা নাপালেও হ'ব। তেনেহ'লে গণভোট নপতাটো উচিতনে?

(b) There can be change by having a confederation or by conferring greater power on the centre. অৰ্থাৎ এখন স্বাধীন ৰাষ্ট্ৰ সংঘও হ'ব পাৰে অথবা কেন্দ্ৰক অতি ক্ষমতাশালীও কৰিব পাৰি। যদি স্বাধীন ৰাষ্ট্ৰৰ সংঘ হ'ব পাৰে স্বাধীনতা দিয়াত বাধা ক'ত?—আৰু যিসকল বুদ্ধিজীৱীয়ে ইউৰ'পিয়ান ইউনিয়নৰ কথাৰে স্বাধীন অসম বিৰোধিতা কৰিছে তেওঁলোকে এই উচ্চতম ন্যায়ালয়ৰ বক্তব্য পঢ়ি চাওক।

(c) Our electoral system is such that even a minority of voters can elect more than two thirds of the members of either house of parliament...Therefore the contention on behalf of the Union and the state that the two third member in the two Houses of parliament are always authorised to speak on behalf of the entire people of the country is unacceptable. অৰ্থাৎ আমাৰ নিৰ্বাচন পদ্ধতিটো এনেকুৱা যে লঘিষ্ঠ সংখ্যক ভোটদাতাই সদনৰ দুই তৃতীয়াংশ সদস্য নিৰ্বাচন কৰিব পাৰে। গতিকে ৰাজ্যচৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰে দাবী কৰা দৰে দুই তৃতীয়াংশ সদস্যই সমগ্ৰ জনগণৰ হৈ কথা কোৱা বুলি কোৱা কথাটো গ্ৰহণযোগ্য নহয়। তেতিয়া হ'লে স্বাধীন অসম সম্পৰ্কত গণভোট হ'ব লাগিব। চৰকাৰখন ৰাইজৰ প্ৰতিনিধি নহয়। ৰাইজৰ ক্ষমতাপ্ৰাপ্তহে। গতিকে সদান বা চৰকাৰ স্বাধীন অসম অবৈধ ঘোষণা কৰাৰ অধিকাৰ নাই।

(d) It was contended on behalf of the union and the states that, the constitution should not be treated as something sacred. It showd be regarded just is the same as we regard other human institution.

অৰ্থাৎ কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ হৈ কৈছে যে সংবিধানক বেলেগ পবিত্ৰ বস্তু বুলি ধৰা উচিত নহয়। ই অন্যান্য মানুহৰ সংগঠনৰ দৰেই। চাওকচোন কি ভয়াবহ কথা। সংবিধানৰ পবিত্ৰতাৰ আজুহাতত উত্তৰ-পূবত নৰহত্যা কৰিছে। স্বাধীন অসম নিদিও বুলিছে। অথচ সেই চৰকাৰে আকৌ আদালতত কয় এনেদৰে। হায় বিধি।

এতিয়া আমি এজন প্ৰাক্তন উচ্চ ন্যায়ালয়ৰ বিচাৰক আৰু সংবিধানৰ ভাষ্যকাৰ দুৰ্গাদাস বসুৰ কথা অলপ চাওঁ। এওঁ লিখা কিতাপখন ভাৰতবৰ্ষৰ প্ৰত্যেক উকীলে পঢ়ে আৰু প্ৰত্যেক আইনৰ ছাত্ৰই পঢ়ে। তেওঁ কৈছে যে নতুন সংবিধান এখন আমি পাবলৈ হ'লে কেনেকৈ পাম? বিপ্লৱ কৰি নেকি? তেতিয়া কৈছে কি চাওক—

(a) So far as revolution is concerned, it is out of province of a book on constitutional law. Further as Khanna, J. himself observed it was to avoid revolution that provision for amendment is included in a written constitution. অৰ্থাৎ বিপ্লৱ সম্পৰ্কে আলোচনা কৰাটো সংবিধানৰ ওপৰত লিখা কিতাপৰ বিষয় নহয়। তাৰোপৰি ন্যায়ধীশ খান্নাই দেখুৱাইছে যে বিপ্লৱ ৰোধ কৰিবৰ বাবেই সংবিধানত সংশোধন ব্যৱস্থা দিছে।—এতিয়া প্ৰশ্ন হ'ব তেন্তে সংবিধানত সংশোধনৰ ব্যৱস্থা থকা অৱস্থাতো উত্তৰ-পূবত বিপ্লৱ কিয় হ'বলৈ দিছে? আজি পৰ্যন্ত ১০৪ বাৰ সংশোধন কৰা সংবিধানৰ আজুহাতত—ৰক্তপাত উচিতনে? তেখেতৰ অন্য এটা উক্তি চাওক—

(b) In the authors opinion, thus Referandum as mode of amending the constitution itself or abrogating its basic features may be provided for, by Passing Constitution Amendment Bill according to the procedure laid down in Article 368. (Shorter Constitution of India P. 1228). অৰ্থাৎ গ্ৰন্থকাৰৰ মতে সংবিধান সংশোধনৰ বাবে গণভোটৰ ব্যৱস্থা ৩৬৮ অনুচ্ছেদ মতে কৰিব পাৰি।)

যদি এয়ে হয় তেন্তে কিয় গণভোটৰ ব্যৱস্থা নকৰি তেজৰ ফাকু খেলিছে? এনেদৰে গৱেষণাৰ বিষয় বহুতো আছে যিবোৰৰ উত্তৰ কুতাৰ্কিকৰ সাম্ভাব্য আক্ৰমণৰ জবাবসহ দিব পাৰি। কিন্তু দিয়া হোৱা নাই। হে' শ্বহীদ চেগুৱেভাৰাৰ উক্তিয়েই শেষত সত্য প্ৰমাণিত হ'বই। নিশ্চয় এদিন আইনৰ ওপৰত ন্যায়ৰ ৰাজত্ব চলিবই।

OKDISCD

# জাতিৰ মুক্তিৰ স্পৃহা বন্দুকৰ নলীৰে ৰুদ্ধ কৰিব নোৱাৰি

**চন্দন ফুকন**

পুনৰ আমাৰ মাজৰ পৰা হেৰাই গ'ল এজন নিৰ্ভীক জাতীয় মুক্তিসেনানী। অসম মাতৃৰ মুক্তিৰ বাবে আত্মবলিদান দি ছহিদ সত্তাক আকোঁৱালি ল'লে তেওঁ। মৃদুল বৰা সেই মহান সৈনিকৰ নাম। সুদীৰ্ঘ দিন ধৰি জাতীয় মুক্তি সংগ্ৰামখনৰ হকে আত্মোৎসৰ্গা কৰা বীৰজনাৰ মৃত্যুৱে আমাক মৰ্মাহত কৰিছে। পুনৰবাৰ ভাৰতৰাষ্ট্ৰৰ অত্যাচাৰী চৰিত্ৰক নগ্নৰূপত উন্মোচন কৰিলে মৃদুলৰ মৃত্যুৱে। ভাৰত ৰাষ্ট্ৰৰ গুণ্ডা বাহিনীয়ে বলীয়া কুকুৰৰ দৰে বাটে-পথে হত্যা কৰিছে আমাৰ প্ৰতিবাদী প্ৰজন্মক। এটা প্ৰজন্মক পংগু কৰি হত্যা কৰাৰ ষড়যন্ত্ৰ ৰচনা কৰিছে। এনেদৰে ভীতিগ্ৰস্ত কৰি প্ৰতিবাদী কণ্ঠ ৰুদ্ধ কৰাৰ প্ৰয়াস চলাইছে। কিন্তু এটা জাতিৰ মুক্তিৰ স্পৃহা তথা প্ৰতিবাদ কণ্ঠক বন্দুকৰ নলীৰে, হত্যা-নিপীড়ন, ধৰ্ষণেৰে ৰুদ্ধ কৰিব নোৱাৰি। মৃদুলৰ দৰে অসম মাতৃৰ হাজাৰ হাজাৰ সাহসী সন্তানৰ গৌৰৱময় আত্মবলিদানে সেই কথাকে বাৰম্বাৰ প্ৰতিপন্ন কৰে।

বিশ্ব ইতিহাসৰ পাতত সংগ্ৰামৰ পৃষ্ঠা লুটিয়ালে দেখা যায় যে কোনো সাম্ৰাজ্যবাদী তথা দল দখলকাৰী ৰাষ্ট্ৰই কোনো এটা জাতিক চিৰদিনৰ বাবে পদদলিত কৰি ৰখাৰ নজিৰ নাই। চীন, ভিয়েটনাম, কিউবা আদি তাৰ জলন্ত উদাহৰণ। আজি ভাৰত ৰাষ্ট্ৰই দক্ষিণ এছিয়াত যি সম্প্ৰসাৰণবাদী চৰিত্ৰ প্ৰদৰ্শণ কৰিছে, বা দেশৰ ভিতৰতেই নিপীড়িত জাতিসমূহৰ ওপৰত যি ধৰণৰ ঔপনিৱেশিক প্ৰভূত্ববাদী চৰিত্ৰ চাৰিতাৰ্থ কৰিছে সিয়েই আজি ক্ষোভৰ সৃষ্টি কৰিছে। অসমীয়া, নগা, মণিপুৰী, কাশ্মিৰী আদি জাতিসমূহে আত্মনিয়ন্ত্ৰণ তথা স্বাধীন জাতীয় মৰ্যাদা বিচাৰি সশস্ত্ৰ বিপ্লৱৰ পথ বাছি ল'বলৈ বাধ্য হৈছে। কাৰণ ভাৰতীয় সংবিধানৰ গণ্ডীৰ মাজত স্বতন্ত্ৰ জাতি হিচাপে আত্মনিয়ন্ত্ৰণ তথা আত্মমৰ্যাদাৰ কোনো ব্যৱস্থা নাই। এখন অৰ্ধযুক্তৰাষ্ট্ৰীয় সংবিধানৰ গইনা লৈ ভাৰতৰ ৰাষ্ট্ৰযন্ত্ৰই আজি এককেন্দ্ৰীক স্বেচ্ছাচাৰী শাসনৰ পোহৰ মেলিছে ভাৰতৰ ভূখণ্ডত। কাশ্মীৰ, পঞ্জাৱ, উত্তৰ-পূৰ্বাঞ্চলৰ দৰে মুক্তিপ্ৰয়াসী জাতিসমূহক শান্তিপূৰ্ণ উপায়েৰে স্বতন্ত্ৰতা প্ৰদান কৰাত কোনো সৎ-অভিপ্ৰায় ভাৰত চৰকাৰৰ নাই। কাৰণ তেনে কৰিবলৈ হ'লে ভাৰতীয় সংবিধানৰ মৌলিক গাঁথনিৰ সংশোধনৰ জৰিয়তে ব্যাপক সাল-সলনি ঘটাব লাগিব। কিন্তু স্থিতাৱস্থাবাদী শাসক চক্ৰই তেনে পৰিৱৰ্তন সহজে হ'বলৈ নিদিয়ে। কাৰণ ভাৰতবৰ্ষখন প্ৰকৃত যুক্তৰাষ্ট্ৰলৈ পৰিৱৰ্তন ঘটিলে বৰ্তমানৰ শাসকৰ বাঘজৰী খহি পৰিব। আৰু সেইবাবেই কোনো এটা নিপীড়িত জাতিয়ে সাৰ্বভৌমত্বৰ প্ৰশ্ন উত্থাপন কৰিলেই শাসক প্ৰভুসকল ভালুক জ্বৰত জিকাৰ মাৰি উঠে। আৰু আজি অসমত শান্তি আলোচনা বাৰে বাৰে ব্যৰ্থ হোৱাৰ মূল কাৰণো সেইটোৱেই।

আজি আলফাই আলোচনাৰ প্ৰতি স্বেচ্ছাই আগ্ৰহ প্ৰকাশ কৰিছে। অসমৰ ৯৯ শতাংশ ৰাইজে সমস্যাটোৰ এটা স্থায়ী সমাধান বিচাৰিছে। অসমৰ ৰাইজ তথা গণ সংগঠনসমূহে আলফাৰ সাৰ্বজনীন দাবীসমূহৰ ন্যায্যতাক স্বীকাৰ কৰি আলোচনা প্ৰক্ৰিয়া আৰম্ভ কৰিবলৈ চৰকাৰক হেঁচা প্ৰয়োগ কৰি জনমত গঠন কৰিছে। কিন্তু নিজকে পৃথিৱীৰ এখন সৰ্ববৃহৎ গণতান্ত্ৰিক দেশ বুলি জাহিৰ কৰা ভাৰত ৰাষ্ট্ৰই অসমৰ জনমতসম্পূৰ্ণ আওকাণ কৰি আলোচনাৰ প্ৰতি সম্পূৰ্ণ বৃদ্ধাংগুষ্ঠ প্ৰদৰ্শন কৰিছে কেৱল ৰাইজক আভুৱা ভাঁৰিবৰ বাবে আলোচনাৰ প্ৰতি মিছা আগ্ৰহ প্ৰদৰ্শন কৰি তলে তলে নানা চৰ্ত আৰোপ কৰি আলোচনাৰ প্ৰস্তুতি অসম্ভৱ কৰি তোলে।

শান্তি আলোচনা আৰু সামৰিক অভিযান দুয়োটা কেতিয়াও সমান্তৰালভাৱে চলি থাকিব নোৱাৰে। ভাৰত চৰকাৰে এহাতেদি আলোচনাৰ কথা কয়, আনহাতে আলফাৰ বিৰুদ্ধে সামৰিক অভিযানো অব্যাহত ৰাখে। এই কথাই ইয়াকেই প্ৰতিপন্ন কৰে যে প্ৰত্যক্ষ আলোচনাৰ প্ৰতি ভাৰত চৰকাৰৰ সদিচ্ছা নাই আৰু উত্তৰ পূৰ্বাঞ্চলত স্থায়ী শান্তি প্ৰতিষ্ঠা হোৱাটো ভাৰত ৰাষ্ট্ৰই নিবিচাৰে।

এনে অঘোষিত যুদ্ধকালীন অৱস্থা বাহাল থাকিলে ভাৰত ৰাষ্ট্ৰৰ গুণ্ডাবাহিনীৰ হাতত আৰু বহুত মৃদুল বৰা অসম মাতৃয়ে হেৰুৱাব লাগিব।

আমি ৰাইজৰ পক্ষত থাকি আশা কৰিছো— অতি শীঘ্ৰে অসমত স্থায়ী শান্তিপ্ৰতিষ্ঠা হওক। আলফাৰ দাবীসমূহৰ ন্যায্যতাক ভাৰত ৰাষ্ট্ৰই নিৰপেক্ষভাৱে বিবেচনা কৰক। গণতান্ত্ৰিক পদ্ধতিৰে ভাৰতৰ অখণ্ডতা ৰক্ষাৰ দায়িত্ব ভাৰত ৰাষ্ট্ৰৰ শাসকবাহিনীয়ে চিৰকালৰ বাবে এৰাই চলিব নোৱাৰে। অন্যথা তাৰ সুদুৰপ্ৰসাৰী মূল্য সুতে-মূলে ভৰিবলৈ ভাৰত ৰাষ্ট্ৰ সাজু থাকিব লাগিব।

# সংগ্ৰামী জনগণলৈ

অমৃতজ্যোতি ভৰদ্বাজ

প্ৰিয় জনগণ, গত ২৭ বৰ্ষ জুৰি অসমৰ একমাত্ৰ সশস্ত্ৰ বিপ্লৱী ৰাজনৈতিত দল সংযুক্ত মুক্তিবাহিনী অসমৰ নেতৃত্বত চলি অহা জাতীয় মুক্তি সংগ্ৰাম খন আগুৱাই নিয়াৰ স্বাৰ্থত প্ৰায় এৰাৰ হাজাৰ অসমীয়া তেজাল যুৱকৰ বোৱাই দিয়া হল লুইতৰ সুতিপাৰ আনহাতে জাতীয় মুক্তি সংগ্ৰাম নিঃ শেষৰ নামৰ ৰাষ্ট্ৰৰ নিকৃষ্ট অত্যাচাৰ ধৰিতো হল আমাৰে বাই ভনী পাচঁ শতাধিক পংগুত্বৰ জীৱন আকোৱালী লব লগা হল হাজাৰজনে। বহু ঘাট প্ৰতিঘাট অতিক্ৰমি সংদ্ৰামী ডেউনাৰে আজিও হাজাৰ জন চেনেহী আইৰ সু যোগ্য সন্তানে মৃত্যুৰ নেওঁচি জাতীৰ অস্মিত্ব ৰক্ষাৰ তাহানিৰ লাচিতৰ দিনতে তৰা মহাৰণৰ অবিচল অবিৰত।

জাতীয়া মুক্তি সংগ্ৰামত তথা মহাৰণতঅৱতীৰ্ণ সাহসী সেই যুদ্ধা সকলৰহে দায়িত্ব বুলি ভাবি আমি সাধাৰণ জনগণে সংগ্ৰামৰ পৰা আঁতৰি থাকিলে নহব। কাজেই হে জনগণ ক্ষুদ্ধ স্বাৰ্থক বিৰ্যজন দি ধৰ্ম্মীয় বিভেদ। জনগোষ্ঠীয় বিভেদ পৰিহাৰ কৰি আমি সকলো অসমবাসী একেখন মঞ্চত সমবেত হওঁ আহক। আজিৰ জাতীৰ এই জটিল সন্ধি ক্ষণত আমি একগোট হৈ ন্যায্য প্ৰান্তিক সংগ্ৰামখন তৰান্বিত নকৰিলে আমাৰ অজান শত্ৰু ভাৰত ৰাষ্ট্ৰৰ কু - চক্ৰান্তত জাতিটোৰ অস্তিত্ব চিৰদিনৰ বাবে হেৰাই যাব বিশ্বৰ বুকুৰ পৰা বিশ্বৰ অন্যজাতিৰ দৰে আমিও জিয়াই থাকিব খোজো এটা স্বাধীন জাতী হিচাপে। যিটো ৰাষ্ট্ৰকৰণ দ্বাৰা স্বীকৃত। ৰাষ্ট্ৰ সংঘই ন্যায্যতা দিয়া স্বাধীনতাৰ দাৰীৰ লৈ আলফাই গঠন কৰে পিপুলচ কনচালচেটিভ গ্ৰুপ চমুকৈ পি.চি.পি. প্ৰতিথমশা লেখিকা ডঃ মামণি ৰয়চম গোস্বামীয়ে এই ক্ষেত্ৰত মুখ্য ভুমিকা লৈ ভাৰত চৰকাৰ আৰু আলফাৰ মাজত আলোচনাৰ বাতাবাৰণ সৃষ্টি কৰাৰ বাবে স্থায়ী শান্তীৰ স্বাৰ্থৰ যোৱা ইং ৰাজী ছ-ৰন্থা-চন্থান্থাপ্ত তাৰিখত প্ৰথম লানি আলোচনাও বহে দ্বিতীয় লানি আলোচনাৰ অন্তৰ ভাৰত চৰকাৰ আৰু পি.চি জিৰ এঘাৰজন সদস্যৰ সৰ্বসন্মতি অন্তত ভাৰত চৰকাৰ আৰু আলফাৰ মাজত প্ৰত্যক্ষ আলোচনা সম্ভৱপৰ কৰাৰ স্বাৰ্থত এক উপযুক্ত বাতাবৰণ গঢ়াৰ বাবে কিছু "আস্থা গঢ়াৰ ব্যৱস্থা" চৰকাৰে গ্ৰহণ কৰিব। সেই বোৰত ভিতৰত সামৰিক অৰ্দ্ধ সামৰিক বাহিনীৰ অভিযান স্থগিত কৰণ হল অন্যতম কিন্তু অচৰ্য্যদনক ভাৱে উক্ত যুটীয়া ঘোষনাৰ জ্জঘন্টাৰ পিছত এটা শান্তিৰ পৰিবেশ সৃষ্টি হোৱাৰ মুহুত্তত বেচিবাদী ৰাষ্ট্ৰৰ চৰিত্ৰ আকৌ এবাৰ উদঙাই কাকপথাৰৰ নিবাহী প্ৰতিবাদী জনতাৰ ওপৰত নিৰ্বিচৰ গুলি বৰ্যনেৰে দহজন আবাল বৃদ্ধ বনিতাক হত্যাকৰি দেখুৱালে বৰ্বৰতাৰ নিদৰ্শন। অসমীয়াৰ ওপৰত কিমান দৰদ!! তৃতীয় লানি আলোচনাৰ মুহুত্বতো এবেফোলেদি সামৰিক সন্ত্ৰাস আৰউ আলফাৰ ওপৰত নানা চৰ্ত্ব আৰোপ বহু প্ৰত্যাশাৰ অন্ত পেলাই তৃতীয় লানি আলোচনাত ভাৰত চৰকাৰে ৰাষ্ট্ৰ মুক্তি দি আলফাৰে প্ৰত্যক্ষ আলোচনাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰাৰ পিছত অসমৰ ৰাইজৰ বিশ্বাসঘাটকতা কৰি, অপমান কৰি আলফাৰ পৰা ভৃত্যক বিচৰাদি পত্ৰ বিচাৰি আলোচনা সুগিত কৰিলে, যিখন পত্ৰ দলৰ সৰ্বসন্মতি অবিহনে পৰেশ বৰুৱা, আৰবিন্দ ৰাজখোৱাই দিব নোৱাৰে বুলি তেওঁলোকে কৈ আহিছে। আৰু উক্ত পত্ৰ দিবলৈ হলে বন্দি পাঁচজন আলফা সদস্যৰ মুক্তি অৱশ্যম্ভাবি কিন্তু ভাৰত চৰকাৰে উক্ত পত্ৰখনৰ অজুহাতলৈ আলোচনাৰ প্ৰক্ৰিয়াৰ ইতি পেলাই পুনৰবাৰ নমাই আৰিলে ৰাষ্ট্ৰসন্ত্ৰাস বিশ্বাসঘাটক কোন?

হে প্ৰিয় জনগণ ৰাষ্ট্ৰই চলোৱা অত্যাচাৰৰ বৰ্বৰতাৰ কাহিনী কৈ শেষ নহয়। কোনো সভ্যদেশৰ নিৰাপত্তাৰ দায়িত্বত থকা সকলে সেই দেশৰ জনগণক অসমবাসীৰ ওপৰত কৰা ধৰণেৰে অত্যাচাৰ কৰাৰ নজিৰ বিশ্ব ইতিহাসত বিৰল সেয়েই আজিৰ সময়ত আমি সকলোৱেই দল মত সংগঠন ধৰ্যন গোৰস্বী পৰিহাৰ কৰি জাতীয় স্বাৰ্থৰ একত্ৰিত হৈ আমাৰ অধিকাৰ প্ৰতিস্থাৰ বাবে একেখন মঞ্চত সমবেত হৈ অসমলৈ স্থায়ি শান্তি ঘুচাই আনাৰ স্বাৰ্থত লালকিল্লাৰ দুৰ্গ কঁপাই জেহাদ ঘোষণা কৰোঁ আহক।

*আমাৰ মাটি*
*আমাৰ অধিকাৰ*
*শত্ৰুৰ সহায়*
*স্থানান কৰো স্বাধীকাৰ*
*ভাৰত ৰাষ্ট্ৰ হুছিয়াৰ।*

## ছহিদ শিশুৰাম শইকীয়া

### অৰুণ ভৰালী

বিপ্লৱৰ প্ৰাতঃবেলাত আন্ধাৰ ভেদ কৰি
তুমি দ্ৰুতগামী ৰেল গাড়ীত
গুচি গ'লা জন্মভূমি এৰি।
ধূসৰ আন্ধাৰত শোষণকাৰীৰ হাত;
আমিও তোমাৰ পাছত।
তোমাৰ দেশত শোষণৰ হাৰ কিমান?
বিশেষ নহয় এটা বুলেটৰ সমান।
আমালৈ ৰাখিবা...
অ' তোমালোক কেনে আছা
মৃত্যুৰ সমান শান্তি
হেল্ল'...
তোমাৰ জননী কেনে
আমাৰ ভালুকৰ সাঙী আৰু মাথোন টায়াৰৰ চিতা জুই।
হেল্ল'...
তোমাক কিবা...
নাই নালাগে, লাগে মাথোন
মৰিশালিৰ শান্তি
কিয়?
হেল্ল'...
হেঁপাহৰ মুদ্ৰা... কিমান এশ আঠাৰন্ন কি?
সাতাইশ বছৰে পোৱা নাই ৰঙা-মুৰা
আৰু কিমান বাকী
পাঞ্জাৱৰ গুপ্তহত্যাৰ দুগুণ
মোলৈ ফোন কৰিবা
কোড নং মুক্তি
ফোন নং সমতা।



## শৰাই ঘাটৰ ৰণুৱা

### প্ৰভাকৰণ হাজৰিকা

শৰাইঘাটৰ ৰণুৱা হেৰ বীৰ অসমীয়া
মাতৃপূজাৰ সময় পাহৰি
এতিয়াও তই আছ যে শুই
হত্যা লুণ্ঠন চলিছে সদায় কিয় আজি নিমাতে আছ যে চাই
হত্যা ধৰ্ষণ গ্ৰহসৰেৰে চকৰি চলোৱা দেখিও
নিমাতে আছ যে চাই ব্যভিচাৰী নগ্নতাক নিদিবি ঠাই
বীৰৰ ইতিহাসত তোৰেই নাম
তথাপিও হয় তোৰ অত অপমান
আনা অসমীয়াই ভৰপূৰৰ হ'ল
অসমৰ অসমীয়া ক'লৈনো গ'ল
সকলোৱে কয় হেনো অসমী আই
অসমৰ কথা ভাবোঁতা কোনোৱেই নাই
আজি অসমীয়া ওলাবৰ হল
আইৰ মান ৰাখিবৰ হল
এলাহৰ নিহালী আতৰাই যে
জাগি উঠিবৰ হ'ল
জাগি উঠিবৰ হ'ল।

OKDISCO

# বীৰ শ্বহীদ

*(মৃদুল বৰা ওৰফে শিশুৰাম শইকীয়াৰ সোঁৱৰণত...)*

## সুৰ্য শইকীয়া

হে জাতীয় বীৰ শ্বহীদ
চেনেহী আইৰ মুক্তিৰ হকে স্বজাতিৰ প্ৰেমেৰে
শ্বহীদৰ তালিকাখনত তোমাৰ বক্ষৰ ৰক্তেৰে
লিখি গলা তুমি স্বদেশ আৰু স্বজাতিৰ নাম
হে বীৰ শ্বহীদ
ভৰাটো নাছিলো তুমি সেই দুই আক্টোবৰ দিনটোৰ কথা
ভৰাটো নাছিলো তুমি, ভেজিণীয়া কুকুৰৰ দলটোৱে
খেদি খেদি তোমাক হত্যা কৰিব বুলি
ভবিছিলোনে তুমি এবাৰো সতীৰ্থৰ কথা
আৰু কোনো দিনে লগ নাপাম বুলি
হে বীৰ শ্বহীদ
তুমিটো ভবা নাছিলা সেই দিনটোৰ কথা
চেনেহী আইৰ বুকু উদং কৰি
শ্যামলী আইক তোমাৰ বক্ষৰ ৰক্তেৰে
ৰঞ্জিত কৰিবা বুলি
হে জাতীয় বীৰ শ্বহীদ
এবাৰো জনা হলে দুই অক্টোবৰ দিনটোৰ কথা
তোমাৰ ৰুধীৰে ৰঞ্জীত নহল হেতেন লুইতৰ পাৰ
জনা হলে সেই দিনটোৰ কথা।



# শ্ৰদ্ধাঞ্জলি

*আহিছে মানুহ গৈছে মানুহ*
*মানুহ মায়াবী জীৱ*
*মানুহৰ সোঁতৰ অন্তৰ নাইকীয়া*
*বুলিলে মৰত কিয়।।*

চন্দ্ৰকুমাৰ আগৰৱালা

মৃত্যু এক চিৰন্তন সত্য কিন্তু আত্মা অমৰ। তথা পিতো মৃত্যুক জানো পাহৰিব পাৰি । কলেজৰ পঢ়িথকা অৱস্থাতে শিশুৰাম শইকীয়াই চন্ত্ৰাস্থাচ চনতে জাতীয় মুক্তি সংগ্ৰামত যোগ দি চন্ত্ৰাস্থাছ চনৰ চ অক্টোবৰ তাৰিখে মৃত্যু বৰণ কৰে। সুদূৰ লক্ষিমপুৰত অসম পুলিছে শিশুৰামৰ তেজাল শৰীৰটোক পশুৰদৰে খেদি খেদি গুলিয়াই হত্যা কৰি এটা ভয় লগা দুৰ্গন্ধময় অৱস্থাত ৰাইজৰ হাতত অৰ্পন কৰে। চনং ওপৰ তৰাণি কলাজানৰ মাতৃ তথা ভাই ভাতৃ ইষ্ট কুটুম্বক কন্দুৱাই অসমৰ হকে, অসমীয়া জাতীৰ বাবে জীৱন উচৰ্গী জাতীয় শ্বহীদ ৰূপে চিৰ বিদায় মাগিলে।

হে জাতীয় বীৰ শ্বহীদ শিশুৰাম শইকীয়া তুমি অমৰ হোৱা । শিশুৰামৰ আত্মাৰ চিৰশান্তী কামনা কৰিলোঁ আৰু পৰিয়াল বৰ্গলৈ আমাৰ তৰফৰ পৰা গভীৰ সমবেদনা জ্ঞাপন কৰিলোঁ।

শ্ৰদ্ধাৰে
মইনা পাৰিজাত সংঘ
২৩-১০-০৬

# ৰীতেন কৰ্মকাৰ, শিশুৰাম শইকীয়া... ইত্যাদি সকলৰ হত্যা, ফাঁকি এনকাউণ্টাৰ আৰু ৰাষ্ট্ৰৰ চৰিত্ৰ

গৌতম গোস্বামী



> ...সংগ্ৰামী নেতৃত্বই সতৰ্কতাৰে লক্ষ্য কৰাৰ লগতে সফল জোঁট গঢ়ি তোলাৰ কৌশল তথা নীতি-নিৰ্দেশনা গঢ়ি তুলিব লাগিব...

যোৱা ছেপ্তেম্বৰ মাহৰ প্ৰথম সপ্তাহতে গোলাঘাট জিলাৰ বৰজান চাহবাগিচাত নিয়োজিত ৰিতেন কৰ্মকাৰক জিলাৰ পুলিচ অধিক্ষকজনৰ নেতৃত্বত যোৱা পুলিচ বাহিনীয়ে 'আনলা' নামৰ উগ্ৰপন্থী সজাই ফাঁকি এনকাউণ্টাৰত হত্যা কৰে। একেদৰেই আন এটা ঘটনাত লক্ষিমপুৰত গোলাঘাটৰে 'আলফা' সজাই শিশুৰাম শইকীয়াক নিঃসহায় অৱস্থাত ২ অক্টোবৰ, অৰ্থাৎ নিজৰ ফেচিষ্ট চৰিত্ৰ ঢাকি ৰাখিবৰ বাবে সততে গান্ধীৰ অহিংসাৰ ৰাম-নাম জপ কৰা ৰাষ্ট্ৰৰ পুলিচ বাহিনীয়ে গান্ধী জয়ন্তীৰ দিনাই হত্যা কৰে। এই দুই হত্যাৰ আলোকত ৰাষ্ট্ৰৰ চৰিত্ৰ আকৌ এবাৰ ৰাইজৰ আগত উদঙাই দিয়াৰ প্ৰয়োজন হৈছে।

ফাঁকি এনকাউণ্টাৰ অসমত ঘটা এক ব্যতিক্ৰম ঘটনা নহয়। পৃথিৱীৰ বিভিন্ন দেশত শোষক শ্ৰেণীয়ে শাসকৰ সৈতে লগ লাগি প্ৰতিৰোধ গণ-বিক্ষোভ ৰোধৰ বাবে গুপ্তহত্যা, ফাঁকি এনকাউণ্টাৰেৰে হত্যা কৰে নেতৃত্বত থকা প্ৰতিবাদকাৰী তথা এনেদৰেই হত্যা কৰে মানৱতাৰো। ভাৰতবৰ্ষৰ অসমকে ধৰি বিভিন্ন ৰাজ্যসমূহত য'তেই জনগণই প্ৰতিৰোধ সংগ্ৰাম গঢ়ি তুলিছে তাতেই হত্যা কৰিছে নিৰ্মম আৰু কোনো দায়িত্বজ্ঞানহীনতাৰে, মানৱ সম্পদৰ প্ৰতি চৰম অৱজ্ঞাৰে বিভিন্নজনক। এনে হত্যাৰ পাচত চৰকাৰী পন্থাই নানা আভুৱাভঁৰা বক্তব্যৰে জনগণক প্ৰতাৰিত কৰি আহিছে। কিন্তু জনগণই এনে প্ৰতাৰক শোষক আৰু ফেচিষ্ট চৰিত্ৰৰ শাসক শ্ৰেণীৰ বিৰুদ্ধে ৰিতেন কৰ্মকাৰৰ হত্যাৰ বিৰুদ্ধে গঢ়ি তোলা ব্যাপক প্ৰতিবাদী কাৰ্যসূচীৰ বিশেষ গুৰুত্ব আছে। আট্‌ছা, আছা, সদৌ অসম কৃষক মুক্তি সংগ্ৰাম সমিতি ইত্যাদি সংগঠনে একত্ৰিত হৈ জাতি-বৰ্ণ নিৰ্বিশেষে সাব্যস্ত কৰা প্ৰতিবাদে কেইবা দিনৰে পৰা গোলাঘাট নগৰৰ চৰকাৰী আইন-কানুন অচল কৰি দিয়ে। ইয়াৰ পিছত ACMS ৰ দৰে কিছুমান দালালেৰে পৰিবেষ্টিত সংগঠনৰ স'তে ভুল বুজাবুজি সৃষ্টিৰে চৰকাৰী পক্ষই এই প্ৰতিবাদী কাৰ্যসূচীত যতি পেলাবলৈ সক্ষম হয়। এইখিনিতে চৰকাৰে নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবে বিভিন্ন জনগোষ্ঠীৰ মাজত কেনেদৰে বিভেদ সৃষ্টি কৰি 'ডিভাইন এণ্ড ৰোল' নীতিৰে জনগণক বিভক্ত কৰি মূল সমস্যা সমূহৰ পৰা জনগণৰ দৃষ্টি আঁতৰাই ৰাখি একত্ৰিত সংগ্ৰাম নিশকতীয়া কৰি আহিছে সেয়া সংগ্ৰামী নেতৃত্বই সতৰ্কতাৰে লক্ষ্য কৰাৰ লগতে সফল জোঁট গঢ়ি তোলাৰ কৌশল তথা নীতি-নিৰ্দেশনা গঢ়ি তুলিব লাগিব। এনে কাৰ্যসূচীৰ বাবে যে এক ব্যাপক স্থিতিস্থাপকতা সম্পন্ন নেতৃত্বৰ প্ৰয়োজন সেয়াও মনত ৰাখিব লাগিব।

জনগণৰো প্ৰতিজনেই মনত ৰখা উচিত যে যদিহে চৰকাৰী বাহিনীৰ এই ফেচিষ্ট চৰিত্ৰৰ বিৰুদ্ধে আমি মাৰ বান্ধি একত্ৰিত সংগ্ৰাম গঢ়ি তুলিব নোৱাৰো তেনেহ'লে আমাৰ মাজৰ পৰাই হাজাৰ হাজাৰজন ৰিতেন, শিশুৰামৰ জীৱনৰ সমস্ত অধিকাৰ হৰণ কৰি থাকিব ৰাষ্ট্ৰই। সময় সমাগত, আহক আমি সজাগ হওঁ। বিভেদ পাহৰি জাতীয় সমস্যাসমূহৰ ব্যাপক সমাধানৰ বাবে একত্ৰিত সংগ্ৰাম গঢ়ি তোলো।

# কাব্যানুভূতি

জনতাৰ অন্তৰতম প্ৰদেশত যি নিজানে নিতালে শুই আছে...

## জাতীয় বীৰ শ্বহীদ শিশুৰাম শইকীয়া ওৰফে মৃদুল বৰাৰ স্মৃতিত...

মামা



বজ্ৰ বিজুলী গৰ্জন ধুমুহা বাৰিষা প্লাৱন বন্যা যত আছে
প্ৰলয় আৰু আছে যত শক্তি-জানিলেও আছে
বুলি দুৰ্দান্ত বাধা, তথাপিতো নহয় কদাপি
ক্ষান্ত বাৰু কিহৰ স্পৃহা ? সেই স্পৃহা
মাথো স্বদেশ-স্বজাতিৰ মুকুতি স্পৃহা,
মুকুতিৰ মহামন্ত্ৰ, জীৱন পণ
আপোচবিহীন প্ৰতিজ্ঞা
বিপ্লৱ অগনি
দুহাতে খামুচি
হে শ্বহীদ তুমি
জীৱনৰ লৌহ কঠিন
সাৰ্থকতা লভিলা। সহস্ৰজন
শ্বহীদৰ লগতে সময় বালিত
মুক্তিকামী ইতিহাসত অম্লান ৰেখাপাতেৰে
খোজ থৈ গ'লা। চিতা জুয়ে ভস্ম কৰে দেহা
সত্ত্বাক নহয়। হে শ্বহীদ তোমাৰ অমৰ সত্ত্বা
নৱপ্ৰজন্মৰ মুক্তি পথৰ পাথেয় হওক।
তোমালৈ সহস্ৰ প্ৰণাম।

OKDISCD

# মুক্তিৰ পথত

## ৰমেন চুতীয়া

আজি দেশৰ আকাশে বতাহে
যুগ যুগান্তৰৰ মাথো কেঁচা তেজৰ গোন্ধ,
আকাশত উৰিছে শগুণ কাউৰীৰ জাক
মাজ নিশা ভাঁহি আহে মৃত্যু শীতল যন্ত্ৰণাৰ ৰাও
আজি জনতাৰ সমুখত সমস্যাৰ পাহাৰ
নাই আজি জনতাৰ মৌলিক অধিকাৰ
এফালে দেশৰ বানপানী সমস্যা
আনফালে দেশত ভূমিৰ সমস্যা
নকৰে কোনো সমাধানৰ হেতু চিন্তা
কৰিছে মাথো লাঞ্চনা-প্ৰৱঞ্চনা ।
এয়ে নেকি গণতান্ত্ৰিক দেশ
বৰ্ত্তমান যুগত ৰাইজ শ্ৰেষ্ঠ নহয়,
কিন্তু, নিৰ্বাচন মানেও গণতন্ত্ৰ নহয়
গণতন্ত্ৰৰ নামত চলিছে শোষণ আৰু লুণ্ঠন
'আমাক মুক্তি লাগে'
মুক্তিৰ বাবে বহুতে ক'লে
কিন্তু, কোন শ্ৰেণীৰ মানুহে পথযাত্ৰাত অংশ ল'লে ।
ধনী, মধ্যবিত্ত নে দুখীয়া শ্ৰেণীৰ ?
দালাল শ্ৰেণীয়ে মাথো বিৰোধিতা কৰে
এই শ্ৰেণীটোক গণশত্ৰু বোলে ।
সিহঁতে ভাবে দুখীয়াৰ মুক্তিয়ে
নাশিব পাৰে শোষণৰ বাট
এতিয়া মাথো লাগে গণ সংগ্ৰাম
লাগে বিপ্লৱী শক্তি
বিপ্লৱেই শুনাব পাৰে মুকুতিৰ গান ।
হে গণদেৱতা,
স্বদেশ আৰু স্বজাতিৰ কথা ভাবিবৰ হ'ল,
আমি মুক্তি পিয়াসী জনতা
আমাক লাগে মাথো মুক্তি
কোন পথেৰে আহে মুক্তি
গণ হত্যাৰে নে গণ বিপ্লৱেৰে ?
আমাক লাগে মাথো গণ বিপ্লৱ
আমি মাথো কৰি যাম গণ বিপ্লৱ ।



# ৰৌদ্ৰোজ্জ্বল পুৱা

## প্ৰশান্ত চুতীয়া

এটি ৰৌদ্ৰোজ্জ্বল পুৱাৰ ফেহুঁজালিয়ে
পলকতে ম্লান কৰিলে দ্যোলোক শিখা
কেৱল কমাৰ শালত কঁপে
নতুন কাঁচি গঢ়াৰ জুই শিখা ।

কোনো কয় ?
''মোৰ দেশ; মোৰ গাঁও.....''
নিজৰ কোনো দেশ আছে এতিয়াও ?
নিজৰ কোনো চহৰ বা গাঁও ?
জ্বলিব লাগিছে বক্ষভেদি ৰক্ত লোতকৰ শলিতা ।

অসমী নসন্তান তুমি এতিয়াও ধীৰে আছা ?
জাগ্ৰত হোৱা স্বদেশী অসমী বীৰ সন্তান
পৰা নাই এতিয়াও ৰৌদ্ৰোজ্জ্বল পুৱা ম্লান
নহ'লে... ...
ভাঁহি আহিব এদিন নিৰুদ্দেশ ভৰ দুপৰীয়া
ক'ত ৰ'বগৈ সকলোৰে অৰ্বুদ প্ৰাণ ।

পৰিহাৰ কৰি মলিন বদন
বুভুক্ষাই উজলোৱা সংগ্ৰামী জীৱন
অমৰ হওক শ্বহীদৰ জীৱন গাঁথা
হোৱা নাই ক্ষান্ত জনগণে কৰিছে আশা ।

OKDISCD

# শিশুৰামৰ স্মৃতিত...

## চুলে গগৈ

মৃত্যু ভয় তোমাৰ নাছিল কাহানিও
আশংকাতো নাছিলেই,
যুঁজিব পৰাকৈয়েটো সজাইছিলা
তোমাৰ সাহসৰ স্তম্ভ।
বহু আশা অযুত সপোন
অলেখ চিন্তাৰ ধাৰা
ঘৰখনৰ লগতে তোমাৰ
জন্মান্তৰ চিনাকি গাঁওখনক নিথকুৱা কৰি
তুমি গুচি গ'লা ... ... ... ।
তোমাৰ দেহৰ বিনাশ ঘটিল
ছাই হৈ মিলি গ'ল মাটিৰ বুকুত
তোমাৰ নশ্বৰ দেহ
জীৱন নাটৰ যৱনিকা পেলাই
বহুতৰ পৰা পালা বিদায় সম্ভাষণ
আৰু এমুঠি তপত চকুলো
বিপৰীতে! তুমি কেৱল তোমাৰ বাবেই
অন্য এক নাটকৰ শুভাৰম্ভ ঘটালা
য'ত থাকিল কেৱল বিষাদপূৰ্ণ আনন্দ
লোটকবিহীন চকুলো শব্দহীন হাঁহিৰ কল্লোল
আৰু মৃত্যুৰ যান্ত্ৰণা।
তোমাৰ মৃত্যুৰ বাতৰিয়ে শব্দ কিম্বা পোহৰৰ বেগত
বিদীৰ্ণ কৰি গ'ল অলেখ জনৰ হিয়া
সকলোৱে এমুঠি তপত চকুলোৰে
শেষ অৰ্ঘ যাঁচিলে তোমাক
তোমাৰ গুৰু-গম্ভীৰ শান্ত সৌম্য অনুশাসন
ভাতৃ সুলভ মৰমবোৰ ৰৈ গ'ল আমাৰ বুকুত
চিৰদিন, চিৰকাল এজোলোকা আশীৰ্বাদ
আৰু কৰ্মপ্ৰেৰণা চানেকি হৈ।০০০



# বিপন্ন অসম

## ৰাজেন বৰা

এতিয়া মোৰ সেউজী চোতালত
অলেখ ভোকাতুৰ মানুহৰ হাহাকাৰ
প্ৰতি সোণালী ধানৰ অংকুৰৰ কোঁহে কোঁহে
হাজাৰ জনতাৰ হৃদয়ৰ প্ৰান্তে প্ৰান্তে
নিৰীহ জনতাই প্ৰাপ্য বিচাৰি যায়
এতিয়া মোৰ বাবে প্ৰতিটো ঋতু
প্ৰতিটো বসন্ত
মোৰ প্ৰাণতকৈয়ো আপোন
কাৰণ,
প্ৰতিটো ঋতুতে আমাৰ সেউজী পথাৰত
অসহায় কৃষকৰ নিভাঁজ শোণিতে পোহৰ সিঁচে
গায় ৰ'দালিৰ মুকুতিৰ গান
ইয়াত প্ৰতিটো বসন্ততে এতিয়া
ফুলি উঠে শত শত সুৰুযমুখী
জাগি উঠে শোষিত-নিষ্পেষিত, কৃষক, বনুৱা, কৰ্মচাৰী
এতিয়া তোমাৰ বুকুত
মোৰ অনুচ্চাৰিত কণ্ঠত নিতৌ আবেগেৰে
নামি আহে সিক্ত সাধনাৰ ম্লান উদিত সুৰুযৰ
মুক্তিৰ শ্ল'গান।০০০

OKDISCD

# মই মৃদুলে কৈছোঁ...

*(জাতীয় শ্বহীদ মৃদুল (ভাই) বৰাৰ সোঁৱৰণত)*

দেৱী বৰুৱা

মই মৃদুলে কৈছোঁ...
তোমালোকে কোৱাৰ দৰে ক'তা...
মোৰতো মৃত্যু হোৱা নাই...
তোমালোকে কিন্তু মোৰ দেহত আজি
বুলেটেৰে বিন্ধি হত্যাৰ চেষ্টা কৰি
এটা ডাঙৰ ভুল কৰিলা
যিহেতু এই দুই অক্টোবৰতে
অহিংসাৰ বাণী বিলাববলৈ
তোমালোকৰ মহাত্মাৰ জন্ম হৈছিল
আৰু তোমালোকে...
এই দিনটোতে হিংসাৰ আশ্ৰয় লৈ
মোক হত্যা কৰা বৃথা চেষ্টা কৰি
তোমালোকৰ সেই গান্ধীকে
আকৌ এবাৰ হত্যা কৰিলা।
মোৰ দেহত তোমালোকে
মাত্ৰ এটা বন্দুকেৰে গুলী বৰষাইছিলা
কিন্তু তাৰ প্ৰত্যুত্তৰত চোৱা...
এইয়া মোৰ দেহৰ প্ৰতিবাদী ঘ্ৰাণ লৈ
হাজাৰ লক্ষ্য বুলেট
বিদ্ৰোহী কণ্ঠ হৈ
তোমাৰ বক্ষক ধিয়াই
প্ৰচণ্ড গতিৰে আগবাঢ়িছে...।
সেয়েই কৈছোঁ,
মোক তোমালোকে ক'ত হত্যা কৰিলা... ?
তোমালোকে নিজৰেইচোন
কবৰ খান্দিলা... ।
আকৌ এইয়া চোৱা...
মোৰ হাঁহিমুখীয়া মিঠামাতৰ
কথা কৈ কৈ...
হাজাৰ হাজাৰ জনৰ কণ্ঠইদি
সৌৱা জুই বৰষিছে আৰু
সেই ক্ষোভাগ্নিৰ ফিৰিঙতিয়ে
পুৰি ছাই কৰি দিব
তোমালোকৰ মিছা অহংকাৰ ... ।
মই মৃদুলে কৈছো...
মোৰ মৃত্যু নাই
যিহেতুকে,
মই বিৰাজমান প্ৰতি অসমীয়াৰ
অন্তৰে অন্তৰে...
সেয়ে তোমালোকে মোক হত্যা কৰিব নোৱাৰা।
হয়, মই মৃদুলে কৈছো
এইয়া চোৱা...
মই আকৌ জাগি উঠিছোঁ
জনতাৰ প্ৰাণে প্ৰাণে...
মই মৃদুলে কৈছো...
মোক হত্যা কৰিব নোৱাৰা
তোমালোকে... ।০০০



# বিপ্লৱী বীৰ

উপেন শইকীয়া (সৰু ককাইদেউ)

বিপ্লৱী বীৰ তুমি
আই অসমীৰ বুকুত জ্বলি থকা
অন্যায়, অত্যাচাৰ, শোষণ, নিপীড়ন
সকলো ধ্বংস কৰিববলৈ গৈ তুমি জীৱন কৰিলা পণ।
গাত তেজ থাকে মানে কৰিলা সশস্ত্ৰ বিপ্লৱ
তথাপিও ভাবিছিলা তুমি আঁতৰাম বুলি অসমীয়াৰ বুকুৰ যান্ত্ৰণা।
হাতত অস্ত্ৰ লৈ কৰিছিলা সশস্ত্ৰ বিপ্লৱ অৱিৰত ভাৱে
অসমী আইৰ বুকু গুলী বাৰুদৰ ধোঁৱাৰে
ত্ৰাসিত কৰা সকলক নিশ্চয় দিম বুলি ভবিছিলা মৃত্যুদণ্ড।
আগুৱাই নিম বুলি আই অসমীক উন্নতিৰ পথত
কাৰণ আছিলা তুমি বিপ্লৱী বীৰ।

OKDISCD

# হে শ্বহীদ শিশুৰাম শইকীয়া

## কমল শইকীয়া (দেৱজীত)

ক'লাজান

হে শ্বহীদ শিশুৰাম শইকীয়া,
প্ৰণামিছো তোমাক মোৰ
দুচকুৰ অশ্ৰু অঞ্জলিৰে।

হে শ্বহীদ শিশুৰাম শইকীয়া,
তুমি গাইছিলা জনতাৰ জয়গান।
দেশৰ স্বাৰ্থৰ হকে, গৈছিলা তুমি,
আছিলা তুমি লাচিতৰ দেশৰ সন্তান।

শান্তি মৈত্ৰী আৰু সুন্দৰতাৰ হকে
মাত মাতিছিলা তুমি।
ন্যায় আৰু সত্যৰ হকে মাত মতাৰ বাবে।
নিষ্ঠুৰতাৰে মাৰি নিলে সিহঁতে তোমাৰ জীৱন।

শেষ হৈ যাব এটি সুন্দৰ জীৱন,
মাটিৰ মানুহ মিলি যাব মাটিৰ লগত,
থাকি যাব মাথো কিছুমান স্মৃতি
সেয়ে মৰিও অমৰ হৈ ৰ'ব
জাতীয় শ্বহীদ শিশুৰাম শইকীয়া।

সোণালী আখৰেৰে লিখা হ'ব
তোমাৰ নাম, অসম বুৰঞ্জীত।
তুমি থাকিবা জিলিকি আমাৰ মাজত,
আকাশৰ এটি ধ্ৰুৱ তৰা হৈ।

হে শ্বহীদ শিশুৰাম শইকীয়া,
তুমি য'তেই থাকা আশীৰ্বাদ কৰা
মাত মাতিব পাৰো যেন আমিও
ন্যায় আৰু সত্যৰ হকে।

হে শ্বহীদ শিশুৰাম শইকীয়া,
তোমাৰ বিদেহী আত্মাই সদ্‌গতি লাভ কৰক
এয়ে মোৰ হৈ জনালো
প্ৰাৰ্থনা ভগৱানৰ ওচৰত ।।০০০



# শ্বহীদ

## বুলু শইকীয়া

ভাবিছিলো আকাশত ক'লা ডাৱৰ আৰু নাই।
নহ'ল পূৰণ দেৱতাৰ পূজা, ৰাজগাদী পাই।।
জীৱ শ্ৰেষ্ঠ মানৱ জাতিৰ অমানৱীয় জ্ঞান।
তথাপিতো মানৱ জাতিৰ হ'ল সমাজত স্থান।।

অসমৰ অসমীয়া তেজাল যুৱক-যুৱতী
তেজেৰে বৈ যায় নদী ধুৱাই ধৰিত্ৰী
হ'লা তুমি শ্বহীদ অসমৰ জাতিৰ হকে
হ'লা তুমি শ্বহীদ বিপ্লৱী বীৰ বাবে।

কৰিছো প্ৰণাম তোমাক জাতীয় বীৰ হোৱা,
কৰিছো ঘৃণা চৰকাৰ তোমালোক বীৰ নোহোৱা।
ৰাখিব আমি অসমীয়াৰ মান,
গাম আমি সকলোৱে শ্বহীদৰ জয়গান।
... ... ... ... ... ...শ্বহীদৰ জয়গান।

OKDISCD



## আৰু নাকান্দিবা আই

কবিৰঞ্জন শইকীয়া

আই তুমি দুখ নকৰিবা
চকুলো নমচিবা
আমি শ্বহীদৰ তেজৰ কিছু মূল্য পালোঁ ।
আঃ পদমৰ্যাদাৰ ক্ষমতাৰ খকে
মানবীয়তাক গিলে আধালৈকে ।
ইয়াক আমি নাইকিয়া কৰিমেই আই ।
আমি অসত্য নাইকিয়া কৰিম ।
তোমাৰ কাৰণে আই
খৰ্গেশ্বৰ, ভুধৰ, ৰাজীৱ আদি
সহস্ৰজনে দিলে প্ৰাণ আহুতি ।
তেওঁলোক ধন্য, তেওঁলোক পবিত্ৰ
তেওঁলোক শ্বহীদ
তেওঁলোক উজ্জ্বল নক্ষত্ৰ
তেওঁলোকে আমাক দিলে বহুতো
এখন নতুন আকাশ,
এটা নতুন সূৰ্য
আৰু দিলে নৱদৃষ্টি ।
আই এতিয়া আমি স্বাধীন
তোমাক কোনেও আৰু আক্ৰমণ নকৰে
তুমি মুক্ত আই, তুমি মহান ।
''জয় আই অসম ।''
ৰচনাকাল ঃ ১৯৮৫ চন

*পঞ্চম সংখ্যা, জুলাই, ২০০০ 'বিতৰ্ক' আলোচনীত প্ৰকাশিত কবিতাটো প্ৰাসঙ্গিকতা অনুভৱ কৰি পুণৰ প্ৰকাশ কৰা হ'ল ।*

## স্বাধীনতা

প্ৰণৱ কুমাৰ বৰ্মন

তোমাৰ নাম লোৱাৰ বাবেই
জল্লাদহঁতে যদি মোক হত্যা কৰে
তথাপি মই ক'মেই... স্বাধীনতা, স্বাধীনতা

তোমাৰ পতাকাখন মোক দিয়া
বৈ যোৱা গুলিবোৰ মোক দিয়া
বেল্টত ওলমি থকা ৰিভলভাৰটো মোক দিয়া
মই ক'ম... স্বাধীনতা, স্বাধীনতা


পিন্ধি ল'লো পুৰণা এই জীনচ, পিন্ধি ল'লো জোতা
চিনি পাওঁ গাঁৱৰ এন্ধাৰ বাট
জ্বলি গৈছে যি ভোকত
জ্বলি গৈছে অত্যাচাৰত
বলাট কাৰৱ চিঞৰ, চুৰিকাঘাতৰ চিঞৰ
সেই গাঁৱৰ চোতালত জনতাৰ বৰ মেল
দোষী হ'ব ৰজা, দোষী হ'ব বুঢ়া ডাঙৰীয়া
তেজ... তেজ... তেজ
স্বাধীনতা, স্বাধীনতা

তোমাৰ ডাচ কেপিটেল মই ল'লো
তোমাৰ চে গুৱেভাৰাক মই ল'লো
পথাৰ চহাই পেলাম
শপত খালোঁ
বেইমান জল্লাদহঁতৰ ভৰিৰ তলৰ মাটি খান্দি পেলাম

স্বাধীনতা !
স্বাধীনতা !!০০০

*শ্বহীদ কবিৰঞ্জন শইকীয়াৰ ''বিপ্লৱী কবিৰ স্মৰণত'' স্মৃতি গ্ৰন্থৰ পৰা পুনৰ প্ৰকাশিত ।*

OKDISCD



## মই আছো

অংখাম

যদিওবা নহ'ল
ৰোমান-ভাৰ্জিলৰ দৰে
ঘৰলৈ ঘূৰাৰ বেলাত
তোমালোকৰ লানি দেখি
মোৰ অগ্নিস্নাত মনটোৰে
নিয়তিৰ শৃংখও চিঙি
আকৌ উলটি যাব খোজে
য'ত এৰি থৈ আহিছো
উন্মুক্ত পখীৰ কাকলিত
পুৱাৰ প্ৰথম প্ৰহৰ,
ৰৌদ্ৰস্নাতা গহীন দুপৰীয়া
আঁউসীৰ নিস্তব্ধ অৰণ্য
আৰু চে, ফিদে, লালহঁতৰ সতে কৰা
এটা অংগীকাৰবদ্ধ সপোনৰ আলাপ।
আক্ষেপ নকৰিবা;
তোমালোকৰ যাত্ৰাৰম্ভৰ ক্ষণত
আহ্বায়িত শুভেচ্ছাবোৰ জনাবলৈ
মই সদায় উপস্থিত থাকিম
সমাধিৰ সেউজীয়া অস্তিত্বত।

## ধুমুহা

(জাতীয় বীৰ শ্বহীদসকলৰ স্মৃতিত ... )

আদিত্য শইকীয়া


আইৰ বুকুৰ আৰ্তনাদ শুনি
নিৰ্লজ বোপাই তাতেই সুখী
সৰু বোপাই বিদ্ৰোহ কৰে
শোষক শাসকৰ নিদ্ৰা হৰে।
সি এদিন চিঞৰি উঠিল
"অসম জননীৰ সন্তান মই
জননীৰ মুক্তিৰ বাবে মই
মৰণ পণ কৰিছোঁ।"
লাগিল তাতেই জগৰ
কিজানিবা তৰুলতা তৃণ ভূমি
শস্য শ্যামলী অসম ভূমি
হয় বিচ্ছিন্ন !!
সেয়ে দমন আৰু নিপীড়ন
ৰাঙলী হ'ল অসমী সন্তান
শত পুত্ৰৰ তেজেৰে বৈ গ'ল বুঢ়া লুইত।
সৰু বোপাই কিন্তু বাচি থাকিল
তাৰ সপোনৰ অসমখনত
এতিয়া ৰঙা বগা ক'লা হালধীয়া
মানুহে ভৰপূৰ
সি হতভম্ব !!
নীল আকাশত শান্তিৰ কপৌ চৰাই
আৰু নুৰে,
আবৰ্জনাৰ মেঘৰ কণিকাৰ বেহু ফালি
কাউৰী জাকে কা কা মাতে
নমাই আনে এজাক ধুমুহা ! কাল ধুমুহা !!০০০

OKDISCD

# অশ্ৰু অঞ্জলি

পম্পি শইকীয়া

প্ৰভাতি প্ৰথম পুৱাতে
ৰিব্‌ৰিব্‌মলয়া ছাটিয়ে
কঢ়িয়াই আনিলে শিশুদাৰ মৃত্যুৰ বাতৰি ।
পদূলি মুখতে ওলাই
চকুলোৰে দুগাল তিয়াই
সদাই থাকো তোমাৰ শ্বহীদ বেদিলৈ চাই ।
আহিবানে আকৌ তুমি
অসমী আইৰ বুকুলৈ
আনিবানে তুমি মানৱৰ মাজলৈ শান্তিৰ নিজৰা বোৱাই ?
তোমাৰ আশীষ শিৰত লৈ
আমিও যাওঁ আগুৱাই
পাৰোঁ যেন ৰাখিব জননীক জীয়াই
তুমি দিলা বাট দেখুৱাই ।
হে যদি আছাগৈ
তুমি নীলাকৈ আকাশত
তিৰ্‌বিৰাই থকা এটি উজ্বল তৰা ।
তাৰে পৰা তুমি
জ্যোতি বিলাই থাকিবা
আশীৰ্বাদ দিবা তুমি তাৰে পৰাই ।
ঈশ্বৰৰ দুখনি চৰণত
প্ৰণাম জনাইছোঁ
য'তেই তুমি আছাগৈ কৰিছোঁ মিনতি
তুমি যেন কুশলে থাকা ।
কিনো দি সেৱিম তোমাক
দিবলৈ একোৱেই নাই
যাচিছোঁ মাত্ৰ, হৃদয়ৰ অশ্ৰু অঞ্জলি ।০০০





# তোমাৰ দৰেই হওক মোৰ মৃত্যু

ঐক্য ঠেঙাল

ধন্য ডেকা তুমি দিয়াংপৰীয়া
ধন্য তোমাৰ সাহ ধন্য তোমাৰ মৃত্যু
পৰাধীন জনতাৰ মুক্তিৰ হকে
জীৱনটি কৰিলা তুচ্ছ জ্ঞান
স্বাৰ্থহীন ত্যাগ, যাৰ বাবে তুমি হেৰুৱাইছা
বুকুৰ আপোনজনক, যাৰ বাবে তুমি
ৰাজপথক কন্দোৱাই ৰঙা পতাকা উৰুৱাইছা
তোমাৰ বাটেৰে বাট বুলিছোঁ
উজাই উজাই আহিছোঁ
দিয়াঙৰ তেজ মিশ্ৰিত সোঁতেদি
কামনা তোমাৰ দৰেই হওক মোৰ মৃত্যু ।০০০

OKDISCD

# হে বীৰ শ্বহীদ যাচিছোঁ তোমাক শত-সহস্ৰ প্ৰণাম

## বিজুমণি বৰা

হে জাতীয় শ্বহীদ বীৰ
শ্ৰদ্ধাঞ্জলি যাচিছোঁ তোমাক
তুমি অসমীয়া জাতিৰ বাবে
মৃত্যুক আকোঁৱালি ল'লা
বীৰৰ সাজেৰে।
তুমি এতিয়া পঞ্চভূতত বিলীন হ'লা
তোমাক শোষণকাৰী ৰাষ্ট্ৰই
নৃশংস হত্যাৰে সজালে শ্বহীদ।
হত্যা, ধৰ্ষণ, শোষণৰ বিৰুদ্ধে
সংগ্ৰাম কৰিছিলা তুমি,
তোমাৰ শোণিতৰ চিক্‌মিকনি
এতিয়াও হোৱা নাই নিষ্প্ৰভ।
অত্যাচাৰী শক্তিয়ে তোমাক
বলিয়া কুকুৰ, মেকুৰীৰ দৰে
হত্যা কৰিলে নৃশংস, করুণ ভাবে।
অসমী আইৰ হকে যুঁজি
শ্বহীদ সাজ পিন্ধি,
বিলীন হ'লা মহাশূণ্যত তুমি।
তুমি বাচিলোৱা পথে
আমাক সোঁৱৰাই দিব
আমি এতিয়াও পৰাধীন।
তুমি মৰিও অমৰ
হে জাতীয় শ্বহীদ বীৰ,
যাচিছোঁ তোমাক
শত-সহস্ৰ প্ৰণাম ॥০০০



# আমাক স্বাধীনতা লাগে

## পৰমানন্দ ঠেঙাল

অসমীয়া আমি
দৈয়াংপৰীয়া শৰাইঘটীয়া
লাচিতৰ সেনানি
বান্ধিছো টঙালি
লৈছোঁ হেংদাং
তেজৰ নদী বোৱাই দিবলৈ।
লাচিতৰ তেজেৰে
আমি অসমীয়া
মহা শক্তিধৰ
ৰক্তাক্ত নাহৰ ফুটুকী
বাৰে বাৰে আহিছোঁ
যুঁজিম আমি
অসম আৰু অসমীয়াৰ হকে।
কঢ়িয়াই আনিম আমি
দেশৰ স্বাধীনতা
চলাই যাম সংগ্ৰামৰ প্ৰচেষ্টা
জনগণ উঠিব হুংকাৰী
আমি স্বাধীনতা প্ৰয়াসী।
আমি ভাগৰিছোঁ নেকি ?
নাই, ভাগৰা নাই আমি
এক হৈ যুঁজিম আমি
দেশৰ হকে বাৰে বাৰে
প্ৰতিধ্বনি উঠিব চৌদিশে
''এই সংগ্ৰাম চলিছে চলিবই
এই জুই জ্বলিছে জ্বলিবই।''

OKDISCD

# শ্ৰদ্ধাৰ্ঘ

প্ৰদান শইকীয়া

অতি সম্প্ৰতি অসমৰ অস্থিৰ-অশান্ত পৰিস্থিতিৰ হেজাৰ জনৰ মৌনতা, পলায়নবাদীতাৰ বিপৰীতে জাতীয় প্ৰশ্নত পৰিস্থিতিক প্ৰত্যাহ্বান জনাই লক্ষ লক্ষ জনৰ লগত শিশুৰামে হাত ৰাখি বিদ্ৰোহৰ এখন ৰঙা পতাকা হাতত তুলি লৈছিল। জীয়াই থকাৰ অধিকাৰ লাগে। অসমীয়াৰ জীয়াই থকাৰ ন্যূনতম অধিকাৰকণো দিল্লীৰ দয়াত ভূ-লুণ্ঠিত। অসমৰ অগ্নিগৰ্ভা পৰিস্থিতিত তেওঁৰ অন্তৰাত্মাত আলোড়ন তোলা সেই পৰিবৰ্তনৰ চেতনাই তেওঁক যি জীৱনাদৰ্শৰ অনুবৰ্ত্তী কৰিলে তাৰ চন্দ্ৰাৱলীৰ জ্যোতিয়ে অন্য হেজাৰজনক এলাহ আৰু অজ্ঞানতাৰ নিহালী খুলি জাগৰিত কৰি তুলিলে। চেতন-অৱচেতন এই মানুহবোৰক শিশুৰ দৰে জনসমুদ্ৰত সাঁতুৰি-নাদুৰি আদৰ্শৰ উম আৰু উদ্দেশ্যৰ ৰসায়নে অধিক সচেতন কৰি সংগঠিত বিপ্লৱৰ ভেটি মজবুত কৰাত অহোৰাত্ৰি জড়িত হৈ পৰিল। শতৰুৰ চক্ৰান্তৰ অংশ হিচাপে বিচিত্ৰ অৰু বিভিন্ন ভাৱে জাতীয় জনসমাজখনৰ মাজত সিঁচি দিয়া বিভাজন বিদ্বেষৰ আহুকলীয়া বীজাণুবোৰৰ বিৰুদ্ধে শিশুৰামে তেওঁৰ আদৰ্শৰ যুক্তি আৰু দীপ্তিৰে জেহাদ ঘোষণা কৰিলে। যাৰ ফলশ্ৰুতিত মানুহে নিজৰ খৰ্বিত অৱনমিত জাতীয় অধিকাৰ অথবা জাতীয় মৌলিক গণতান্ত্ৰিক অধিকাৰৰ প্ৰতি সচেতন হৈ উঠিল। ক্ৰমে বিকশিত এই চেতনাবোধেই জনতাক শিশুৰাম হঁতৰ নেতৃত্বত অধিকাৰ লুণ্ঠনকাৰীৰ বিৰুদ্ধে বিদ্ৰোহত অৱতীৰ্ণ কৰালে আৰু এই বিদ্ৰোহৰ ৰেৱাজক বিপ্লৱৰ পথলৈ গতি দিয়ালে। সন্ত্ৰাসিত হ'ল ৰাষ্ট্ৰ তাতে। অতি অন্যায় আৰু অবৈধভাবে অসমত গৰলকে অমৃত বুজাই জাপি ৰখা ঔপনিবেশিক শাসন আৰু তাৰ ওৰণি তলত চলাই থকা লুণ্ঠনৰ স্বাৰ্থ ওৰ পৰা শংকাত। যাৰ বাবে শিশুৰামহঁত দখলদাৰী দিল্লীৰ বাবে আতংক হৈ পৰিল। যি আতংকই তেওঁলোকৰ স্বাৰ্থক অশান্তিৰে আঘাত হনা শক্তিক নিঃশেষ কৰাৰ ব্যৰ্থ অভিযানত ৰত কৰিলে। যি অভিযানত অন্য হেজাৰ জনৰ লগতে ২ অক্টোবৰ/০৬ত দখলদাৰী বাহিনীৰ নিষ্ঠুৰ আঁচোৰত শিশুৰামৰ মৃত্যু হ'ল লখিমপুৰত। অৰ্থাত জাতিটোৰ ভৱিষ্যতৰ স্বাৰ্থত শিশুৰামে নিজকে নিঃসংকোচে-নিৰ্বিবাদে বলিদান দি শ্বহীদ বৰণ কৰিলে।

পৰিৱৰ্তনৰ প্ৰশ্নত বিপ্লৱ যি ধৰণে অনিবাৰ্য্য ঠিক তেনেদৰে বিপ্লৱৰ পথত ত্যাগ-বলিদানো এক অৱশ্যম্ভাৱী প্ৰসংগ। অসমৰ বিপ্লৱৰ সাতাইশ বছৰীয়া বুৰঞ্জীত যি দহ হেজাৰোধিক শ্বহীদৰ ৰঞ্জিত তালিকা তাত আৰু এজন শ্বহীদ শিশুৰামৰ নামো খোদিত হ'ল। সংগ্ৰাম শেষ নোহোৱাকৈ আমাৰ অধিকাৰ সাব্যস্ত হোৱাৰ আগতে শিশুৰাম আৰু হেজাৰ জন গুচি গ'ল সিপাৰলৈ। কিন্তু আমাৰ বাবে এৰি গ'ল বহু দায়িত্ব, কৰ্ত্তব্য আৰু সকীয়নি। বলিদানৰ মাধ্যমেৰে তেওঁলোকে আমালৈ এৰি যোৱা সকীয়নিক সাৰোগত কৰি যদি আমাৰ দায়িত্ব আৰু কৰ্ত্তব্য পালন কৰাত গাফিলতি কৰোঁ তেতিয়া শ্বহীদৰ ত্যাগ আৰু বলিদানক অৱমাননা কৰা হ'ব। আৰু যদি সেই দায়িত্ব অথবা কৰ্ত্তব্য সকলো সমস্যা সংকট অতিক্ৰমী নিষ্ঠা আৰু দৃঢ়তাৰে পালন কৰি শিশুৰামহঁতৰ সপোনক বাস্তৱ ৰূপ দিওঁ আৰু লুণ্ঠিত জাতীয় অধিকাৰ সাব্যস্ত কৰো তেতিয়াহে এই মহান শ্বহীদ সকলৰ ত্যাগ আৰু আত্ম-বলিদানৰ যথোচিত মূল্যায়ন হ'ব আৰু দিল্লীৰ দম্ভ আৰু অহংকাৰ চূৰ্ণ হ'ব।

গতিকেই, সংযুক্ত মুক্তি বাহিনীৰ শ্ৰাদ্ধ এক ব্যতিক্ৰমী অনুষ্ঠান ৰূপে পালন কৰা উচিত। গতানুগতিক এখন ৰাজহুৱা সভা, মাহ-প্ৰসাদ, ধূপ-ধূনা, পূজা-অৰ্চনাৰে শ্ৰাদ্ধ অনুষ্ঠিত কৰাৰ বিপৰীতে শ্ৰাদ্ধানুষ্ঠান বিলাক জাতীয় অধিকাৰ সাব্যস্তৰ সংগ্ৰামৰ আখৰাস্থলী হোৱা উচিত। জনতাৰ পুঞ্জীভূত আৰু বিস্ফোৰিত ক্ষোভ আৰু বিপ্লৱী চেতনাক শ্ৰাদ্ধৰ প্ৰতিটো কাৰ্যসূচীয়ে প্ৰতিফলন ঘটাই ইয়াক সংগঠিত সংগ্ৰামলৈ ৰূপান্তৰ ঘটোৱা উচিত। যাৰ মাজেৰে ৰাষ্ট্ৰৰ সকলো অত্যাচাৰ, অবিচাৰ, ব্যভিচাৰ শোষণ-লুণ্ঠনৰ বিৰুদ্ধে এখন সংগ্ৰামী ৰাজনৈতিক আদৰ্শৰে শৃংখলিত আপোচবিহীন গণতান্ত্ৰিক সংগ্ৰাম গঢ়ি তোলাত সফল কৰি তুলিব পাৰি। ৰাষ্ট্ৰৰ বিশ্বাসঘাটকতা প্ৰৱোচনবাদীতা আৰু নৃশংসতা নিত্য নতুন ৰূপত বৃদ্ধি পাব ধৰিছে। শান্তিৰ স্বাৰ্থত ৰাজনৈতিক সমাধানৰ আগ্ৰহ দেখুৱাই অসমৰ জনতাৰ মাজত বিভাজন আৰু প্ৰলোভনৰ বীজ সিঁচি জনতাক বিপথগামী কৰাৰ চেষ্টা কৰিছে। লগে লগে আলফাৰ শক্তি আৰু সংগঠিত ৰূপৰ ওপৰত সুচতুৰ ভাৱে আঘাত হানি নিঃশেষ কৰা নিষ্ঠুৰ ষড়যন্ত্ৰত জড়িত হৈ পৰিছে। অভিসন্ধিমূলক আৰু অভিযানমূলক ভাৱে চলোৱা এই জাতিধ্বংসী অভিযানৰ বিৰুদ্ধে জনতা একত্ৰিত হৈ ব্যাপক ৰূপত প্ৰবল প্ৰতিৰোধ সংগ্ৰাম গঢ়িব নোৱাৰিলে জাতিটোৰ মূৰৰ পৰা গোলামিৰ অপবাদ দূৰ নহ'ব। শতৰুৰ সকলো চক্ৰান্তমূলক আক্ৰমণ বিফল কৰি জাতীয় অধিকাৰ সাব্যস্ত কৰিব পৰা নহ'ব।

শিশুৰাম শইকীয়াৰ শ্ৰাদ্ধত সমবেত জনতাই ধমনিত শেষকণ ৰক্ত থকালৈকে সংগ্ৰাম অবিৰাম চলোৱাৰ সংকল্প লোৱা উচিত। এনেকৈহে শ্বহীদৰ বলিদানক মৰ্যাদা দিয়া হ'ব।

জাতীয় শ্বহীদ শিশুৰাম শইকীয়ালৈ মোৰ গভীৰ শ্ৰদ্ধাৰ্ঘ।

OKDISCD

# শ্বহীদৰ স্মৃতিত ইতিহাসৰ জিলিকনি

সপোন কুমাৰ

"It is sweet and glorious to die for one's country."

শ্বহীদ প্ৰণামো তোমাক ।

ইতিহাসৰ পৃষ্ঠাত খোদিত কৰিলা তোমাৰ নাম শিশুৰাম - শিশুৰাম শইকীয়া । এটি সুন্দৰ ব্যক্তিত্বৰ পৰিচয়, যাৰ নাম 'শ্বহীদ' । দহ মাহ দহ দিন মাতৃৰ গৰ্ভত থাকি যি ভূমিত চৰণ থলা তাত তুমি নাপালা সেউজীয়া সুৱাস (স্বৰাজ) । এদিন-দুদিন কৰি এখুজি-দুখুজিকৈ তুমি ভৰি দিলা সাম্প্ৰতিক সময়ৰ শিক্ষিত তথা অভিজ্ঞতাপুষ্ট যুৱকলৈ । দেখিছিলা বহুতৰ দৰে তুমিও অনুভূতিৰ মাদকতাৰে ভৰা ৰঙীণ স্বপ্ন । স্বপ্নৰ দুৱাৰ দলিত তুমি থমকি ৰ'ব লগা হৈছিল ভৱিষ্যতৰ নীলা ছবিবোৰ দেখি । সেয়ে তোমাক জাতীয় প্ৰেমৰ উপলব্ধিতাই বাট দেখুৱাই দিছিল - তুমি থিয় হৈ থকা ভূমিকণৰো যে ভৱিষ্যত নাই । তদুপৰি তুমি উপলব্ধিতাৰ পাক্ ঘূৰণিত অতীজলৈ ঘূৰি চাই দেখিছিলা তোমাৰ অতীত... । তোমাৰ ষষ্ঠ ইন্দ্ৰিয়ই সোঁৱৰাই দিছিল - অক্টোপাচৰ কবলৰ পৰা মুক্ত হোৱা... মুক্ত হোৱা... । বিচাৰি পাইছিলা তুমি মুক্তিৰ পথ ''বিপ্লৱ'' । জীৱনৰ সৰ্বোচ্চ ত্যাগ কৰি সাম্ৰাজ্যবাদী ভাৰত ৰাষ্ট্ৰৰ ঔপনিবেশিকতাৰ বিৰোদ্ধে জেহাদ ঘোষণাৰে অসম তথা অসমীয়া জাতিৰ মুক্তিৰ ক্ষণ গণি জংগী সংগ্ৰামৰ কাঁইটীয়া পথত খোজ দিছিলা । তাৰ পিছৰে পৰা তুমি হৈ পৰিছিলা এজন জীৱন্ত শ্বহীদ । কাৰণ কন্টকময় পথটিত তোমাৰ প্ৰতি পদে-পদেই মৃত্যুৰ আকুল আহ্বান ।তথাপি বিভিন্ন ঘাত-প্ৰতিঘাতৰ মুখামুখি হৈয়ো সমূহীয়া স্বাৰ্থৰ বাবে এক জটিল সমীকৰণৰ সমাধান বিচাৰি তুমি নিজকে ন কৈ সজাব লগা হৈছিল বিভিন্ন কাৰাজ-কৌশলৰ জৰিয়তে । তাৰ উপৰি বিপ্লৱৰ প্ৰাথমিক জ্ঞানৰ দ্বাৰা তুমি বুজি পাইছিলা যে তোমাৰ স্বপ্নক বাস্তবায়িত কৰিবৰ বাবে মাতৃভূমিৰ মুক্তিৰ স্বপ্নক যিকোনো ত্যাগৰ বিনিময়তে আগুৱাই নিবই লাগিব । অন্যথা ভৱিষ্যত যে অন্ধকাৰ । সেয়ে নিশ্চয় তোমাক প্ৰয়োজন ''প্ৰভাত'' । এমুঠি পোহৰ । যিয়ে জিলিকাব পাৰে মাতৃৰ মুখৰ হৃত হাঁহি । সেয়ে তুমি দুহাত মেলি আগুৱাই গৈছিলা আঁজুৰি আনিবলৈ ''উদিত সূৰ্যক'' । প্ৰয়োজন হ'ল তোমাক শক্তিৰ । শক্তিৰ পথেই হ'ল ৰূপান্তৰৰ । বিশ্বৰ এখন অন্যতম গণতান্ত্ৰিক দেশ বুলি ৰাউচি জোৰা ভাৰতবৰ্ষই গণতন্ত্ৰৰ দোহাই দি গাহৰি সদৃশ মানৱতাৰ কাৰাগাৰত উদিত সূৰ্যক পৰাধীনতাৰ শিকলিৰে বান্ধি ৰখাটো নিশ্চয় ভালকৈয়ে বুজি পালা।

ভাৰতবৰ্ষ... । বৰ্তমান তিনি কোটি বিভিন্ন ধৰ্মীয় জাতি জনগোষ্ঠীৰে পৰিপূৰ্ণ আঠাইশখন ৰাজ্য আৰু ছখন কেন্দ্ৰীয় শাসিত অঞ্চল লগহৈ ৩২,৮৭,২৬৩ বৰ্গ কিঃমিঃ মাটিৰ কালিৰে আগুৱা ভাৰতবৰ্ষ । এসময়ত বৃটিছে বেপাৰ-বাণিজ্যৰ মাধ্যমেদি গোৱা-দমন-দিউত পদাৰ্পণ কৰিছিল । এয়াই আৰম্ভ বেপাৰ-বাণিজ্যৰ জৰিয়তে বিভিন্ন জাতি-জনগোষ্ঠীৰে পৰিপূৰ্ণ ৰাজ্যসমূহক অধীনস্থ কৰাৰ বৃটিছৰ আছিল এক অৰ্থনৈতিক কৌশল । ক্ৰমাগতভাৱে সকলো দিশতে তেওঁলোকে কৰ্তৃত্ব বিস্তাৰ কৰিছিল । তাৰ পিছত বৃটিছ বিৰোধী ঢৌ সমগ্ৰ ভাৰতবৰ্ষতে বিয়পি পৰিছিল । লগে লগে আৰম্ভ কৰা হৈছিল বৃটিছ অধীনৰ পৰা মুক্ত কৰিবলৈ অহিংসা নীতিৰ নামলৈ চলোৱা ১৯২১ চনৰ অসহযোগ আন্দোলন । য'ত নেকি অসমৰ জনতাৰ এক অনবদ্য ত্যাগৰ অৱদান আছিল । কিন্তু উত্তৰ পূৰ্বাঞ্চল জানো ভাৰতৰ অংগ আছিল ? আৰু অসম ! ৰত্নগৰ্ভা অসম !!

১২২৮ খ্ৰীষ্টাব্দত চ্যুকাফাই অসমত আহোম ৰাজত্বৰ পাতনি মেলিছিল । ৬০০ বছৰীয়া আহোম ৰাজত্বৰ ইতি পৰে ১৮২৬ খ্ৰীষ্টাব্দৰ ২৪ ফেব্ৰুৱাৰীত । ইয়াণ্ডাবু সন্ধিৰ জৰিয়তে অসম বৃটিছৰ অধীনস্থ হয় । পৰাধীনতাৰ পৰা মুক্তি বিচাৰি অসমীয়াই বৃটিছৰ বিৰুদ্ধে যুঁজ দিব লগা হয় ভাৰতবাসীৰ লগত । চৌদিশে জ্বলি উঠে অহিংসা আৰু হিংসাৰ সংগ্ৰামৰ জুই । জ্বলে বহু বীৰ-বীৰাঙ্গণাৰ কেঁচা তেজৰ বন্তিৰ শিখা । বিনিময়ত ১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰতৰ লগত অসমে বৃটিছৰ কবলৰ পৰা মুক্তি পালে বুলি ঘোষণা কৰিলেও কিন্তু স্বাধীনতা ঘূৰাই পোৱা নাছিল । মাথো অসমবাসীৰ কাৰণে এক বিপদজনক গোপন চৰ্তৰ চুক্তিহে হৈছিল । যাৰ কথা সৰ্বসাধাৰণ ৰাইজে তিলমানো গোন্ধই নাপালে । চৰ্ত আছিল - (১) ভাৰতবৰ্ষত বিনিয়োগ হোৱা ষ্টাৰ্লিং পুঁজিৰ স্বাৰ্থক নতুন চৰকাৰে সম্পূৰ্ণ সুৰক্ষা দিব । (২) ষ্টাৰ্লিং পুঁজিৰ বাৰ্ষিক লাভ কোনো প্ৰতিবন্ধক নোহোৱাকৈ বাহিৰ ওলাই যাব পাৰিব । (৩) ইংৰাজী ভাষা তথা খ্ৰীষ্টিয়ান ধৰ্মৰ প্ৰসাৰত ভাৰত চৰকাৰে কোনো বাধা নিষেধ আৰোপ নকৰিব । এই ষ্টাৰ্লিং পুঁজিৰ নিয়ন্ত্ৰণাধীন অসমত সৃষ্টি হ'ল ''এনক্লে'ভ ইকনমি'' । লগে লগে স্থানীয় বা খিলঞ্জীয়া অৰ্থনীতি এনক্লে'ভ ইকনমিৰ কবলত কুক্ষিগত হ'ল । নাইকিয়া হ'ল আমাৰ ইয়াৰ ওপৰত হস্তক্ষেপৰ অধিকাৰ । অবিৰতভাৱে চলিল শোষণৰ নামত দমন-নিপীড়ন ।

অসমৰ জনগাঁথনি ইয়াৰ চৰিত্ৰ আৰু সভ্যতা-সংস্কৃতিৰ লগত

ভাৰতীয় মূল খণ্ডৰ জনগাঁথনিৰ চৰিত্ৰ সভ্যতা-সংস্কৃতিৰ কোনো সম্পৰ্ক নাছিল । আৰ্যপ্ৰধান ভাৰতীয় জনগাঁথনিৰ বিপৰীতে মঙ্গোলপ্ৰধান অসমৰ জনগাঁথনি । সেই ভিত্তিত গঠিত সমাজ সভ্যতা । অন্যহাতে বৃটিছে অসম দখল কৰা আগলৈকে ভাৰতৰ লগত অসমৰ কোনো সম্পৰ্ক নাছিল ।

জাতিৰ ন্যায় বিচাৰি মূৰ দাঙি উঠিলেই ভাৰত ৰাষ্ট্ৰযন্ত্ৰই সংবিধানক দোহাই অসমক মূল সুঁতিত ৰাখিব বিচাৰে । তাকে সম্ভৱ নহ'লে বিভিন্ন কৌশলেৰে নিষ্ঠুৰ বিভীষিকা আৰম্ভ কৰে । আচলতে ভাৰতীয় সংবিধানত আছে কি ? ভাৰতীয় সংবিধান খন হ'ল ইংৰাজ সাম্ৰাজ্যবাদীৰ তত্ত্বাৱধানত মাত্ৰ ষোল্ল শতাংশ ভাৰতীয়ক প্ৰতিনিধিত্ব কৰা গণ পৰিষদৰ দ্বাৰা অনুমোদিত এখন সংবিধান ।

১৯৫০ চনৰ ২৬ জানুৱাৰী । ভাৰতবৰ্ষ হ'ল হেনো গণতান্ত্ৰিক দেশ । গণতন্ত্ৰৰ চাবি-কাঠি সোমাল পুঁজিপতি লুতেৰাজ গোষ্ঠীৰ (হাতত) জেপত । বুজি পালে অসমীয়াই ভুৱা গণতন্ত্ৰৰ কথা । ১৯৬৮ চনৰ ২৬ জানুৱাৰীৰ গণৰাজ্য দিৱস বৰ্জন কৰি ''অসম স্বাধীন নহ'লে ৰক্ষা নাই'' বুলি প্ৰতিবাদী ৰাইজৰ আগত ঘোষণা কৰিছিল মহেন্দ্ৰ নাথ ডেকা ফুকনে গুৱাহাটীত । ''ইয়ে আজাদী ঝুথা হ্যাই'' বুলি বিষ্ণু প্ৰসাদ ৰাভাই অসমৰ গাঁৱে-ভূঞে যেতিয়া ক'লা পতাকা উৰুৱাইছিল তেতিয়া দিল্লীত স্বাধীনতাৰ ত্ৰিৰংগা পতাকা উৰিছিল ।

ক্ৰমাগতভাৱে অসমত চলিল ভাৰতৰ ওচৰত ন্যায় বিচাৰি সংগ্ৰাম । ভাষা আন্দোলন, ছাত্ৰ আন্দোলন আৰু বিদেশী বহিষ্কাৰ আন্দোলনত হেৰুৱাব লগীয়া হ'ল বহুজন আত্মীয়ক । দিব লগা হ'ল তেজৰ মূল্য । এইদৰেই বিভিন্ন অভিজ্ঞতাৰ পৰাই ১৯৭৯ চনৰ ৭ এপ্ৰিলত ৰংঘৰ বাকৰিত জন্ম হ'ল 'সংযুক্ত মুক্তি বাহিনী, অসম'ৰ । সংযুক্ত মুক্তি বাহিনী, অসম । অসমৰ চুকে-কোণে গাঢ় হৈ উঠিল মুক্তি বাহিনীৰ সশস্ত্ৰ সংগ্ৰাম । আই মাতৃৰ বেদনাত যোগ দিলে গোলাঘাট জিলাৰ ২নং তৰাণি গাঁৱৰ উদীয়মান যুৱক শিশুৰামে । শিশুৰাম ওৰফে মৃদুল বৰাই শেষ বিন্দু তেজ থকালৈকে জীৱনক পণ কৰি শৈশৱৰ ধূলি-বালি গৰকি ডাঙৰ-দীঘল হোৱা গাঁওখনৰ লগতে আত্মীয়-স্বজনক এৰি থৈ জঁপিয়াই পৰিল দাসত্বৰ বিৰুদ্ধে । লাগে মাথো মুক্তি, এমুঠি পোহৰ... । ভয়ত কঁপি উঠিল ৰাষ্ট্ৰযন্ত্ৰ । শিশুৰ আত্মীয় স্বজনৰ উপৰিও গাঁওবাসীৰ ওপৰত অবৰ্ণনীয় ভাবে শাৰীৰিক-মানসিক নিৰ্যাতন চলায়ে থাকিল । মনস্তাত্বিক যুদ্ধৰ কৌশলেৰে শিশুৰ কাঁইটীয়া পথত ঢালিলে শিহুৰ তেল । কিজানিবা পিছল খাই পৰিবহি তেওঁলোকৰ ভৰিত দুই হাত থৈ কৰযোৰ কৰি । কিন্তু দৃঢ় আত্মবিশ্বাস থকা শিশুৱে দুগুণ উত্সাহেৰে জঁপিয়াই পৰিছিল । ফেচিষ্ট ৰাষ্ট্ৰযন্ত্ৰই আশাত চেঁচাপানী পৰা দেখি পৰিকল্পনা ৰচিলে শিশুক চিৰ বিদায় দিয়াৰ । যোৱা ২/১০/০৬ ইং তাৰিখে বন্দী কৰিব পৰা অৱস্থাতো নৃশংসভাৱে হত্যা কৰিলে এটি জাতীয় প্ৰতিভূক । হয়তো হত্যা কৰিব পাৰিলে শিশুক; কিন্তু শিশুৰ আদৰ্শক নহয় । অংকুৰিত হ'ল শিশুৰ ৰক্তইদি হাজাৰটা শিশু । ''কাৰোবাৰ মৃত্যু পাৰৰ পাখিতকৈও পাতল আৰু কাৰোবাৰ মৃত্যু থাই পৰ্বততকৈও গধুৰ'' (মাও) । যাৰ ৰক্তক আমিও জনাওঁ সহস্ৰ প্ৰণাম ।

আজি এই পবিত্ৰ ক্ষণত আমি প্ৰত্যেকে শিশুৰ তেজৰ মূল্য ঘূৰাই অনাত, শিশুৰ আধৰুৱা কাম সমাধা কৰাৰ বাবে প্ৰতিজ্ঞাবদ্ধ হওঁ আহক । জোৰ পুৰি হাত পোৱাৰ আগতে আমি হাতে-হাত ধৰি ওলাই যাওঁ দাসত্বৰ বিৰুদ্ধে । If you would have peace be ready for war. এইখিনিতে মাওৰ উক্তি এটিলৈ মনত পৰিছে -''বৃক্ষই জিৰণি ল'লেও বতাহ বলিয়েই থাকিব ।''

*(১) ভীৰুৰ দৰে জীয়াই থকাতকৈ বীৰৰ দৰে মৃত্যুবৰণ কৰাই শ্ৰেয় । -মহাত্মা গান্ধী*

*(২) জাতীয় জীৱনৰ সন্ধিক্ষণত আমি ব্ৰহ্মাস্ত্ৰ নিক্ষেপ কৰিব নোৱাৰিলেও মাজে সময়ে দুই এটা বাটলুগুটিকে দলিয়াব লাগিব । -অম্বিকাগিৰি ৰায় চৌধুৰী*

*(৩) স্বদেশৰ শোষিত জনগণৰ শোষণ নিষ্পেষণৰ বিৰুদ্ধে সশস্ত্ৰ সংগ্ৰামৰ পোচাক পিন্ধা মুক্তি যুঁজাৰুসকল, যি কিছুমান নীতি-নিয়মৰ মাজেৰে পৰিচালিত, যি জীৱনৰ জটিলতা, ভয়াবহতা, কৰুণতা আৰু বিপদ-বিঘিনীৰ মাজেৰে জীৱনৰ গতিপথ নিৰ্ধাৰণ কৰে, যি মৃত্যুৰ লগত প্ৰতি পলে পলে খেলা কৰে, যি ন সূৰুযৰ দৰে আশাবাদী, তেওঁৱেই মুক্তিসংগ্ৰামী বা বিপ্লৱী সৈনিক । -মাও-চে-তুঙ*

OKDISCD

# এতিয়া গণসংগ্ৰামক সু-সংগঠিত কৰাৰ সময়

নৱজ্যোতি হাজৰিকা

বিদ্ৰোহী সমস্যা ৰাজনৈতিক আলাপ-আলোচনাৰে সমাধানৰ কথা কোৱা চৰকাৰে নিজেই নানা অজুহাত দেখুৱাই আলোচনা প্ৰক্ৰিয়াৰ পৰা ফালৰি কাটিলে। আলোচনাৰ বিষয়টো যে চৰকাৰৰ বাবে নিৰ্বাচন পাৰ কৰা এক কৌশলহে আছিল, তাক অসমৰ ৰাইজে বুজি পাইছে। সাৰ্বভৌমত্বক আধাৰ হিচাপে লৈ আলফাৰে আলোচনা কৰাটো অসমৰ জনগণৰ কাম্য — সেই কথা বিভিন্ন প্ৰতিবাদী কাৰ্যসূচীৰ বক্তব্যৰ উপৰি জাতীয় অভিবৰ্তন আৰু কেইবাখনো গণ সমাৰেশৰ অভিমত। আলফাৰে প্ৰত্যক্ষ ৰাজনৈতিক আলোচনা নকৰি অসমৰ সামাজিক পৰিৱেশক পুণৰাই এক সংঘাতময় পৰিস্থিতিৰ মাজলৈ লৈ যোৱাৰ বাবে বৰ্তমান চৰকাৰেই দায়ী। চৰকাৰে ক'ব বিচাৰিছে যে আলফাৰ আলোচনাৰ প্ৰতি আগ্ৰহ নাই। চৰকাৰে সাৰ্বভৌমত্বৰ ওপৰত আলোচনা কৰিবলৈ আলফাক আলোচনালৈ মাতক, তেতিয়া যদি আলফা আলোচনালৈ নাহে, তেন্তে আলফা জনমানসত হেয় হৈ নিজেই এঘৰীয়া হৈ যাব। ইয়াকে নকৰি চৰকাৰে দুদিনমানৰ অস্ত্ৰ বিৰতিৰ টোপ দি আলফা সদস্যক বাহিৰ উলিয়াই হঠাত সেনা অভিযান তীব্ৰ কৰি আলফা হত্যাৰ যি পাতনি মেলিছে, সি আলফাক নিঃশেষ কৰিব নোৱাৰে। এই জাতিধবংসী প্ৰক্ৰিয়াৰ বিৰুদ্ধে অসমৰ বিবেকবান সচেতন ৰাইজে আলফাৰ সপক্ষেই সমৰ্থন দিব, যদিহে আলফাই নিজে কিবা সাংঘাতিক হঠকাৰী ভুল কৰি নেপেলায়।

ভাৰতত বিভিন্ন জাতি-সমস্যা আছে। গতিকে ভাৰত ৰাষ্ট্ৰই নিজে উদ্যোগ লৈ ব্যৱস্থাটোৰ আমোল সংস্কাৰ সাধনৰ জৰিয়তে সমস্যা সমূহ সমাধান কৰি শান্তি প্ৰতিষ্ঠা কৰিব পাৰে আৰু ইয়াকে কৰাটো ৰাষ্ট্ৰৰ নৈতিক দায়িত্ব আৰু কৰ্ত্তব্য। কিন্তু এই শুভবুদ্ধিৰ উদয় ভাৰত ৰাষ্ট্ৰৰ হোৱা নাই। বৃটিছ সাম্ৰাজ্যবাদী শোষকৰ ঐতিহ্যবহনকাৰী ভাৰত ৰাষ্ট্ৰই বিভিন্ন গণ সংগ্ৰামবোৰ, জাতীয় অধিকাৰৰ প্ৰশ্নবোৰ হৃদয়ংগম কৰিব পৰা নাই। গতিকে এই ব্যৱস্থাত বিপ্লৱ, বিদ্ৰোহ অৱশ্যম্ভাৱী হৈ পৰিছে। ভাৰত ৰাষ্ট্ৰই জনগণৰ সকলো ক্ষমতা কেন্দ্ৰীভূত কৰি কুক্ষিগত কৰিছে, তাৰ বিপৰীতে সমাজত সামগ্ৰিক শান্তি প্ৰতিষ্ঠাও কৰিব পৰা নাই, নাগৰিকক প্ৰাপ্য গণতান্ত্ৰিক অধিকাৰো দিব পৰা নাই আৰু সুষম প্ৰগতিৰ সোৱাদো দিব পৰা নাই। তেনে স্থলত কি যুক্তিত নাগৰিকে ভাৰত ৰাষ্ট্ৰৰ প্ৰতি অহেতুক দায়বদ্ধ হৈ থাকিব? কি যুক্তিত ভাৰত ৰাষ্ট্ৰই সকলো ক্ষমতা কেন্দ্ৰীভূত ভাৱে কুক্ষিগত কৰি ৰাখিব? চৰকাৰে যি নিকৃষ্ট কূট-কৌশল আৰু দমনমূলক নীতিৰে অসমৰ ৰাইজৰ জাতীয় অধিকাৰ খৰ্ব কৰি অসমত ঔপনিবেশিক শাসন চলাই আহিছে, যি অস্ত্ৰ সংঘাতৰ পৰিৱেশ ৰচনা কৰিছে তাৰ পৰিণতিত যিমান অমূল্য মানৱ জীৱনৰ হানি হৈছে, এই সমগ্ৰ নৰমেধ যজ্ঞৰ বাবে চৰকাৰেই একমাত্ৰ দায়ী।

ইফালে নিজকে বিশ্বৰ বৃহত্তম গণতান্ত্ৰিক ৰাষ্ট্ৰ বুলি জাহিৰ কৰি ফুৰা ভাৰত ৰাষ্ট্ৰখন যে এতিয়া আমেৰিকা যুক্তৰাষ্ট্ৰৰ চামচাত পৰিণত হৈছে তাক বিশ্বৰ গণতান্ত্ৰিক সমাজে বুজি উঠিছে। সেই বাবেই ভাৰত ৰাষ্ট্ৰই পোষকতা কৰা ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধানৰ প্ৰাৰ্থীজন শোচনীয়ভাৱে পৰাজিত হ'ল। আনহাতে ৰাষ্ট্ৰসংঘৰ জেনেভা কাৰ্যালয়ত অলপতে 'আসাম ৱাচ'ৰ কৰ্মকৰ্তাক অসমৰ সাৰ্বভৌমত্বৰ বিষয়ত বক্তব্য ৰাখিবলৈ অনুমতি প্ৰদানৰ ঘটনাটো অসম জাতীয় মুক্তি সংগ্ৰামলৈ এক স্বীকৃতি বুলিও ক'ব পাৰি।

ভাৰত ৰাষ্ট্ৰই নিজৰ ফোপোলা জৰাজীৰ্ণ ধঁকুৱা অৰ্থনীতিক তথা কথিত বিশ্বৰ চতুৰ্থ বৃহত সামৰিক শক্তিৰে সৰহ দিনলৈ ঢাকি ৰাখিব নোৱাৰে। ফুটা বাকচত বিয়াগোম তলাৰ কি অৰ্থ থাকিব? ভাৰত ৰাষ্ট্ৰৰ গুৰু আমেৰিকাৰো ভিতৰুৱা অৰ্থনৈতিক অৱস্থাৰ অৱনতি ঘটিছে। দুখীয়া, গৃহহীন নাগৰিকৰ সংখ্যা আমেৰিকাত দিনে দিনে বাঢ়িছে। এতিয়া আমেৰিকাই ডকাইতি নকৰাকৈ চলিব নোৱাৰে, যুদ্ধ নহ'লে সি উপায়বিহীন, তাক অন্যায় কৰিবলৈ সুযোগ লাগে। মানৱ অধিকাৰ ভংগৰ, আন্তঃৰাষ্ট্ৰীয় নিয়ম ভংগৰ, ৰাষ্ট্ৰসংঘক অৱমাননা কৰাৰ ভালেমান অভিযোগৰ আঙুলি আমেৰিকাৰ ফাললৈকো উঠিছে।

মানৱ অধিকাৰৰ 2nd Optional Protocol সম্পৰ্কীয় চনদখন, যিখনত 'ৰাষ্ট্ৰৰ দ্বাৰা মৃত্যুদণ্ড প্ৰদান উঠাই লোৱা' বিষয়টো আছে, তাত আমেৰিকাই এতিয়ালৈকে স্বাক্ষৰ কৰিবলৈ সাহস কৰা নাই — মুখেৰে নিজকে যিমানেই গণতান্ত্ৰিক বুলি ঘোষণা নকৰক লাগে। ইয়াৰ বিপৰীতে চুইজাৰলেণ্ড, নেদাৰলেণ্ড জাতীয় সৰু সৰু কেইবাখনো ক্ষুদ্ৰ দেশে এই বিষয়বোৰত মানৱ



OKDISCD

অধিকাৰৰ পতাকাখন তুলি ধৰিবলৈ সক্ষম হৈছে ।

বিশ্ব পৰিস্থিতি কেতিয়াও একে ৰূপত চিৰস্থায়ী হৈ নাথাকে, ইয়ো পৰিৱৰ্তনৰ নিয়মৰ বাহিৰত নহয় । বেলি নুডুবা বৃটিছ সাম্ৰাজ্যও এদিন ভাঙি গ'ল । চুপাৰ পাৱাৰ চোভিয়েট ইউনিয়নো খহি পৰিল । বৰ্তমানে চলি থকা এই মাৰ্কিন একছত্ৰী অধিপত্যৰো পতন ঘটিব । ইতিমধ্যে তাৰ মৃত্যু ঘন্টা বাজিব লাগিছে, আমেৰিকাৰ ক্ষয়িষ্ণু অৰ্থনীতিৰ পৰিৱৰ্তে চীনৰ অৰ্থনৈতিক সমৃদ্ধিয়ে আমেৰিকাৰ টোপনি হৰণ কৰিছে । চীনৰ অৰ্থনৈতিক বিকাশ এই গতিত চলি থাকিবলৈ হ'লে অতি সোনকালেই চীনে বিশ্ব অৰ্থনীতিক নিয়ন্ত্ৰণ কৰিবলৈ সমৰ্থ হ'ব বুলি অৰ্থনৈতিক পৰ্য্যবেক্ষণ বিলাকে দেখুৱাইছে ।

এই যে মাৰ্কিন আধিপত্যৰ পতন ঘটিব তাৰ লগতে তাৰ সাংগোপাংগ চামচাবিলাকৰো পতন ঘটিব । ভাৰত ৰাষ্ট্ৰৰো দুৰৱস্থা হ'ব । তাৰ পৰা পৰিত্ৰাণ পাবলৈ সি আৰু বেছি অগণতান্ত্ৰিক, বৰ্বৰ আৰু ফেচিষ্ট ৰূপত অৱতীৰ্ণ হ'ব । ক্ষুদ্ৰ জাতিসমূহ, গণতান্ত্ৰিক আন্দোলন সমূহৰ ওপৰত বেছি কঠোৰ স্থিতি ল'ব । তাৰ মাজেদিয়েই অসমকে ধৰি প্ৰান্তীয় ক্ষুদ্ৰ জাতিসমূহৰ ওপৰত ই চলাই অহা ঔপনিবেশিক শাসন অধিক স্পষ্ট ৰূপত জিলিক উঠিব । এই বিলাকৰ প্ৰতিক্ৰিয়াত নিপীড়িত জনগণৰ ঐক্যবদ্ধ গণ-সংগ্ৰামৰ সমুখত এদিন সি হাৰি যাবলৈ বাধ্য হ'ব । তাৰ মাজেদিয়েই ক্ষুদ্ৰ জাতিসমূহৰো জাতীয় অধিকাৰ প্ৰাপ্তি হ'ব । গতিকে এতিয়া মুক্তিকামী ৰাইজৰ বাবে প্ৰয়োজন হৈছে গণসংগ্ৰামক বিস্তাৰিত আৰু সু-সংগঠিত কৰাৰ ।০০০

# জাতীয় শ্বহীদ শিশুৰাম শইকীয়াৰ পবিত্ৰ স্মৃতিত একাঁজলি অশ্ৰু-অঞ্জলি

প্ৰতুল শইকীয়া
নগাবাট

প্ৰকৃত বিপ্লৱীয়ে মৃত্যুলৈ ভয় নকৰে, স্বদেশ প্ৰেমীৰ শেষ আশ্ৰয় মৃত্যু, এই মৃত্যুৰে কিন্তু পৰাজয় নুবুজায়, ই বিজয়ৰ পৰিচয়হে । মানুহৰ মৃত্যু এটা চিৰন্তন সত্য । জন্ম ল'লে এদিন মৃত্যু হ'বই । তথাপিও কিছুমান মৃত্যু পৰ্বততকৈও গধুৰ । ২৮ বছৰীয়া শিশুৰাম শইকীয়াৰ অতি কৰুণ, অসহ্যকৰ মৃত্যুও ঠিক পৰ্বততকৈও গধুৰ । সেই বাবেই সমগ্ৰ দৈয়াং অঞ্চলৰ ৰাইজৰ হৃদয়ে আজি কান্দি উঠিছে । স্বদেশ আৰু স্বজাতিৰ বাবে নিজৰ জীৱন উচৰ্গা কৰা শিশুৰাম শইকীয়াক ছাত্ৰ অৱস্থাতে লগ পাইছিলোঁ । তেতিয়াই তেওঁৰ দেশ আৰু জাতিৰ প্ৰতি থকা গভীৰ ভালপোৱা মই বুজি পাইছিলোঁ । তেওঁ শোষণ, নিষ্পেষণ, বৰ্ণ বিদ্বেষ, সাম্প্ৰদায়িক সংঘৰ্ষ, কু-সংস্কাৰ, নাৰী নিৰ্যাতন, যৌতুক প্ৰথা আৰু অপ সংস্কৃতিৰ উদভ্ৰান্ত ৰূপ দেখিও মাত মতাৰ নৈতিকতা সমাজত আজি হ্ৰাস পোৱা বুলি উল্লেখ কৰিছিল । অসম আজি প্ৰতিহিংসাৰ ইন্ধনেৰে প্ৰজ্বলিত লেলিহান দাবাগ্নিত দগ্ধ । হিংসাৰ প্ৰতিযোগিতাৰ উন্মাদনাত অসম আজি উন্মত্ত । অসমৰ ৰাজনীতি আজি বৈষয়িক প্ৰতিযোগিতাৰ বলি । দেশৰ চৌদিশে হাহাকাৰ প্ৰতিধ্বনি । অসমী আই বিদেশী বাহুবন্ধনত শ্বাসৰুদ্ধ, লুইতৰ বুকুত কেঁচা তেজৰ দাগ আৰু গোন্ধ । তেওঁ ছাত্ৰ অৱস্থাতে এখন সভাত বক্তব্য আগবঢ়াইছিল । সমাজৰ প্ৰত্যেক ক্ষেত্ৰতে আগবঢ়া আৰু সকলোৰে লগতে মিলি হাঁহি মুখে থকা শিশুৰাম শইকীয়াৰ ব্যক্তিত্বক কোনেও বেয়া নাপাইছিল । বিহু নচা, বিহু নাম গোৱা, ঢোল বজোৱাৰ উপৰি বিহু বুলিলে শিশুৰাম বলিয়া আছিল । গাঁৱৰ ল'ৰা বুঢ়া ডেকা সকলোৰে তেওঁক শ্ৰদ্ধাও কৰিছিল ।

সেইজন শিশুৰাম শইকীয়া আজি আৰু আমাৰ মাজত নাই । যি দেশ আৰু জাতিৰ বাবে নিজৰ জীৱন উচৰ্গা কৰি গ'ল । ২০০৬ চনৰ ২ অক্টোবৰ তাৰিখে লক্ষীমপুৰত আৰক্ষীয়ে শিশুৰামক খেদি খেদি ৰাজপথতে গুলীয়াই হত্যা কৰিলে ।

অভাৱনীয় ভাৱে ২ অক্টোবৰত সেই মৰ্মান্তিক খবৰটো পাইছিলো । খবৰটো শুনিয়েই চকুৰ পানীৰে বাট নেদেখা হৈছিলোঁ । চকুৰ পানী টুকাৰ বাহিৰে একো কৰিব পৰা নাছিলো । নিজকে অকণো সান্ত্বনা দিব পৰা নাছিলো । কাৰণ নিজেই মই বহু ঘাত-প্ৰতিঘাত পাই আহিছো । দুখ, শোকত জৰ্জৰিত ঘৰখনো আৰু স্থানীয় যুৱক-যুৱতীসহ ৰাইজখনো সেইদিনা সকলোৱে হৃদয় বিদাৰি কান্দিছে - শিশুৰাম আজি আৰু আমাৰ মাজত নাই । সময় বৰ নিষ্ঠুৰ । সময়ে তেওঁক চিৰদিনৰ বাবে আমাৰ মাজৰ পৰা কাঢ়ি লৈ গ'ল । তেওঁৰ বিদেহী আত্মাই চিৰশান্তি লাভ কৰক তাৰে কামনাৰে আজি ৰাজহুৱা আদ্যশ্ৰাদ্ধৰ পবিত্ৰ স্মৃতিত একাঁজলি অশ্ৰু অঞ্জলিৰে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছো ।০০০

শিশুৰাম অমৰ হওক ॥
জয় আই অসম ॥

# তেল সম্পদ ঃ অসমবাসীৰ স্বাৰ্থত ব্যৱহাৰ নিশ্চিত কৰিম কেনেকৈ

সত্যেন শৰ্মা

পেনচিলভেনীয়া নামৰ ঠাইত পৃথিৱীৰ সৰ্বপ্ৰথম খাৰুৱা তেলৰ আৱিষ্কাৰ হোৱাৰ মাত্ৰ সাত বছৰৰ পাছতেই ১৮৬৬ চনত অসমৰ ডিগবৈত ভাৰতবৰ্ষৰ প্ৰথম খাৰুৱা তেলৰ সন্ধান পোৱা গৈছিল। এনেকৈ ১৯৬০ চনলৈকে অসমেই একমাত্ৰ ৰাজ্য আছিল, য'ত ভাৰতৰ খাৰুৱা তেল উত্পাদন হৈছিল। কিন্তু ১৯৬০ চনৰ পৰা গুজৰাটৰো স্থলভাগত খাৰুৱা তেল উটপাদন আৰম্ভ হ'ল। সেয়ে হয়তো ১৯৬২ চনত ভাৰত চৰকাৰে তেতিয়াৰ অসমখনক চীনাসকলক এৰি দিবলৈ কুণ্ঠাবোধ কৰা নাছিল। কিন্তু ছোভিয়েট দেশৰ কৃপাত সেইবাৰলৈ অসম চীনৰ হাতলৈ নগ'ল যদিও, ভাৰত চৰকাৰে অসম তথা উত্তৰ-পূৰ্বাঞ্চলত কোনো গুৰু উদ্যোগ আদি পাতি মূলধন বিনিয়োগ নকৰিবৰ কাৰণে নীতিগত সিদ্ধান্ত ল'লে। ফলত প্ৰাকৃতিক সম্পদেৰে ভৰপূৰ এই অঞ্চলত যোৱা ইমান বছৰে কোনো মূলধনৰ বিনিয়োগ নহ'ল, উদ্যোগীকৰণ নহ'ল আৰু উত্তৰ পূৰ্বাঞ্চল হৈ পৰিল ভাৰত চৰকাৰৰ কাৰণে কেঁচামালৰ উটস আৰু পণ্য দ্ৰব্যৰ বজাৰ মাত্ৰ। তথাকথিত স্বাধীনতাৰ পাছত অসমে পোৱা প্ৰত্যেকটো তেল শোধনাগাৰ অসমৰ মানুহক ফুচুলাবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে কৰা নূন্যতম বিনিয়োগ মাত্ৰ। অসমৰ খাৰুৱা তেল বাৰাউনীত শোধন কৰাৰ কথা এতিয়া বহুত পুৰণি হ'ল। সৌ সিদিনাও কেন্দ্ৰীয় চৰকাৰে অসমৰ ৰাইজৰ চকুত ধূলি দি লুপ লাইনেৰে বাৰাউনীলৈ অতিৰিক্ত খাৰুৱা তেল বোৱাই নিয়াৰ ব্যৱস্থা কৰি দিলে।

তৈল ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে অসমক কেনেকৈ শোষণ কৰি আছে তাৰ বিশদ আলোচনালৈ নগৈ কেইটামান পৰিসংখ্যাই যথেষ্ট। ১৯৪৭ চনৰ পৰা ভাৰত চৰকাৰে অসমৰ তেল পথাৰ সমূহৰ পৰা এতিয়ালৈকে মুঠ এশ চল্লিশ নিযুত টন খাৰুৱা তেল আহৰণ কৰিলে, যাৰ বৰ্তমান মূল্য আন্তৰ্জাতিক বজাৰত মূল্য হ'ল পচপন্ন হাজাৰ কোটি টকা। তাৰ বিপৰীতে অসমে ৰয়েল্টি পালে মাত্ৰ পোন্ধৰ শ কোটি টকাহে। ১৯৭০ চনৰ পৰা ১৯৮৯ চনৰ মাজৰ এই সময়ছোৱাতে পোন্ধৰ হাজাৰ নিযুত ঘনমিটাৰ প্ৰাকৃতিক গেছ জ্বলাই শেষ কৰি দিয়া হ'ল, যাৰ মূল্য বৰ্তমান পঁচিশ হাজাৰ কোটি টকা। অথচ, অসমত গেছ ভিত্তিক কোনো উদ্যোগ গঢ়ি নুঠিল। এইবোৰকে দাবী হিচাপে লৈ উত্তৰ-পূৰ্বাঞ্চলত যেতিয়া একোটা আন্দোলন আৰম্ভ হয়, তেতিয়া খাৰুৱা তেল উট পাদন কৰা কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিষ্ঠান দুটাই অসমৰ ৰাইজক এনে জ্ঞান দিব খোজে যে আজি উট পাদন নকৰা তেলখিনি যেন কোনোদিনেই উট পাদন নহ'ব। কেন্দ্ৰীয় চৰকাৰেও এনে প্ৰচাৰ আৰম্ভ কৰে যে, যিখন দেশত বছৰি ষাঠি সত্তৰ নিযুত টন খাৰুৱা তেলৰ প্ৰয়োজন, তাত অসমৰ পৰা উট পাদন হোৱা পাঁচ/ছয় নিযুত টনৰ কোনো মূল্যই নাই। কিন্তু সেই 'মূল্যহীন' তেলখিনি অৱৰোধ কৰি ৰাখোঁতেই ১৯৮০ চনত ভাৰত চৰকাৰে শান্তিপূৰ্ণ পিকেটিংকাৰীক গুলীয়াই হত্যা কৰিও অসমৰ পৰা খাৰুৱা তেল উলিয়াই নিছিল। ভাৰতবৰ্ষৰ আশী কোটি জনসংখ্যাৰ কাৰণে অসমৰ ছয় নিযুত টন খাৰুৱা তেলৰ মূল্যতকৈ অসমৰ দুই কোটি মানুহৰ কাৰণে এই ছয় নিযুত টন খাৰুৱা তেলৰ মূল্যায়ণ অসমীয়াৰ দৃষ্টিকোণৰ পৰাহে কৰিব লাগে।

যোৱা সাতচল্লিচ বছৰত মুঠ পঁচিশ হেজাৰ নিযুত ঘনমিটাৰ প্ৰাকৃতিক গেছ জ্বলাই শেষ কৰি দিয়াৰ পাছত এতিয়া ব্যক্তিগত খণ্ডত অসমত এটা গেছ ক্ৰেকাৰ প্ৰকল্প হ'ব বুলি ঘোষণা কৰা হৈছে। মুক্ত অৰ্থনীতিৰ ফলত যি সময়ত আমদানীকৃত পেট্ৰ'ৰাসায়নিক সামগ্ৰী উত্তৰ প্ৰদেশ, গুজৰাটত উট পাদন কৰা সামগ্ৰীতকৈ সস্তা হৈ পৰিছে, সেই সময়ত এটা ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানে তিনি হাজাৰ কোটি টকা খৰচ কৰি অসমত গেছ ক্ৰেকাৰ পাতিব খোজা কথাটোৰেই আচহুৱা যেন লগা কথা। ৰাজনীতি কৰা সকলে হয়তো ভাৰতৰ প্ৰধানমন্ত্ৰীৰ হতুৱাই আধাৰ শিলা পৰ্যন্ত প্ৰতিষ্ঠা কৰিব। কিন্তু ৰিলায়েন্স নামৰ কোম্পানীটোৱে যে সেই আপাহতে চেয়াৰ বজাৰৰ কিছু মোটা অংকৰ ধন সংগ্ৰহ কৰি উধাও নহ'ব,

OKDISCD

কোনে জানে ? আই বি পি নামৰ কোম্পানীটোৱে নুমলীগড় শোধনাগাৰত একাৱন্ন শতাংশ অংশ ল'ম বুলি চেয়াৰ বজাৰৰ পৰা দুশ কোটি টকা মূলধন গোটালে আৰু এতিয়া যিমানখিনি পৰা যায় নুমলীগড় শোধনাগাৰৰ অংশ অন্য যিকোনো কোম্পানীক দি আৰামত থাকিব বিচাৰিছে । ৰিলায়েন্সৰো যে উদ্দেশ্য একে নহয় কোনে ন দি ক'ব পাৰিব ?

বঙাইগাঁও শোধনাগাৰ স্থাপন কৰিব খোজোঁতে তাত এটা নেপথা ক্ৰেকাৰ পতাৰ কথা আছিল । কিন্তু 'ইন্দিৰাই ইণ্ডিয়া' বুলি কোৱা এজন পে'ট্ৰলিয়াম মন্ত্ৰী সেই সময়ত অসমৰ পৰাই কেন্দ্ৰত থকা সত্ত্বেও বঙাইগাঁৱত নেপথা ক্ৰেকাৰ নহৈ হ'লগৈ গুজৰাটত । সেয়ে নোহোৱা হ'লে হয়তো আজি গুজৰাটত হোৱাৰ দৰে অসমতহে ভটিয়নী উদ্যোগীকৰণ হ'লহেতেন । এতিয়াও নুমলীগড় শোধনাগাৰৰ উট পাদক নিৰ্ণয় কৰোঁতে অসমত এটোপাল নেপথাৰ প্ৰত্যক্ষ ব্যৱহাৰ নথকা সত্ত্বেও পে'ট্ৰল উট পাদন নকৰাকৈও নেপথাৰ উট পাদন যিমান পৰা যায় বঢ়াবলৈ আঁচনি লোৱা হৈছে । কাৰণ, অসমৰ শোধনাগাৰৰ পৰা নেপথা নাপালে যে হালদিয়াত পে'ট্ৰৰাসায়নিক প্ৰকল্প পতা সম্ভৱ নহ'ব ।

এনেকুৱা হাজাৰটা উদাহৰণেৰে ক'ব পাৰি যে কেন্দ্ৰীয় চৰকাৰে অসমৰ খাৰুৱা তেলখিনিৰ ওপৰত শোষণ কৰাৰ বাহিৰে অন্য কোনো উদ্দেশ্য নাই । ইমান বছৰে আমাৰ অজ্ঞতাৰ সুবিধা লৈ কেন্দ্ৰীয় চৰকাৰে অসমক ঠগিলে আৰু আমাৰ অসমতে ৰাজনৈতিক নেতাসকলে সকলো জানি বুজিও নিজে 'ভাৰত শিৰোমণি' হোৱাৰ আশাত চকু মুদি থাকিল । কিন্তু এতিয়া অসমৰ জনসাধাৰণেই কোৱাৰ সময় আহিছে যে যি হ'ল সিমানেই, ইয়াৰ পিচত আৰু নহ'ব । কাৰণ এনেদৰে সদায় চলি থাকিবলৈ দিলে, যিদিনাই অসমৰ খাৰুৱা তেল বা অন্য প্ৰাকৃতিক সম্পদবোৰ নিঃশেষ কৰিব, সেই দিনাই চীন বা অন্য কোনো বিদেশী ৰাষ্ট্ৰৰ হাতত অসমখন ভাৰত চৰকাৰে গতাই দিব । ভাৰত চৰকাৰে অসমক বচোৱাৰ কাৰণে ভাৰতীয় সেনাৰ মৃত্যু হ'বলৈ নিদিয়ে । নিৰস্ত্ৰ অসমীয়া মানুহ মাৰিবৰ কাৰণেহে ভাৰতীয় সেনাৰ ব্যৱহাৰ কৰে ।

পৰিতাপৰ কথা যে- অসমত অতীতত আৰু বৰ্তমানে ঘটি থকা ঘটনাবোৰৰ পৰাই আমাৰ কাষৰীয়া পাহাৰীয়া ৰাজ্যকেইখনৰ ৰাইজে শিক্ষা লৈছে । কিন্তু আমি আজিও একো নিশিকিলোঁ । আমি মিটাৰ গজৰ ঠাইত ব্ৰডগজ ৰেল লাইন বিচাৰোঁ । কিন্তু মেঘালয়ৰ ৰাইজে আজিও ৰেল লাইন নালাগে বুলিহে কৈছে । আমি অসমত খাৰুৱা তেলৰ উট পাদন বঢ়াৰ লগে লগে আৰু তেল শোধনাগাৰ লাগে বুলি বা ৰয়েল্টি বঢ়াব লাগে বুলিহে দাবী কৰোঁ । কিন্তু নাগালেণ্ডে অ' এন জি চি ক খাৰুৱা তেলৰ উট পাদন বন্ধ কৰিবলৈহে কৈছে । আজি এমেৰিকাৰ নিচিনা দেশে নিজৰ তেল পথাৰ সমূহৰ খাৰুৱা তেল ভৱিষ্যতৰ কাৰণে মজুত ৰাখি বিদেশৰ পৰা আমদানি কৰিছে, যাতে পৃথিৱীৰ অন্য সকলো দেশত খাৰুৱা তেল শেষ হৈ যোৱাৰ পিছতো টিঘিল ঘিলাই থাকিব পাৰে । আমি অসমৰ আত্মনিয়ন্ত্ৰণৰ যিমানেই দাবী নকৰোঁ লাগিলে, প্ৰাকৃতিক সম্পদবোৰ শেষ হৈ যোৱাৰ পাছত তেনে আত্মনিয়ন্ত্ৰণৰ কোনো মূল্য নাথাকিব । আজি যি হাৰত অসমৰ প্ৰাকৃতিক সম্পদৰ লুণ্ঠন চলিছে, তাৰ লৈ লক্ষ্য কৰিলে এনে ভাৱ হয় যেন তেল, গেছ, কয়লা, বনজ সম্পদ আদি সকলো নিঃশেষ কৰাৰ পাছত হয়তো ভাৰত চৰকাৰে নিজেই অসমখন এৰি দিব পাৰে । সেয়ে অসমৰ ৰাইজে আজি আত্মনিয়ন্ত্ৰণ, স্বাধীনতা আদি শব্দবোৰ আওঁৰোৱাৰ লগে লগে পাছৰ পৰ্যায়ৰ কাৰণেও চিন্তা কৰিব লাগিব । খাৰুৱা তেল, কয়লা, আদি যিবোৰ ক্ষয়িষ্ণু সম্পদ, সেইবোৰৰ সংৰক্ষণৰ কাৰণে চেষ্টা কৰিব লাগিব । অবাবত জ্বলাই শেষ কৰি দিয়া পঁচিশ হাজাৰ নিযুত ঘনমিটাৰ প্ৰাকৃতিক গেছ অসমে কাহানিও ঘূৰাই নাপায় ।

খাৰুৱা তেলৰ সম্পৰ্কত ভৱিষ্যত কাৰ্যপন্থা নিৰ্ণয় কৰোঁতে কেইটামান মূল কাৰিকৰী কথা সকলোৰে জনা প্ৰয়োজন । আমাৰ সৰ্বসাধাৰণৰ এটা ধাৰণা আছে যে মাটিৰ তলত থকা খাৰুৱা তেল বা গেছখিনি এতিয়াই উটপাদন নকৰিলে সি কোনোবা এদিন মাটিৰ তলে তলে গৈ কোনোবাখন পাবগৈ । আচলতে এনে নহয় । খাৰুৱা তেল আৰু প্ৰাকৃতিক গেছ মাটিৰ তলত একোটা নিৰ্দ্ধাৰিত সীমাৰ ভিতৰত থাকে, যাক ৰিজাৰ্ভয়ৰ বুলি কোৱা হয় । এই ৰিজাৰ্ভয়ৰ ভিতৰতেই আকৌ বহুতো প্ৰাকৃতিক কোঠালি থাকে, যাৰ ইটোৰ লগত সিটোৰ সম্পৰ্ক নাথাকে আৰু খাৰুৱা তেল আৰু প্ৰাকৃতিক গেছ সৰকিব নোৱাৰা শিলেৰে আবৃত্ত হৈ থাকে । ভূ-গৰ্ভত বহু নিযুত বছৰ চাপ আৰু তাপত প্ৰাকৃতিক প্ৰক্ৰিয়াৰ যোগেদি তেল আজিৰ পৰ্যায় পাইছেহি, সি একে বছৰতে নাইকিয়া হ'ব বুলি কোনোবাই ধাৰণা কৰাও ভুল । গতিকে বছৰৰ পাছত বছৰ এই কোঠালিবোৰৰ পৰা তেল উট পাদন নকৰিলেও কোনো ক্ষতি নাই । বৰঞ্চ কেতিয়াবা উপকাৰহে হয় । যিবোৰ ৰিজাৰ্ভয়ৰত খাৰুৱা তেল উট পাদনৰ মূল চালিকা শক্তি ইয়াৰ তলতে থকা পানীৰ ভাণ্ডাৰ, সেইবোৰ ৰিজাৰ্ভয়ৰত থকা তেল খাদবোৰৰ পৰা উট পাদন কিছু বছৰ বন্ধ কৰি ৰাখিলে খাৰুৱা তেলৰ উট পাদন পৰৱৰ্তী বছৰত বৃদ্ধিহে পায় । উদাহৰণ স্বৰূপে, খাৰুৱা তেল অৱৰোধৰ কালছোৱাত উজনী

অসমৰ এনে বহু খাদ বন্ধ কৰি থোৱাৰ কাৰণে পাছৰ বছৰবোৰত সেই খাদবোৰৰ পৰা তেল উট পাদন যথেষ্ট বৃদ্ধি পাইছিল ।

অন্য এটা গুৰুত্বপূৰ্ণ কথা হ'ল যে, কোনো আন্দোলন আদিৰ কাৰণে অসমৰ তেল পথাৰ সমূহৰ পৰা উট পাদন বন্ধ হ'লে চৰকাৰে বাতৰি কাকতৰ যোগে প্ৰচাৰ কৰে কিমান টকা অসমে ৰয়েল্টি লোকচান কৰিলে আৰু কিমান টকা তেল কোম্পানীৰ লোকচান হ'ল । নাগালেণ্ডত খাৰুৱা তেলৰ উট পাদন বন্ধ কৰাত অ' এন জি চিয়ে যিটো বাতৰি আজি কেইদিনমান আগতে প্ৰকাশ কৰিছে তাতেই কৈছে যে, যোৱা চাৰি মাহত নাগালেণ্ড চৰকাৰৰ 'লোকচান' হৈছে মাত্ৰ এক কোটি ত্ৰিশ লাখ টকা আৰু অ' এন জি চিৰ লোকচান হৈছে এশ চৌৰাশী কোটি টকা । অ' এন জি চিয়ে প্ৰকাশ কৰা তথ্যৰ পৰাই খাৰুৱা তেলৰ ওপৰত চলা কেন্দ্ৰীয় চৰকাৰৰ শোষণৰ স্বৰূপটো ধৰা পৰে । তেল কোম্পানীবোৰৰ লোকচান মানি ল'লেও তেল উট পাদন  কৰা ৰাজ্যখনৰ কাৰণে সি 'লোকচান' বুলি ক'ব নোৱাৰি । কাৰণ আজি উট পাদন নকৰা খাৰুৱা তেল আৰু গেছখিনি কালিলৈ উট পাদন হ'ব । গতিকে আজি ৰয়েল্টি নাপালে বুলি সি সদায়ৰ কাৰণে লোকচান নহয় । এফালৰ পৰা মন কৰিলে ই ৰাজ্যখনৰ কাৰণে লাভহে । কিয়নো উটপাদন দেৰিকৈ হোৱা মানে তাৰ মূল্য বৃদ্ধিহে পাব ।

যিখিনি খাৰুৱা তেল আৰু কয়লা আজি ভাৰত চৰকাৰে সামান্য ৰয়েল্টি দি অসমৰ বাহিৰলৈ নি আছে, সেইখিনিয়েই এসময়ত অৰ্থনীতিৰ ভেটিস্বৰূপ হ'ব পাৰে । কিন্তু আমি আজি নাগালেণ্ডে কৰাৰ দৰে খাৰুৱা তেলৰ উট পাদন সম্পূৰ্ণ বন্ধ কৰি দিয়াটোও যুক্তিসংগত নহ'ব । কাৰণ আমাৰ নিজৰ প্ৰয়োজনখিনিও আনে দি থাকক বুলি কোৱাটো আত্মনিয়ন্ত্ৰণৰ দাবীৰে পৰিপন্থী হ'ব । গতিকে আমি, ভাৰত চৰকাৰৰ ওচৰত এনে দাবী নিশ্চয় কৰিব পাৰোঁ যে-

(১) অসম বা উত্তৰ-পূৰ্বাঞ্চলত প্ৰয়োজন হোৱা তেলখিনিহে উট পাদন কৰিব পাৰিব । বাৰাউনী শোধনাগাৰৰ কাৰণে অসমৰ খাৰুৱা তেল উটপাদন কৰিব নোৱাৰিব ।

(২) খাৰুৱা তেলৰ পৰা ওলোৱা শোধিত তেল যেতিয়া বজাৰত আন্তৰ্জাতিক মূল্যত বিক্ৰী হয়, আমাকো খাৰুৱা তেলৰ মূল্য আন্তৰ্জাতিক বজাৰ দৰত দিব লাগিব ।

(৩) প্ৰাকৃতিক গেছ অবাবত জ্বলাব নোৱাৰিব, আৰু প্ৰয়োজন হ'লে প্ৰাকৃতিক গেছৰ ব্যৱহাৰৰ লগত সংগতি ৰাখি খাৰুৱা তেল উট পাদন হ্ৰাস কৰক ।

(৪) যিকোনো কাৰণতেই প্ৰাকৃতিক গেছ কোনো ব্যৱহাৰ নোহোৱাকৈ  জ্বলালে সেই গেছখিনিৰ কাৰণে আন্তৰ্জাতিক বজাৰৰ মূল্যত ক্ষতিপূৰণ দিব লাগিব । উল্লেখযোগ্য যে বৰ্তমান জ্বলাই দিয়া গেছৰ ওপৰত ভাৰত চৰকাৰে ৰয়েল্টিও নিদিয়ে ।

এইখিনি দাবী ভাৰত চৰকাৰে সহজে মানি নলয় সি ধ্ৰুৱপ । কিয়নো তেতিয়াহ'লে অসমখন ভাৰতৰ লগত ৰখাৰ কোনো অৰ্থই নাথাকিব ।

*বি. দ্ৰ. - এই প্ৰবন্ধটো ১৯৯৪ চনৰ ছেপ্টেম্বৰ মাহৰ ''আগান''ত প্ৰকাশিত । সেই সময়ৰ তথ্যৰ কিছু সালসলনি ঘটিলেও মূল বিষয়-বস্তুৰ প্ৰতি লক্ষ্য ৰাখি প্ৰবন্ধটো স্মৃতি গ্ৰন্থত পুণৰ প্ৰকাশ কৰা হ'ল ।*

*উল্লেখযোগ্য যে-*

*(১) বৰ্তমান অসমৰ খাৰুৱা তেল কেৱল বাৰাউনীলৈ পাইপ লাইনেৰে বোৱাই নিয়াই নহয় পশ্চিমবঙ্গৰ হলদিয়াত স্থাপন কৰা তেল শোধনাগাৰটোত কেৱল অসমৰ পৰা পাইপ লাইনেৰে বোৱাই নিয়া তেলহে শোধন কৰা হয় ।*

*(২) কেৱল নুমলীগড় তেলশোধনাগাৰত উটপাদন কৰা তেল খিনিয়েই অসমৰ চাহিদা পূৰণ কৰিও বেছি হয় ।*

OKDISCD

# চাৰ্টিফিকেট জ্বলাই শুভাৰম্ভ কৰো সংগ্ৰাম

কবিৰঞ্জন শইকীয়া

নগাঁৱৰ লক্ষীনগৰৰ নিবাসী ইঞ্জিনিয়াৰিঙৰ স্নাতক ডিগ্ৰীধাৰী যুৱক এজনে চাকৰি নাপাই আত্মহত্যা কৰাৰ ঘটনা ঘটিছে। এই ঘটনাটোক এক বিক্ষিপ্ত ঘটনা হিচাপে গণ্য কৰাৰ পৰিৱৰ্তে কিয় উঠি অহা এজন যুৱকে জীয়াই থকাৰ সাহসখিনিও হেৰুৱাই পেলাব লগা হ'ল-তাক গভীৰভাৱে বিশ্লেষণ কৰাৰহে আমি পোষকতা কৰিছোঁ। প্ৰকৃততে প্ৰচলিত শিক্ষা ব্যৱস্থাত শিক্ষাৰ্থী সকলে সুন্দৰ ভৱিষ্যত আশা কৰাটোৱেই ভুল নেকি ? এক বিধবস্ত সমাজ ব্যৱস্থাত আমি কিমান দূৰ পৰ্যন্ত এক সুস্থ শিক্ষা ব্যৱস্থা আশা কৰিব পাৰোঁ ?

প্ৰচলিত শিক্ষা ব্যৱস্থাটো সৃষ্টি কৰা হৈছিল বৃটিছৰ আমোলত। অৰ্থাত বৃটিছ সকলে এই ব্যৱস্থাটো গঢ়ি তোলাৰ সময়ত মূলতঃ দুটা দিশৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল--

(ক) বৃটিছ সাম্ৰাজ্যবাদী লুণ্ঠনক কৌশলেৰে ভাৰতীয়সকলৰ পৰা ঢাকি ৰাখিবৰ বাবে,

(খ) বৃটিছ চৰকাৰৰ অধীনত কাম কৰিব পৰাকৈ কিছুমান ভাৰতীয় কেৰাণী-মহৰী সৃষ্টি কৰিবৰ বাবে।

দুৰ্ভাগ্যজনক কথা এইটোহে যে ভাৰতবৰ্ষৰ তথাকথিত স্বাধীনতাৰ চাৰিটা দশকৰ পিছতো বৃটিছে সৃষ্টি কৰি থৈ যোৱা শিক্ষা ব্যৱস্থাটোৰ দুই-এটা নামমাত্ৰ সংশোধনীৰ বাহিৰে কোনো ধৰণৰ পৰিবৰ্তন সাধন কৰা নহ'ল। 'মেৰা ভাৰত মহান'ৰ দৰে কিছুমান আৱেগিক ভ্ৰান্ত ধাৰণাৰ আঁৰত আজিও কৌশলেৰে চলাই থকা হৈছে সাম্ৰাজ্যবাদী লুণ্ঠন প্ৰক্ৰিয়াটো। কেন্দ্ৰীয় বিদ্যালয়ত পঢ়া অসমৰ ছাত্ৰ-ছাত্ৰীৰ আশী শতাংশই হয়তো লাচিত বৰফুকনক চিনি নাপায়। তেনেহ'লে সত্যজিত ৰায়ে অসম চৰকাৰৰ 'শংকৰদেৱ বঁটা' গ্ৰহণ কৰিও 'কোন শংকৰদেৱ নাজানো' বুলিলেনো কিহৰ জগৰ লাগিল ?

অসমৰ ছাত্ৰ-ছাত্ৰীৰ বাবে অসমৰ শিক্ষাৰে কোনো এটা পাঠ্যক্ৰম মতে অসমৰ চাহপাত, তেল, কয়লাৰ বিষয়ে ব্যৱহাৰিক উপযোগী কোনো এটা পাঠ নাই। কেইজন অসমীয়াই হাজাৰ হাজাৰ টকা খৰচ কৰি বাহিৰত অসমৰ তেল, কয়লাৰ বিষয়ে পঢ়াৰ সুযোগ পাইছে ? দুই-এজনে যদিও পঢ়িছে তেওঁলোকে কাৰ স্বাৰ্থক প্ৰতিনিধিত্ব কৰিছে ? উচ্চতৰ মাধ্যমিকৰ ৰাজনীতি বিজ্ঞানৰ কিতাপত লিখিছে 'লেনিন এজন উকীল আছিল। ৰাছিয়াৰ নিৰ্বাচনত জিকি তেওঁ পিছলৈ ৰাচিয়াৰ নেতা হৈছিল।' যিজনৰ নামটোৱেই বিশ্বৰ হাজাৰ হাজাৰ শোষিত-নিপীড়িত জনগণৰ বাবে আশাৰ প্ৰতীক সেইজন মহান বিপ্লৱীক চিনাকী কৰি দিয়া হৈছে এজন সাধাৰণ উকীল হিচাপে। বিপ্লৱৰ সংজ্ঞা দাঙি ধৰা হৈছে বিকৃতভাৱে। আটাইতকৈ ডাঙৰ কথাটো হ'ল যি ভাৱবাদ আজি মানৱ সভ্যতাৰ বিকাশৰ পথত প্ৰধান বাধা হিচাপে বিবেচিত হৈছে, প্ৰচলিত শিক্ষা ব্যৱস্থাটোও সেই ভাৱবাদৰেই কৌশলেৰে সংযোজন ঘটাই শিক্ষাৰ্থী সকলক কোনোবা অদৃশ্য বিশ্বনিয়ন্তাৰ ওচৰত আত্মসমৰ্পণ কৰিবলৈ শিকোৱা হৈছে। তৃতীয় শ্ৰেণীৰ পাঠ্যপুথিত 'ঈশ্বৰ' কবিতাটো বা শিক্ষানুষ্ঠানত সৰস্বতী পূজা পতাৰ পৰম্পৰাগত বিলাসিতাক আমি এই দৃষ্টিকোণৰ পৰাই গ্ৰহণ কৰিব লাগিব।

প্ৰশ্ন হ'ল, শিক্ষা ব্যৱস্থা একোটাৰ লক্ষ্য কি হোৱা উচিত ? দেশৰ অৰ্থনৈতিক ভেটিটোক সুদৃঢ় কৰিবৰ বাবে শিক্ষা ব্যৱস্থা একোটাই ছাত্ৰ-ছাত্ৰীসকলক উতসাহিত কৰিব লাগে যদিও অসমৰ ছাত্ৰ-ছাত্ৰীৰ মনত কৃষি কৰ্মৰ প্ৰতি আগ্ৰহ জন্মাব পৰা নাই। দেশ একোখনৰ প্ৰগতিৰ স্বাৰ্থত দেশখনৰ শিক্ষা ব্যৱস্থাটোৱে প্ৰতি গৰাকী ছাত্ৰ-ছাত্ৰীকে মানৱ সম্পদ হিচাপে গঢ়ি তোলাৰ দায়িত্বক স্বীকাৰ কৰিবই লাগিব। কিন্তু অসমৰ বেলিকা ছাত্ৰ-ছাত্ৰীক মানৱ সম্পদ হিচাপে গঢ়ি তোলাটো দূৰৰে কথা বৰঞ্চ প্ৰচলিত শিক্ষা ব্যৱস্থাটোৱে যোগ্যতাৰ আনুষ্ঠানিক স্বীকৃতি হিচাপে দিয়া চাৰ্টিফিকেটৰ টোপোলা হাতত লৈ ছাত্ৰ-ছাত্ৰীয়ে অফিচৰ পদূলিয়ে-পদূলিয়ে জীয়াই থকাৰ পথৰ সন্ধানত ঘূৰি ফুৰাটোহে অসমৰ যুৱক-যুৱতীৰ বাস্তৱ প্ৰতিচ্ছবি। কেৱল পঢ়া-শুনা কৰি শিক্ষিত হোৱাৰ নামতেই কিমান বছৰ আমাক দেশৰ অৰ্থনৈতিক উটপাদন প্ৰক্ৰিয়াটোৰ পৰা নিলগাই ৰখা হয় ? তেনেস্থলত এজন ছাত্ৰই ইঞ্জিনিয়াৰিং পাছ কৰাৰ পাছত গাঁৱলৈ ঘূৰি আহি পথাৰত হাল বাবলৈ লাজ কৰিবলৈ কোনে শিকালে ?

মাৰুতিত উঠি টিউচন কৰিবলৈ যোৱা ছাত্ৰ এজন আৰু দিন হাজিৰা কৰি কামৰ মাজতে সময় উলিয়াই পঢ়া-শুনা কৰা ছাত্ৰ এজনৰ ভিতৰত কোনজন কিমান শিক্ষিত-তাক জোখাৰ মাপকাঠি কেতিয়াও একেডালেই হ'ব নোৱাৰে । কিন্তু প্ৰচলিত শিক্ষা ব্যৱস্থাটোত ইঞ্জিনিয়াৰ এজনৰ পুতেক আৰু চাহ বাগানৰ বনুৱা এজনৰ পুতেকৰ ভিতৰত শিক্ষানুষ্ঠানৰ পুথিগত শিক্ষাৰে কোনজন কিমান শিক্ষিত- তাক নিৰূপণ কৰাৰ মাপকাঠি এডালেই । পৰীক্ষাৰ ৰিজাল্ট ঘোষণা কৰাৰ সময়ত কোন গৰাকী ছাত্ৰ বা ছাত্ৰীয়ে কেনে অৰ্থনৈতিক অৱস্থাৰ মাজৰ পৰা পৰীক্ষাত বহিছে -তাক চোৱা হয়নে ? যদি নহয় তেনেহ'লে ছাত্ৰ-ছাত্ৰীৰ পিঠিত প্ৰচলিত শিক্ষাৰ বাবে বছৰে বছৰে যোগ্যতা অযোগ্যতাৰ লেবেল মাৰি দিয়াৰ পৰীক্ষা ব'ৰ্ডৰ কি অধিকাৰ আছে ।?

শ্ৰমিকৰ অনুপস্থিতিত চাহ বাগানৰ মেনেজাৰ এজন বা ইঞ্জিনিয়াৰ এজনৰ ব্যৱহাৰিক কোনো মূল্য নাই । অথচ চাহ বাগানৰ মেনেজাৰ এজনৰ দৰমহা বা তেওঁলোকে পোৱা সা-সুবিধাৰ লগত শ্ৰমিক এজনে পোৱা দৰমহাৰ বা সা-সুবিধা সমান নহয় । এয়াই প্ৰচলিত শিক্ষা ব্যৱস্থাই নিৰূপণ কৰা শ্ৰমৰ মৰ্যাদা । বাস্তৱ সত্য এইটোহে যে প্ৰচলিত ব্যৱস্থাটোৱে দিয়া ডাঙৰ ডাঙৰ ডিগ্ৰীৰ চাৰ্টিফিকেটৰ টোপোলা বাকচত ভৰাই থোৱা তথাকথিত শিক্ষিত এজনতকৈ প্ৰচলিত ব্যৱস্থাটোৱে অশিক্ষিত বুলি ঘোষণা কৰা দিন হাজিৰা কৰি খোৱা শ্ৰমিক এজন বেছি শিক্ষিত ।

শিক্ষা ব্যৱস্থাটোৰ আটাইতকৈ ডাঙৰ দুৰ্বলতা হৈছে ব্যৱহাৰিক ভাৱে এই শিক্ষাৰ কোনো মূল্য নাই । শিক্ষা ব্যৱস্থাটোৰ দুৰ্বলতাৰ এই দিশবোৰৰ ওপৰত যেতিয়াই সৰৱ আলোচনা চলিছে, তেতিয়াই একাংশ বুদ্ধিজীৱীয়ে পৰীক্ষাগৃহত নকল সংস্কৃতি, ছাত্ৰৰ প্ৰতি শিক্ষক-অভিভাৱকৰ দায়িত্ব আদিৰ দৰে কিছুমান তুলুঙা আলোচনাৰে মূল দিশবোৰ এৰাই চলিছে । সমাজ একোখনত প্ৰতিগৰাকী ব্যক্তিৰ চৰিত্ৰই সামগ্ৰিকভাৱে সামাজিক চৰিত্ৰ গঢ়ি তোলে আৰু সামাজিক চৰিত্ৰটোৱে ব্যক্তিৰ চৰিত্ৰ গঠনত সহায় কৰে । সাম্প্ৰতিক বিধবস্ত সমাজ ব্যৱস্থাটোত শুদ্ধ শিক্ষাৰ ধাৰণাটোৱে অবাস্তৱ আৰু সমাজৰ আমূল পৰিবৰ্তন সাধন কৰিবলৈ যাওঁতে ঔপনিবেশিক মানসিকতাৰে পৰিচালিত প্ৰচলিত শিক্ষা ব্যৱস্থাটোৰ এক সৰ্বাত্মক পৰিবৰ্তনৰ বাবেও আমি এখন সংগ্ৰাম কৰিব লাগিব ।

প্ৰচলিত সমাজ ব্যৱস্থাটোত যিহেতু প্ৰকৃত কৰ্মমুখী শিক্ষা আশা কৰাটো ভুল, গতিকে জাতীয় মুক্তি সংগ্ৰামৰ অংশ হিচাপেই শৈক্ষিক দিশটোত প্ৰাথমিকভাৱে আমি কিছুমান কাম-কাজ কৰাৰ প্ৰয়োজনীয়তা আহি পৰিছে । যেনে ঃ

(১) চাৰ্টিফিকেটৰ শিক্ষাৰ অসাৰতা ছাত্ৰ-ছাত্ৰীসকলক বুজাই দিয়াৰ লগতে তেনে শিক্ষা বৰ্জন কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলক উটসাহিত কৰা ।

(২) ছাত্ৰ সমাজৰ ভাৱবাদৰ বিৰুদ্ধেও এখন সংগ্ৰাম গঢ়ি তোলা ।

(৩) কৰ্মমুখী শিক্ষা আঁচনি এলানি জনগণে নিজাববীয়াকৈ প্ৰস্তুত কৰি তাক বাস্তৱায়িত কৰিবলৈ প্ৰচেষ্টা হাতত লোৱা ।

প্ৰচলিত শিক্ষা ব্যৱস্থাটোৱে যোগ্যতাৰ স্বীকৃতি হিচাপে দিয়া চাৰ্টিফিকেট সমূহীয়া ভাৱে জ্বলাই দিয়াৰ জৰিয়তেই আমি এই কাম-কাজসমূহৰ শুভাৰম্ভ কৰিব লাগিব।০০০

*বি. দ্ৰ. -সাম্প্ৰতিক সময়তো অপৰিবৰ্তিত শিক্ষা ব্যৱস্থাৰ প্ৰাসঙ্গিতা অনুভৱ কৰি প্ৰথম বছৰ, অষ্টম সংখ্যা 'আগাম' আলোচনীত পূৰ্ব প্ৰকাশিত লেখকৰ প্ৰবন্ধটো পুনৰ মুদ্ৰণ কৰা হ'ল ।*

OKDISCD

# অধিকাৰ দাবী কৰাটো অপৰাধ নেকি ?

লোকেশ্বৰ গগৈ

ঔপনিৱেশিক, সাম্ৰাজ্যবাদী বৃটিছৰ কু-শাসন, অত্যাচাৰ, শোষণ, বঞ্চনা, লুণ্ঠন, উপীড়ন আদিৰ পৰা পৰিত্ৰাণ পাবলৈ ঐক্যবদ্ধ সংগ্ৰাম/ আন্দোলন কৰি বিদেশী শাসক-শোষকক ভাৰত ভূমিৰ পৰা যাবলৈ বাধ্য কৰাই ১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰতবাসীয়ে তথাকথিত স্বাধীনতা লাভ কৰি বৃটিছ শাসনৰ পৰা মুক্ত হৈ হয়তো ভাবিছিল মহাত্মা গান্ধীৰ কল্পনাৰ ''ৰামৰাজ্য'' খন বাস্তৱতে প্ৰতিষ্ঠা হ'লে দেশখনৰ হাড়ভঙা পৰিশ্ৰম কৰা কৃষক-শ্ৰমিক, দুখীয়া-নিচলা লোকসকলৰ দুৰ্বিষহ কষ্টকৰ জীৱন অন্ত পৰিব; পুঁজিপতি-ধনীক শ্ৰেণীৰ অখণ্ড প্ৰতাপ দূৰহৈ আৰ্থিক সমতা প্ৰতিষ্ঠাহৈ ধনী-দুখীয়াৰ আকাশ-পাতাল প্ৰভেদ নোহোৱা হ'ব। পিছে দেশে স্বাধীনতা লাভ কৰা ৫৯ বছৰৰ পিছতো ধনীয়ে নিৰ্ধনীক, বলবানে দুৰ্বলীক, অস্ত্ৰধাৰীয়ে নিৰস্ত্ৰজনক, শাসকে শাসিতক বিভিন্ন অজুহাতত ভিন্ন সময়ত দমন, উৎপীড়ন চলাই নিজৰ প্ৰতিপত্তি, প্ৰভুত্ব, দখল অব্যাহত ৰাখিছে। ভাৰতে লাভকৰা স্বাধীনতাৰ পৰা এমুঠিমান লোকৰ বাদে গৰিষ্ঠাংশ লোকৰ উপকাৰ নহ'ব বুলি ভাবিয়েই হয়তো বিপ্লৱী বিষ্ণুৰাভাই কৈছিল-'য়ে আজাদী ঝুঠা হায়।'

অসম তথা উত্তৰ-পূৰ্বাঞ্চল যদি ভাৰতবৰ্ষৰ অবিচ্ছেদ্য অংগ হয়, তেনেহ'লে উত্তৰ পূবৰ ৰাজ্য কেইখনে ভাৰত চৰকাৰৰ পৰা সমমৰ্যাদা, সমঅধিকাৰ, সমগুৰুত্ব পোৱা উচিত। পিছে বাস্তৱতে সেয়া নোহোৱা অভিযোগ দীৰ্ঘদিন ধৰি উত্থাপন হৈছে। যদি অসমে সমগুৰুত্ব, সমমৰ্যাদা পালেহেঁতেন, তেনেহ'লে অসমীয়াই খাদ্য, ভাষা, তেল শোধনাগাৰ, গেছ ক্ৰেকাৰ, বিদেশী বহিষ্কাৰ আদিৰ বাবে আন্দোলন/সংগ্ৰাম কৰিব নালাগিলহেঁতেন। গণতান্ত্ৰিক ভাবে আন্দোলন কৰা বহু নিৰস্ত্ৰ অসমীয়াই সেই সময়ত সশস্ত্ৰ সেনা, চি.আৰ.পি.এফ., পুলিচৰ হাতত অকালতে আত্ম-বলিদান দিব লগা হৈছিল কিয় ? অসমৰ বাবে অসম অশান্ত অঞ্চল আইন (১৯৫৬) কিয় আলফা জন্ম নহওঁতেই ৰচনা কৰা হ'ল ? অসম আৰু মণিপুৰৰ বাবে সামৰিক বাহিনী বিশেষ ক্ষমতা আইন (১৯৫৮) ভাৰত চৰকাৰে বৈষম্যমূলক ভাৱে কিয় আৰোপ কৰিলে ? ভাৰতৰ সকলো প্ৰদেশত তেনে আইন বলবট নকৰিলে কিয় ? ভাৰত চৰকাৰে অসমক খীৰতী গাই হিচাপে ব্যৱহাৰ কৰি থকাতো সহ্য কৰিব নোৱাৰিব বুলি অনুভৱ কৰি অসমীয়াৰ প্ৰতিবাদ মষিমূৰ কৰিবলৈ তেনে মাৰাত্মক আইন প্ৰস্তুত কৰিছিল নেকি ? অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ মানুহৰ স্বাধীনচিতীয়া মন, সাহস, জাতীয়তাবোধ, জন্মভূমি প্ৰেম, আত্মসন্মান, বীৰত্ব দিল্লীশ্বৰহঁতে ভালকৈ জানে। এই বাবেই হয়তো এই সুবৃহৎ অঞ্চলটোৰ প্ৰতিবাদী সত্তা অবদমিত কৰি ৰাখিবলৈ কেন্দ্ৰই নানা ব্লুপ্ৰিণ্ট ৰচনা কৰে। ভাৰতৰ স্বাধীনতা আন্দোলনত বৃটিছ শাসকৰ হাতত অসমৰ ৪০ জনে আত্মবলিদান দিছিল। কিন্তু তথাকথিত স্বাধীন দেশৰ সেনা, চি.আৰ.পি.এফ., পুলিচৰ হাতত আলফা, আলফাৰ পৰিয়াল, সমৰ্থক, মাছু, যুৱছাত্ৰ পৰিষদৰ দহ সহস্ৰাধিকেও অকালতে প্ৰাণ দিব লগা হ'ল। বৃটিছৰ পৰা ভাৰতীয় শাসকলৈ ক্ষমতা হস্তান্তৰ হোৱা ৩২ বছৰৰ পিছত এচাম প্ৰচুৰ সম্ভাৱনাময়, সাহসী, উজ্জ্বল ভৱিষ্যত থকা অসমীয়া যুৱক-যুৱতীয়ে আমাৰ দৰে স্বাভাৱিক জীৱন যাপন নকৰি কিয় সুদীৰ্ঘ ২৭ বছৰীয়া সশস্ত্ৰ সংগ্ৰাম কৰি অতি কষ্টকৰ, কণ্টকময় জীৱন অতিবাহিত কৰিছে তাক আমি আৰু চৰকাৰে নিৰপেক্ষভাৱে নিৰ্মোহ বিশ্লেষণ কৰা উচিত। সমস্যাটো সমাধানৰ বাবে ফলপ্ৰসূ সূত্ৰ উদ্ভাৱন কৰাৰ বাবে বুদ্ধিজীৱী, আইনজীৱী, ৰাজনীতিক, সমাজ সচেতক, ভিন্ন ধৰ্মৰ আধ্যাত্মিক নেতা-গুৰিয়ালসকল, লেখক, সাংবাদিক, চৰকাৰ আৰু সেনা-পুলিচৰ গুৰিয়াল সকলো আগবাঢ়ি অহা উচিত। আমি উপলব্ধি কৰা উচিত -আলফাই ল'ৰা ধেমালি বা স্ফুৰ্তিত হাতত মাৰণাস্ত্ৰ লৈ জংঘলত এসাঁজ খাই দুসাঁজ লঘোণ দি থকা নাই। আলফা হঠাতে আকাশৰ পৰা মাটিত সৰি পৰা বস্তু নহয়। অবিৰত বঞ্চনা আৰু শোষণৰ ফলশ্ৰুতিত ভাৰত ৰাষ্ট্ৰৰ বিৰুদ্ধে অসমীয়া জাতিৰ হৈ চৰম ৰূপৰ প্ৰতিবাদৰ এটা অংশ বিশেষহে মাথো। আলফা শেষহৈ গ'লেও অসমীয়া মানুহৰ শোষণ-বঞ্চনাৰ প্ৰতিবাদ শেষ নহয়। বৰং অন্য ৰূপত হ'লেও বহিঃপ্ৰকাশ হ'ব। আমি খুবেই আশাবাদী অসমীয়া মানুহৰ সহযোগত 'পিচিজি'য়েই হওক বা আন মধ্যস্থতাকাৰীৰ যোগেদি এদিন নিশ্চয় আলফা-চৰকাৰৰ মাজত ফলপ্ৰসূ আলোচনাৰ পথ প্ৰশস্ত হ'ব। কাৰণ আমি শান্তিৰ প্ৰত্যাশী।

OKDISCD

# ভাইটি শিশুৰামৰ তেজাল সোঁৱৰণত

উপেন শইকীয়া (সৰু ককাইদেউ)

*''ভাওনা সবাহ গীত ভালপোৱা*
*মধুৰ মুৰুলী তান,*
*দহোটাৰ কাম একেজনে কৰা*
*চহাৰ সৰল প্ৰাণ ।''*

ভাওনা, সবাহ, বিহু প্ৰাণভৰি ভালপোৱা চহাৰ সৰল প্ৰাণেৰে পৰিপূৰ্ণ সৰল কিন্তু চিন্তাশীল, বিদ্ৰোহী মনৰ আছিল ভাইটি শিশুৰাম। ১৯৮০ চনৰ ৩১ ডিচেম্বৰত জন্ম গ্ৰহণ কৰি ২০০৬ চনৰ ২ অক্টোবৰত (অহিংসাত বিশ্বাসী গান্ধীৰ জন্মদিন - গান্ধীজয়ন্তীৰ দিনা) ভাৰতীয় সেনাবাহিনীৰ হাতত অতি নৃশংসভাৱে মৃত্যুবৰণ কৰা ভাইটিয়ে মাত্ৰ ২৬ বছৰ বয়সতেই তাৰ জীৱনৰ দায়িত্ব সমাপন কৰি গ'ল। ১৯৯৮ চনত তৰাণি সীমান্ত হাইস্কুলৰ পৰা হাইস্কুল শেষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ বৰহোলা কলেজত নাম ভৰ্তি কৰিয়েই ২০০২ চনত অসমৰ মুক্তিৰ সপোন বুকুত বান্ধি সংযুক্ত মুক্তি বাহিনী, অসমত যোগদান কৰে। মা-দেউতা, ছজন ভাই-ককাই আৰু এজনী বাইদেউৰে আমাৰ ঘৰখন বছৰজোৰা খেতিৰে খাই-বৈ আনন্দেৰে জীয়াই আছিলোঁ। অভাৱ-অনাটনে জীৱন সংগ্ৰাম বিঘ্নিত কৰিব পৰা নাছিল। তথাপি দুখন দেশৰ সীমান্তৱৰ্তীয়া বাসিন্দা হিচাপে বিভিন্ন ধৰণে আলৈ-আহুকাল দুৰ্ভোগ ভুগিব লগা হৈছিল। মাটিৰ পট্টা নথকা, যাতায়তৰ দুৰৱস্থা, অপৰ্যাপ্ত খেতিৰ মাটি, অৱহেলিত শিক্ষা ব্যৱস্থা -আদিৰ নানা ধৰণৰ সমস্যাই জুৰুলা কৰা গাঁওবাসী আধুনিক জীৱন-যাত্ৰাৰ পৰা বহু নিলগত পৰি থাকিব লগা হৈছিল। ইতিমধ্যে অসমৰ মৌলিক সমস্যা সমাধানৰ অৰ্থে, অসমৰ প্ৰকৃত জাতীয় মুক্তিৰ স্বাৰ্থত সমগ্ৰ অসমতে আন্দোলনৰ জয়যাত্ৰা দ্ৰুতগামী কৰি তোলা সংযুক্ত মুক্তি সংগ্ৰাম বাহিনী, অসমৰ লগত গাঁৱৰ ৰাইজৰো চিন্তাধাৰা সংযোগ ঘটে। নব্বৈৰ দশকত জাতীয় শ্বহীদ পৰাগ দাসৰ নেতৃত্বত সমগ্ৰ অসমতে আলোড়ন সৃষ্টি কৰা মানৱ অধিকাৰ সংগ্ৰাম সমিতিৰ নীতি-আদৰ্শ আৰু সংগ্ৰামৰ প্ৰতি আকৃষ্ট হৈ ভাইটিয়ে প্ৰথম 'মাছ'ত যোগদান কৰে। ২০০২ চনত ১৮ আৰু ১৯ মে'ত গুৱাহাটীত অনুষ্ঠিত হোৱা Right to Self Determination and Referendum শীৰ্ষক আলোচনা চক্ৰত ভাইটি উপস্থিত আছিল। তদুপৰি একেটা চনৰে ৪ আৰু ৫ মে'ত ইন্দ্ৰপুৰ তৰাণি বালিকা মধ্য ইংৰাজী বিদ্যালয়ত 'মাছ'ৰ উদ্যোগত অনুষ্ঠিত প্ৰতিনিধি সভা আৰু ৰাইজমেলত ভাইটিয়ে সহঃসম্পাদকৰ দায়িত্বও বহন কৰিছিল। অসমৰ বাস্তৱ সমস্যা আৰু পৰিস্থিতিয়ে ভাইটিৰ মনত এনেদৰেই অসমৰ মুক্তিৰ স্পৃহা জাগ্ৰত কৰি তুলিছিল আৰু আদৰি লৈছিল এক সংগ্ৰামী জীৱন।

সেই যে সি গ'ল, তাৰ পাছত তাক মাথো এবাৰেই দেখিছিলোঁ। এদিন ঘৰলৈ আহিছিল সি। তাকলৈ আমি গৰ্ববোধ কৰিছিলোঁ। আমাৰ মাজু ককাইদেউজনো একে পথৰে যাত্ৰী। একেখন ঘৰৰে দুজনকৈ মুক্তি সেনানি -আমি কম সৌভাগ্যৱান নহওঁ।

উল্লেখনীয় যে ভাইটিৰ মৃত্যুৰ বাতৰি এটাত এখন কাকতত ঘৰৰ আৰ্থিক দুৰৱস্থাৰ বাবেই মুক্তি সংগ্ৰামত যোগদান কৰাৰ কাৰণ প্ৰকাশ কৰা আমাৰ দৃষ্টিগোচৰ হৈছে। এই তথ্য কেতিয়াও সত্য নহয়। আমাৰ ঘৰত আমি কাহানিও খোৱা-পিন্ধা-থকাৰ অসুবিধা ভোগ কৰা নাছিলোঁ। চৰকাৰী চাকৰি নাই যদিও খেতিৰ সামগ্ৰীৰে আমাৰ ঘৰখন সুন্দৰভাৱে চলিব পাৰিছিলোঁ আৰু এতিয়াও চলি আছোঁ। এনেধৰণৰ বাতৰিয়ে অসমৰ জাতীয় মুক্তি সংগ্ৰামখনৰ প্ৰকৃত লক্ষ্য-উদ্দেশ্যকে ব্যাহত কৰি তোলাত অৰিহণা যোগাব। মুক্তি সংগ্ৰামী সকলৰো স্বাৰ্থ, ত্যাগৰ তথা হাজাৰ হাজাৰ শ্বহীদৰ ত্যাগৰো উচিত মূল্যাংকন নহ'ব। জাতীয় শ্বহীদৰ আদৰ্শক আমি প্ৰত্যেকেই হৃদয়ংগম কৰিব পৰাকৈ ক্ষেত্ৰ অধ্যয়নৰ জৰিয়তেহে বাতৰি পৰিবেশনত গুৰুত্ব দিয়াটো উচিত।

সেইবাৰ তাক জীৱন্ত অৱস্থাত দেখিছিলোঁ। এইবাৰ দেখিলোঁ সৰ্বশৰীৰ ক্ষত-বিক্ষত, অতি বিভৎস নৰাকৃতি ৰূপত। তাৰ সেই ৰূপটোৱে প্ৰতি মুহূৰ্ততে আমাৰ হৃদয় দহন কৰি যায়। শেষত এটাই আমি আশা কৰিব পাৰোঁ যে অসমৰ কৃষক-শ্ৰমিকৰ মুক্তিয়েহে ভাইটিৰ দৰে শ্বহীদৰ আত্মাৰ শান্তি আনিব পাৰিব। ভাইটিৰ আদৰ্শ-ত্যাগ অমৰ হওক।।

# ঐক্যবদ্ধ সংগ্ৰামেই ''আত্মনিয়ন্ত্ৰণৰ অধিকাৰ'' সাব্যস্তৰ উত্কৃষ্ট পন্থা

দেৱজিত গগৈ

১৮২৬ চনৰ ২৪ ফেব্ৰুৱাৰীত ইংৰাজ আৰু বাৰ্মাৰ চুক্তিৰ আগলৈকে অসম এখন স্বাধীন ৰাষ্ট্ৰ আছিল। ঔপনিৱেশিক শাসক-শোষক গোষ্ঠীৰ সৰ্বৰ্গ্ৰাসী আগ্ৰাসনৰ ফলত অসম সদায় অৱহেলিত, অৱদমিত হৈয়ে থাকিল। অতি দুখৰ বিষয় এই চুক্তিৰ সময়ত অসমৰ এজনো প্ৰতিনিধি অন্তৰ্ভুক্ত নাছিল। ইংৰাজে অসম শোষণ কৰিছিল ১৯৪৭ চনৰ ১৫ আগষ্টৰ আগলৈকে প্ৰায় ১২১ বছৰ কাল। স্বাধীনোত্তৰ কালত মান চুক্তিৰ ঔপনিৱেশিক দলিল ভাৰত ৰাষ্ট্ৰযন্ত্ৰৰ হাতত অৰ্পণ কৰিছিল। মহামানৱ মহাত্মা গান্ধীৰ নেতৃত্বত গঢ় লৈ উঠা ইংৰাজ খেদোৱা অহিংস আন্দোলনত জঁপিয়াই কুশল কোঁৱৰ, কনকলতা বৰুৱা, ভোগেশ্বৰী ফুকননী, গোমধৰ কোঁৱৰ, পিয়লি ফুকন, পিয়লি বৰুৱা, মণিৰাম দেৱান আদিয়ে দেশৰ বাবে শ্বহীদ হৈছিল যদিও ভাৰতৰ ইতিহাসত এই সকল বীৰ শ্বহীদৰ নাম নথকাটো অসমীয়া জাতিৰ বাবে দুৰ্ভাগ্যজনক।

ৰাষ্ট্ৰযন্ত্ৰৰ প্ৰতি অসমীয়া থলুৱা ভূমিপুত্ৰ সকলৰ আত্মবিশ্বাস ভংগৰ কাৰণ বিশ্লেষণ কৰিলে পাওঁ অসমীয়া জনসাধাৰণে নিজৰ থলুৱা জলজ, স্থলজ, বনজ, প্ৰাকৃতিক সম্পদৰ উপৰি নিজস্ব লোক সংস্কৃতি, ৰীতি-নীতি, ভাষা-সংস্কৃতি আদিত চহকী যদিও ভাষাৰ বাবে সংগ্ৰাম কৰি শ্বহীদ হোৱাৰ বিনিময়ত থলুৱা ভাষা প্ৰৱৰ্তিত হৈছে, ব্ৰহ্মপুত্ৰৰ ওপৰত সংগ্ৰাম কৰাৰ পাছতহে শৰাইঘাট দলং নিৰ্মাণ হৈছে, শোধনাগাৰ প্ৰতিষ্ঠাৰ বাবে সংগ্ৰাম কৰাৰ পাছত শোধনাগাৰ প্ৰতিষ্ঠা হ'ল, যদিও একে সময়তে অসম খনিজ তেলেৰে ৰাষ্ট্ৰযন্ত্ৰই বাৰাউনি বা হালদিয়াত পাইপেৰে নি বৃহত শোধনাগাৰ পাতে; সংগ্ৰামৰ পাছতহে অসমত ব্ৰডগজ ৰেল লাইন প্ৰতিষ্ঠা হয়। ১৮৬১ চনৰ পৰা ১৮৯৪ চন পৰ্যন্ত পথৰুঘাটৰ খাজনা ৰেহাই বিচাৰি ১৪০ জন কৃষক শ্বহীদ হোৱা ''কৃষক বিদ্ৰোহ''ৰ কথা সৰ্বজনবিদিত। অসমক ইংৰাজ ঔপনিবেশিক শাসকে কৰা শোষণৰ পৰা পৰিত্ৰাণৰ উপায় বিচাৰি বাপুজীৰ নেতৃত্বত হোৱা সংগ্ৰামত নেতৃত্ব দি শ্বহীদ হোৱাৰ বিনিময়ত যিমান আশা কৰিছিল; কিন্তু অসমে একো নাপালে। আকৌ বগা ৰঙালৰ নেতৃত্বৰ জালৰ পৰা মুক্ত হৈ ক'লা বঙালৰ পিঞ্জৰাত আৱদ্ধ হ'ল। অসমৰ বাবে ৰাষ্ট্ৰযন্ত্ৰৰ নেতৃত্বহে সলনি হ'ল ক'লা বঙালৰ ঔপনিবেশিক শোষক-শাসকৰ নেতৃত্বত অসমৰ জনগণৰ বাবে স্বাধীনতা নাহিল। যদি অসম স্বাধীনেই হয়; তেনেহলে শ্বহীদ নহ'লে অসমে একো পাবলৈ সক্ষম নহয় কিয়?

১৯৩১ চনৰ ১৯ এপ্ৰিলত যুৱলীগ অধিৱেশনত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই কৈছিল - ''অসমৰ যুৱক সকলে ভগত সিঙক অনুসৰণ কৰিব আৰু পূৰ্ণ স্বাধীনতা অৰ্জনৰ বাবে যিকোনো পন্থাই অনুসৰণ কৰিব।'' বিষ্ণু ৰাভাও এই বৈপ্লৱিক চিন্তাধাৰাৰ দ্বাৰা প্ৰভাৱান্বিত আৰু সাম্ৰজ্যাবাদ বিৰোধী সংগ্ৰামত প্ৰত্যক্ষভাবে লিপ্ত হৈছিল। এই দুজন মহাপুৰুষ বহু দূৰদৰ্শী আছিল। যেনেদৰে সংস্কৃতিৰ পূৰ্ণ ব্যক্তিত্বৰ ৰূপত শ্ৰীমন্ত শঙ্কৰদেৱ আৰু মাধৱদেৱ; ঠিক সেইদৰে সাম্ৰাজ্যবাদৰ প্ৰত্যক্ষ শোষণ আৰু শাসনৰ যুগত মুক্তিকামী মানৱ মনৰ সাংস্কৃতিক ব্যক্তিত্বৰ পূৰ্ণ ৰূপ প্ৰতিভাত হ'ল জ্যোতিপ্ৰসাদ আৰু ৰাভাৰ সমন্বয়মুখী বৈপ্লৱীক আদৰ্শৰ মাজেদি। জ্যোতিপ্ৰসাদ আৰু বিষ্ণুৰাভাৰ মাজেদি প্ৰতিভাত হোৱা সমন্বয়ৰ আদৰ্শ নতুন আৰু পুৰণিৰ সমন্বয়ৰ আদৰ্শ; নানা জাতিৰ সংস্কৃতিৰ পোহৰ ভাগৰ সমন্বয়ৰ আদৰ্শ, দেশ আৰু বিদেশৰ পোহৰ সংস্কৃতিৰ সমন্বয়ৰ আদৰ্শ। এই সমন্বয়ৰ আদৰ্শই হ'ল মানৱ সমতা আৰু মুক্তিৰ পৰম পাথেয়।

অসমত অস্তিত্ব ৰক্ষা আন্দোলন ১৯৮৩ চনত গা কৰি উঠিল ''সদৌ অসম ছাত্ৰ সন্থাৰ আৰু অসম গণ সংগ্ৰাম পৰিষদ''ৰ সহযোগত। পুলিচ মহানিৰ্দেশক কে. পি. এছ. গিলৰ নেতৃত্বত খৰ্গেশ্বৰ তালুকদাৰক প্ৰথম হত্যা কৰা হ'ল। অসম তেজেৰে ৰাঙলী হ'ল। বহুতো জীয়াৰী-বোৱাৰী ধৰ্ষিতা হ'ল; অলেখ নিৰ্যাতিত হ'ল। কংগ্ৰেছ চৰকাৰৰ কৰাল গ্ৰাসত ৮৫৫ জন শ্বহীদ হ'ল। '৭১ক ভিত্তি বছৰ কৰি মহন্তৰ নেতৃত্বত দিল্লীত '৮৫ চনৰ ১৪ আগষ্টত চুক্তিবদ্ধ হ'ল আৰু সংগ্ৰাম সমাপ্ত হ'ল। অসমৰ জনগণে বহু আশাৰে শ্বহীদৰ তালিকা সমাপ্তি হোৱাৰ প্ৰাৰ্থনা কৰাৰ লগতে সংগ্ৰামৰ যৱনিকা বিচাৰিলে। গোলাঘাটত জন্ম হ'ল ১৪ অক্টোবৰত ছাত্ৰ সন্থাৰ নেতৃত্বত ঐক্য, শান্তি, প্ৰগতিক মূলমন্ত্ৰ কৰি অসম গণ পৰিষদ আঞ্চলিক ৰাজনৈতিক দল।

শোষিত, নিষ্পেষিত গৰিবৰ সন্তানবোৰে আন্দোলন কৰি ৮৫৫ জন শ্বহীদৰ কেঁচা তেজৰ চেকুৰা শুকুলা কাপোৰত লৈ ৩টা কাৰ্যকালৰ বাবে ৰাষ্ট্ৰযন্ত্ৰৰ দ্বাৰা পৰিচালিত হৈ তথাকথিত চৰকাৰৰ প্ৰতিনিধি হ'ল। কিন্তু শ্বহীদৰ পৰিয়াল, শ্বহীদৰ আদৰ্শ উপেক্ষিত হৈ ৰ'ল। দিল্লীৰ বহতীয়া এখন পুতলা চৰকাৰত পৰিণত হ'ল। আঞ্চলিকতাবাদী নেতাসকল ঔপনিবেশিক শোষকৰ এজেন্ট, বৃহত পুঁজিপতি, শোষক-শাসক হ'ল। ধিক্ অসমীয়া জাতিৰ জনপ্ৰিয় নেতা! ধিক্ অসমীয়া জাতিৰ গুৰি বঠা ধৰা মহান ব্যক্তি! অসমীয়াৰ বৈচিত্ৰ্যৰ মাজত যি ঐক্য তাকো থান-বান কৰিবলৈ কুণ্ঠিত নহ'ল। এই সকলেই নাৰী, বাৰী, গাড়ীত বলীয়ান তথাকথিত নেতা!!

এইয়া জানো জাতিৰ চৰম অপমান নহয় ? পাহৰি গ'ল শত শ্বহীদৰ আত্মত্যাগৰ কথা । অসমৰ সু-চিন্তাশীল বুদ্ধিজীৱী, মনিষীসকলৰ কথাকো গৰিহণা দিবলৈ কুণ্ঠিত নহ'ল।

কালৰ কুটিল গতি বুজা বৰ টান । আঞ্চলিকতাবাদৰ নেতৃত্ব লোৱা এচামে চুৰাপাতত পুনৰ খাবলৈ আৰম্ভ কৰি ভণ্ডামীৰ পৰিচয় দিলে । এচামে দলক পৈতৃক সম্পত্তি বুলি ভাবি নাও ডুবিলেও টিঙৰ পৰা নননমাৰ সিদ্ধান্ত কৰি দল দুভাগত বিভক্ত কৰি শ্বহীদক অৱজ্ঞা কৰাত লাগিলে । এনে বহু নেতা অসমীয়া জাতিৰ বাবে ক্ষমাৰ অযোগ্য ।

অসমত আকৌ নিধন যজ্ঞ আৰম্ভ হ'ল । ঔপনিবেশিক ৰাষ্ট্ৰৰ নিৰ্দেশ মৰ্মে টাটা, বিৰলা, গোৱেঙ্কা, মেক্লিন এণ্ড মেগৰ আৰু আমোলা বিষয়াৰ স্বাৰ্থত মহন্ত চৰকাৰে অসমত আলফা নিধনৰ দোহাই দি ১৯৯০ চনৰ ২৭ নৱেম্বৰৰ পৰা গুপ্ত হত্যাৰ বাবে ৫খন ক'লা আইন জাপি দি মানৱতাক বলি দিয়াৰ সম্মতি প্ৰদান কৰিলে । আঞ্চলিকতাবাদী সকলো নেতাই নিৰৱ দৰ্শক হৈ অনুমতি প্ৰদান কৰিলে । নীলা শিয়াল দিল্লীশ্বৰৰ আজ্ঞাবাহী ভৃত্যসকলৰ নিৰাপত্তা সুনিশ্চিত কৰা হ'ল ।

একে পথৰ পথিক, একে নাৱৰে যাত্ৰী, তুমি মৰিলে ময়ো মৰিম বুলি শপত লোৱা বিপ্লৱী সেনানীয়ে হিতেশ্বৰ শইকীয়াৰ কুটনীতি গমকেই নাপালে । ধন-দৌলত দি প্ৰতি বিপ্লৱী কৰাই লালোকসোলা বৰফুকনৰ চৰিত্ৰত ভাও দিয়াই দোষী-নিৰ্দোষীৰ তেজেৰে অসমী আই ৰাঙলী কৰি কলঙ্কিত ইতিহাস ৰচনা কৰিলে । এয়া জানো আমাৰ জাতীয়তাবাদ । ''তুমি সংগ্ৰাম কৰিবা, সংগ্ৰামত ভাগৰি পৰিলে অৱসৰ লবা; তথাপি সতীৰ্থৰ তেজেৰে হাত ৰাঙলী কৰি অৱসৰ নল'বা । ই কাপুৰুষৰ পৰিচয় ।''

গুপ্ত হত্যা আৰু মুক্ত হত্যাৰ পৰা সাৰি নগ'ল ফুলকুমলীয়া ৰাজু বৰুৱা, ভনীমাই দত্ত, মানৱ দৰদী তীক্ষ্ণ বুদ্ধিৰ কলমৰ যোদ্ধা পৰাগ কুমাৰ দাস আৰু দুৰ্ভগীয়া উমা গগৈৰ পৰিয়ালকে প্ৰমুখ্য কৰি দহ হেজাৰ অধিক পৰিয়াল আলফাৰ জাতীয় মুক্তি সংগ্ৰামত প্ৰাণ আহুতি দি শ্বহীদ হৈছে । কিমান বেদনাদায়ক অসমৰ ইতিহাস । এমুঠিমান আলফা হত্যাৰ বাবে কিয় অসমত এনে হত্যাযজ্ঞ আৰম্ভ হ'ল ?

আমাৰ বাবে সুখবৰ -''ঐক্যবদ্ধ সংগ্ৰামেহে জাতীয় মুক্তি সংগ্ৰাম সমাধানত সহায় কৰে '' বুলি অসমৰ ২৭ টা অৰাজনৈতিক মঞ্চই P.C.P.I.A নামকৰণেৰে আলফাৰ সমস্যাক অসমৰ ৰাজনৈতিক সমস্যা বুলি প্ৰস্তাৱ গ্ৰহণ কৰি উত্থাপন কৰাত যথেষ্ট যুক্তি-যুক্ততা আছে । এই মঞ্চক জাতি, বৰ্ণ, দল, সংগঠন নিৰ্বিশেষে সমৰ্থন জনোৱা অতীৱ প্ৰয়োজন ।

২৭ বছৰীয়া আলফাৰ মুক্তি সংগ্ৰাম সামৰিক বাহিনীৰ দ্বাৰা নিঃশেষ কৰিব নোৱাৰিলে । এই লিখনিৰ যোগে আমি অসমত স্থায়ী শান্তি বিচাৰোঁ । আমাক স্থায়ী শান্তি লাগে । বহু আশা বুকুত বান্ধি ভাবিছিলো আলফা আৰু অসম চৰকাৰৰ যোগেদি ভাৰত ৰাষ্ট্ৰৰ লগত মহিয়সী নাৰী ড° মামণি ৰয়ছম গোস্বামী বাইদেউৰ উদ্যোগত গঠিত পি.চি.জি. গঠন কৰি ২০০৫ চনৰ ২৬ অক্টোবৰত প্ৰথম লানি আলোচনা কৰাৰ পাছত ২০০৬ চনৰ ২৪ চেপ্তেম্বৰৰ পৰা পুনৰ সামৰিক অভিযান আৰম্ভ কৰা হ'ল । আলোচনাৰ নামত আলোচনা কৰা হ'ল । আলোচনা প্ৰহসনত পৰিণত হ'ল ।

আলোচনা চলি থাকোঁতেই অস্ত্ৰবিৰতিৰ সময়ত আলফা নিধন যজ্ঞ আৰম্ভ হ'ল । এয়া শান্তিকামী অসমীয়াৰ কাম্য নাছিল । ভাৰত ৰাষ্ট্ৰই যদি অসমৰ কল্যাণৰ বাবে এশ শতাংশ চিন্তা কৰে, তেনেহ'লে আঢৈ কোটি জনসাধাৰণৰ স্থায়ী শান্তিৰ স্বাৰ্থত ৫ জন বন্দী আলফা নেতাক চৰ্তহীন মুক্তি দি ক্ষীপ্ৰতাৰে আলোচনাৰ পথ মুকলি কৰি পিতৃ ৰাষ্ট্ৰৰ পৰিচয় দাঙি ধৰক । অসমৰ তৰুণ গগৈ চৰকাৰে নিৰ্বাচনী প্ৰতিশ্ৰুতি ৰক্ষা কৰি প্ৰত্যক্ষ আলোচনাত সহযোগ কৰক । বোকা ছটিওৱা নীতিৰ পৰা বিৰত থাকক । যদি জনপ্ৰিয় চৰকাৰ বুলি আত্মগৌৰৱ কৰিব বিচাৰে তেনেহ'লে অসমৰ স্থায়ী শান্তিৰ স্বাৰ্থত ৫ জন বন্দী আলফা নেতাক চৰ্তহীন ভাৱে মুক্তি দিয়ক, ভূটানত নিখোজ হোৱা সকলৰ সন্ধানৰ বাবে মানৱীয়তাৰ খাতিৰত সন্ধান দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰক, অসমৰ পৰা সামৰিক বাহিনী প্ৰত্যাহাৰ কৰি যুদ্ধবিৰতি ঘোষণা কৰক । এই ক্ষেত্ৰত সৰ্বদলীয় বৈঠক আহ্বান কৰি প্ৰস্তাৱ লওক । মাননীয় তৰুণ গগৈ ডাঙৰীয়া জেদ্ কেটেগৰীৰ মাজত কেইজনমানক নিৰাপত্তা দিয়াৰ ব্যৱস্থা কৰিলেই সকলোৰে বাবে নিৰাপত্তা সুনিশ্চিত নহয় । ৰাজগাদী ভঙা-পতা কৰে তৃণমূল কৰ্মীয়েহে । ''আলফাৰ ভাবুকিলৈ ভয়ৰ কোনো কাৰণ নাই; আলফাই এনেদৰে ভাবুকি দিয়েই, আলফাক কঠোৰ হাতেৰে দমন কৰিম'' এই বুলি বক্তব্য ৰখাটো যুক্তিসঙ্গত হোৱা নাই । ই মানৱতাৰ পৰিপন্থী । আপোনাৰ নিৰাপত্তা দিল্লীৰ লগতে বহিঃৰাষ্ট্ৰত থকা জোঁৱাইৰ ঘৰত হ'ব পাৰে; কিন্তু তৃণমূল কৰ্মীৰ নিৰাপত্তা বিঘ্নিত হ'লে আপোনাৰ লগতে আপোনাৰ দল আৰু নেতৃত্ব জগৰীয়া হ'ব । এই কথাবোৰ তৃণমূল কৰ্মীসকলে আত্মবিশ্লেষণ কৰাৰ সময় অতীৱ প্ৰয়োজন । দুই ম'হৰ যুঁজত যাতে বিৰিণাৰ মৃত্যু নহয় তাৰ প্ৰতি লক্ষ্য ৰখাটো উচিত ।

খ্ৰীষ্টিয় ত্ৰয়োদশ শতিকাৰ পৰা অষ্টাদশ শতিকালৈ ভাৰতীয় সাম্ৰাজ্যবাদী মোগল-পাঠানৰ লেঠেৰি নিচিগা আক্ৰমণে এই দেশখনৰ মানুহক জাতি, বৰ্ণ নিৰ্বিশেষে এটা শিক্ষা দিছিল; স্বাধীন হৈ থাকিবলৈ হ'লে সকলোৱে একগোট হৈ থিয় দিব লাগিব । স্বাধীনতা মানুহৰ জন্মস্বত্ব । ই ভিক্ষা কৰি লোৱা বস্তু নহয় । এই ক্ষেত্ৰত পুৰুৰ আদৰ্শ অনুকৰণীয় । অসমে আশা কৰিছিল স্বাধীনতাৰ নতুন সূৰ্যোদয়ৰ লগে লগে এনেধৰণৰ যুঁজৰ অন্ত পৰিব আৰু ভাৰতৰ অন্যান্য অংগ ৰাজ্যবোৰৰ সমানে অসমেও স্বাধীকাৰ লাভ কৰিব । তেল, কয়লা, চাহ, কাঠ আদি মূল্যবান সম্পদেৰে ভৰা অসমে নিজৰ অৰ্থনৈতিক বুনিয়াদ সুদৃঢ় কৰি তুলিব পাৰিব । কিন্তু বৰ্তমানে তথাকথিত নিৰ্বাচন পাতি অসমত তেজৰ নৈ বোৱাই আছে । কিমান দিনলৈ অসমত তেজৰ নৈ বব । অসমৰ জনগণে সমূহ

ৰাজনৈতিক দলৰ চৰিত্ৰ গভীৰভাৱে আত্ম-বিশ্লেষণ কৰিব লাগিব। প্ৰতিটো দল সংগঠন ৰাজনৈতিকেই হওক অৰাজনৈতিকেই হওক অসম আৰু অসমীয়াক থলু উদ্ধাৰৰ বাবে ঐক্যবদ্ধ ভাৱে ব্যক্তিস্বাৰ্থক গোট কৰি অগ্ৰসৰ হ'ব লাগিব। অসম আৰু অসমীয়াৰ মৰ্যাদা ঘূৰাই আনিবলৈ ''আত্ম-সংযম, আত্ম-বিশ্বাস আৰু আত্ম-বিশ্লেষণেই হ'ব অসম ভাৰত ৰাজনৈতিক সংঘাতৰ সমাধানৰ উতকৃষ্ট পন্থা।''

ভাৰতবৰ্ষৰ উত্তৰ পূব প্ৰান্তত অৱস্থিত অসম মুলুকে স্বাধীনোত্তৰ পিছৰে পৰা ঔপনিবেশিক শোষক-শাসকৰ যোগেদি প্ৰতাৰিত হোৱা নাই জানো ? ৰাষ্ট্ৰৰ সংবিধানো ১০৪ বাৰ সংশোধন ঘটাই কাৰ স্বাৰ্থ সুৰক্ষিত কৰিছে বিশ্লেষণ কৰা অতীব প্ৰয়োজন।

ভাৰত ৰাষ্ট্ৰয়ো স্বীকৃতি দিয়া আন্তঃৰ্জাতিক শাসন ব্যৱস্থাৰ আধাৰত আলফাৰ স্বাধীনতা দাবীৰ প্ৰাসঙ্গিকতা কিমান তাক জনগণৰ সুবিধাৰ বাবে জুকিয়াই চোৱাৰ লোভ সামৰিব নোৱাৰিলোঁ।

১৯৩৩ চনৰ মন্টেভিডিউ অভিৱৰ্ত্তনে (লীগ অৱ নেচন্‌ৰ মূল আধাৰ হিচাপে স্বীকৃত) স্বাধীন ৰাষ্ট্ৰ সম্পৰ্কে এক সূত্ৰ আগবঢ়াইছিল। অভিবৰ্ত্তনত গৃহীত প্ৰস্তাৱ সমূহৰ প্ৰথম অনুচ্ছেদত কোৱা হৈছিল, ''The state as a person of international law should possess the following qualifications : (a) A permanent population, (b) a defined territory, (c) Government, (d) Capacity to enter into relations with other states.'' পৰৱৰ্ত্তী কালছোৱাত আন্তৰ্জাতিক আইনে এই সূত্ৰকেই আধাৰ হিচাপে লৈ স্বতন্ত্ৰ ৰাষ্ট্ৰৰ সংজ্ঞা নিৰূপণ কৰিছে। মন্টেভিডিউ অভিবৰ্ত্তনৰ প্ৰস্তাৱৰ প্ৰথম স্বৰ্তটোৰেই অসম এখন স্বতন্ত্ৰ ৰাষ্ট্ৰ হোৱাৰ প্ৰাথমিক পৰিচয় দাঙি ধৰিছে। অসম ৰাষ্ট্ৰৰ যি সুকীয়া বৈশিষ্ট্যপূৰ্ণ জনগাঁথনি আৰু সংস্কৃতি তাক ধ্বংস কৰাৰ বাবে অবাধে প্ৰব্ৰজন ঘটুৱাইছে। স্বতন্ত্ৰ জাতিসত্তা হিচাপে যাতে এই অঞ্চলৰ মানুহবোৰে দাবী কৰিব নোৱাৰে তাৰেই ই এক নিঃকৃষ্ট পৰিকল্পনা ভাৰত ৰাষ্ট্ৰৰ।

আন্তৰ্জাতিক আইন অনুসাৰে সৰ্বজন স্বীকৃত আত্মনিয়ন্ত্ৰণৰ অধিকাৰৰ প্ৰসঙ্গত চালে দেখা পাওঁ সন্মিলিত ৰাষ্ট্ৰ সংঘৰ মূল চনদৰ ১(২) আৰু ৫৫ অনুচ্ছেদত সকলো জাতি সত্তাৰে আত্ম নিয়ন্ত্ৰণৰ অধিকাৰ তথা আৰ্থসামাজিক আৰু সাংস্কৃতিক বিকাশক মৌলিক অধিকাৰ হিচাপে স্বীকৃতি দিছে। জাতি সত্তা সমূহৰ আত্ম নিয়ন্ত্ৰণৰ অধিকাৰৰ মৰ্যদা ৰক্ষাৰ প্ৰশ্নক সকলো ৰাষ্ট্ৰই প্ৰাথমিক দায়িত্ব বুলি স্বীকৃতি দিছে। সেই বিষয়ে ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদে ১৯৬৬ চনত এক বিশেষ প্ৰস্তাৱ গ্ৰহণ কৰিছিল। ২১৬০ (XXI) নম্বৰ এই প্ৰস্তাৱত কোৱা হৈছিল, ''Any forcible action, direct or indirect, which deprives people under foreign domination of their fight to self determination and freedom and independence and of their right to determine freely their political status and pursue their economic, social and cultural development constitutes a violation of the charter of the United Nations. Accordingly, the use of force to deprive peoples of their national identity, as prohibited by the declaration on the inadmissibility of the Intervention in the domestic affairs of States and the protection of their independence and sovereignty contained in General Assembly resolution 2131(XX) constitutes aviolation of their in alienable rights and of the principal of Non-intervention.''

অন্যহাতে, ১৯৭০ খ্ৰীষ্টাব্দৰ ২৪ অক্টোবৰত সৰ্বসন্মতি ক্ৰমে গৃহীত (XXV) নম্বৰ প্ৰস্তাৱ যোগে সাধাৰণ পৰিষদে আত্মনিয়ন্ত্ৰণৰ অধিকাৰ সম্পৰ্কে ব্যাখ্যা আগবঢ়াইছে, ''By virtue of the principal of equal rights and self determination of people enshrined in the charted, all peoples have the right freely to determine, withour external interferance, social and cultural development and every state has the duty to respect this right in accordance with the provisions of the charter...'' আন্তৰাষ্ট্ৰীয় আইনৰ স্বতন্ত্ৰ জাতিসত্তাসমূহৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰ সম্পৰ্কীয় এই প্ৰস্তাৱত ভাৰত ৰাষ্ট্ৰয়ো স্বীকৃতি দিছে। ৰাষ্ট্ৰসংঘৰ মূল চনদৰ একাদশ অধ্যায়ত পৰাধীন অঞ্চল আৰু জাতিসত্তাৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰক মৌলিক বুলি স্বীকৃতি দিয়া হৈছে। এই অধ্যায়ৰ বিভিন্ন অনুচ্ছেদ অনুসাৰে; পৰাধীন কোনো জাতিসত্তাই ন্যায্যভাৱেই আত্মনিয়ন্ত্ৰণৰ অধিকাৰ দাবী কৰিব পাৰে আৰু এই দাবী পূৰণৰ ক্ষেত্ৰত ৰাষ্ট্ৰসংঘৰ হস্তক্ষেপ প্ৰাৰ্থনা কৰাৰো অধিকাৰ তেওঁলোকৰ আছে।

আলফাৰ আত্মনিয়ন্ত্ৰণৰ দাবী ন্যায্য দাবী বুলি পি.চি.পি.আই.এ.য়ে উত্থাপন কৰাটো যুক্তিসঙ্গত দাবী। অনাৰ্য মানুহখিনিৰ জাতিসত্তা ৰক্ষাৰ যুক্তিনিষ্ঠ ন্যায্য দাবী আন্তৰাষ্ট্ৰীয় পৰ্যায়ত সবল জনমত গঠন কৰি প্ৰতিপন্ন কৰা উচিত। আমাৰ জাতীয় সংগ্ৰাম ৰাষ্ট্ৰযন্ত্ৰৰ আদিম অত্যাচাৰৰ পৰা নিঃশেষ হ'বলৈ উপক্ৰম। আমি হেৰুৱাব লাগিব আমাৰ জাতিসত্তা, স্বকীয় সংস্কৃতি। আমি সকলোৱে বাধা দিব লাগিব অবৈধ প্ৰব্ৰজন কৰা আমাৰ জাতিসত্তাৰ জন গাঁথনিৰ পৰিবৰ্ত্তন।

স্বদেশ আৰু স্ব-জাতিৰ মুক্তিৰ হকে প্ৰাণ আহুতি দিয়া বীৰ মুক্তি সেনানীসকলৰ সপোন বাস্তৱ সমাধানৰ কামনা কৰি সামৰণি মাৰিলো। ০০০

# শান্তি আলোচনাৰ নামত কেন্দ্ৰৰ প্ৰতাৰণা ঃ অসমৰ তেজ মচি দিব খোজা প্ৰধান মন্ত্ৰীৰ নিৰ্দেশতে চলিছে তেজাল যুৱকৰ হত্যা

অৰূপ শইকীয়া

শান্তি আলোচনাৰ নামতো কেন্দ্ৰই অসমবাসীক আকৌ এবাৰ প্ৰতাৰণা কৰিলে। ভাৰত ৰাষ্ট্ৰই দীৰ্ঘদিনে অসমবাসীৰ ওপৰত চলাই অহা ঔপনিবেশিক শাসন শোষণৰ অন্ত পেলাবলৈকে এসময়ত এচাম তৰুণ যুৱকে হাতত বন্দুক তুলি ল'বলৈ বাধ্য হৈছিল। ঐতিহাসিক ৰংঘৰৰ ৰাকৰিত ''আলফা'' নামেৰে আত্ম-প্ৰকাশ কৰা এই চাম পৰিৱৰ্তন কামী তৰুণ যুৱকে বুলেট কামুৰি অসমক স্বাধীন কৰাৰ শপত লৈ আজিও অব্যাহত ৰাখিছে সশস্ত্ৰ সংগ্ৰাম। নিজৰ সাতাইছ বছৰীয়া ইতিহাসত বহু ভুল-ক্ৰটিৰ মাজেৰে বহু সতীৰ্থই মূল সুঁতিলৈ ঘূৰি অহাৰ পাছত, বহু সতীৰ্থই ইতিমধ্যে সাহসেৰে প্ৰাণ বিসৰ্জন দিয়াৰ পাছতো ''আলফা'' এতিয়াও অসমৰ এক শক্তি হিচাপেই পৰিগণিত হৈ আছে। কেন্দ্ৰই আজি সাতাইছ বছৰে আলফা দমনৰ নামত অসমত সেনা মেলি দি নিৰীহ ৰাইজক যি অবৰ্ণনীয় লাঞ্চনা ভোগালে তাক এতিয়া দোহৰাৰ নিশ্চয় প্ৰয়োজন নাই। 'আলফা' সন্দেহত ইতিমধ্যে সেনাৰ হাতত বহু নিৰপৰাধী যুৱকে প্ৰাণ বিসৰ্জন দিব লগা হোৱাৰ উপৰিও বহু অসমীয়া মহিলাই সতীত্ব বিসৰ্জন দিব লগা হ'ল কামুক সেনাৰ হাতত। অসমত শান্তিৰ নামত শান্তি ৰক্ষকে যি হাৰত নিৰীহ ৰাইজক দমন নিপীড়নেৰে অসমক অশান্ত জৰ্জৰ অৱস্থালৈ ঠেলি দিলে সেই অশান্ত জৰ্জৰ অসমলৈ শান্তি ওভতাই অনাৰ বাবেই জ্ঞানপীঠ বঁটা বিজয়ী বিশিষ্টা লেখিকা ড° মামণি ৰয়ছম গোস্বামী বাইদেৱে আৰম্ভ কৰিছিল শান্তি প্ৰচেষ্টা। মামণি ৰয়ছম গোস্বামীৰ ঐকান্তিক প্ৰচেষ্টাৰ বাবেই আলফায়ো আলোচনাৰ মাধ্যমেৰে অসম ভাৰতৰ সংঘাত ৰাজনৈতিকভাৱে সমাধান কৰাৰ স্বাৰ্থত পি.চি.জি. গঠন কৰি আলোচনাৰ বাবে আগবাঢ়ি আহিছিল। অসমৰ ৰাইজেও অধীৰ আগ্ৰহেৰে বাট চাই আছিল আলোচনাৰ মাধ্যমেৰে দীৰ্ঘদিনীয়া অশান্তি জৰ্জৰ অসমলৈ নিশ্চয় স্থায়ী শান্তি ঘূৰি আহিব। অসমৰ ৰাইজে আশা কৰিছিল আলোচনাৰ টেবুলতে দীৰ্ঘদিনীয়া অসম ভাৰতৰ সংঘাত দূৰ হ'ব। প্ৰধান মন্ত্ৰী ড° মনমোহন সিঙে অসম বাসীক প্ৰতিশ্ৰুতি দিছিল যে তেওঁ যিহেতু অসমক প্ৰতিনিধিত্ব কৰিয়েই প্ৰধানমন্ত্ৰী হৈছে গতিকে তেওঁ অসমৰ তেজ চিৰদিনৰ বাবেই মচি দিব। স্বয়ং মন্ত্ৰীজনেই আলফাই গঠন কৰি দিয়া পিচিজিৰ লগত আলোচনাৰ দুৱাৰ মুকলি কৰাত উত্‌ফুল্লিত হৈ পৰিছিল অসমবাসী। প্ৰতিজন শান্তিকামী অসমবাসীয়ে ভাবিছিল কেন্দ্ৰৰ এই সদিচ্ছাত আলোচনা নিশ্চয় ফলপ্ৰসূ হৈ উঠিব। কিন্তু শান্তিৰ বাবে ব্যাকুল অসমবাসীক কূট- কৌশলী কেন্দ্ৰই শান্তি আলোচনাৰ নামতো আকৌ এবাৰ প্ৰতাৰণা কৰিলে। আলফাই গঠন কৰি দিয়া পিচিজিৰ লগত তিনিবাৰকৈ হোৱা ফলপ্ৰসূ আলোচনাৰ পাছতো আলফাৰে কেন্দ্ৰৰ প্ৰত্যক্ষ আলোচনাৰ বাট মুকলি হোৱাৰ মুহূৰ্ত্ততে কৌশলী কেন্দ্ৰই কৌশলগত ভাৱেই বন্ধ কৰি দিলে আলোচনা দুৱাৰ। এখন মাত্ৰ চিঠিক দোহাই দিয়েই কেন্দ্ৰই বন্ধ কৰিলে আলোচনাৰ দুৱাৰ। আলফাৰে প্ৰত্যক্ষ আলোচনাৰ স্বাৰ্থতে আলফাৰ পাঁচ শীৰ্ষ কাৰাবন্দী নেতাক মুকলি কৰি দিয়াৰ প্ৰতিশ্ৰুতি দিও সেয়া পালন নকৰিলে কেন্দ্ৰই। আলফাৰ হাতৰ এখন মাত্ৰ চিঠিৰ বাবে কেন্দ্ৰই আলোচনাৰ দুৱাৰ বন্ধ কৰিলে কিয় ? এয়া অসমবাসীৰ বাবে এতিয়া লাখটকীয়া প্ৰশ্ন। আলফাই পূৰ্বেই আলোচনাৰ ইচ্ছা প্ৰকাশ কৰি কেন্দ্ৰলৈ চিঠি দিয়াৰ পাচতো আৰু এখন চিঠিৰ প্ৰয়োজন হ'ল কিয় ? এয়াও অসমৰ শান্তিকামী ৰাইজে কেন্দ্ৰক সুধিব লগা আৰু এটা প্ৰশ্ন। অসমৰ পৰা চিৰদিনৰ বাবে কেঁচা তেজ মচি দিব খোজা প্ৰধানমন্ত্ৰীজনে এতিয়া আকৌ কৈছে, 'আলফাৰ হেনো গণভিত্তি নাই।' 'আলফাৰ আলোচনাৰ প্ৰতি আগ্ৰহ নাই' ইত্যাদি ইত্যাদি। কিন্তু, প্ৰশ্ন হ'ল আলফাৰ যদি গণভিত্তি নায়েই তেন্তে আলফাৰে আলোচনা প্ৰক্ৰিয়া কেন্দ্ৰই আৰম্ভ কৰিছিল কিয় ? আকৌ প্ৰধান মন্ত্ৰী ডাঙৰীয়াই কোৱাৰ দৰে যদি আলফাৰ আলোচনাৰ প্ৰতি সদিচ্ছাই নাই তেন্তে আলফাই গঠন কৰি দিয়া পিচিজিৰ লগত আলোচনা কৰি ইমান দিনে এইবোৰ কি কৰি আছিল অসমবাসীক জনাবনে মাননীয় প্ৰধানমন্ত্ৰীজনে। আচল অৰ্থত ক'বলৈ গ'লে কেন্দ্ৰই কেতিয়াও

বিচৰা নাছিল আলফাৰে আলোচনা কৰি অসম-ভাৰত সংঘাত ৰাজনৈতিকভাৱে সমাধান হওক । আলোচনাৰ নামত এয়া যে কেন্দ্ৰৰ মাত্ৰ কাৰ্চাজীহে আছিল সেয়া এতিয়া লুকাই থকা নাই । আচলতে কেন্দ্ৰই আলোচনাৰ নামত সময় কিনিলে আলফাৰ পৰা । ইটো এতিয়া লুকাই থকা নাই যে এক অনুকূল পৰিৱেশত কেন্দ্ৰই অসমৰ একাদশ নিৰ্বাচন অনুষ্ঠিত কৰি ক্ষমতা দখল কৰাৰ স্বাৰ্থতহে আলফাৰে আৰম্ভ কৰিছিল আলোচনা প্ৰক্ৰিয়া । কেন্দ্ৰই ভালদৰে বুজি উঠিছিল যে আলফাক অসন্তুষ্ট কৰি নিৰ্বাচনী বৈতৰণী পাৰ হোৱা সম্ভৱ নহয় । আলফাৰে আলোচনা প্ৰক্ৰিয়া আৰম্ভ কৰি কেন্দ্ৰই দুই ধৰণে লাভান্বিত হ'ল । এক নম্বৰত অনুকূল পৰিবেশত বাধাহীন ভাৱে নিৰ্বাচন অনুষ্ঠিত কৰা । দুই নম্বৰত ৰাইজৰ সহানুভূতি আদায় কৰি সহজে নিৰ্বাচনত জয় লাভ কৰা । এতিয়া নিৰ্বাচনো শেষ; কেন্দ্ৰই সলনি কৰিলে কৌশল । অৰ্থাত খাই কাৰ্শলা ডালত উঠিল কাঠি চেলেকাৰ মৰণ মিলিল । এতিয়া এই দশা হ'ল আলফা আৰু শান্তিৰ বাবে ব্যাকুল হৈ পৰা অসম বাসীৰ । অসমৰ পৰা চিৰদিনৰ বাবে কেঁচা তেজ মচি দিবখোজা প্ৰধানমন্ত্ৰী গৰাকীৰ নিৰ্দেশত এতিয়া অসমত বলিছে তেজৰ বন্যা ।অসমত মেলি দিয়া শান্তি ৰক্ষক বাহিনীয়ে এতিয়া শীতল মস্তিষ্কৰে ভুৱা সংঘৰ্ষত হত্যা কৰিছে একোজন তেজাল যুৱকক । যেনেদৰে পূৰ্বে হত্যা কৰাৰ দৰেই সেনাই যোৱা ২ অক্টোবৰত ভুৱা সংঘৰ্ষত খেদি খেদি লক্ষীমপুৰত হত্যা কৰিলে আলফা নেতা জাতীয় শ্বহীদ শিশুৰাম শইকীয়াক, শিৱসাগৰত শীতল মস্তিষ্কৰে নিচেই ওচৰৰ পৰা মূৰত গুলীয়াই হত্যা কৰিলে আলফাৰ বিত্ত সচিব দেৱজিত কোঁৱৰক । এইদৰেই এতিয়া প্ৰতি নিয়ত ভুৱা সংঘৰ্ষত হত্যা কৰা হ'ব অসমৰ বহু তেজাল যুৱকক । কিন্তু এনেদৰে আৰু কিমান দিন ? আৰু কিমান দিন যুৱকক হত্যা কৰিব সেনাই । অসমবাসীয়ে আৰু কিমান পাতিব যুৱকৰ ৰাজহুৱা আদ্যশ্ৰাদ্ধ । এয়া এতিয়া প্ৰতিজন হৃদয়বান অসমীয়াক দোলা দি যোৱা উত্তৰবিহীন প্ৰশ্ন । এতিয়া আমি জাতীয় শ্বহীদৰ আদ্যশ্ৰাদ্ধস্থলীত নিজকে প্ৰশ্ন কৰোঁচোন আহক -জাতীয় শ্বহীদৰ আদ্যশ্ৰাদ্ধ পাতিলেই আমাৰ কৰ্ত্তব্য শেষ হ'বনে ? আমি অনুষ্ঠিত কৰা জাতীয় শ্বহীদৰ মূল্যায়ন আমি কৰিম কেনেদৰে ? এতিয়া আমি প্ৰতিজন অসমবাসী ৰাইজে গভীৰভাৱে উপলব্ধি কৰাৰ সময় উপস্থিত হ'ল । আমি আজিলৈকে যিমান জাতীয় শ্বহীদৰ ৰাজহুৱা আদ্যশ্ৰাদ্ধ অনুষ্ঠিত কৰিলো তাত কিন্তু এটা কথা প্ৰমাণ হ'ল ৰাষ্ট্ৰই যি সকল যুৱকক সন্ত্ৰাসবাদী সজাই নৃশংস ভাৱে হত্যা কৰিছে সেই সকল কিন্তু অসমৰ ৰাইজৰ বুকুৰ আপোন । তেওঁলোক ৰাষ্ট্ৰই ভবাৰ দৰে সন্ত্ৰাসবাদী নহয়, তেওঁলোক একো একোজন পৰিৱৰ্ত্তনকামী সাহসী যুৱক । যি জাতি, মাটিৰ বাবে প্ৰাণ বিসৰ্জন দিছে তেওঁ মহান শ্বহীদ । এই কথা প্ৰমাণ কৰিছে সৌ সিদিনা কাকপথাৰত, লাকুৱাৰ জাতীয় শ্বহীদ বুলবুল সন্দিকৈৰ ৰাজহুৱা আদ্যশ্ৰাদ্ধত আৰু আজি মেৰাপানীৰ ২নং ওপৰ তৰাণি (ক'লাজান)ৰ জাতীয় শ্বহীদ শিশুৰাম শইকীয়াৰ ৰাজহুৱা আদ্যশ্ৰাদ্ধ থলীত । এই শ্বহীদৰ ৰাজহুৱা আদ্যশ্ৰাদ্ধ থলীত স্বতঃস্ফুৰ্ত ভাৱে সমবেত হোৱা হাজাৰ হাজাৰ জনতাই এটা কথাই প্ৰমাণ কৰে যে প্ৰধানমন্ত্ৰী মনমোহন সিংহঁতে ভবাৰ দৰে আলফাৰ কোনো গণভিত্তি নাই এই কথা একেবাৰেই অসত্য । আলফাৰ বহু দোষ-ত্ৰুটি থাকিলেও অসমৰ পৰিৱৰ্ত্তনকামী ৰাইজে আলফাক আজিও এক অসমৰ শক্তি বুলিয়েই বিশ্বাস কৰে । নহ'লে কাকপথাৰত, লাকুৱাত আৰু মেৰাপানীত জাতীয় শ্বহীদৰ ৰাজহুৱা আদ্যশ্ৰাদ্ধ সমূহত হাজাৰ হাজাৰ ৰাইজ গোট নাখালেহেঁতেন, শিশুৰাম দেৱজিত হঁতৰ মৃতদেহ কান্ধত লৈ হাজাৰ হাজাৰ ৰাইজে শোভাযাত্ৰা নকৰিলেহেঁতেন । অসমৰ ৰাইজে আজি সঠিক ভাবেই অনুধাৱন কৰিছে যে কেন্দ্ৰই অসমৰ উন্নতি কোনো দিনেই কামনা কৰা নাই । অসমৰ ৰাইজৰ অভাৱ অভিযোগৰ প্ৰতি কেন্দ্ৰই সদায় অৱহেলাই কৰি আহিছে আৰু কৰি যাব । এইটো কথাও সত্য যে কেন্দ্ৰৰ চকু কেৱল অসমৰ কেঁচা সামগ্ৰীৰ ওপৰতহে । অসমৰ চাহ, তেলেৰে ধনী হোৱা ভাৰত ৰাষ্ট্ৰই অসমক কেতিয়াও এৰি দিয়াৰ পক্ষপাতী নহয়, কেৱল নিয়াৰ স্বাৰ্থতহে অসমক শাসন কৰি আহিছে, সেই কথা এতিয়া অসমৰ ৰাইজে হৃদয়ঙ্গম কৰিব পাৰিছে । আলফাই অসমৰ সম্পদক অসমবাসীৰ স্বাৰ্থত ব্যৱহাৰ কৰাৰ যুক্তি প্ৰদৰ্শন কৰাৰ বাবেই কেন্দ্ৰই আলফাৰে আলোচনা নকৰি আলফা নিধন যজ্ঞ যে অব্যাহত ৰাখিছে সেয়া অসমৰ ৰাইজে যিমান সোনকালে বুজি উঠিব সিমানেই মঙ্গল । কেন্দ্ৰই কাহানিও বিচৰা নাই আৰু নিবিচাৰে আলফাৰ লগত আলোচনা কৰি অসম-ভাৰত সংঘাতৰ ৰাজনৈতিক সমাধান হওক । নহ'লে আলোচনা প্ৰক্ৰিয়া চলি থকা অৱস্থাতো কৌশলেৰে আলফা হত্যা নকৰিলেহেঁতেন । কৌশলেৰে আলোচনাৰ পৰা আঁতৰি আহি কেন্দ্ৰই এতিয়া অসমত পুনৰ সেনা অভিযান চলাই ভুৱা সংঘৰ্ষত আলফা হত্যা কৰাই নহয় আলফাৰ সমৰ্থনত ওলাই অহা ৰাইজৰ মাজতো নিৰ্বিচাৰে শাৰীৰিক অত্যাচাৰ চলোৱাৰ পৰিকল্পনা কৰি ইতিমধ্যেই সেই কাৰ্য আৰম্ভ কৰিছে । যাতে আলফাৰ হৈ কোনেও তু শব্দ উচ্চাৰণ নকৰে সেই উদ্দেশ্যেই এতিয়া জনমতক উপেক্ষা কৰি অসমৰ গাঁৱে-ভূঞে মেলি দিছে ভাৰতীয় সেনা । আলফা বিচৰাৰ নামত এতিয়া পৰিকল্পিত ভাৱেই প্ৰতিবাদী ৰাইজৰ মাজত নিৰ্বিচাৰে অত্যাচাৰ চলাই প্ৰতিবাদী কণ্ঠ ৰুদ্ধ কৰাৰ কৌশল প্ৰয়োগ কৰিছে কেন্দ্ৰই । গতিকে এনে প্ৰেক্ষাপটত অসমৰ ৰাইজে একত্ৰিত ভাৱে গণতান্ত্ৰিক প্ৰতিৰোধ সংগ্ৰাম ক্ষীপ্ৰতৰ কৰি কেন্দ্ৰৰ কূট- কৌশল ওফৰাই অসমত শান্তি প্ৰক্ৰিয়া অব্যাহত ৰখাৰ সংকল্প গ্ৰহণৰ সময় সমাগত ।০০০

# জাতীয় মুক্তিৰ শেষ অস্ত্ৰ গণযুদ্ধ

## কানাইলাল কুৰ্মী

অসমৰ দীৰ্ঘদিনীয়া আলফা-চৰকাৰৰ ৰাজনৈতিক সংঘাতে অসমৰ জনগণৰ প্ৰবল দাবী-দাবাৰ ওচৰত হাৰ মানি কেন্দ্ৰীয় চৰকাৰে আলফাৰ লগত আলোচনা কৰিবলৈ সন্মত হ'ল। আলফাইয়ো অসমৰ জনগণৰ আশা-কাকাংখাক সন্মান জনাই ভাৰত ৰাষ্ট্ৰৰ লগত আলোচনা কৰিবলৈ সেউজ সংকেত দিলে। ভাৰতীয় ৰাষ্ট্ৰযন্ত্ৰৰ ঔপনিবেশিক চৰিত্ৰৰ ওপৰত লক্ষ্য ৰাখি, অসমৰ জনগণৰ বহু আকাংখিত শান্তি আলোচনাৰ নামত অসমৰ জনগণ প্ৰতাৰিত নহ'বৰ বাবে ১১ জনীয়া জ্যেষ্ঠ নাগৰিকৰ (পিচিচিজি) পৰামৰ্শ গোট গঠন কৰি দিলে। ২০০৫ চনৰ ২৬ অক্টোবৰত কেন্দ্ৰীয় চৰকাৰ আৰু পিচিচিজিৰে আলফা-চৰকাৰৰ শান্তি আলোচনা সম্পৰ্কত প্ৰথমখন বৈঠকত মিলিত হয়। পিচিচিজিয়ে অসমৰ জনগণৰ আৰু আলফাৰ মত সাপেক্ষে আলফা-চৰকাৰৰ প্ৰত্যক্ষ আলোচনাৰ পৰিৱেশ ৰচনা কৰিবলৈ পাঁচ শীৰ্ষ আলফা নেতাক মুক্তি, ভূটানত নিৰুদ্দিষ্ট আলফাৰ সন্ধান দিবলৈ আৰু অসমৰ সেনা অভিযান বন্ধ কৰিবলৈ আহ্বান জনায়। কিন্তু কেন্দ্ৰীয় চৰকাৰে পিচিচিজিৰ লগত তিনিখনকৈ আলফশ-চৰকাৰৰ প্ৰত্যক্ষ আলোচনা সম্পৰ্কত আলোচনাত মিলিত হৈও একো ফও নধৰিলে। কেন্দ্ৰীয় চৰকাৰে বন্দী মুক্তি, সেনা অভিযান বন্ধৰ আশ্বাস দি আনফশলে অসমত ন-ন কেসশলেৰে সেনা অভিযান অব্যাহত ৰাখিলে। কাকপথাৰৰ নৃশংস হত্যাকাণ্ডই ভাৰতীয় ৰাষ্ট্ৰযন্ত্ৰৰ নৃশংস চৰিত্ৰ উদঙাই দেখুৱালে। অন্যাহাতে কেইবাজনো আলফা সদস্যক ভুৱা সংঘৰ্ষৰ নামত হত্যা কৰিলে। শেষতীয়াকৈ পাঁচ শীৰ্ষ আলফশ নেতাক মুক্তি পূৰ্বৰ ৯১ চনৰ আলফশ-চৰকাৰৰ আলোচনাৰ অজুহাতত অপপ্ৰচাৰ চলাই নামমাত্ৰ ৪১ দিন সেনা অভিযান বন্ধৰ ঘোষণা কৰি আলফাৰ পৰা প্ৰত্যক্ষ আলোচনাৰ চুক্তি পত্ৰৰ চৰ্ত জাতি দিলে অন্যথা পুনৰ অসমত সেনা অভিযান তীব্ৰ কৰাৰ ভাবুকি দিলে। কেন্দ্ৰীয় চৰকাৰে প্ৰতিশ্ৰুতি প্ৰদান কৰা পাঁচ শীৰ্ষ আলফা নেতাৰ মুক্তিৰ বিষয়ত আলফাৰ পৰামৰ্শ গোট পিচিচিজিক অসন্মান জনাই আলফাৰ পৰা প্ৰত্যক্ষ যোগাযোগ সহ চুক্তিপত্ৰ বিচৰা কাৰ্যত আলফশ অসন্তুষ্ট হৈ প্ৰত্যাখান কৰিলে। লগে লগে কেন্দ্ৰীয় চৰকাৰে ম্যানমাৰ সেনালৈ ১৯৮ ট্ৰাক অস্ত্ৰ-শস্ত্ৰ প্ৰেৰণ কৰি ম্যানমাৰৰ পৰা আলফা নিঃশেষ অভিযান আৰম্ভ কৰিলে। অন্যহাতে অসমলৈও বহু কেইটা সামৰিক বাহিনীৰ কোম্পানী পঠাই সামৰিক অভিযান আৰম্ভ কৰি বহু কেইজন আলফা সদস্যক হত্য কৰাৰ লগতে কেইবাজনো নিৰীহ যুৱক-যুৱতীক অত্যাচাৰ চলাই কাৰাগাৰলৈ নিক্ষেপ কৰিলে। উজনী অসমৰ কেইবা জনো যুৱকক সামৰিক বাহিনীয়ে নৃশংস অত্যাচাৰ চলাই পঙ্গু কৰাৰ প্ৰতিবাদত পথ বন্ধ, থানা ঘেৰাও আদিত সামৰিক বাহিনীৰ শীৰ্ষ নেতৃত্বই নিৰ্লজ ভাবে পৰিয়ালৰ ওচৰত আঁঠু ক্ষমা বিচাৰিবলৈ বাধ্য হয়। আলফশইও শান্তি আলোচনাৰ প্ৰাক মুহূৰ্ত্ততে প্ৰতাৰিত হৈ দুৰ্যোধনৰ ভাও ধৰা কেন্দ্ৰীয় চৰকাৰক এসেকা দিবলৈ কঁকালত টঙালি বান্ধি ঠায়ে ঠায়ে আৰক্ষী, সেনা বাহিনীৰ ওপৰত প্ৰতি আক্ৰমণ চলাই কেইবাজনো শীৰ্ষ সামৰিক বিষয়া সহ সামৰিক, আৰক্ষীক হত্যা কৰিলে। আকৌ আৰম্ভ হ'ল অসমত এক বিষময় ৰক্তাক্ত পৰিৱেশ।

ভাৰত ৰাষ্ট্ৰৰ ধ্বজাবাহীইঁতে পূৰ্বৰ পৰা সংযুক্ত মুক্তি বাহিনী অসমৰ দাবী দাবাক ষড়যন্ত্ৰমূলক কাৰ্যকলাপেৰে ক্ৰয় কৰাৰ অপচেষ্টা অব্যাহত ৰাখি আহিছে। ১৯৯১ চনত মিলিত হোৱা আলফা চৰকাৰৰ আলোচনাত দখলপাৰীইঁতে অসমৰ স্বাধীনতাৰ স্পৃহাক নসাত কৰি আলফাক সাৰ্বভৌমত্বৰ দাবীৰ পৰা আঁতৰি আহি ভাৰতীয় সংসদীয় ৰাজনীতিত অংশ গ্ৰহণ কৰিবলৈ অন্যথা মোটা অংকৰ ধনৰ টোপোলা গ্ৰহণ কৰিবলৈ বাধ্য কৰাইছিল। যাৰ পৰিণতিত ১৯৯১ চনৰ আলফা-চৰকাৰৰ আলোচনাৰ পৰা গৰিষ্ঠ সংখ্যক নেতাই আঁতৰি আহি পুনৰ সশস্ত্ৰ সংগ্ৰাম তীব্ৰ কৰি তুলিছিল। ১৯৯১ চনত যি সকল আলফা সদস্যই অসমীয়া বৃহত জাতীয় স্বাৰ্থতকৈ ব্যক্তিগত স্বাৰ্থক আগস্থান দিলে সেইসকলে কেন্দ্ৰীয় চৰকাৰে আবঢ়োৱা ধনৰ টোপোলা লৈ তথাকথিত মূল সুঁতি নামৰ চৰকাৰী ষড়যন্ত্ৰৰ জালত ভৰি দিলে। গতিকে অসমৰ জনগণৰ মূৰত কঁঠাল ভাঙি খেশৰা কেন্দ্ৰীয় চৰকাৰে ১৯৯১ চনৰ আলফা-চৰকাৰৰ আলোচনাৰ পৰা আলফাই আঁতৰি যোৱাৰ যি অপপ্ৰচাৰ চলাই হয়তো প্ৰমাণ কৰিছে যে কেন্দ্ৰীয় চৰকাৰে ২০০৬ বৰ্ষৰ জনগণৰ বহু আকাংখিত আলফা-চৰকাৰৰ আলোচনাৰত সাৰ্বভৌমত্বৰ আধাৰত বহাৰ আন্তৰিকতা নাই। ১৯৯১ চনৰ আলফা-চৰকাৰৰ আলোচনা গৰিষ্ঠ সংখ্যক অসমৰ জনগণৰ অজ্ঞাতে হৈছিল। কিন্তু ২০০৫-২০০৬ বৰ্ষৰ আলফশ-চৰকাৰৰ আলোচনা সমগ্ৰ থলুৱা, খিলঞ্জীয়া জনগণৰ প্ৰত্যক্ষ উদ্যোগত অনুষ্ঠিত হোৱাৰ কথা আছিল। যিহেতু ২০০৫ বৰ্ষত আলফা-চৰকাৰৰ আলোচনাৰ স্বাৰ্থত চি. চি. পি. আই এ.ৰ উদ্যোগত

অসমৰ সাতাইশটা মঞ্চই আলফা-চৰকাৰৰ শান্তি আলোচনা সাৰ্বভৌমত্বৰ আধাৰতে গণতান্ত্রিক মৰ্যাদা সহকাৰে আলোচনা কৰিবলৈ কেন্দ্রীয় চৰকাৰক দাবী জনাই আহিছে। কিন্তু অসমৰ জনগণৰ আশা-আকাংখ্যাক ভৰিৰে মোহাৰি কেন্দ্রীয় চৰকাৰে আলফাক জনমানসক হেয় প্ৰতিপন্ন কৰাৰ বিভিন্ন ধৰণৰ অপপ্ৰচাৰ চলাই অসমৰ বহু প্ৰত্যাসিত শান্তি আলোচনাৰ বিপৰীতে অসমৰ সামৰিক অভিযান জাপি দি নিজে ধোৱা তুলসীৰ পাত সজাবলৈ যত্ন কৰিছে। কিন্তু অসমৰ জনগণে ১৮০ বছৰীয়া পৰাধীনতাৰ যানত্ৰণা ভোগি কেন্দ্রীয় চৰকাৰৰ পাগলামী মনোভাৱ স্পষ্ট ৰূপত বুজি পাইছে। বিশ্বৰ তৃতীয় স্থান দখল কৰা ভাৰতীয় সামৰিক শক্তিকো ভয় নকৰি অসমৰ জনগণে হয় তৰিম নহয় মৰিম মহামন্ত্ৰৰে আলফাই আৰম্ভ কৰা জাতীয় মুক্তি সংগ্ৰামখন অসমৰ জনগণৰ মুকুতিৰ মহাগঠসংগ্ৰামলৈ ৰূপান্তৰ কৰিলে। তাতেই ভাৰতৰাষ্ট্ৰৰ লুণ্ঠণৰ থলিখন হেৰুৱাৰ ভয়ত, সান্দহ খোৱা বালিৰ তল যোৱাৰ ভয়ত ত্ৰস্তমান হৈ ন-ন কূট-কৌশলেৰে অসমৰ জাতীয় মুক্তি সংগ্ৰামখনক নিঃশেষ কৰাৰ গভীৰ ষড়যন্ত্ৰত লিপ্ত হৈছে।

অসমৰ ১৮০ বছৰীয়া পৰাধীনতাৰ শৃংখল চিঙাৰ বাস্তৱ সংগ্ৰাম খনক দুৰ্যোধন চৰিত্ৰ বহনকাৰী ভাৰত ৰাষ্ট্ৰই বাৰে বাৰে মুখ থেকেচা খশইও নিৰ্লজ ভাৱে অসমৰ সম্পদক বাপতি সম্পদ হিচানে ভোগ কৰাৰ পৰা বঞ্চিত হোৱাৰ ভয়ত অসমৰ জনগণৰ নাৰ্যদাবী সাৰ্বভৌমত্বক এৰাই চলি ভাৰতীয়কৰণত অৱদমণেৰে অসমৰ জনগণৰ বহু আকাংখিত শান্তি আলোচনা ৰুধিব পাৰিবনে?

কেন্দ্রীয় চৰকাৰে অসমৰ জনগণৰ বহু আকাংখিত আলফা-চৰকাৰৰ শান্তি আলোচনাক সন্মানজনক সঁহাৰি নজনালে অসমৰ কৃষক শ্ৰমিকে অহিংসাৰ পথ পৰিহাৰ কৰি হিংসাৰ পথেৰে অথবা গণযুদ্ধৰ দ্বাৰা অসমৰ সাতামপুৰুষীয়া স্বাধীনতা ঘূৰাই আনিবা ই চিৰন্তন সত্য।

কোনো এটা জাতিক চিৰদিন পৰাধীনতাৰ শৃংখল লগাই থব নোৱাৰে। ই চিৰন্তন সত্য। ভাৰতীয় শাসক গোষ্ঠীয়ে অসমীয়া জাতীয় জনগণৰ ওপৰত কৰা শোষণ-অবদমনে জাতীয় চেতনা জাগৃত কৰাত অৰিহণা অব্যাহত ৰখা জাতি ধ্বংসী অভিযান আৰু জনগণৰ গণতান্ত্রিক ভাবে কৰা দাবীদাৱাক সামৰিক অত্যাচাৰেৰে কৰা অবদমনে জনগণে গণতন্ত্ৰৰ ওপৰত আস্থা হেৰুৱাই জংগী আন্দোলনৰ পথ বাছি লৈছে। বৰ্তমান অসমৰ জনগণে অসমৰ জাতীয় মুক্তিৰ পক্ষত থাকি বহু সময়ত আৰক্ষী সামৰিক বাহিনীৰ ওপৰত প্ৰতি আক্ৰমণ চলোৱাতো পিছ পৰি থকা নাই। কাকপথাৰৰ অজিত মহন্তৰ হত্যাকাণ্ডৰ প্ৰতিবাদত বহু হাজাৰ জনতাই সামৰিক বেহু ভেদ কৰি সামৰিক বাহিনীৰ ওপৰত আক্ৰমণ চলাই কেইবাখনো থানাত অগ্নিসংযোগ কৰিবলৈ উদ্যত হোৱা ঘটনাই জনগণৰ ভগন মানসিকতাৰ পৰিচয় দি আহিছে। গোলাঘাট জিলাৰ শ্ৰমিক ৰীতেন কৰ্মকাৰৰ হত্যাকাণ্ডৰ সময়তো চাহ শ্ৰমিক সকলে আৰক্ষী বাহিনীৰ ওপৰত শিলগুটি তুলি আক্ৰমণ কৰিবলৈ প্ৰস্তুত হৈছিল। অন্যাহতে উজনীৰ ডুমডুমা কোনোবা এখন বাগিছাৰ শ্ৰমিকে হাতত দা-কুঠাৰ, ধনু লৈ থনা ঘেৰাও কৰি আক্ৰমণ কৰিবলৈ লোৱা কাৰ্যক সেই সময়ত কিছু সংগঠনে এনে কাৰ্যৰ বিৰোধিতা কৰি গৰিহণা দিছিল। কিন্তু সেই সংগঠনৰ নেতৃবৃন্দই অসমৰ কৃষক শ্ৰমিকৰ এনে উগ্ৰপন্থা গ্ৰহণ কৰাৰ প্ৰকৃত কাৰণ বিশ্লেষণ নকৰি গৰিহণা দিলে। কিন্তু অসমৰ কৃষক শ্ৰমিকক এনে অগণতান্ত্রিক পন্থা গ্ৰহণ কৰিবলৈ কোনো বাধ্য কোনো কৰোৱালে। নিশ্চয় ভাৰতীয় ৰাষ্ট্ৰযন্ত্ৰৰ ধাৰাবাহিক শোষণ-অবদমনে নহয়নে?

২০০৫-২০৬ বৰ্ষৰ আলফা-চৰকাৰৰ আলোচনাত কেন্দ্রী চৰকাৰে কিমান নিৰ্লজ ভাবে আলফশক এফালে আমন্ত্ৰণ জনাইছে আনফশলে বিভিন্ন ধৰণৰ ষড়যন্ত্ৰ ৰচনা কৰি আলফশ নিঃশেষ কৰাৰ ফান্দ পাতিছে। আজিৰ অসমৰ জনগণে বুজি পাইছে ২০০৬ বৰ্ষৰ আলফা-চৰকাৰৰ শান্তি আলোচনা ব্যৰ্থ হোৱাৰ বাবে দায়ী কোন। ভাৰতীয় ৰাষ্ট্ৰৰ কুটিল ষড়যন্ত্ৰৰ বাবেহে যে বহু আকাংখিত শান্তি আলোচনা ব্যৰ্থ হ'ল সেয়া অসমৰ জনগণক বুজাই কোৱাৰ নিশ্চয় প্ৰয়োজন নাই। এতিয়া বহু আকাংখিত শান্তিৰ বাবে অসমৰ জনগণে জংগী পথ গ্ৰহণ কৰিলে তাৰ বাবে দায়ী হ'ব লাগিব ভাৰত ৰাষ্ট্ৰহে।

লগতহে এই শান্তি প্ৰক্ৰিয়া বিঘ্নিত কৰিবলৈ অহৰহ চেষ্টা চলাই অহা ভাৰতীয় শোষক গোষ্ঠীৰ এৰেহা চেলেকা বদনৰূপী প্ৰতিক্ৰিয়াৰূপী চক্ৰটোক যে জনগণে ৰেহাই নিদিব সি ধ্ৰুৱপ। গতিকে কেন্দ্রীয় চৰকাৰে অসমৰ জনগণৰ বহু আকাংখিত আলফা-চৰকাৰৰ শান্তি আলোচনাক সন্মানজনক সঁহাৰি নজনালে অসমৰ কৃষক শ্ৰমিকে অহিংসাৰ পথ পৰিহাৰ কৰি হিংসাৰ পথেৰে অথবা গণযুদ্ধৰ দ্বাৰা অসমৰ সাতামপুৰুষীয়া স্বাধীনতা ঘূৰাই আনিবা ই চিৰন্তন সত্য।

OKDISCD

# জাতীয় শ্বহীদ দাদাৰ পবিত্ৰ স্মৃতিত

পূৰ্ণিমা হাজৰিকা
জ্যোতি হাজৰিকা

জীৱন নাটৰ আখৰা মাথো আৰম্ভ হৈছিলহে, নাট মঞ্চস্থ হ'বলৈ নৌপাওঁতেই বিনামেঘে বজ্ৰপাত হ'ল। সেই বজ্ৰপাতে ফুল কুমলীয়া দেহাক ছিন্ন বিচ্ছিন্ন কৰি পেলালে। এনে বজ্ৰপাত সকলোৱে ব্যৱহাৰ কৰিব নোৱাৰে। মাথো এটাই তাক ব্যৱহাৰ কৰে -চৰকাৰৰ ভেৰোণীয়া কুকুৰে। সেই চৰকাৰৰ ভেৰোণীয়াই কাঢ়ি নিলে আমাৰ দাদাৰ জীয়াই থকাৰ আশা-ভৰসা, সপোনবোৰ। কিন্তু সি ভাবিছিল আমি জীয়াই থকা অধিকাৰৰ পৰা কেতিয়াও লাঞ্চিত, বঞ্চিত নহওঁ বুলি। শেষত দাদায়ে সকলো ত্যাগ কৰি চিৰ স্নেহৰ মাতৃৰ বুকুৰ পৰা মেলানি মাগিলে। দাদাই শৈশৱতে জীৱনটোও অতি দুখেৰে পাৰ কৰিছিল। কাৰণ আমি য'ত বাস কৰো একেবাৰে সীমান্তৰ দাঁতি কাষৰীয়া অঞ্চল। ইয়াত বিভিন্ন সমস্যাৰে আগুৰি আছে। যেতিয়া নগা সকলে আমাক অত্যাচাৰ চলায় তেতিয়া আমি থাকিব নোৱাৰোঁ। কোনোবা শিবিৰত কোনোবা উজাগৰী নিশা পিৰালিত বহি, কোনোবা পথৰ দাঁতিত বহি দিন কটাইছিলো। তেনে দুৰ্যোগৰ সময়তো শিক্ষা জীৱনটো আগুৱাই নিছিল। হাইস্কুলীয়া ছাত্ৰ অৱস্থাৰে পৰাই শিশু আৰু সমাজক ভালপোৱা দাদাই যাক এবাৰ লগ পায় তাৰ হৃদয়ত খোপনি পুতিবলৈ সক্ষম হয় নিজৰ পৱিত্ৰ অন্তৰৰ যোগে। সৰুৰে পৰাই হাস্যৰসী, সাহসী, স্পষ্টবাদী ভাৱৰ হেঁচাত বাছি লৈছিল সশস্ত্ৰ মুক্তি সংগ্ৰাম। এনে মুক্তি সংগ্ৰামে অসমৰ মানুহৰ চিন্তা চেতনাত নিজৰ মৰ্যাদা আৰু অধিকাৰ, সচেতনতা কলুষিত কৰি তুলিলে। অসমৰ জনগণৰ এই সংগ্ৰাম সমূহক ৰাষ্ট্ৰই তথা শাসনকৰ্তা সকলে কেতিয়াবা দমন নীতিৰে, কেতিয়াবা ষড়যন্ত্ৰমূলক আলাপ আলোচনাৰে, কেতিয়াবা প্ৰতাৰণামূলক চুক্তিৰে নিঃশেষ কৰি আহিছে। চৰকাৰ তথা ৰাষ্ট্ৰযন্ত্ৰই বিদ্ৰোহৰ মূল কাৰণ বিশ্লেষণ নকৰি কেৱল আইন শৃংখলাজনিত বিষয় হিচাপে লৈ এই বিদ্ৰোহ নিৰ্মূল কৰাৰ নামত আজি ১৫ টা বছৰে অসমৰ জনগণৰ ওপৰত চৰম নিৰ্যাতন, নিপীড়ন, হত্যা, ধৰ্ষণ, লুণ্ঠন, গুপ্তহত্যা চলাই আহিছে। কেৱল চাৰিওফালে অশান্ত, অস্থিৰ, সকলোতে খবৰ মাথো মৃত্যুৰ, য'তে-ত'তে মানুহৰ কেঁচা তেজৰ চেকুৰা। (তথাপি নিৰ্লিপ্ত, নিৰ্বিকাৰ সকলোৱে যেন) তথাপি এনে মৃত্যুৰ বাবে মাত মাতিবলৈ গ'লে মৃত্যুক আঁকোৱালি ল'ব লগা হয়।

২০০৬ চনৰ ২ অক্টোবৰ তাৰিখে এটা হৃদয় বিদাৰক বাতৰিয়ে আমাৰ অঞ্চল তথা সমগ্ৰ অসমতে মৰ্মান্তিক আঘাত হানি গ'ল। তথাপিতো সকলোৱে দুখ যান্ত্ৰণা সহ্য কৰি সাত কিলোমিটাৰ পদযাত্ৰাৰে দাদাৰ মৃতদেহ কান্ধত তুলি বহুতো শ্ল'গানেৰে আকাশ বতাহ মুখৰিত কৰি চিতাগ্নি সম্পন্ন কৰিলো।

দাদাৰ মৃত্যুৱে থকাসৰকা কৰা আমাৰ পৰিয়ালৰ তথা দাদাক ভালপোৱা সকলৰ হৃদয়ৰ পৰা দাদাৰ স্মৃতি কোনো শক্তিয়েই মচিব নোৱাৰে। দাদা শ্বহীদ হ'ল। জাতীয় শ্বহীদ। এয়াই আমাৰ বাবে সান্ত্বনা। আমি এই জাতীয় শ্বহীদৰ আদ্যশ্ৰাদ্ধৰ পৱিত্ৰ দিনত দাদাৰ লগতে সকলো পৰিয়াললৈ আমাৰ পৰিয়ালৰ হৈ সমবেদনা জ্ঞাপন কৰিলোঁ।০০০

# শ্বহীদ শিশুৰাম শইকীয়ালৈ শ্ৰদ্ধাঞ্জলি

হে বীৰ শ্বহীদ, তোমাক আমি অশ্ৰুসিক্ত নয়নেৰে শত, সহস্ৰ প্ৰণাম জনাইছোঁ । তুমি অমৰ, তুমি বীৰ, তুমি অজেয় মুক্তি বিপ্লৱী । স্বদেশ আৰু স্ব-জাতিৰ বাবে তুমি নিজৰ প্ৰাণকো তুচ্ছ কৰি হাঁহি হাঁহি হেলাৰঙে প্ৰাণ বিসৰ্জন দিলা । তোমাৰ মহান আদৰ্শ ইতিহাসত জিলিকি থাকিব চিৰসত্য ধ্ৰুৱ তৰাৰ দৰে । তুমি নতুন প্ৰজন্মৰ বাবে প্ৰেৰণাৰ উৎস । তোমাৰ আদৰ্শক অনুকৰণ কৰি নতুন প্ৰজন্মই মুক্তিৰ পথ জিলিকাব । তোমাৰ আদৰ্শ জনগণৰ মাজত ব্যাপক জলন্ত শিখাহৈ জীৱন্ত হৈ ৰ'ব, প্ৰতিজন অসমীয়াই মুক্তিৰ সন্ধান বিচাৰিব ।

হে অমৰ বীৰ শ্বহীদ, আজি তোমাৰ পবিত্ৰ স্মৃতি দিৱসত, ৰাজহুৱা শ্ৰাদ্ধত আজি একাঁজলি অশ্ৰু অঞ্জলিৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছো আৰু ভগৱানৰ ওচৰত প্ৰাৰ্থনা - তুমি অমৰ হোৱা যেন ।

জয় আই অসম ।

সীমান্তৱৰ্তী আঞ্চলিক পুথিভঁৰাল, মুক্তিনগৰ
দিব্যজ্যোতি যুৱক সংঘ, ২নং ওপৰ তৰাণি



# জাতীয় শ্বহীদ শিশুৰাম শইকীয়ালৈ শ্ৰদ্ধাঞ্জলি

জানো মৃত্যু হ'ল এক চিৰন্তন সত্য । কিন্তু আত্মা অমৰ । পুৰণি পেলাই নতুন ৰ সন্ধানত । তথাপি তেওঁৰ মৃত্ৰৰ কৰুণ বেদনাত বেজাৰ নকৰি পাৰি জানো ? ২নং ওপৰ তৰাণি গাঁৱৰ শিশুৰাম শইকীয়াই কলেজত ছাত্ৰ অৱস্থাতে ২০০ চনত মুক্তি সংগ্ৰামত যোগ দি অসমৰ হকে অসমীয়া জাতিৰ বাবে ঘৰৰ পৰা আঁতৰি গৈ ৬ বছৰৰ ভিতৰত ২০০৬ চনৰ ২ অক্টোবৰ তাৰিখে সুদূৰ পশ্চিমপুৰত অসম পুলিচৰ লগত সংঘৰ্ষত মৃত্যুক সাৱটি লৈ এটি ভয় লগা নশ্বৰ দেহা লৈ ভাই-ভাতৃ, ইষ্ট-কুটুম্বক কন্দুৱাই জীৱনৰ যৱনিকা পেলাই বিদায় মাগিলে । তেওঁ জাতীয় শ্বহীদ ৰূপে আমাৰ মাজত অসমৰ মানুহৰ মাজত সদায় স্মৃতি ফলক হৈ ৰওক ।

হে অবিনশ্বৰ, চিৰশান্তি প্ৰয়াসী আত্মাৰ অধিকাৰী,
তুমি য'তেই আশা শান্তিৰে থাকা ।
আন্তৰিক কামনাৰে-

বুলু শইকীয়া(মামা)

OKDISCD

# জাতীয় ছহিদ শিশুৰাম শইকীয়াৰ পৰিয়ালবৰ্গ



ছহিদ শিশুৰাম শইকীয়াৰ মাতৃ ৰিতীকী শইকীয়া। লগত ভতিজা-ভতিজীসকল



ছহিদ শিশুৰাম শইকীয়াৰ তিনিগৰাকী নবৌয়েক



ছহিদ শিশুৰাম শইকীয়াৰ ককায়েক চাৰিজন

OKDISCD

*ওপৰৰ পৰা তললৈ ক্ৰমে ঃ-*

ঃ মাটিৰ অধিকাৰ বিচাৰি অহা জনগণৰ ওপৰত পুলিচী বৰ্বৰতা। ৯ জুন, ২০০৪ত গোলাঘাট চহৰত।

ঃ আৰক্ষীৰ আতিশয্যৰ বলি এগৰাকী প্ৰতিবাদকাৰী।

ঃ ছহিদ শিশুৰাম শইকীয়াৰ মৃতদেহৰ কাষত শোকাকুল জনতা।

ঃ অন্তিম শয়নত ছহিদ শিশুৰাম শইকীয়া।











# বজ্ৰ নিনাদ

OKDISCD